PG PS S1 01 (DSC)

দুবছৰীয়া স্নাতকোত্তৰ পাঠ্যক্ৰম

(চি.বি.চি.এচ; এন ই পি ২০২০ অনুসৰি)

প্ৰথম ষাণ্মাসিক

শেহতীয়া ৰাজনৈতিক তত্ত্ব

ৰাজনীতি বিজ্ঞান



সূর্য কুমাৰ ভূঞা সমাজ বিজ্ঞান অধ্যয়ন সত্ৰ

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

বিষয় বিশেষজ্ঞ

অধ্যাপক ধ্রুৱ প্রতিম **শর্মা**, গুৱাহাটী বিশ্ববিদ্যালয়
অধ্যাপক জ্যোতিৰাজ পাঠক, বড়োলেণ্ড বিশ্ববিদ্যালয়
ড° শান্তনু চক্রৱর্তী (অৱসৰপ্রাপ্ত), কটন বিশ্ববিদ্যালয়

সমন্বয়ৰক্ষীঃ ড° অভিজিৎ ভূঞা, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রস্তুতি গোটৰ সদস্য

অধ্যায়	*অৰিহণা যোগাইছে*	*ভাষান্তৰকাৰী*
১, ৬	নিলমী কোঁৱৰ, ৰয়েল গ্ল'বেল বিশ্ববিদ্যালয়, গুৱাহাটী	ভার্গব বর্মন, ৰঙাপৰা মহাবিদ্যালয় (অধ্যায় ১, ৪, ৮, ১০)
২, ১৪	ড° দাদুল দেউৰী, পূৱ কামৰূপ মহাবিদ্যালয়	অর্ণৱ শর্মা, এছ .বি. দেওৰা মহাবিদ্যালয়, গুৱাহাটী (অধ্যায় ২, ৭, ১১, ১৩)
৩	মিনাক্ষী দাস, NEF মহাবিদ্যালয়, গুৱাহাটী	ড°পংকজ কুমাৰ কলিতা,অসম ডন বস্ক' বিশ্ববিদ্যালয়, টেপেচিয়া(অধ্যায় ৩, ৫, ৬, ১৪)
৪	ভনিতা মালাকাৰ, প্রাগজ্যোতিষ মহাবিদ্যালয়, গুৱাহাটী	মৃণাল শর্মা, লামডিং মহাবিদ্যালয় (অধ্যায় ৯)
	আৰু জিলি সৰকাৰ, কটন বিশ্ববিদ্যালয়, গুৱাহাটী	কৃষাংগী শইকীয়া, গুৱাহাটী (অধ্যায় ১২)
৫, ৭, ৮	আমৰীণ ৰাজ্জাক, গৱেষক ছাত্র, NEHU, ছিলং	
৯, ১০	ড° চাবৰিণা ইকবাল চিৰকাৰ, প্রাগজ্যোতিষ কলেজ, গুৱাহাটী	
১১, ১২	ডেইজী ৰাণী তালুকদাৰ, গৱেষক ছাত্রী, KKHSOU, গুৱাহাটী	
১৩	শিৱানী ফুকন, ৰৱহোলা মহাবিদ্যালয়, যোৰহাট	

সম্পাদনা ঃ

বিষয়বস্তু সম্পাদনা ঃ ড° শুভ্রজিৎ কোঁৱৰ, গুৱাহাটী বিশ্ববিদ্যালয়
ভাষা সম্পাদনা ঃ কুশল শর্মা, গুৱাহাটী
গাঁথনিক সম্পাদনা ঃ ড° অভিজিৎ ভূঞা, KKHSOU, গুৱাহাটী

ISBN NO. 978-93-87940-06-2

জুলাই, ২০২৪

This Self Learning Material (SLM) of the Krishna Kanta Handiqui State Open University is made available under a Creative Commons Attribution-NonCommercial-ShareAlike4.0 License (international): http://creativecommons.org/licenses/by-nc-sa/4.0/

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ হৈ পঞ্জীয়কৰ দ্বাৰা মুদ্রিত আৰু প্রকাশিত।

এই শিক্ষণ সামগ্রী প্রস্তুতিৰ বাবে আর্থিক অনুদান আগবঢ়োৱা
দূৰ শিক্ষা ব্যুৰো, বিশ্ববিদ্যালয় অনুদান আয়োগৰ ওচৰত বিশ্ববিদ্যালয় কৃতজ্ঞ।

মুখ্য কার্যালয় ঃ পাটগাঁও, ৰাণীগেট, গুৱাহাটী-৭৮১০১৭
নগৰ কার্যালয় ঃ ৰেচম নগৰ, খানাপাৰা, গুৱাহাটী-৭৮১০২২
Web : www.kkhsou.in

বিষয় সূচী

পৃষ্ঠা নং

অধ্যায় ১ ঃ ৰাজনৈতিক তত্ত্বৰ প্ৰকৃতি আৰু প্ৰাসংগিকতা ৭-১৫

ৰাজনৈতিক তত্ত্বৰ অৰ্থ; প্ৰকৃতি আৰু প্ৰাসংগিকতা ঃ ৰাজনৈতিক তত্ত্বৰ প্ৰকৃতি, ৰাজনৈতিক তত্ত্বৰ প্ৰাসংগিকতা।

অধ্যায় ২ ঃ উদাৰতাবাদ ১৬-২৮

উদাৰতাবাদৰ অৰ্থ আৰু বৈশিষ্ট্য ঃ উদাৰতাবাদৰ অৰ্থ, উদাৰতাবাদৰ বৈশিষ্ট্য; উদাৰতাবাদৰ প্ৰয়োগ; উদাৰতাবাদৰ বিকাশ ঃ উদাৰতাবাদৰ সমীক্ষা।

অধ্যায় ৩ ঃ নব্য - উদাৰতাবাদ ২৯-৩৬

নব্য-উদাৰতাবাদৰ অৰ্থ ঃ নব্য-উদাৰতাবাদৰ ওপৰত দৃষ্টি, নব্য-উদাৰতাবাদৰ প্ৰকৃতি; নব্য-উদাৰতাবাদ আৰু গোলকীকৰণ; নব্য-উদাৰতাবাদৰ বিৰুদ্ধে সমালোচনা।

অধ্যায় ৪ ঃ উদাৰতাবাদ আৰু সাম্প্ৰদায়িকতাবাদ ৩৭-৪৮

উদাৰতাবাদ ঃ উদাৰতাবাদৰ অৰ্থ আৰু সংজ্ঞা, উদাৰতাবাদৰ নীতি; এফ. এ. হায়েক ঃ এফ. এ. হায়েকৰ দৰ্শন; ৰবাৰ্ট নজিক ঃ ৰবাৰ্ট নজিকৰ ধাৰণা; সাম্প্ৰদায়িতাবাদৰ অৰ্থ; সাম্প্ৰদায়িকতাবাদৰ সমালোচনাত্মক মূল্যায়ন।

অধ্যায় ৫ ঃ পুঁজিবাদ - কার্ল মার্ক্সৰ শ্ৰেণীভিত্তিক বিশ্লেষণ ৪৯-৫৮

দ্বন্দ্বাত্মক বস্তুবাদ; পুঁজিবাদৰ ওপৰত মাৰ্ক্সীয় ধাৰণা; কার্ল মার্ক্সৰ শ্ৰেণীভিত্তিৰ বিশ্লেষণ; ৰাজনীতিৰ আলোচনাৰ বাবে মাৰ্ক্সীয় তত্ত্ব।

অধ্যায় ৬ ঃ পুঁজিবাদৰ নায়কত্ববাদী (HEGEMONIC) দৃষ্টিভংগী- এণ্ট'নিও গ্ৰামছী ৫৯-৬৭

ৰাষ্ট্ৰ আৰু নাগৰিক সমাজ ঃ এণ্ট'নিও গ্ৰামছী, ৰাষ্ট্ৰ আৰু নাগৰিক সমাজ; নাগৰিক সমাজৰ ধাৰণা; নায়কত্ব আৰু ৰাষ্ট্ৰ।

অধ্যায় ৭ ঃ বিপ্লৱ, সাম্ৰাজ্যবাদ - ভি. আই. লেনিন ৬৮-৭৫

মাক্সবাদত লেনিনে কৰা পৰিৱৰ্তন; সাম্ৰাজ্যবাদ সম্পৰ্কত লেনিন; বিপ্লৱৰ প্ৰসংগত লেনিন।

অধ্যায় ৮ ঃ নতুন গণতন্ত্ৰ আৰু সাংস্কৃতিক বিপ্লৱ ঃ মাও জেডং ৭৬-৮২

নতুন গণতন্ত্ৰ আৰু সাংস্কৃতিক বিপ্লৱ ঃ মাও ঃ নতুন গণতন্ত্ৰ, সাংস্কৃতিক বিপ্লৱ; এশ ফুলৰ নীতি।

অধ্যায় ৯ ঃ ন্যায়ৰ নাৰীবাদী আৰু প্ৰান্তীয় দৃষ্টিভংগী ৮৩-৯৩

ন্যায়ৰ নাৰীবাদী দৃষ্টিভংগী; ন্যায়ৰ প্ৰান্তীয় দৃষ্টিভংগী; দুয়োটা দৃষ্টিভংগীৰ তুলনা।

অধ্যায় ১০ ঃ বিতৰণমূলক ন্যায় - জন ৰৰ্লছ্ ৯৪-১০১

জন ৰৰ্লছ্ৰ বিতৰণমূলক ন্যায়; ৰবার্ট নজিঞ্জৰ প্রাপ্যতা (Entitlement) তত্ত্বৰ লগত তুলনা; বিশ্লেষণ আৰু সমালোচনা।

অধ্যায় ১১ ঃ গণতন্ত্রৰ ধাৰণা ১০২-১১৬

গণতন্ত্রৰ অর্থ আৰু সংজ্ঞা; গণতন্ত্রৰ ধাৰণাৰ উদ্ভৱ ঃ গণতন্ত্রৰ নীতি, গণতন্ত্রৰ সফলতাৰ বাবে প্রয়োজনীয় চর্ত; গণতন্ত্রৰ বিভাগ ঃ পৰোক্ষ গণতন্ত্রৰ বিভিন্ন ৰূপ; উদাৰ গণতন্ত্রৰ ধাৰণা ঃ উদাৰ গণতন্ত্র সফল কৰাৰ বাবে প্রয়োজনীয় নীতি।

অধ্যায় ১২ ঃ গণতন্ত্রৰ সমসাময়িক তত্ত্ব ১১৭-১৩১

গণতন্ত্রৰ অভিজাত্যবাদী তত্ত্বৰ অর্থ; গণতন্ত্রৰ অভিজাত্যবাদী তত্ত্বৰ বৈশিষ্ট্য ঃ অভিজাত শ্রেণীৰ প্রচলনৰ ধাৰণা; গণতন্ত্রৰ অভিজাত্যবাদী তত্ত্বৰ বিৰুদ্ধে সমালোচনা; গণতন্ত্রৰ বহুত্ববাদী তত্ত্ব ঃ গণতন্ত্রৰ বহুত্ববাদী তত্ত্বৰ অর্থ, বহুত্ববাদৰ বিকাশৰ বাবে দায়বদ্ধ কাৰকসমূহ, বহুত্ববাদৰ গুৰুত্ব, গণতন্ত্রৰ বহুত্ববাদী তত্ত্বৰ বৈশিষ্ট্য; গণতন্ত্রৰ বহুত্ববাদী তত্ত্বৰ সমালোচনা।

অধ্যায় ১৩ ঃ জাতীয়তাবাদ ঃ অর্থ আৰু প্রকৃতি ১৩২-১৪১

জাতিৰ অর্থ; জাতীয়তাবাদৰ বিকাশ; জাতীয়তাবাদৰ প্রকাৰ; জাতীয়তাবাদৰ কাৰক।

অধ্যায় ১৪ ঃ আদর্শ; "আদর্শৰ অন্ত" বিতর্ক ১৪২-১৫০

আদর্শৰ অর্থ; "আদর্শৰ অন্ত" বিতর্ক; ফ্রান্সিছ ফুকুয়ামা আৰু "ইতিহাসৰ অন্ত"; ফ্রান্সিছ ফুকুয়ামাৰ "ইতিহাসৰ অন্ত" ধাৰণাৰ সমালোচনা।

পাঠ্যবিষয় পৰিচয়

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ অধীনত ৰাজনীতি বিজ্ঞানৰ স্নাতকোত্তৰ (প্ৰথম যান্মাষিকৰ) "শেহতীয়া ৰাজনৈতিক তত্ত্ব" শীৰ্ষক পাঠ্যক্ৰমটো শিক্ষাৰ্থীসকলক ৰাজনৈতিক জীৱনৰ বিভিন্ন সামাজিক ৰাজনৈতিক বিষয়ক সমালোচনাত্মক ভাৱে বিশ্লেষণ কৰাৰ ক্ষেত্ৰত ৰাজনীতি বিজ্ঞানৰ সমসাময়িক আলোচনাৰ মৌলিক তাত্ত্বিক পৰিকাঠামো আৰু এই সন্দৰ্ভত আগবঢ়োৱা তাত্ত্বিক গঠনসমূহ বুজি পোৱাত সহায় কৰিবলৈ এই পাঠ্যক্ৰটো বনোৱা হৈছে। সেই অনসৰি পাঠ্যক্ৰমটোৱে আৰম্ভণিতে ৰাজনৈতিক তত্ত্বৰ প্ৰকৃতি আৰু গুৰুত্বৰ বিষয়ে অন্তদৃষ্টি প্ৰদান কৰিব বিচাৰে। ইয়াৰ পিছত পাঠ্যক্ৰমত উদাৰতাবাদ, নব্য-উদাৰতাবাদ, স্বাধীনতা আৰু সাম্যবাদ ধৰি ৰাজনৈতিক বিশ্লেষণৰ ক্ষেত্ৰত কিছুমান গুৰুত্বপূৰ্ণ বিষয় আৰু ধাৰণাৰ বিষয়ে আলোচনা কৰা হয়। কাল মাৰ্ক্সৰ শ্ৰেণী দৃষ্টিভংগীৰ ৰূপত পুঁজিবাদৰ এক সমালোচনামূলক দৃষ্টিভংগী আৰু এণ্টোনিও গ্ৰামচিৰ আধিপত্যবাদী দৃষ্টিভংগীও পাঠ্যক্ৰমত আলোচনা কৰা হৈছে। এই পাঠ্যক্ৰমত লেনিন আৰু মাওৰ তত্ত্বসমূহো সামৰি লোৱা হৈছে। এই পাঠ্যক্ৰমত কিছুমান ধৰ্মনিৰপেক্ষ বিৱৰণৰ ক্ষেত্ৰত ন্যায়ৰ ধাৰণাটো বাখ্যা কৰা হৈছে। সেই অনুসৰি, নাৰীবাদী আৰু চাবাল্টার্ণ দৃষ্টিভংগী আৰু জন ৰলছৰ বিতৰণমূলক ন্যায় তত্ত্ব পাঠ্যক্ৰমত আলোচনা কৰা হৈছে। আধুনীক ৰাজনৈতিক জীৱনৰ এক মূল আধাৰ হৈছে গণতন্ত্ৰৰ ধাৰণা। সেই অনুসৰি পাঠ্যক্ৰমত উদাৰ গণতন্ত্ৰ, অভিজাত গণতন্ত্ৰ, বহুত্ববাদী গণতন্ত্ৰ আৰু অংশগ্ৰহণমূলক গণতন্ত্ৰকে ধৰি বিভিন্ন ধৰণৰ গণতন্ত্ৰৰ বিষয়ে আলোচনা কৰা হয়। এই পাঠ্যক্ৰমত ৰাজনৈতিক অস্তিত্বৰ এটা গুৰুত্বপূৰ্ণ দিশ জাতীয়তাবাদ, ইয়াৰ অৰ্থ আৰু প্ৰকৃতিৰ বিষয়েও আলোচনা কৰা হৈছে। অৱশেষত পাঠ্যক্ৰমটো "আদৰ্শৰ সমাপ্তি" বিতৰ্কৰ ওপৰত আলোচনাৰ সৈতে সমাপ্তি কৰা হৈছে। "আদৰ্শৰ সমাপ্তিৰ" ধাৰণাটোৱে পশ্চিমীয়া বিশ্বত দ্বিতীয় বিশ্বযুদ্ধৰ পিছৰ ৰাজনৈতিক বাস্তৱতাৰ এক বাখ্যা প্ৰদান কৰে, যাৰ বৈশিষ্ট্য হৈছে আদৰ্শগত সংঘাতৰ অনুপস্থিতি, উদাৰ গণতন্ত্ৰৰ আদৰ্শই সমগ্ৰ বিশ্বতে সাৰ্বজনীন গ্ৰহণযোগ্যতা লাভ কৰে।

এই খণ্ডটি অধ্যয়ন কৰোঁতে আপুনি প্ৰত্যেকটো অধ্যায়তে কিছুমান আয়তাকাৰ বাকচ লক্ষ্য কৰিব। এইবাকচবোৰ কিছুমান হৈছে 'জানি থোৱা ভাল' শব্দকেইটাৰ উল্লেখ থকা বাকচ। এই বাকচসমূহত মূল পাঠৰ সৈতে জড়িত কিছুমান গুৰুত্বপূৰ্ণ তথ্যৰ সম্ভেদ আছে। কোনো কোনো অধ্যায়ত 'চিন্তা-চৰ্চা কৰক' শীৰ্ষক বাকচত নিৰ্দিষ্ট পাঠ্যবিষয় অধ্যয়নৰ কিছুমান ব্যৱহাৰিক দিশ উত্থাপিত হৈছে যাতে সেই দিশসমূহৰ অনুশীলনীৰ মাধ্যমেদি শিক্ষাৰ্থীয়ে সেই সম্পৰ্কীয় বিশ্লেষণাত্মক আলোচনা আগবঢ়াব পাৰে। আকৌ 'অগ্ৰগতি নিৰীক্ষণ'যোগে আগবঢ়োৱা প্ৰশ্নাৱলীয়ে অধ্যয়নৰ অগ্ৰগতিৰ সম্পৰ্কে স্ব-পৰীক্ষণৰ সুবিধা দিব। অৱশ্যে 'অগ্ৰগতিৰ ক্ষতিয়ান' শীৰ্ষক শাখাটোত 'অগ্ৰগতি নিৰীক্ষণ'ৰ প্ৰশ্নাৱলীৰ উত্তৰ নিদি কেৱল উত্তৰসমূহৰ ৰূপ ৰেখা দিয়া হৈছে। তাৰ আধাৰত শিক্ষাৰ্থীয়ে উত্তৰসমূহ লিখি উলিয়াব লাগিব। অধ্যায়ত আলোচিত বিভিন্ন ধাৰণাসমূহৰ বিষয়ে বিস্তৃত অধ্যয়নৰ বাবে 'অধিক জানিবলৈ' শাখাত উল্লেখ থকা গ্ৰন্থসমূহ সাৰথি স্বৰূপ। অধ্যায়বোৰৰ শেষত 'আৰ্হি প্ৰশ্ন' হিচাপে কেইটামান প্ৰশ্নৰ আৰ্হিও তুলি দিয়া হৈছে। খণ্ডটোৰ শেষত 'প্ৰসংগ পুথি' সমূহৰ নাম উল্লেখ কৰা হৈছে। সেইকেইখন পুথিৰ সহায়েৰেই মূলতঃ এই পাঠ্যবিষয়ত উল্লেখ থকা অধ্যায়সমূহ প্ৰস্তুত কৰা হৈছে। শিক্ষাৰ্থীয়ে বিশদভাৱে কোনো বিষয় জানিবলৈ হ'লে সেইকেইখন অধ্যয়ন কৰিব পাৰিব।

অধ্যায় ১ ঃ ৰাজনৈতিক তত্ত্বৰ প্ৰকৃতি আৰু প্ৰাসংগিকতা

অধ্যায় গাঁথনি

১.১ উদ্দেশ্য

১.২ পৰিচয়

১.৩ ৰাজনৈতিক তত্ত্বৰ অর্থ

১.৪ প্ৰকৃতি আৰু প্ৰাসংগিকতা

১.৪.১ ৰাজনৈতিক তত্ত্বৰ প্ৰকৃতি

১.৪.২ ৰাজনৈতিক তত্ত্বৰ প্ৰাসংগিকতা

১.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১.৬ অধিক জানিবলৈ

১.৭ অগ্ৰগতিৰ খতিয়ান

১.৮ আৰ্হি প্ৰশ্ন

১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ৰাজনৈতিক তত্ত্বৰ অর্থ বর্ণনা কৰিব পাৰিব
- ৰাজনৈতিক তত্ত্বৰ প্ৰকৃতি বর্ণনা কৰিব পাৰিব
- ৰাজনৈতিক তত্ত্বৰ প্ৰাসংগিকতা আলোচনা কৰিব পাৰিব।

১.২ পৰিচয়

মানুহ হিচাপে আমি এনে এখন সমাজ অবিহনে জীয়াই থাকিব নোৱাৰো য'ত পৰিয়াল, বিদ্যালয়, সম্প্ৰদায়ৰ সংগঠন,ধর্মীয় অনুষ্ঠান আদিৰ দৰে অনুষ্ঠান অন্তভূক্ত নহয়। আমি প্ৰত্যেকেই সামাজিক সত্বা হিচাপে জিয়াই থাকিবলৈ এখন সমাজত বাস কৰাটো প্ৰয়োজনীয়। আমাৰ সামাজিক অস্তিত্বৰ সৈতে জড়িত এক অবিচ্ছেদ্য দিশ হ'ল ৰাজনীতি আৰু ৰাজনৈতিক ক্ষেত্ৰ। প্ৰকৃততে ৰাজনীতি হ'ল দৈনন্দিন জীৱনৰ এক অংশ আৰু ইয়াৰ পৰা দূৰত থাকিব নোৱাৰি। পলিটি (polity), পলিটিকচ্ (politics) আৰু পলিটিকেল (political) শব্দকেইটা গ্ৰীক শব্দ "polis" (পলিচ) ৰ পৰা অহিছে যিয়ে পুৰণি গ্ৰীক নগৰ ৰাষ্ট্ৰক বুজায়। পুৰণি নগৰ ৰাষ্ট্ৰ বিলাকৰ চাৰিসীমা জংঘল, পাহাৰ আৰু বিভিন্ন নদ-নদীৰে আৱৰি থকা আছিল। 'পলিটি' শব্দটোৱে এন এটা সংগঠনক বুজায় য'ত শাসন পৰিচালনাৰ বাবে বিভিন্ন নিয়ম প্ৰণয়ন কৰা হয় আৰু সেই নিয়মবোৰ এটা সম্প্ৰদায়ে অনুসৰণ কৰে 'ৰাজনৈতিক' শব্দটোৱে সকলোকে আৰু সকলোবোৰ সামৰি লোৱা বুজায়।

১.৩ ৰাজনৈতিক তত্ত্বৰ অৰ্থ

ৰাজনৈতিক তত্ত্ব ৰাজনীতি বিজ্ঞান শাখাৰ মূল উপাদান। ইয়াত মূলত নীতিগত আৰু তাত্বিক বিষয়ৰ সৈতে জড়িত স্বাধীনতা, ন্যায়, সমতা, গণতন্ত্ৰ আদি বিষয়সমূহৰ ওপৰত আলোচনা আৰু পৰ্যালোচনা কৰা হয়। আৰু এই দুটা মুল বিষয়ৰ লগত ইয়াৰ মুল শিপা জড়িত হৈ আছে। লগতে ইয়াত কিছুমান মৌলিক প্ৰশ্ন বিশ্লেষণ কৰা হৈছে যেনে সমাজখন কেনেকৈ গঠিত হৈছে? আমাক চৰকাৰ কিয় লাগে? চৰকাৰৰ সৰ্বোত্তম ৰূপ কোনটো? আইনে আমাৰ স্বাধীনতা সীমিত কৰে নেকি? ৰাজনৈতিক পৰিঘটনা আৰু প্ৰতিষ্ঠানসমূহৰ বৰ্ণনা, ব্যাখ্যা আৰু মূল্যায়নৰ বাবে মানুহে অধ্যয়ন কৰা ধাৰণা আৰু নীতিসমূহক ৰাজনৈতিক তত্ত্ব বুলিব পাৰি।

ডেভিদ হেল্ডৰ মতে "ৰাজনৈতিক তত্ত্বৰ লক্ষ্য সাধাৰণতে ৰাজনৈতিক জীৱনৰ বহির্গত বিষয়বোৰ বাখ্যা কৰা।" কার্ল পপাৰে কৈছে যে "তত্ত্ব এক জাল সদৃশ যাৰ জৰিয়তে পৃথিৱীখনক বুজিবলৈ ধৰি ৰাখিব পাৰি।" অতি সাধাৰণ পর্যায়ত ৰাজনৈতিক তত্ত্ব হৈছে ৰাষ্ট্ৰৰ পৰিঘটনাৰ সৈতে জড়িত জ্ঞানৰ এক সমষ্টি। তত্ত্বই এটা পদ্ধতিগত জ্ঞানক বুজায় যদিও ৰাজনৈতিকতাই জনসাধাৰণৰ চিন্তাৰ বিষয়ক বুজায়।

এন্তুৰু হেকাৰে ইয়াক এক "নিস্বার্থ অনুসন্ধানৰ সংমিশ্ৰন বুলি কৈছে যিয়ে এফালে ভাল পৰিৱেশ আৰু ভাল সমাজৰ নীতিৰ বাবে আৰু আনফালে ৰাজনৈতিক আৰু সামাজিক বাস্তৱতাৰ জ্ঞানৰ অনুসন্ধান চলায়।

ৰাজনৈতিক তত্ত্বই কিছুমান ধাৰণা আৰু নীতিৰ লগত জড়িত যিয়ে সংবিধান, চৰকাৰ আৰু সামাজিক জীৱন প্ৰণালীবদ্ধ ভাৱে গঢ় দিয়ে। ৰাজনৈতিক তত্ত্বই স্বাধীনতা, সমতা, ন্যায়, গণতন্ত্ৰ, ধর্মনিৰপেক্ষতা আদি ধাৰণা সমূহৰ অর্থ স্পষ্ট কৰাত অগ্ৰনি ভূমিকা গ্ৰহণ কৰে। ইয়াত আইনৰ শাসন, ক্ষমতা, পৃথকীকৰণ, ন্যায়িক পর্যালোচনা আদি নীতিৰ তাৎপর্য অনুসন্ধান কৰা হয়। এই ধাৰণা সমূহৰ পক্ষত বিভিন্ন চিন্তাবিদে আগবঢ়োৱা যুক্তিসমূহ পৰীক্ষা কৰিহে অনুসন্ধান চলোৱা হয়।

ৰাজনৈতিক তত্ত্বমূলত আমাৰ ৰাজনৈতিক জীৱনৰ সাধাৰণীকৃত ধাৰণা যিয়ে জ্ঞান সংশ্লেষণৰ বাবে এক ধাৰণাগত দিশৰ ৰূপৰেখা দাঙি ধৰে। এইক্ষেত্ৰত বিভিন্ন তত্ত্ববোৰৰ লগত বিভিন্ন ধাৰণা জড়িত হৈ থাকে। ৰাজনৈতিক তত্ত্বৰ ওপৰত বিভিন্ন ধৰণৰ মতামত থকা দেখা যায় আৰু ইয়াৰ ক্ষেত্ৰত বিভিন্নজন দার্শনিকৰ চিন্তাধাৰাও বেলেগ বেলেগ। সেই দার্শনিকসকলৰ ভিতৰত এৰিষ্টটল, কৰান, জেৰমিনো, হেল্ড, ইষ্টন, ৰেবাৰ, হিউম আদিৰ নাম বিশেষভাৱে উল্লেখযোগ্য।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ ৰাজনৈতিক তত্ত্বৰ এটা সংজ্ঞা দিয়া।

প্ৰশ্ন নং ২ ঃ 'পলিটি', 'পলিটিকচ্' আৰু 'পলিটিকেল' শব্দটো

গ্ৰীক শব্দ 'পলিচ' ৰ পৰা আহিছে। (সচাঁ/মিচা)

প্ৰশ্ন নং ৩ ঃ আধুনিক ৰাজ্যসমূহৰ তুলনাত প্ৰাচীন ৰাজ্যসমূহ আছিল —

প্ৰশ্ন নং ৪ ঃ ৰাজনৈতিক তত্ত্ব কি? (৫০ টা শব্দৰ ভিতৰত লিখক)

১.৪ ৰাজনৈতিক তত্ত্বৰ প্ৰকৃতি আৰু প্ৰাসংগিকতা

১.৪.১ ৰাজনৈতিক তত্ত্বৰ প্ৰকৃতি

তত্ত্ব শব্দটোৰ অৰ্থ হৈছে প্ৰণালীবদ্ধ জ্ঞান। সেয়েহে ৰাজনৈতিক তত্ত্বই ৰাজনৈতিক পৰিঘটনাৰ এক প্ৰণালীবদ্ধ জ্ঞানক বুজায়। এৰিষ্টটলে কয় যে "মানুহ প্ৰকৃতিগতভাৱে এক ৰাজনৈতিক প্ৰাণী আৰু যিজন প্ৰকৃতিগতভাৱে আৰু কেৱল দুৰ্ঘটনাৰ দ্বাৰা ৰাষ্ট্ৰবীহিন নহয়, তেওঁ হয় মানৱতাঞ্জ ওপৰত বা তাৰ তলত।" ৰাজনীতি আৰু ৰাজনৈতিক পৰিঘটনাৰ অধ্যয়নৰ এক দীঘলীয়া পৰম্পৰা আছে। ইয়াৰ উৎপত্তি প্ৰাচীন গ্ৰীচত হৈছিল। ৰাজনৈতিক তত্ত্ব ইয়াৰ আৰম্ভণিৰে পৰাই বিকশিথ হৈ আহিছে।

এইক্ষেত্ৰত বিভিন্ন ধৰণৰ নতুন ধাৰণা আৰু দৃষ্টিভংগীৰ সৃষ্টি হোৱা দেখিবলৈ পোৱা যায় তাৰ ভিতৰত গুৰুত্বৰ্ণ কিছুমান হ'ল — বহুসংস্কৃতিবাদ, উত্তৰ আধুনিকতাবাদ, নাৰীবাদ, পৰিৱেশবাদ ইত্যাদি।

ৰাজনৈতিক তত্ত্ব আৰু ৰাজনৈতিক চিন্তা, ৰাজনৈতিক দৰ্শন আৰু ৰাজনৈতিক বিজ্ঞানৰ মাজৰ পাৰ্থক্য ঃ ৰাজনৈতিক তত্ত্ব হৈছে দাৰ্শনিক আৰু পৰীক্ষামূলক দুয়োটা দৃষ্টিকোণৰ পৰা ৰাষ্ট্ৰৰ পৰিঘটনাৰ অধ্যয়ন। ৰাজনৈতিক চিন্তা, ৰাজনৈতিক দৰ্শন আৰু ৰাজনীতি বিজ্ঞানৰ দৰে শব্দবোৰ ৰাজনৈতিক পৰিঘটনাবোৰ ব্যাখ্যা কৰাৰ সৈতে জড়িত, তথাপিও ৰাজনৈতিক তত্ত্ব সেইবোৰৰ পৰা পৃথক। অন্যান্য শব্দৰ পৰা ৰাজনৈতিক তত্ত্বৰ পাৰ্থক্য তলত দিয়া ধৰণৰঃ

- **ৰাজনৈতিক তত্ত্ব আৰু ৰাজনৈতিক চিন্তা**

সাধাৰণতে বিশ্বাস কৰা হয় যে ৰাজনৈতিক চিন্তা হৈছে ৰাষ্ট্ৰৰ দৈনন্দিন কাম-কাজ, নীতি আৰু সিদ্ধান্ত সমূহৰ তত্ত্ব আৰু মূল্যবোধেৰে গঠিত চিন্তাধাৰা আৰু যিয়ে আমাৰ বৰ্তমান জীৱনত প্ৰভাৱ পেলায় এই ব্যক্তিসকল দাৰ্শনিক, লেখক, সাংবাদিক কবি, ৰাজনৈতিক ভাষ্যকাৰ আদি হ'ব পাৰে ৰাজনৈতিকচিন্তাধাৰাৰ কোনো স্থিৰ ৰূপ নাথাকে আৰু ই গ্ৰন্থ, ভাষণ, ৰাজনৈতিক ভাষ্য আদিৰ ৰূপত হ'ব পাৰে।

ৰাজনৈতিক চিন্তাধাৰাৰ গুৰুত্বপূৰ্ণ কথাটো হ'ল যে চৰকাৰৰ নীতি আৰু কাৰ্যসূচী সময়ে সময়ে সলনি হোৱাৰ বাবে ই সময় নিধাৰিত।

এইদৰে আমাৰ প্ৰাচীন কালৰ গ্ৰীক চিন্তা বা ৰোমান চিন্তা বা মধ্যযুগীয়া যুগৰ ৰাজনৈতিক চিন্তাৰ ব্যাখ্যা উল্লেখ কৰিব পাৰি। আনহাতে ৰাজনৈতিক তত্ত্ব হৈছে ৰাজ্যখনৰ পৰিঘটনাৰ বিষয়ে বিশেষভাৱে আলোচনা কৰা এজন নিৰ্দিষ্ট দাৰ্শনিকৰ প্ৰণালীবদ্ধ

অধ্যয়ন। এই অধ্যয়ন কিছুমান বিশেষ অনুমানৰ ওপৰত আধাৰিত যি বৈধ হ'ব পাৰে বা নহবও পাৰে আৰু এই অনুমান সমালোচনাৰ বাবে মুকলিকৈ ৰখ্য হয়।

ৰাজনৈতিক তত্ত্বই বাস্তৱতাৰ ব্যাখ্যাৰ এখ আৰ্হি প্ৰদান কৰে। সেয়েহে একে সময়তে বিভিন্ন ৰাজনৈতিক তত্ত্ব থাকিব পাৰে। লগতে ৰাজনৈতিক তত্ত্ব কিছুমান বিষয়ৰ ওপৰত আধাৰিত যেনে — দৰ্শন, ইতিহাস, অৰ্থনীতি, সমাজবিজ্ঞান আদি। অৱশেষত যিহেতু তত্ত্বৰ কাম কেৱল ৰাজনৈতিক বাস্তৱক ব্যাখ্যা কৰাই নহয়, ইয়াক সলনি বা পৰিবৰ্তন কৰা সেয়েহে ৰাজনৈতিক তত্ত্ব সংৰক্ষণশীল, সমালোচনামূলক বা বিপ্লৱী হ'ব পাৰে।

বাৰ্কাৰৰ মতে, ৰাজনৈতিক চিন্তা যদিও সমগ্ৰ যুগৰ প্ৰাথমিক দৰ্শন, ৰাজনৈতিক তত্ত্ব হৈছে এজন নিৰ্দিষ্ট চিন্তাবিদৰ গৱেষণা বা অনুসন্ধান। ৰাজনৈতিক চিন্তাধাৰা অন্তনিহিত আৰু গুৰুত্বপূৰ্ণ কাৰ্য্যৰ ধাৰাত নিমজিত, ৰাজনৈতিক তত্ত্ব স্পষ্ট আৰু এক নিৰ্দিষ্ট সময়ৰ ৰাজনৈতিক বাস্তৱতাৰ পৰা পৃথক হ'ব পাৰে।

- **ৰাজনৈতিক তত্ত্ব আৰু ৰাজনৈতিক দৰ্শন**

দৰ্শনক "জ্ঞানৰ বিজ্ঞান" বুলি কোৱা হয়, পৃথিৱীৰ, মানুহ বা ভগৱানৰ বিষয়ে জ্ঞান। এই জ্ঞান সৰ্ব-অন্তৰ্ভূক্ত আৰু সকলো কথা ব্যাখ্যা কৰিবলৈ চেষ্টা কৰে। যেতিয়া এই জ্ঞান ৰাজনৈতিক পৰিঘটনা বা ৰাষ্ট্ৰৰ অধ্যয়নত প্ৰয়োগ কৰা হয়, ইয়াক ৰাজনৈতিক দৰ্শন বুলি কোৱা হয়। ৰাজনৈতিক দৰ্শন নীতিগত ৰাজনৈতিক তত্ত্বৰ শ্ৰেণীৰ অন্তৰ্ভূক্ত। ই কেৱল "কি" সেইটো নহয়, "কি হ'ব লাগে" সেইটো ব্যাখ্যা কৰে। ৰাজনৈতিক দৰ্শন সমসাময়িক বিষয়সমূহৰ লগত সম্পৰ্কিত নহয় কিন্তু মানুহৰ ৰাজনৈতিক জীৱনৰ কিছুমান সাৰ্বজনীন বিষয় যেনে ৰাজনৈতিক সংগঠনৰ প্ৰকৃতি আৰু উদ্দেশ্য, ৰাজনৈতিক কৰ্তৃত্বৰ আধাৰ, অধিকাৰৰ প্ৰকৃতি, স্বাধীনতা, সমতা, ন্যায় আদিৰ সৈতে জড়িত।

ৰাজনৈতিক দৰ্শন আৰু ৰাজনৈতিক তত্ত্বৰ মাজৰ পাৰ্থক্যটো এই কথাৰ দ্বাৰা ব্যাখ্যা কৰা হয় যে এজন ৰাজনৈতিক দাৰ্শনিক এজন ৰাজনৈতিক তত্ত্ববিদও হ'ব পাৰে কিন্তু এজন ৰাজনৈতিক তত্ত্ববিদ এজন ৰাজনৈতিক দাৰ্শনিক হ'ব নোৱাৰে। উদাহৰণস্বৰূপে, ডেভিদ ইষ্টন এজন বিশিষ্ট ৰাজনৈতিক তত্ত্ববিদ যদিও তেওঁক ৰাজনৈতিক দাৰ্শনিক বুলিব নোৱাৰি। যদিও তত্ত্বই ৰাজনৈতিক দৰ্শনৰ দৰে একে বিষয়ৰ সৈতে মোকাবিলা কৰে, ই সেইবোৰক দাৰ্শনিক আৰু পৰীক্ষামূলক দুয়োটা দৃষ্টিকোণৰ পৰা ব্যাখ্যা কৰিব পাৰে।অন্যহাতে ৰাজনৈতিক দৰ্শন বিমূৰ্ত বা অনুমানমূলক হ'লেও ৰাজনৈতিক তত্ত্ব নীতিগত আৰু পৰীক্ষামূলক দুয়োটা হ'ব পাৰে। এজন ৰাজনৈতিক তত্ত্ববিদ ৰাজনৈতিক আচৰণৰ বাস্তৱিকতা, ৰাষ্ট্ৰ আৰু নাগৰিকৰ মাজত প্ৰকৃত সম্পৰ্ক আৰু সমাজত ক্ষমতাৰ ভূমিকা বৰ্ণনা কৰাৰ দৰে ৰাষ্ট্ৰৰ প্ৰকৃত আৰু উদ্দেশ্য ব্যাখ্যা কৰাত সিমানেই আগ্ৰহী। আৰ্নল্ড ব্ৰেচে উল্লেখ কৰিছে যে দাৰ্শনিক ব্যাখ্যাবোৰক তত্ত্বও বুলিব পাৰি কিন্তু সেইবেঞ্জৰ অ-বৈজ্ঞানিক।

ৰাজনৈতিক তত্ত্ব ৰাজনৈতিক প্ৰতিষ্ঠান আৰু সেই প্ৰতিষ্ঠানসমূহৰ আধাৰ গঠন কৰা ধাৰণা আৰু আকাংক্ষা দুয়োটাৰে সৈতে জৰিত। অৱশ্যে, আমি পাহৰিব নালাগে যে যদি আমি দৰ্শন আৰু তত্ত্ৱৰ মাজত বিশ্লেষনাত্মক ভাৱে পাৰ্থক্য কৰিব পাৰো। তথাপিও আমি যদি ৰাজনৈতিক তত্ত্বক ৰাজনৈতিক দৰ্শনৰ পৰা পৃথক কৰা হয়, তেন্তে ইয়াৰ অৰ্থ বিকৃত যেন লাগিব আৰু ই অনুধৰ আৰু অপ্রাসংগিক বুলি প্রমাণিত হ'ব। তত্ত্বক দৰ্শনৰ দ্বাৰাহে পৰিপূৰ্ণ কৰিব লাগিব।

- **ৰাজনৈতিক তত্ত্ব আৰু ৰাজনীতি বিজ্ঞান**

অধ্যয়নৰ এক শালা হিচাপে, ৰাজনীতি বিজ্ঞান অধিক ব্যাপক আৰু ইয়াত বিভিন্ন ধৰণৰ অনুমান যেনে ৰাজনৈতিক চিন্তা, ৰাজনৈতিক তত্ত্ব, ৰাজনৈতিক দৰ্শন, ৰাজনৈতিক আদৰ্শ, সাংগঠনিক পৰিকাঠামো,চুলনামূলক ৰাজনীতি, প্রশাসন, আন্তঃ ৰাষ্ট্রীয় আইন আৰু সংগঠন আদি অন্তর্ভূক্ত হৈ থাকে।

ৰাজনীতি বিজ্ঞান অধ্যয়নৰ এক পৃথক বিষয় হোৱাৰ লগে লগে ৰাজনৈতিক তত্ত্ব ইয়াৰ এটা অধ্যয়নৰ উপক্ষেত্র হিচাপে গঢ় লৈ উঠিছিল। অৱশ্যে, যেতিয়া তত্ত্বৰ পৰা পৃথক হিচাপে বিজ্ঞানৰ ওপৰত গুৰুত্ব আৰোপ কৰি বিশেষভাৱে অধ্যয়ন কৰা হয়, ৰাজনীতি বিজ্ঞানে ৰাজনৈতিক তত্ত্বৰ বিপৰীতে বৈজ্ঞানিক পদ্ধতি ব্যৱহাৰ কৰি ৰাজনীতিৰ অধ্যয়নক বুজায়; যিটো অন্তদৃষ্টি অনুসৰণ কৰিবলৈ মুক্ত। ৰাজনীতি বিজ্ঞান ৰাজনৈতিক আচৰণৰ বাস্তৱিকতা বৰ্ণনা আৰু ব্যাখ্যা কৰা, মানুহ আৰু ৰাজনৈতিক প্রতিষ্ঠানসমূহৰ বিষয়ে পৰীক্ষামূলক প্রমাণৰ ওপৰত সাধাৰন ৰূপ দিয়া সমাজত ক্ষমতাৰ ভূমিকাৰ সৈতে জড়িত।

আনহাতে, ৰাজনৈতিক তত্ত্ব কেৱল পৰীক্ষামূলক দৃষ্টিকোণৰ পৰা ৰাজনৈতিক পৰিঘটনাসমূহৰ আচৰণত অধ্যয়নৰ সৈতে জড়িত নহয়, ববং ৰাজ্য, চৰকাৰ, সমাজ আৰু নাগৰিকসকলে অনুসৰণ কৰিব লগা লক্ষ্যসমূহ নির্ধাৰণ কৰাৰ সৈতেও জড়িত। ৰাজনৈতিক তত্ত্বৰ লক্ষ্য হৈছে ৰাজনৈতিক জীৱনত সঠিক আচৰণ আৰু ক্ষমতাৰ বৈধ ব্যৱহাৰৰ বিষয়ে জ্ঞাত কৰোৱা।

সেয়েহে, ৰাজনৈতিক তত্ত্বক বিশুদ্ধভাৱে চিন্তা, দৰ্শন বা বিজ্ঞান বুলি ক'ব নোৱাৰি। যদিও ই সকলোবোৰৰ লগত জড়িত কিন্তু তথাপিও সেইকেবাৰৰ পৰা পৃথকো। সময়সাময়িক ৰাজনৈতিক তত্ত্বই ৰাজনৈতিক দৰ্শন আৰু ৰাজনীতি বিজ্ঞানৰ মাজত এক সমন্বয়ৰ সৃষ্টি কৰিছে।

১.৪.২ ৰাজনৈতিক তত্ত্বৰ প্ৰাসংগিকতা

ৰাজনৈতিক তত্ত্বৰ উদ্দেশ্য হৈছে নাগৰিকসকলক ৰাজনৈতিক প্রশ্নবোৰৰ বিষয়ে যুক্তিসংগতভাৱে চিন্তা কৰিবলৈ আৰু সময়ৰ ৰাজনৈতিক ঘটনাবোৰ সাঠিকভাৱে মূল্যায়ন কৰিবলৈ প্রশিক্ষণ দিয়ে।

ৰাজনৈতিক তত্ত্ৱৰ গুৰুত্ব তলত উল্লেখ কৰা বিষয়সমূহৰ লগত জড়িত ঃ

i) ৰাজনৈতিক পৰিঘটনাৰ বিৱৰণ

ii) অ-বৈজ্ঞানিক (দৰ্শন বা ধৰ্মৰ ওপৰত আধাৰিত) নাইবা বৈজ্ঞানিক (পৰীক্ষামূলক অধ্যয়নৰ ওপৰত আধাৰিত) ৰাজনৈতিক পৰিঘটনাৰ বিৱৰন।

iii) ৰাজনৈতিক লক্ষ্য আৰু ৰাজনৈতিক পদক্ষেপ বাচনিৰ ক্ষেত্ৰত প্ৰস্তাৱ।

iv) নৈতিক বিচাৰ। এনে ধৰণৰ উদাহৰণ প্লেটোৰ "ৰিপাব্লিক" বা ৰলছৰ "এ মিওৰী তাৱ জাষ্টিছ" আৰু নোজিকৰ "এনার্কি, ষ্টেণ্ট এণ্ড ইউটোপিয়া" ত পোৱা যায়।

ৰাজনৈতিক তত্ত্ৱৰ প্ৰাসংগিকতা তলত দিয়া ধৰণে ব্যাখ্যা কৰিব পাৰি ঃ

- **বিভিন্ন ধৰণৰ ধাৰণা ব্যাখ্যা কৰাত সহায় কৰে ঃ** ৰাজনৈতিক তত্ত্ৱৰ গুৰুত্ব আমাৰ দৈনন্দিন সামাজিক আৰু ৰাজনৈতিক জীৱনত বিভিন্ন ধাৰনাৰ স্পষ্টীকৰণত নিহিত হৈ আছে। দৰ্শন বা বিজ্ঞান হওঁক, অধ্যয়নৰ প্ৰতিটো ক্ষেত্ৰতে ধাৰণাসমূহৰ স্পষ্টীকৰণ অতি প্ৰয়োজনীয়।

  ৰাজনৈতিক জীৱন গঢ়াত সহায়ক হোৱা মূল্যবোধ, স্বাধীনতা, সমতা আৰু ন্যায়ৰ দৰে বিষয়সমূহ ৰাজনৈতিক তত্ত্বই পদ্ধতিগত ভাৱে পৰীক্ষা কৰে। ই এইসমূহ আৰু অন্যান্য সম্পৰ্কীত ধাৰণাসমূহৰ অর্থ আৰু গুৰুত্ব ব্যাখ্যা কৰে। ই অতীতৰ লগতে বর্তমানৰ কিছুমান প্ৰধান ৰাজনৈতিক চিন্তাবিদৰ ওপৰত গুৰুত্ব আৰোপ কৰি এই ধাৰণাসমূহৰ বর্তমানৰ সংজ্ঞাসমূহ স্পষ্টভাৱে প্ৰকাশ কৰে।

- **আমাক সামাজিক জীৱন বুজাত আৰু পৰিচালনাত সহায় কৰে ঃ** ৰাজনৈতিক তত্ত্বই ভৱিষ্যত পৰিকল্পনা আৰু সমাজত শান্তি আৰু সম্প্ৰীতি বাজই ৰখাত সহায় কৰে। আমাৰ ৰাজনৈতিক জীৱনৰ বিভিন্ন বৈজ্ঞানিক বিশ্লেষনে আমাক ইয়াৰ বিভিন্ন সমস্যা বুজি আৰু সমাধান কৰি আমাৰ সামাজিক জীৱনক নিয়ন্ত্ৰণ কৰিবলৈ সক্ষম কৰি তোলে। ৰাজনীতি বিজ্ঞানৰ অধ্যয়নে সমাজত সংঘাত আৰু হিংসাৰ কাৰনবোৰ বুজি পোৱাত সহায় কৰে আৰু সেইবোৰ প্ৰতিৰোধৰ বাবে অন্তদৃষ্টি প্ৰদান কৰে। ৰাজনীতি বিজ্ঞানে আমাক ৰাজনৈতিক আৰু সামাজিক সংকট প্ৰতিৰোধ কৰাৰ উপায় প্ৰদান কৰি ৰাজনৈতিক সমাজত বাস কৰাত সহায় কৰে।

- **সমাজক সমালোচনা ঃ** ৰাজনৈতিক তত্ত্বই নিজকে বিভিন্ন ৰাজনৈতিক সমস্যাৰ সৈতে জড়িত কৰে আৰু সমাধান প্ৰদান কৰে। প্ৰাথমিকভাৱে ৰাজনৈতিক দৰ্শন আমাৰ সামাজিক জীৱনত কি শুদ্ধ আৰু কি ভুল তাৰ লগত জড়িত। ৰাজনৈতিক তত্ত্ব সমাজত সংঘটিত যিকোনো ঘটনাৰ ওপৰত আলোচনা কৰে আৰু এটা নির্দিষ্ট সমাজৰ মৌলিক নিয়মৰ সন্দর্ভত বিশ্লেষণ আগবঢ়ায়।

- **সামাজিক পুনর্গঠন ঃ** প্লেটো, এৰিষ্টটল, জেইন্ট, আগষ্টিন. হ'বজ, লক, ৰুছো,

মেকিয়াভেলি, মিল, মেকফেৰছল আদি ৰাজনৈতিক দাৰ্শনিক সকলে সামাজিক পুৰ্নগঠনৰ বিষয়ে আলোচনা কৰিছে। ৰাজনৈতিক চিন্তাবিদসকলৰ প্ৰস্তাৱসমূহে বিভিন্ন সামাজিক অস্থিৰতা আৰু তেওঁলোকৰ সাম্ভাব্য সমাধানৰ অন্তদৃষ্টি প্ৰদান কৰিছিল যদিও তেওঁলোকৰ ধাৰণাসমূহক সম্পূৰ্ণ সত্য বুলি ক'ব নোৱাৰি। তেওঁলোকৰ চিন্তাধাৰাৰ পৰা পোৱা এই অন্তদৃষ্টি আমাৰ সমাজ্ঞ সমস্যা সমাধানত প্ৰয়োজনীয়।

ৰাজনৈতিক তত্ত্বই ৰাজনৈতিক সমাজত বিভিন্ন লক্ষ্য আৰু প্ৰক্ৰিয়াৰ জৰিয়তে জ্ঞান প্ৰাপ্ত কৰাৰ প্ৰচেষ্টাক বৰ্ণনা কৰে। বৰ্তমান সময়ত ই অতি গুৰুত্বপূৰ্ণ কিয়নো বৰ্তমানৰ বিষয়সমূহে এক বিশ্বব্যাপী মাত্রা গ্ৰহণ কৰিছে



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৫ ঃ ৰাজনৈতিক তত্ত্বই ৰাষ্ট্র আৰু নাগৰিকসকলে অনুসৰণ কৰিব লগা লক্ষ্যবোৰো নির্ধাৰণ কৰে। (সচাঁ/মিছা)

প্রশ্ন নং ৬ ঃ ৰাজনৈতিক দর্শন .....ৰাজনৈতিক তত্ত্বৰ শ্রেণীৰ অন্তর্গত। (খালী ঠাই পূৰ কৰক)

প্রশ্ন নং ৭ ঃ ৰাজনৈতিক তত্ত্ব হ'ল ..... বিশুদ্ধ চিন্তা, দর্শন বা বিজ্ঞান নহয়। (খালী ঠাই পূৰ কৰক)

প্রশ্ন নং ৮ ঃ ৰাজনৈতিক তত্ত্ব আৰু ৰাজনীতি বিজ্ঞানৰ মাজৰ মূল পার্থক্য উল্লেখ কৰক।

প্রশ্ন নং ৯ ঃ ৰাজনীতি বিজ্ঞানৰ অধ্যয়নে সমাজত সংঘাত আৰু হিংসাৰ কাৰনসমূহ বুজিবলৈ সুবিধা প্রদান কৰে। (সচাঁ/মিছা)



১.৫ অধ্যায়টোৰ পৰা আমি কি শিকিলো

- ৰাজনীতি দৈনন্দিন জীৱনৰ এটা অংশ আৰু ইয়াৰ পৰা আঁতৰি থাকিব নোৱাৰি।
- পলিটি, পলিটিক্চ,পলিটিকে শব্দকেইটা গ্রীক শব্দ 'পলিচ'ৰ পৰা লোৱা হৈছে যিয়ে পুৰণি গ্রীক নগৰ-ৰাষ্ট্রক বুজায়।
- ৰাজনীতি শব্দটোৱে মূলতঃ এনে এটা সমগঠনত বুজায় য'ত এটা সম্প্রদায়ৰ দ্বাৰা বিভিন্ন নিয়ম প্রস্তুত কৰা হয় আৰু অনুসৰণ কৰা হয়। আৰু ৰাজনৈতিক শব্দটোৱে ৰাজহুৱা আৰু সকলোৱে বাবে প্রযোজ্য বিষয় বুজায়।
- ৰাজনৈতিক তত্ত্ব হৈছে ৰাজনীতি বিজ্ঞান শাখাৰ এক মূল উপাদান। ই মূলতঃ নীতিগত আৰু তাত্বিক প্রশ্নসমূহৰ সৈতে জৰিত আৰু স্বাধীনতা, ন্যায়, সমতা, গণতন্ত্র আদিৰ দৰে

বিষয়সমূহৰ ওপৰত আলোচনা আগবঢ়ায়।

- ৰাজনৈতিক তত্ত্ব সংবিধান, চৰকাৰ আৰু সামাজিক জীৱনক প্ৰণালীবদ্ধভাৱে গঠন কৰা ধাৰণা আৰু নীতিৰ সৈতে জৰিত।
- তত্ত্ব শব্দটোৱে প্ৰণালীবদ্ধ জ্ঞানক বুজায়।
- ৰাজনৈতিক তত্ত্ব হৈছে দাৰ্শনিক আৰু পৰীক্ষামূলক দুয়োটা দৃষ্টিকোণৰ পৰা ৰাষ্ট্ৰৰ পৰিঘটনাৰ অধ্যয়ন।
- ৰাজনৈতিক চিন্তা, ৰাজনৈতিক দৰ্শন আৰু ৰাজনীতি বিজ্ঞানৰ দৰে শব্দবোৰ ৰাজনৈতিক পৰিঘটনাবোৰ ব্যাখ্যাৰ লগত জৰিত, তথাপিও ৰাজনৈতিক তত্ত্ব সেইবোৰৰ পৰা পৃথক।
- ৰাজনৈতিক তত্ত্ব বিশুদ্ধ চিন্তা, দৰ্শন বা বিজ্ঞান নহয়। কিন্তু ই সকলো বিষয়ৰ লগত জৰিত যদিও কিছুপৰিমাণে সেইবোৰৰ পৰা পৃথকো।
- ৰাজনৈতিক তত্ত্বৰ উদ্দেশ্য হৈছে নাগৰিকসকলক ৰাজনৈতিক প্ৰশ্নবোৰৰ বিষয়ে যুক্তিসংগতভাৱে চিন্তা কৰিবলৈ আৰু আমাৰ সময়ৰ ৰাজনৈতিক ঘটনাবোৰ সঠিকভাৱে মূল্যায়ন কৰিবলৈ প্ৰশিক্ষণ দিয়ে।
- ৰাজনৈতিক তত্ত্বৰ গুৰুত্ব আমাৰ দৈনন্দিন সামাজিক আৰু ৰাজনৈতিক জীৱনত ব্যৱহৃত বিভিন্ন ধাৰণাৰ স্পষ্টীকৰণত নিহিত হৈ থাকে।
- ৰাজনৈতিক তত্ত্বই ভৱিষ্যতৰ পৰিকল্পনা কৰাত আৰু সমাজত শান্তি আৰু সম্প্ৰীতি বজাই ৰখাত সহায় কৰে।
- ৰাজনৈতিক তত্ত্বই নিজকে বিভিন্ন ৰাজনৈতিক সমস্যাৰ সৈতে জড়িত কৰে আৰু সমাধান প্ৰদান কৰে।



১.৬ অধিক জানিবলৈ

১) অ.পি. গৌবা (২০১২). ৰাজনৈতিক তত্ত্বৰ পৰিচয় মেকমিলান প্ৰকাশন।

২) আখিল ৰঞ্জন দত্ত (২০১১). ৰাজনৈতিক তত্ত্ব বিষয়, ধাৰণা আৰু যুক্তি। অৰুণ প্ৰকাশন।



১.৭ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ ডেভিড হেল্ড ঃ "ৰাজনৈতিক তত্ত্বৰ লক্ষ্য সাধাৰণতে ৰাজনৈতিক জীৱনৰ পৰা ওলোৱা বিষয়বোৰ ব্যাখ্যা কৰা।"

২ নং প্ৰশ্নৰ উত্তৰ ঃ সচাঁ।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ সৰু।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ ৰাজনৈতিক তত্ত্ব হৈছে ৰাজনীতি বিজ্ঞান শাখাৰ এক মূল উপাদান।। ই মূলতঃ নীতিগত আৰু তাত্বিক প্ৰশ্নবোৰৰ লগত জড়িত আৰু স্বাধীনতা ন্যায়, সমতা, গণতন্ত্ৰ আদিৰ দৰে বিষয়সমূহৰ ওপৰত মতামত আগবঢ়ায়।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ সচাঁ।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ নীতিগত।

৭ নং প্ৰশ্নৰ উত্তৰ ঃ একোৱেই নহয়।

৮ নং প্ৰশ্নৰ উত্তৰ ঃ সচাঁ।



১.৮ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ ৰাজনৈতিক তত্ত্বৰ বিষয়ে চমুকৈ লিখক।

প্ৰশ্ন ২ ঃ ৰাজনৈতিক তত্ত্ব আৰু ৰাজনৈতিক দৰ্শনৰ মাজৰ পাৰ্থক্য উল্লেখ কৰক।

প্ৰশ্ন ৩ ঃ ৰাজনৈতিক তত্ত্বৰ প্ৰাসংগিকতা আলোচনা কৰক।

প্ৰশ্ন ৪ ঃ ৰাজনৈতিক তত্ত্বৰ প্ৰকৃতি আলোচনা কৰক।

প্ৰশ্ন ৫ ঃ ৰাজনৈতিক তত্ত্ব আৰু ৰাজনৈতিক চিন্তাৰ মাজৰ পাৰ্থক্য আলোচনা কৰক।

*** ***** ***

অধ্যায় ২ ঃ উদাৰতাবাদ

অধ্যায় গাঁথনি

২.১ উদ্দেশ্য

২.২ পৰিচয়

২.৩ উদাৰতাবাদৰ অর্থ আৰু বৈশিষ্ট্য

২.৩.১ উদাৰতাবাদৰ অর্থ

২.৩.২ উদাৰতাবাদৰ বৈশিষ্ট্য

২.৪ উদাৰতাবাদৰ প্রয়োগ

২.৫ উদাৰতাবাদৰ বিকাশ

২.৫.১ উদাৰতাবাদৰ সমীক্ষা

২.৬ অধ্যায়টোৰপৰা আমি কি শিকিলোঁ

২.৭ অধিক জানিবলৈ

২.৮ অগ্রগতিৰ খতিয়ানৰ উত্তৰ

২.৯ আৰ্হি প্রশ্ন

২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- উদাৰতাবাদৰ অর্থ ব্যাখ্যা কৰিব পাৰিব
- উদাৰতাবাদৰ বৈশিষ্ট্য আলোচনা কৰিব পাৰিব
- উদাৰতাবাদৰ বিকাশ জানিব পাৰিব
- উদাৰতাবাদৰ এটি সমীক্ষা প্রদান কৰিব পাৰিব।

২.২ পৰিচয়

বিশ্বত যুগ যুগ ধৰি উদাৰতাবাদ এক বিশেষ দর্শন হিচাপে স্বীকৃত হৈ আহিছে। কোনো বিশেষ সময়ত কোনো বিশেষ ৰাজনৈতিক চিন্তাবিদে ইয়াক সৃষ্টি আৰু বিকাশ কৰা নাছিল। ই হৈছে বছৰ বছৰ ধৰি চলি অহা এটি ধাৰা; য'ত বিভিন্ন চিন্তাবিদ আৰু দার্শনিকসকলে নিজৰ অৱদান আগবঢ়াইছে। উদাৰতাবাদে কোনো সুসংহত মতবাদক প্রতিনিধিত্ব নকৰে আৰু ইয়াক বিভিন্ন সময়ত বিভিন্ন পণ্ডিতে সমৃদ্ধ কৰিছে।

২.৩ উদাৰতাবাদৰ অর্থ আৰু বৈশিষ্ট্য

২.৩.১ উদাৰতাবাদৰ অর্থ

স্বাধীনতাৰ প্ৰতি সমর্পিত এটা ধাৰণা হিচাপে উদাৰতাবাদ চৰকাৰ ক্ষেত্ৰত এটা পদ্ধতি আৰু নীতি হিচাপে, সমাজৰ ক্ষেত্ৰত সংগঠনমূলক নীতি হিচাপে আৰু ব্যক্তি তথা সম্প্ৰদায়ৰ ক্ষেত্ৰত জীৱনশৈলী হিচাপে স্বীকৃত এটি ধাৰণা। স্পষ্টভাৱে ই 'স্বাধীনতাৰ ধাৰণাটোৰ সৈতে অতি ঘনিষ্ঠভাৱে জড়িত, কিয়নো এই মতবাদৰ মূল উদ্দেশ্যই হ'ল স্বাধীনতা লাভৰ লক্ষ্য লোৱা, যাৰ দ্বাৰা মানৱীয় উদ্যমিতাৰ মনোভাৱে সম্পূর্ণ ৰূপত প্ৰকাশ পাব পাৰে। অর্থাৎ উদাৰতাবাদ হ'ল মুক্ত জীৱনৰ কণ্ঠ; এনে জীৱন য'ত ব্যক্তিজনে নিজৰ ইচ্ছা আৰু স্বাধীনতা অনুসৰি চিন্তা, বিশ্বাস, গতি, প্ৰকাশ, আলোচনা, সম্পর্ক ইত্যাদি কৰিব পাৰে।

'LIBERAL' শব্দটো লেটিন ভাষাৰ "liber" শব্দৰ পৰা উদ্ভৱ হৈছে যাৰ অর্থ হৈছে 'মুক্ত' বা 'স্বাধীন'। লাস্কিৰ মতে, "উদাৰতাবাদ নিঃসন্দেহে স্বাধীনতাৰ সৈতে জড়িত"। ইয়াৰ অর্থ হ'ল এনে এক ৰাজনৈতিক, সামাজিক আৰু অর্থনৈতিক ব্যৱস্থা প্ৰতিষ্ঠা কৰা য'ত ব্যক্তি মুক্ত আৰু নিৰাপদ হয়।

পণ্ডিতসকলে উদাৰতাবাদক সংকীর্ণ অর্থৰ লগতে বহল অর্থতো বিচাৰ কৰি চাইছে। সংকীর্ণ অর্থত ইয়াক অর্থনৈতিক আৰু ৰাজনৈতিক ক্ষেত্ৰখনত প্ৰয়োগ কৰি উৎপাদন আৰু বিতৰণৰ স্বাধীনতা, শাসকক বাছনি কৰা আৰু আঁতৰোৱা আদি নীতিৰ ওপৰত গুৰুত্ব দিয়া হৈছে।বহল অর্থত ইয়াক এনে এক মানসিক মনোভাৱ হিচাপে বিচাৰ কৰা হৈছে যিয়ে মানুহৰ বিভিন্ন বৌদ্ধিক, নৈতিক, ধর্মীয়, সামাজিক, অর্থনৈতিক আৰু ৰাজনৈতিক সম্পর্ক বিশ্লেষণ আৰু একত্ৰিত কৰিবলৈ চেষ্টা কৰে।

২.৩.২ উদাৰতাবাদৰ বৈশিষ্ট্য

উদাৰতাবাদৰ অর্থ বুজিবলৈ তলত উদাৰতাবাদৰ বৈশিষ্টঞ্জযসমূহ আলোচনা কৰা হ'ল

- উদাৰতাবাদে মানুহক যুক্তিবাদী সত্তা হিচাপে গণ্য কৰে। মানুহৰ নিজকে উত্তম দিশত বিকশিত কৰাৰ সামৰঞ্জথ্য আৰু সম্ভাৱনাৰ ওপৰত উদাৰতাবাদে বিশ্বাস কৰে।
- উদাৰতাবাদে গণতন্ত্ৰক সমর্থন কৰে যিয়ে ব্যক্তিগত স্বাধীনতাক প্ৰসাৰিত কৰে। ই সাংবিধানিকতাবাদ, ক্ষমতাৰ বিকেন্দ্ৰীকৰণ আৰু সার্বভৌমত্বৰ পক্ষপাতী।
- উদাৰতাবাদ ৰক্ষণশীলতাৰ বিৰোধী। ই শান্তিপূর্ণ আৰু সাংবিধানিক উপায়েৰে সংস্কাৰৰ পক্ষপাতী। ইয়াত যুক্তিসংগতক ধাৰণাসমূহৰ ওপৰত তথা ব্যক্তিৰ অধিকাৰক গুৰুত্ব দিয়া হয়।

- উদাৰতাবাদে প্ৰাকৃতিক অধিকাৰক স্বীকৃতি দিয়ে আৰু ই ৰাষ্ট্ৰই মানৰ প্ৰগতিৰ বাবে অপৰিহাৰ্য সেই অধিকাৰসমূহ সুৰক্ষিত কৰাৰ পক্ষপাতী । উদাৰতাবাদে ৰাষ্ট্ৰক মানুহৰ নৈতিক উদ্দেশ্য পূৰণৰ প্ৰতিষ্ঠান হিচাপে গণ্য কৰে।
- উদাৰতাবাদৰ অৰ্থ হ'ল সীমিত আৰু সাংবিধানিক চৰকাৰ। বাহ্যিকভাৱে ই আন্তৰ্জাতিকতাবাদ, শান্তিপূৰ্ণ সহ-অস্তিত্ব আৰু বিবাদৰ শান্তিপূৰ্ণ নিষ্পত্তিৰ বাবে পক্ষত অৱস্থান গ্ৰহণ কৰে।

ওপৰৰ পৰা ধৰি ল'ব পাৰি যে উদাৰতাবাদ মূলতঃ এনে এক মতাদৰ্শ যিয়ে ব্যক্তিগত স্বাধীনতা আৰু অধিকাৰ, সীমিত চৰকাৰ তথা সাৰ্বভৌমত্বৰ পক্ষপাতী আৰু তাৰ দ্বাৰা ই মানুহৰ মানৰীয় মূল্যবোধক স্বীকৃতি দিয়ে। মানুহৰ যুক্তিবাদক উদাৰতাবাদে সদায় বিশ্বাস কৰি আহিছে আৰু মানুহে নিজকে সৰ্বোত্তম ৰূপত বিকশিত কৰিবলৈ সক্ষম বুলি বিবেচনা কৰে।

আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত ই আন্তৰ্জাতিকতাবাদৰ মনোভাৱ, আন্তঃৰাষ্ট্ৰীয় শান্তি আৰু ৰাষ্ট্ৰসমূহৰ মাজত বন্ধুত্বপূৰ্ণ সম্পৰ্ক বজাই ৰখাৰ পক্ষপাতী।

উদাৰতাবাদৰ মতাদৰ্শৰ মূল বৈশিষ্টঞ্জয হ'ল মানৰ ব্যক্তিত্বৰ সন্তুষ্টি আৰু উপলব্ধিৰ মূল হিচাপে মানৰীয় মূল্যবোধৰ স্বীকৃতি। ইয়াত তেওঁলোকে ইমানুৱেল কাণ্টৰ মতবাদ অনুসৰণ কৰে যে মানুহক মাধ্যম হিচাপে নহয়, নিজৰ মাজতে এটা উদ্দেশ্য হিচাপেহে গণ্য কৰা উচিত।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ উদাৰতাবাদৰ অৰ্থ লিখক।

প্ৰশ্ন নং ২ ঃ উদাৰতাবাদৰ যিকোনো দুটা বৈশিষ্ট্য লিখক।

২.৪ উদাৰতাবাদৰ প্ৰয়োগ

মতাদৰ্শ হিচাপে উদাৰতাবাদৰ সামাজিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক ক্ষেত্ৰত বিভিন্ন প্ৰভাৱ আছে।

সামাজিক ক্ষেত্ৰত উদাৰতাবাদে ধৰ্মীয় স্বাধীনতাৰ পক্ষত থিয় দিছে আৰু মানুহক ধৰ্মীয় গতানুগতিকতাৰ পৰা মুক্ত কৰিব বিচাৰে। ই এনে অভ্যাস, ৰীতি-নীতি আৰু প্ৰতিষ্ঠানসমূহক আঁতৰাই পেলাব বিচাৰে যিবোৰে তেওঁলোকৰ উপযোগিতাক নস্যাৎ কৰি ৰাখিছে বা যিবোৰে প্ৰকৃত স্বাধীনতা উপভোগ কৰাত বাধাৰ সৃষ্টি কৰিছে। ই ব্যক্তিগত বিবেক স্বাধীনতাৰ ওপৰত সকলো কৃত্ৰিম চাপ বা নিয়মৰ বিৰোধী কাৰণ ই কেৱল সকলো পদক্ষেপক বাধা দিয়াই নহয়, তেওঁৰ ব্যক্তিত্বকো হীন কৰি পেলায়।

অৰ্থনৈতিক ক্ষেত্ৰত উদাৰতাবাদে মুক্ত বাণিজ্য আৰু উৎপাদনক সমৰ্থন কৰিছে। ই আমদানি আৰু ৰপ্তানিৰ ওপৰত আৰোপ কৰা নিষেধাজ্ঞাৰ বিৰোধ কৰে আৰু ব্যক্তিক প্ৰাকৃতিক

সম্পদৰ শোষণ আৰু অর্থনৈতিক লভ্যাংশ নিজৰ ইচ্ছামতে বিতৰণৰ সপক্ষে মত দিয়ে। উদাৰতাবাদৰ এই ধাৰণাটোৰ অৱশ্যে আধুনিক যুগত সমাজবাদৰ মতবাদৰ জনপ্রিয়তাৰ বাবে পৰিৱর্তন ঘটিছে আৰু ৰাষ্ট্রক সমাজৰ বৃহত্তৰ স্বার্থত দেশৰ অর্থনৈতিক কার্যকলাপ নিয়ন্ত্রণ কৰিবলৈ উৎসাহিত কৰা হৈছে।

ৰাজনৈতিক ক্ষেত্রত উদাৰতাবাদে এই কথাত গুৰুত্ব আৰোপ কৰে যে ৰাজনৈতিক স্বাধীনতাই আন সকলো ধৰণৰ স্বাধীনতাৰ পূর্বচর্ত গঠন কৰে। গতিকে প্রাৰম্ভিক পর্যায়ত ৰাষ্ট্রৰ হস্তক্ষেপত বাধা আৰোপ কৰাআৰু ইয়াৰ নীতিৰ লক্ষ্য ব্যক্তি আৰু গোটৰ স্বাধীনতাক প্রসাৰিত কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছিল। ইয়াৰ বাবে ক্ষমতা পৃথকীকৰণ, কার্যবাহী ঙ্প্রাঙ্গন্তুত্তৰ্ন্নঙ্গণ্ণৰ ওপৰত সংসদীয় নিয়ন্ত্রণ, ন্যায়িক পর্যালোচনা, সংখ্যালঘুৰ স্বার্থ সুৰক্ষা আৰু ক্ষমতাৰ কেন্দ্রীভূতকৰণ ৰোধৰ অন্যান্য ব্যৱস্থাৰ দৰে নীতিৰ পোষকতা কৰিছিল। ই এইটোও সূচায় যে চূড়ান্ত ক্ষমতা জনসাধাৰণৰ ওচৰত ন্যস্ত থাকিব আৰু চৰকাৰে তেওঁলোকৰ আগত জবাবদিহি হ'ব লাগিব।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ অর্থনৈতিক ক্ষেত্রত উদাৰতাবাদৰ প্রয়োগ সম্পর্কে আলোচনা কৰা।

২.৫ উদাৰতাবাদৰ বিকাশ

ধ্রুপদী উদাৰতাবাদ ঃ ষোড়শ শতিকাত ৰাষ্ট্র, গীর্জা আৰু সামন্ত প্রথাৰ কর্তৃত্বৰ বিৰুদ্ধে প্রতিক্রিয়া হিচাপে উদাৰতাবাদৰ উত্থান ঘটিছিল। ই বহুলাংশে সংস্কাৰ, বিজ্ঞান আৰু ব্যক্তিবাদৰ যুগত উত্থান হোৱা এক ধাৰণা আছিল আৰু ই তেতিয়াৰ সমাজৰ পৰিৱর্তিত চিন্তাধাৰাক প্রতিনিধিত্ব কৰিছিল। ই মানৰ প্রগতিৰ পথত থকা বাধাসমূহ আঁতৰাই সমাজ আৰু চৰকাৰে জাপি দিয়া মানুহৰ বন্ধন ভাঙি মানুহৰণ বিশাল সম্ভাৱনাক মুক্ত কৰাৰ প্রয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল।

১৭ আৰু ১৮ শতিকাৰ সময়ছোৱাত উদাৰতাবাদৰ ধাৰণাটো আৰু অধিক বিকশিত আৰু একত্রিত হৈছিল। এই ক্ষেত্রত মূল্যৱান সেৱা আগবঢ়োৱা কিছুমান বিশিষ্ট্য দার্শনিকৰ ভিতৰত ল'ক, মণ্টেস্কিউ, থমাছ পেইন, হবছ আৰু ৰুছো অন্যতম।

উদাৰতাবাদে ইয়াৰ আটাইতকৈ বিশদ আৰু স্পষ্ট প্রকাশ জন লকৰ লেখাত লাভ কৰিছিল। তেখেতক উদাৰ ৰাজনৈতিক দর্শনৰ পিতৃ হিচাপে বর্ণনা কৰা হয়। তেওঁ সাংবিধানিক চৰকাৰৰ প্রবল সমর্থক আছিল আৰু ব্যক্তিক অধিকাৰ প্রদানৰ জৰিয়তে ৰাষ্ট্রৰ সার্বভৌমত্ব সীমিত কৰাটো বিচাৰিছিল। লকৰ পিছত মণ্টেস্কিউ, থমাছ পেইন, বেনথাম, ৰুছো আৰু আন কেইবাজনো চিন্তাবিদে উদাৰ দর্শনক আৰু আগুৱাই লৈ গৈছিল।

এই যুগৰ উদাৰতাবাদক ধ্রুপদী উদাৰতাবাদ বুলি জনা যায়। ই চৰিত্রত নেতিবাচক। ই

কেৱল স্বাধীনতাক সংযমৰ অনুপস্থিতি বুলিয়েই ভবা নাছিল; পুঁজিপতি বা সম্পত্তিবান শ্রেণীৰ বাবেও ইয়াক প্রয়োগ কৰিছিল আৰু সাধাৰণ জনতাৰ প্রতিও গুৰুত্ব নিদিছিল। ই ৰাষ্ট্রক ব্যক্তিৰ সন্মতি সাপেক্ষে অস্তিত্বলৈ অহা কৃত্রিম প্রতিষ্ঠান হিচাপে গণ্য কৰিছিল। উদাৰ চিন্তাবিদসকলৰ বাবে ৰাষ্ট্র আছিল এক প্রয়োজনীয় শত্রু (Necessary evil) আৰু যি ৰাষ্ট্রই পঁন্যতম কাম কৰিছিল সেইখনেই আছিল সর্বোত্তম। অর্থনৈতিক ক্ষেত্রত ই ব্যক্তিগত সম্পত্তিৰ অধিকাৰ ৰক্ষা কৰিছিল আৰু মুক্ত বাণিজ্যৰ নীতিৰ বাবে অনুৰোধ কৰিছিল। ধ্রুপদী উদাৰতাবাদে 'অকলে থকা' নীতি বিশ্বাস কৰিছিল যিয়ে অর্থনৈতিক কার্যসমূহত চৰকাৰৰ হস্তক্ষেপৰ বিৰোধিতা কৰি ব্যক্তিক সর্বাধিক অর্থনৈতিক ক্ষমতা প্রদান কৰাৰ পোষকতা কৰিছিল।

ইতিবাচক উদাৰতাবাদ ঃ

সংযমৰ অনুপস্থিতিৰ অর্থত নেতিবাচক উদাৰতাবাদৰ ধাৰণাটোৱে ঊনবিংশ শতিকাৰ শেষলৈকে প্রচলিত আছিল যদিও ঊনৱিংশ শতিকাৰ শেষৰ ফালে ই বিপর্যয়ৰ সন্মুখীন হৈছিল আৰু ইয়াৰ ঠাইত ইতিবাচক উদাৰতাবাদৰ সৃষ্টি হৈছিল। ঊনবিংশ শতিকাৰ শেষলৈ স্পষ্ট হৈ পৰিল যে পুঁজিপতিসকলক দিয়া নিষিদ্ধ স্বাধীনতাৰ ফলত আন এক ধৰণৰ বর্বৰতাৰ সৃষ্টি হৈছিল। সেয়া হৈছে পুঁজিপতিসকলে কৰা শ্রমিক শ্রেণীৰ শোষণ। ইয়াৰ ফলত তীব্র প্রতিক্রিয়াৰ সৃষ্টি হৈছিল আৰু শ্রমিকসকলৰ অৱস্থা উন্নত কৰাৰ বাবে দাবীৰ উত্থাপন হৈছিল। এই ক্ষেত্রত ৰাষ্ট্রই ইতিবাচক ভূমিকা ল'ব লাগিব বুলিও গুৰুত্ব আৰোপ কৰা হয়।

ইতিবাচক উদাৰতাবাদৰ নায়কসকলে ৰাষ্ট্রক প্রয়োজনীয় শত্রু বুলি নাভাবে। তাৰ পৰিৱর্তে তেওঁলোকে ইয়াক সমাজৰ সাধাৰণ কল্যাণৰ প্রসাৰৰ বাবে এক ইতিবাচক আহিলা হিচাপে গণ্য কৰে। সেয়েহে ইতিবাচক উদাৰতাবাদে 'কল্যাণকামী ৰাষ্ট্র স্থাপনৰ পোষকতা কৰিছিল।তেওঁলোকে ৰাষ্ট্রৰ কাম-কাজ কর্তনৰ পক্ষপাতী নহয় আৰু ব্যক্তিৰ সাধাৰণ স্বার্থত ই সামাজিক, ৰাজনৈতিক, অর্থনৈতিক, সাংস্কৃতিক আৰু অন্যান্য কাৰঞ্জ্যকলাপত অংশগ্রহণ কৰাটো বিচাৰে। ইতিবাচক উদাৰতাবাদে অধিকাৰ আৰু স্বাধীনতাক স্বাভাৰিক বুলি নাভাবে আৰু ৰাষ্ট্রৰ সৃষ্টিও একেই বুলি ধৰি লৈছে। সকলোৱে সকলো অধিকাৰ সামাজিক প্রেক্ষাপটত ভোগ কৰিব লাগিব আৰু সমাজৰ কল্যাণত বাধাৰ সৃষ্টি কৰিলে ৰাষ্ট্রই সেইবোৰক বাধা আৰোপ কৰিব। ইতিবাচক উদাৰতাবাদে সমাজৰ বৃহত্তৰ স্বার্থত সমাজৰ অর্থনৈতিক জীৱনৰ নিয়ন্ত্রণ আৰু নিয়ন্ত্রণৰ পক্ষপাতী।

সমসাময়িক উদাৰতাবাদ: দ্বিতীয় বিশ্বযুদ্ধৰ পিছৰ সময়ছোৱাত উদাৰ দর্শনত অধিক পৰিৱর্তন ঘটিছিল। উদাৰ চিন্তাৰ যি নতুন ব্রেণ্ডৰ উত্থান ঘটিল, সেইটোক সমসাময়িক উদাৰতাবাদ বুলি নির্ধাৰণ কৰা হয়।

সমসাময়িক উদাৰতাবাদৰ জন্ম হৈছিল মূলত ঃ

মানৱজাতিক সর্বাত্মক ব্যৱস্থাৰ অত্যাচাৰৰ পৰা ৰক্ষা কৰাৰ উদ্দেশ্যেৰে। ইয়াত ব্যক্তি আৰু ব্যক্তিৰ সামাজিক গোটসমূহৰ ব্যক্তিত্বৰ ওপৰত অধিক গুৰুত্ব দিয়া হয়। ই সাধাৰণতে ৰাষ্ট্রৰ বিৰুদ্ধে নির্দেশিত আৰু ইয়াক গোটৰ ফেডাৰেচন, গিল্ডৰ সংঘ বা সম্প্রদায়সমূহৰ সম্প্রদায়তকৈ কিছু বেছি বুলি গণ্য কৰে; যিয়ে এই গোটসমূহৰ কার্যকলাপৰ সমন্বয় সাধন কৰে

আৰু তেওঁলোকৰ বিৰোধী দাবীসমূহৰ সামস্যাৰ সৃষ্টি কৰে। ডেভিদ জি স্মিথৰ মতে, "সমসাময়িক উদাৰতাবাদে ব্যক্তিত্বৰ মুক্ত প্রকাশৰ প্রমূল্যৰ ওপৰত, ব্যক্তিৰ সেই প্রকাশক নিজৰ বাবে তথা সমাজৰ বাবে মূল্যৱান কৰি তোলাৰ ক্ষমতাৰ ওপৰত আৰু সেইবোৰক ৰক্ষা কৰাৰ ওপৰত বিশ্বাস ৰাখে আৰু এনে প্রতিষ্ঠান আৰু নীতিক প্রাধান্য দিয়ে যিয়ে মুক্ত প্রকাশ আৰু সেই স্বাধীনতাৰ ওপৰত আস্থা উভয়কে সুৰক্ষিত কৰে।"

সমসাময়িক উদাৰতাবাদৰ বিকাশত মূল্যৱান অৱদান আগবঢ়োৱা কিছুমান বিশিষ্ট পণ্ডিতৰ ভিতৰত শ্বুম্পেটাৰ, ৰবার্ট ডাহল, চেপমেন, ৰ'লছ অন্যতম। শ্বুম্পেটাৰৰ মতে গণতান্ত্রিক পদ্ধতিসমূহে সাধাৰণ মংগলৰ বাস্তৱিত কৰাত সহায় নকৰে; কাৰণ ইয়াক সঘনাই মানুহৰ ভোটৰ বাবে প্রতিযোগিতামূলক সংগ্রামৰ দ্বাৰা সিদ্ধান্ত লোৱাৰ ক্ষমতা আহৰণ কৰিবলৈ ব্যৱহাৰ কৰে। জন ৰ'লছৰ মতে যিকোনো সমাজতে বৈষম্য অনিবার্য আৰু ন্যায়ে এই কথা দাবী কৰে যে সকলো নাগৰিকে এখন সমাজৰ সম্পদত অংশ লোৱা উচিত আৰু সমান অর্থনৈতিক সুযোগ উপভোগ কৰিব লাগে। এইদৰে সমসাময়িক সকলো উদাৰ চিন্তাবিদেই এই কথাত গুৰুত্ব দিছে যে মানুহ মূলতঃ এজন কর্তা আৰু তেওঁ নিজৰ সম্ভাৱনাক সম্পূর্ণৰূপে বিকশিত কৰিব পাৰিব লাগে।

২.৫.১ উদাৰতাবাদৰ সমীক্ষা

বহু পণ্ডিতে উদাৰতাবাদৰ দর্শনক বিভিন্ন কাৰণত সমালোচনা কৰিছে। উদাৰতাবাদৰ বিৰুদ্ধে সমালোচনাৰ মূল দিশসমূহ হ'ল-

- এই অভিযোগ প্রায়ে উত্থাপন কৰা হয় যে ই এক অতি নমনীয় দর্শন আৰু ইয়াৰ অর্থ বিভিন্ন সময়ত বিভিন্ন দার্শনিকৰ বাবে পৃথক হয়। মুঠতে ই নিৰৱচ্ছিন্ন এক মতবাদ হিচাপে পৰিগণিত হোৱা নাই আৰু সকলোৰে বাবে গ্রহণযোগ্য কোনো সুনির্দিষ্ট কার্যসূচীও ই প্রদান কৰা নাই।
- মাৰক্সবাদীসকলে অভিযোগ কৰিছে যে উদাৰতাবাদ মূলতঃ বুর্জোৱা শ্রেণীৰ দর্শন হিচাপে পৰিগণিত হৈ আহিছে আৰু ই মানৱীয় মূল্যবোধতকৈ ব্যৱস্থাটোৰ ভিতৰত স্থিৰতা আৰু ভাৰসাম্যৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰে। ইয়াৰ দ্বাৰা পোষকতা কৰা সাধাৰণ কল্যাণমূলক ব্যৱস্থাসমূহো পুঁজিপতি শ্রেণীৰ স্বার্থ প্রসাৰিত কৰা বিবেচনাৰ দ্বাৰা প্রেৰিত হৈ আহিছে।
- মাৰক্সবাদী আৰু সমাজবাদী চিন্তাবিদসকলেও উদাৰতাবাদক সমালোচনা কৰিছে। কাৰণ ই সমাজৰ মৌলিক পৰিৱর্তন শান্তিপূর্ণ উপায়েৰে অনাৰ সপক্ষে মত প্রদান কৰে। তেওঁলোকে যুক্তি দিছিল যে উৎপাদন আৰু বিতৰণৰ আহিলা নিয়ন্ত্রণ কৰাসকলে তেওঁলোকৰ বিশেষ স্থানৰপৰা বঞ্চিত কৰাৰ যিকোনো পদক্ষেপক সম্পূর্ণ শক্তিৰে প্রতিহত কৰিব। সেয়েহে বর্তমানৰ সামাজিক আৰু অর্থনৈতিক ব্যৱস্থাৰ যিকোনো গুৰুত্বপূর্ণ পৰিৱর্তন কেৱল বল প্রয়োগৰ

জৰিয়তেহে সম্ভৱ।

উদাৰতাবাদৰ ওপৰত ওপৰত সমালোচনা কৰাৰ পিছতো ই গণতান্ত্রিক আৰু মানৱতাবাদী ধাৰণাসমূহৰ বিকাশৰ বাবে যে বৃহৎ ভূমিকা গ্রহণ কৰি আহিছে, সেই কথা অস্বীকাৰ কৰিব নোৱাৰি। উদাৰতাবাদে সামন্তীয় ব্যৱস্থাক বিনাশ কৰিছিল আৰু পোপ তথা ৰাজতন্ত্রই প্রতিনিধিত্ব কৰা ৰক্ষণশীলতা আৰু গতানুগতিকতাক দূৰ কৰাত গুৰুত্বপূর্ণ ভূমিকা পালন কৰিছিল। ইয়াত 'স্বাধীনতা, সমতা আৰু ভ্রাতৃত্ববোধ'ৰ শ্লোগান প্রদান কৰা হৈছিল যিয়ে সংগ্রামী জনসাধাৰণৰ বাবে পোহৰৰ ৰেখা হিচাপে কাম কৰি আহিছে। ইয়াৰ উপৰিও গণতন্ত্র, স্বাভাৰিক আৰু অবিচ্ছেদ্য অধিকাৰ, মানৱ ব্যক্তিত্বৰ বিকাশ আদিৰ ধাৰণাও জন্ম দিছিল। পিছলৈ ইতিবাচক উদাৰতাবাদে ব্যক্তিৰ স্বাধীনতাৰ বাবে ক্ষতিকাৰক প্রতিষ্ঠানসমূহক সমালোচনাৰ লক্ষ্য হিচাপে লোৱাৰ উপৰিও, বর্তমানৰ প্রতিষ্ঠানসমূহত প্রয়োজনীয় সংস্কাৰ কৰাৰ লগতে আৰু এনে ব্যৱস্থাৰ পৰামর্শও দিছিল যিয়ে ব্যক্তিৰ ব্যক্তিত্বৰ বিকাশ সহায় কৰিব পাৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৪ ঃ ধ্রুপদী উদাৰতাবাদৰ প্রসংগত উদাৰতাবাদৰ বিকাশ আলোচনা কৰক।

প্রশ্ন নং ৫ ঃ উদাৰতাবাদৰ বিপক্ষে দুটা সমালোচনা উল্লেখ কৰক।



২.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- উদাৰতাবাদ বিশ্বত যুগ যুগ ধৰি এক প্রধান দর্শন হৈ আহিছে । কোনো বিশেষ সময়ত কোনো বিশেষ ৰাজনৈতিক চিন্তাবিদে ইয়াক বিকশিত কৰা নাছিল।
- উদাৰতাবাদে কোনো সুসংহত মতবাদক প্রতিনিধিত্ব নকৰে আৰু ইয়াক বিভিন্ন সময়ত বিভিন্ন পণ্ডিতে সমৃদ্ধ কৰিছিল।
- চৰকাৰৰ পদ্ধতি আৰু নীতি হিচাপে, স্বাধীনতাৰ প্রতি দায়বদ্ধ ধাৰণা হিচাপে, সমাজত সংগঠনমূলক নীতি হিচাপে আৰু ব্যক্তি আৰু সম্প্রদায়ৰ জীৱনশৈলী হিচাপে উদাৰতাবাদ প্রতিষ্ঠিত।
- "Liberal" শব্দটো লেটিন ভাষাৰ "liber" শব্দৰ পৰা উদ্ভৱ হৈছে যাৰ আক্ষৰিক অর্থ হৈছে "মুক্ত"। লাস্কিৰ মতে, "উদাৰতাবাদ নিঃসন্দেহে স্বাধীনতাৰ সৈতে জড়িত"। ইয়াৰ অর্থ হৈছে ব্যক্তিজন মুক্ত আৰু নিৰাপদ হোৱা ৰাজনৈতিক, সামাজিক আৰু অর্থনৈতিক ব্যৱস্থাৰ প্রতিষ্ঠা।পণ্ডিতসকলে উদাৰতাবাদক সংকীর্ণ অর্থৰ লগতে বহল অর্থতো বিচাৰ কৰি চাইছে।

- সংকীর্ণ অর্থত ইয়াক অর্থনৈতিক আৰু ৰাজনৈতিক ক্ষেত্রত প্রয়োগ কৰি উৎপাদন আৰু বিতৰণৰ স্বাধীনতা, শাসকক বাছনি আৰু আঁতৰোৱা আদিৰ নীতিৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে।
- বহল অর্থত ইয়াক ইয়াক এনে এক মানসিক নীতি হিচাপে প্রয়োগ কৰা হৈছে, যিয়ে মানুহৰ বৈচিত্রময় বৌদ্ধিক, নৈতিক, ধর্মীয়, সামাজিক, অর্থনৈতিক আৰু ৰাজনৈতিক সম্পর্কসমূহ বিশ্লেষণ আৰু একত্রিত কৰাৰ প্রয়াস কৰে।
- উদাৰতাবাদৰ কিছুমান বিশেষ বৈশিষ্ট্য আছে।উদাৰতাবাদে মানুহক যুক্তিবাদী সত্তা হিচাপে গণ্য কৰে। মানুহৰ নিজকে উত্তম দিশত বিকশিত কৰাৰ সামৰথ্য আৰু সম্ভাৱনাৰ ওপৰত ইয়াৰ বিশ্বাস আছে।
- উদাৰতাবাদে গণতন্ত্রক সমর্থন কৰে যিয়ে ব্যক্তিগত স্বাধীনতাক প্রসাৰিত কৰে। ই সাংবিধানিকতাবাদ, ক্ষমতাৰ বিকেন্দ্রীকৰণ আৰু জনপ্রিয় সার্বভৌমত্বৰ পক্ষপাতী।
- উদাৰতাবাদ ৰক্ষণশীলতাৰ বিৰোধী। ই শান্তিপূর্ণ আৰু সাংবিধানিক উপায়েৰে সংস্কাৰৰ পক্ষপাতী। ইয়াত যুক্তিসংগত ধাৰণাসমূহৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয় আৰু ব্যক্তিৰ অধিকাৰক গুৰুত্ব দিয়া হয়।
- উদাৰতাবাদে প্রাকৃতিক অধিকাৰক স্বীকৃতি দিয়ে আৰু ই ৰাষ্ট্রই মানৱ প্রগতিৰ বাবে অপৰিহার্য সেই অধিকাৰসমূহ সুৰক্ষিত কৰাৰ ক্ষেত্রত পক্ষপাতী। । উদাৰতাবাদে ৰাষ্ট্রক মানুহৰ নৈতিক উদ্দেশ্য পূৰণৰ প্রতিষ্ঠান হিচাপে গণ্য কৰে।
- উদাৰতাবাদৰ অর্থ হ'ল সীমিত আৰু সাংবিধানিক চৰকাৰ। বাহ্যিকভাৱে ই আন্তর্জাতিকতাবাদ, শান্তিপূর্ণ সহ-অস্তিত্ব আৰু বিবাদৰ শান্তিপূর্ণ নিষ্পত্তিৰ বাবে থিয় দিছে।
- আন্তঃৰাষ্ট্রীয় পর্যায়ত ই আন্তর্জাতিকতাবাদৰ মনোভাৱ, আন্তঃৰাষ্ট্রীয় শান্তি আৰু ৰাষ্ট্রসমূহৰ মাজত বন্ধুত্বপূর্ণ সম্পর্কক গুৰুত্ব দিয়ে।
- সামাজিক ক্ষেত্রত উদাৰতাবাদে ধর্মীয় স্বাধীনতাৰ পক্ষত থিয় দিছে আৰু পুৰুষক ধর্মীয় গতানুগতিকতাৰ পৰা মুক্ত কৰিবলৈ বিচাৰে। ই এনে এক অভ্যাস, ৰীতি-নীতি আৰু প্রতিষ্ঠানসমূহক আঁতৰাই পেলাব বিচাৰে যিবোৰে নিজৰ উপযোগিতাক জীৱন নির্বাহ কৰি ৰাখিছে বা যিবোৰে প্রকৃত স্বাধীনতা উপভোগ কৰাত বাধাৰ সৃষ্টি কৰিছে।
- অর্থনৈতিক ক্ষেত্রত উদাৰতাবাদে মুক্ত বাণিজ্য আৰু উৎপাদনৰ বাবে থিয় দিছে। ই আমদানি আৰু ৰপ্তানিৰ ওপৰত নিষেধাজ্ঞাৰ বিৰোধী আৰু বিচাৰে ব্যক্তিজনক প্রাকৃতিক সম্পদৰ শোষণ আৰু অর্থনৈতিক লভ্যাংশ নিজৰ ইচ্ছামতে বিতৰণ কৰিবলৈ মুক্ত কৰি দিয়া হওক।
- ৰাজনৈতিক ক্ষেত্রত উদাৰতাবাদে বিশ্বাস কৰে যে ৰাজনৈতিক স্বাধীনতাই আন সকলো ধৰণৰ স্বাধীনতাৰ পূর্বচর্ত গঠন কৰে।
- ইয়াৰ বাবে ই ক্ষমতা পৃথকীকৰণ, কার্যবাহীৰ ওপৰত সংসদীয় নিয়ন্ত্রণ, ন্যায়িক পর্যালোচনা,

সংখ্যালঘুৰ স্বার্থ সুৰক্ষা আৰু ক্ষমতাৰ কেন্দ্রীভূতকৰণ ৰোধ কৰাৰ অন্যান্য ব্যৱস্থাৰ দৰে প্রতিষ্ঠানৰ পোষকতা কৰিছিল। ইয়াৰ অর্থ এইটোও যে চূড়ান্ত ক্ষমতা জনসাধাৰণৰ ওপৰত নির্ভৰশীল আৰু চৰকাৰে তেওঁলোকৰ প্রতি জবাবদিহি হ'ব লাগিব।

- ষোড়শ শতিকাত ৰাষ্ট্র, গীর্জা আৰু সামন্তৰ নিৰপেক্ষ কর্তৃত্বৰ বিৰুদ্ধে প্রতিক্রিয়া হিচাপে ধ্রুপদী উদাৰতাবাদৰ উত্থান ঘটিছিল। ই বহুলাংশে সংস্কাৰ, বিজ্ঞান আৰু ব্যক্তিবাদৰ যুগৰ উৎপাদন আছিল আৰু তেতিয়াৰ সমাজৰ বৈশিষ্ট্যপূর্ণ পৰিৱর্তিত চিন্তাধাৰাক প্রতিনিধিত্ব কৰিছিল।
- সপ্তদশ আৰু অষ্টাদশ শতিকাৰ সময়ছোৱাত উদাৰতাবাদৰ ধাৰণাটো আৰু অধিক বিকশিত আৰু একত্রিত হৈছিল। এই ক্ষেত্রত মূল্যৱান সেৱা আগবঢ়োৱা কিছুমান বিশিষ্ট দার্শনিকৰ ভিতৰত ল'ক, মণ্টেস্কিউ, থমাছ পেইন, হবছ আৰু ৰুছ' আদি অন্যতম।
- উদাৰতাবাদে ইয়াৰ আটাইতকৈ বিশদ আৰু স্পষ্ট প্রকাশ জন লকৰ লেখাত লাভ কৰিছিল যাক প্রায়ে উদাৰ ৰাজনৈতিক দর্শনৰ পিতৃ বুলি বর্ণনা কৰা হয়। তেওঁ সাংবিধানিক চৰকাৰৰ প্রবল সমর্থক আছিল আৰু ব্যক্তিক অধিকাৰ প্রদানৰ জৰিয়তে ৰাষ্ট্রৰ সার্বভৌমত্ব সীমিত কৰাৰ বাবে তীব্র আবেদন জনাইছিল।
- লকৰ পিছত মণ্টেস্কিউ, থমাছ পেইন, বেনথাম, ৰুছ' আৰু আন কেইবাজনো চিন্তাবিদে উদাৰ দর্শনক আৰু আগুৱাই লৈ গৈছিল।
- এই যুগৰ উদাৰতাবাদক ধ্রুপদী উদাৰতাবাদ বুলি জনা যায় যিটো চৰিত্রত নেতিবাচক আছিল। ই কেৱল স্বাধীনতাক সংযমৰ অনুপস্থিতি বুলিয়েই নাভাবি কেৱল পুঁজিপতি বা সম্পত্তিবান শ্রেণীৰ বাবেও ইয়াক কল্পনা কৰিছিল আৰু সাধাৰণ জনতাৰ প্রতিও গুৰুত্ব নিদিছিল।
- ধ্রুপদী উদাৰতাবাদে ৰাষ্ট্রক এক কৃত্রিম প্রতিষ্ঠান হিচাপে গণ্য কৰিছিল যিটো ব্যক্তিৰ সন্মতি সাপেক্ষে অস্তিত্বলৈ আহিছিল। উদাৰ চিন্তাবিদসকলৰ বাবে ৰাষ্ট্র আছিল এক প্রয়োজনীয় বেয়া আৰু যি ৰাষ্ট্রইপঁন্যতম কাৰঞ্জয্য সম্পাদন কৰিছিল সেইখনেই আছিল সর্বোত্তম।
- অর্থনৈতিক ক্ষেত্রত ধ্রুপদী উদাৰতাবাদে ব্যক্তিগত সম্পত্তিৰ অধিকাৰ ৰক্ষা কৰিছিল আৰু মুক্ত বাণিজ্যৰ নীতিৰ বাবে অনুৰোধ কৰিছিল।
- ধ্রুপদী উদাৰতাবাদ ঊনবিংশ শতিকাৰ শেষলৈকে ফুলি উঠিছিল যেতিয়া ইয়াৰ বিপর্যয় ঘটিছিল আৰু ইয়াৰ ঠাইত ইতিবাচক উদাৰতাবাদৰ সৃষ্টি হৈছিল।
- ঊনবিংশ শতিকাৰ শেষৰ চতুর্থাংশলৈকে শ্রমিকৰ ভাগ্য উন্নত কৰাৰ চাহিদা বাঢ়ি আহিছিল। ৰাষ্ট্রই ইতিবাচক ভূমিকা ল'ব লাগিব বুলি গুৰুত্ব আৰোপ কৰা হয়।
- ইতিবাচক উদাৰতাবাদৰ নায়কসকলে ৰাষ্ট্রক প্রয়োজনীয় বেয়া বুলি নাভাবে; বৰঞ্চ তেওঁলোকে ইয়াক সমাজৰ সাধাৰণ কল্যাণৰ প্রসাৰৰ বাবে এক ইতিবাচক আহিলা হিচাপে গণ্য কৰে।

দ্বিতীয় বিশ্বযুদ্ধৰ পিছৰ সময়ছোৱাত উদাৰ দৰ্শনত অধিক পৰিৱৰ্তন ঘটিল আৰু উদাৰতাবাদৰ নতুন বৈচিত্ৰঞ্জক সমসাময়িক উদাৰতাবাদ বুলি অভিহিত কৰা হয়।

- সমসাময়িক উদাৰতাবাদৰ জন্ম হৈছিল মূলতঃ সৰ্বাত্মক ব্যৱস্থাৰ অত্যাচাৰৰ পৰা মানৱজাতিক ৰক্ষা কৰাৰ লক্ষ্যৰে। ইয়াত ব্যক্তি আৰু তেওঁৰ সামাজিক গোটসমূহৰ ব্যক্তিত্বৰ ওপৰত অধিক গুৰুত্ব দিয়া হয়।
- সমসাময়িক উদাৰতাবাদ সাধাৰণতে ৰাষ্ট্ৰৰ বিৰুদ্ধে নিৰ্দেশিত আৰু ইয়াক গোটৰ ফেডাৰেচন, গিল্ডৰ সংঘ বা সম্প্ৰদায়ৰ সম্প্ৰদায়তকৈ অলপ বেছি বুলি গণ্য কৰে যিয়ে এই গোটসমূহৰ কাৰ্যকলাপৰ সমন্বয় সাধন কৰে আৰু তেওঁলোকৰ বিৰোধী দাবীসমূহ সামস্য কৰে।
- সমসাময়িক উদাৰতাবাদৰ বিকাশত মূল্যৱান অৱদান আগবঢ়োৱা কিছুমান বিশিষ্ট পণ্ডিতৰ ভিতৰত শ্বুম্পেটাৰ, ৰবাৰ্ট ডাহল, চেপমেন, ৰ'লছ আদি অন্যতম।
- বহু পণ্ডিতে উদাৰতাবাদৰ দৰ্শনক বিভিন্ন কাৰণত সমালোচনা কৰিছে।
- উদাৰতাবাদ এক অতি নমনীয় আৰু তৰল দৰ্শন আৰু বিভিন্ন সময়ত বিভিন্ন দাৰ্শনিকৰ বাবে বিভিন্ন অৰ্থ বহন কৰা বুলি অভিযোগ উত্থাপন কৰা হৈছে।
- মাৰঞ্জক্সবাদীসকলে অভিযোগ কৰিছে যে উদাৰতাবাদ মূলতঃ বুৰ্জোৱা শ্ৰেণীৰ দৰ্শন হৈ আহিছে আৰু মানৱীয় মূল্যবোধতকৈ ব্যৱস্থাটোৰ ভিতৰত স্থিৰতা আৰু ভাৰসাম্যৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰিছে।
- মাৰঞ্জক্সবাদী আৰু সমাজবাদী চিন্তাবিদসকলেও উদাৰতাবাদক সমালোচনা কৰিছে কাৰণ ইয়াৰ মতে শান্তিপূৰ্ণ উপায়েৰে সমাজত মৌলিক পৰিৱৰ্তন আনিব পাৰি।
- উদাৰতাবাদৰ ওপৰত উল্লেখ কৰা সমালোচনাৰ পিছতো ই গণতান্ত্ৰিক আৰু মানৱতাবাদী ধাৰণাসমূহৰ বিকাশৰ বাবে যে যথেষ্ট সেৱা আগবঢ়াইছে, সেই কথা অস্বীকাৰ কৰিব নোৱাৰি। উদাৰতাবাদে সামন্তীয় ব্যৱস্থাত মৃত্যুৰ আঘাত হানিছিল আৰু পোপ আৰু ৰাজতন্ত্ৰই প্ৰতিনিধিত্ব কৰা ৰক্ষণশীলতা আৰু গতানুগতিকতাক দূৰ কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল।
- ইয়াত 'স্বাধীনতা, সমতা আৰু ভ্ৰাতৃত্ববোধ'ৰ শ্লোগান প্ৰদান কৰা হৈছিল যিয়ে সংগ্ৰামী জনসাধাৰণৰ বাবে বিকন লাইট হিচাপে কাম কৰি আহিছে। ইয়াৰ পৰাও জন্ম হৈছিল গণতন্ত্ৰ, স্বাভাৰিক আৰু অবিচ্ছেদ্য অধিকাৰ, আৰু মানৱ ব্যক্তিত্বৰ বিকাশৰ ধাৰণা।
- পিছলৈ ইতিবাচক উদাৰতাবাদে ব্যক্তিৰ স্বাধীনতাৰ বাবে ক্ষতিকাৰক প্ৰতিষ্ঠানসমূহক আক্ৰমণ কৰাই নহয় বৰ্তমানৰ প্ৰতিষ্ঠানসমূহত প্ৰয়োজনীয় সংস্কাৰ আৰু চৰ্ত প্ৰদানৰ পৰামৰ্শও আগবঢ়াইছিল যিয়ে ব্যক্তিৰ ব্যক্তিত্বৰ বিকাশত সহায় কৰিব পাৰে।



২.৭ অধিক জানিবলৈ

১) Gauba, O.P.(2012). An Introduction to Political Theory. Macmillan Publishers Pvt. Ltd.

২) Andrew Heywood (2004).Political Theory Ê. An Introduction.Palgrave Macmillan.

৩) Johari, J. C. (2006). Contemporary Political Theory.Sterling Publishers Private Limited.

৪) Arora, Prem. Political Science (Theory). Cosmos Bookhive (p) Ltd.



১.৮ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ "liberal" শব্দটো লেটিন ভাষাৰ "liber" শব্দৰ পৰা উদ্ভৱ হৈছে যাৰ আক্ষৰিক অর্থ হৈছে "মুক্ত"। লাস্কিৰ মতে, "উদাৰতাবাদ নিঃসন্দেহে স্বাধীনতাৰ সৈতে জড়িত"। ইয়াৰ অর্থ হ'ল ব্যক্তিজন মুক্ত আৰু নিৰাপদ হোৱা ৰাজনৈতিক, সামাজিক আৰু অর্থনৈতিক ব্যৱস্থা প্রতিষ্ঠা। পণ্ডিতসকলে উদাৰতাবাদক সংকীর্ণ অর্থৰ লগতে বহল অর্থতো চাইছে। সংকীর্ণ অর্থত ইয়াক অর্থনৈতিক আৰু ৰাজনৈতিক ক্ষেত্রখনত প্রয়োগ কৰি উৎপাদন আৰু বিতৰণৰ স্বাধীনতা, শাসকক বাছনি আৰু আঁতৰোৱা আদিৰ নীতিসমূহৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে।বহল অর্থত মানুহৰ বৈচিত্রময় বৌদ্ধিক, নৈতিক, ধর্মীয়, সামাজিক, অর্থনৈতিক আৰু ৰাজনৈতিক সম্পর্ক বিশ্লেষণ আৰু একত্রীকৰণৰ প্রয়াস কৰা মানসিক মনোভাৱ হিচাপে স্বীকৃত।

২ নং প্রশ্নৰ উত্তৰ ঃ ক) উদাৰতাবাদে মানুহক যুক্তিবাদী সত্তা হিচাপে গণ্য কৰে। মানুহৰ নিজকে উত্তম দিশত বিকশিত কৰাৰ সামৰঞ্জথ্য আৰু সম্ভাৱনাৰ ওপৰত ইয়াৰ বিশ্বাস আছে। উদাৰতাবাদে গণতন্ত্রক সমর্থন কৰে যিয়ে ব্যক্তিগত স্বাধীনতাক প্রসাৰিত কৰে। ই সাংবিধানিকতাবাদ, ক্ষমতাৰ বিকেন্দ্রীকৰণ আৰু জনপ্রিয় সার্বভৌমত্বৰ পক্ষপাতী।

৩ নং প্রশ্নৰ উত্তৰ ঃ অর্থনৈতিক ক্ষেত্রত উদাৰতাবাদে মুক্ত বাণিজ্য আৰু উৎপাদনৰ বাবে থিয় দিছে। ই আমদানি আৰু ৰপ্তানিৰ ওপৰত নিষেধাজ্ঞাৰ বিৰোধী আৰু বিচাৰে ব্যক্তিজনক প্রাকৃতিক সম্পদৰ শোষণ আৰু অর্থনৈতিক লভ্যাংশ নিজৰ ইচ্ছামতে বিতৰণ কৰিবলৈ মুক্ত কৰি দিয়া হওক। উদাৰতাবাদৰ এই ধাৰণাটো অৱশ্যে আধুনিক যুগত সমাজবাদৰ মতবাদৰ জনপ্রিয়তাৰ বাবে পৰিৱর্তন ঘটিছে আৰু ৰাষ্ট্রক সমাজৰ বৃহত্তৰ স্বার্থত দেশৰ

অর্থনৈতিক কার্যকলাপ নিয়ন্ত্রণ কৰিবলৈ উৎসাহিত কৰা হৈছে।

৪ নং প্রশ্নৰ উত্তৰ ঃ ষোড়শ শতিকাত ৰাষ্ট্ৰ, গীর্জা আৰু সামন্তৰ নিৰপেক্ষ কর্তৃত্বৰ বিৰুদ্ধে প্রতিক্রিয়া হিচাপে উদাৰতাবাদৰ উত্থান ঘটিছিল। ই বহুলাংশে সংস্কাৰ, বিজ্ঞান আৰু ব্যক্তিবাদৰ যুগৰ উৎপাদন আছিল আৰু ই তেতিয়াৰ সমাজৰ বৈশিষ্টঞ্জযপূর্ণ পৰিৱর্তিত চিন্তাধাৰাক প্রতিনিধিত্ব কৰিছিল। ইয়াত মানৱ প্রগতিৰ পথত থকা বাধাসমূহ আঁতৰাই সমাজ আৰু চৰকাৰে জাপি দিয়া মানুহৰ বন্ধন ভাঙি মানুহৰ মাজত উপস্থিত থকা বিশাল সম্ভাৱনাক মুক্ত কৰাৰ প্রয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছিল।

সপ্তদশ আৰু ১৮ শতিকাৰ সময়ছোৱাত উদাৰতাবাদৰ ধাৰণাটো আৰু অধিক বিকশিত আৰু একত্রিত হৈছিল। এই ক্ষেত্রত মূল্যৱান সেৱা আগবঢ়োৱা কিছুমান বিশিষ্ট দার্শনিকৰ ভিতৰত ল'ক, মণ্টেস্কিউ, থমাছ পেইন, হবছ আৰু ৰুছ' আদি অন্যতম।

উদাৰতাবাদে ইয়াৰ আটাইতকৈ বিশদ আৰু স্পষ্ট প্রকাশ জন লকৰ লেখাত লাভ কৰিছিল যাক প্রায়ে উদাৰ ৰাজনৈতিক দর্শনৰ পিতৃ হিচাপে বর্ণনা কৰা হয়। এই যুগৰ উদাৰতাবাদক ধ্রুপদী উদাৰতাবাদ বুলি জনা যায় যিটো চৰিত্রত নেতিবাচক আছিল। ই কেৱল স্বাধীনতাক সংযমৰ অনুপস্থিতি বুলিয়েই নাভাবি কেৱল পুঁজিপতি বা সম্পত্তিবান শ্রেণীৰ বাবেও ইয়াক কল্পনা কৰিছিল আৰু সাধাৰণ জনতাৰ প্রতিও গুৰুত্ব নিদিছিল। ই ৰাষ্ট্রক ব্যক্তিৰ সন্মতি সাপেক্ষে অস্তিত্বলৈ অহা কৃত্রিম প্রতিষ্ঠান হিচাপে গণ্য কৰিছিল। উদাৰ চিন্তাবিদসকলৰ বাবে ৰাষ্ট্র আছিল এক প্রয়োজনীয় বেয়া আৰু যি ৰাষ্ট্রই পঁন্যতম কাৰঞ্জয্য সম্পাদন কৰিছিল সেইখনেই আছিল সর্বোত্তম। অর্থনৈতিক ক্ষেত্রত ই ব্যক্তিগত সম্পত্তিৰ অধিকাৰ ৰক্ষা কৰিছিল আৰু মুক্ত বাণিজ্যৰ নীতিৰ বাবে অনুৰোধ কৰিছিল।

৫ নং প্রশ্নৰ উত্তৰ ঃ উদাৰতাবাদ এক অতি নমনীয়ক দর্শন আৰু ইয়াৰ অর্থ বিভিন্ন সময়ত বিভিন্ন দার্শনিকৰ বাবে বেলেগ বেলেগ বুলি অভিযোগ উত্থাপন কৰা হৈছে। মুঠতে ই এক সামঞ্জস্যপূর্ণ মতবাদ হোৱা নাই আৰু সকলোৰে বাবে গ্রহণযোগ্য কোনো সুনির্দিষ্ট কার্যসূচীও উপস্থাপন কৰা নাই।

মাক্সবাদীসকলে অভিযোগ কৰিছে যে উদাৰতাবাদ মূলতঃ বুর্জোৱা শ্রেণীৰ দর্শন আৰু ই মানৱীয় মূল্যবোধতকৈ ব্যৱস্থাটোৰ ভিতৰত স্থিৰতা আৰু ভাৰসাম্যৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰিছে। ইয়াৰ দ্বাৰা পোষকতা কৰা সাধাৰণ কল্যাণমূলক ব্যৱস্থাসমূহো স্বার্থ প্রসাৰিত কৰাৰ বিবেচনাৰ দ্বাৰা প্রেৰিত হৈছে পুঁজিবাদী শ্রেণী।



২.৯ আৰ্হি প্রশ্ন

প্রশ্ন ১ ঃ ধ্রুপদী উদাৰতাবাদৰ দুজন প্রৱক্তাৰ নাম লিখক।

প্রশ্ন ২ ঃ 'Laissez Faire' বুলিলে কি বুজা যায়?

প্ৰশ্ন ৩ ঃ উদাৰতাবাদৰ দুটা কেন্দ্ৰৰ নাম লিখক।

প্ৰশ্ন ৪ ঃ ভাৰতীয় প্ৰেক্ষাপটত উদাৰতাবাদৰ আদৰ্শৰ কোনো ভূমিকা আছে বুলি আপুনি ভাৱেনে?

প্ৰশ্ন ৫ ঃ ধ্ৰুপদী উদাৰতাবাদ আৰু সমসাময়িক উদাৰতাবাদৰ মাজৰ পাৰ্থক্য আলোচনা কৰক।

প্ৰশ্ন ৬ ঃ সমসাময়িক উদাৰতাবাদৰ মূল ভেঁটি কি?

প্ৰশ্ন ৭ ঃ উদাৰতাবাদৰ অৰ্থ আৰু বৈশিষ্ট লিখক।

প্ৰশ্ন ৮ ঃ উদাৰতাবাদৰ বিকাশ সম্পৰ্কে আলোচনা কৰক। উদাৰতাবাদৰ এটি সমীক্ষা দাঙি ধৰক।

*** ***** ***

অধ্যায় ৩ঃ নব্য - উদাৰতাবাদ

অধ্যায় গাঁথনি

৩.১ উদ্দেশ্য

৩.২ পৰিচয়

৩.৩ নব্য-উদাৰতাবাদৰ অর্থ

৩.৩.১ নব্য-উদাৰতাবাদৰ ওপৰত দৃষ্টি

৩.৩.২ নব্য-উদাৰতাবাদৰ প্রকৃতি

৩.৪ নব্য-উদাৰতাবাদ আৰু গোলকীকৰণ

৩.৫ নব্য-উদাৰতাবাদৰ বিৰুদ্ধে সমালোচনা

৩.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৩.৭ অধিক জানিবলৈ

৩.৮ অগ্রগতিৰ খতিয়ান

৩.৯ আৰ্হি প্রশ্ন

৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- নব্য-উদাৰতাবাদৰ অর্থ ব্যাখ্যা কৰিবলৈ
- নব্য-উদাৰতাবাদৰ প্রকৃতি বর্ণনা কৰিবলৈ
- নব্য-উদাৰতাবাদৰ সংজ্ঞা দিবলৈ
- নব্য-উদাৰতাবাদক গোলকীকৰণৰ লগত ৰিজাই চাবলৈ
- নব্য-উদাৰতাবাদৰ বিপক্ষে সমালোচনা দাঙি ধৰিবলৈ।

৩.২ পৰিচয়

সামাজিক উদাৰতাবাদ বা সামাজিক গণতন্ত্রৰ বিপৰীতে, নব্য-উদাৰতাবাদে অর্থনৈতিক স্বাধীনতা, মুক্ত বাণিজ্য আৰু মুকলি বজাৰক সমর্থন কৰে। ৰাষ্ট্রনিয়ন্ত্রিৰত বজাৰ ব্যৱস্থাক নস্যাৎ কৰি, নব্য-উদাৰতাবাদে অর্থনৈতিক বিষয়সমূহক উদাৰ বা মুক্ত ৰাজনৈতিক দৃষ্টিৰে বিশ্লেষণ কৰে; আৰু ইয়াৰদ্বাৰা অর্থনৈতিক খণ্ডৰ সম্পূর্ণ ব্যক্তিগতকৰণৰ বাট প্রশস্ত কৰে। একে সময়তে এইটো লক্ষ্য কৰিব লগা যে মুক্ত বজাৰৰ সমর্থকসকলে ৰাষ্ট্রনিয়ন্ত্রিত বজাৰ ব্যৱস্থাক সমালোচনা কৰি থাকোঁতে, নব্য-উদাৰতাবাদক পুঁজিবাদৰ আন এটি ৰূপত তেওঁলোকে স্থাপিত কৰিবলৈ সক্ষম হৈছিল যেতিয়া আশীৰ (1980s) দশকত পূর্বৰ ৰাছিয়াই অর্থনৈতিক আৰু ৰাজনৈতিক স্ববিৰতা আৰু দুৰাৰস্থাৰ সন্মুখীন হৈছিল। আৰু তেতিয়াৰপৰাই ৰাজনৈতিক আৰু অর্থনৈতিক খিনি আৰু গৱেষণাত বহুলভাৱে ব্যৱহৃত হৈ আহিছে।

৩.৩ নব্য-উদাৰতাবাদৰ অর্থ

জার্মান পণ্ডিত Alexandar Rustow এ "নব্য-উদাৰতাবাদ" (Neo-Liberalism) শব্দটো প্রথমবাৰৰ বাবে ১৯৩৮ চনত সৃষ্টি কৰিছিল। নব্য-উদাৰতাবাদক তেওঁ সংজ্ঞাবদ্ধ কৰিছিল এনেদৰে — ই এনে এটা ব্যৱস্থা য'ত মূল্য (Price) ব্যৱস্থা আৰু মুক্ত ব্যৱসায়ে প্রাধান্যতা পায়, আৰু য'ত থাকে প্রতিযোগিতা আৰু শক্তিশালী নিৰপেক্ষ ৰাষ্ট্র।

নব্য-উদাৰতাবাদ বিপ্লৱ-বিৰুদ্ধ। বিংশ শতিকাত প্রচলিত শক্তিশালী চৰকাৰ (Big Government) ৰাষ্ট্রৰ হস্তক্ষেপৰ দাৰণাক অবদমিত কৰা, আৰু সম্ভৱ হ'লে সম্পূর্ণৰূপে নাইকিয়া কৰাই হৈছে নব্য-উদাৰতাবাদৰ মূল লক্ষ্য। ই "বজাৰ-মৌলবাদ" (Market Fundamentalism) ক বিশেষৰূপত প্রকট কৰে। চৰকাৰ বা আন ৰাজনৈতিক নিয়ন্ত্রণতকৈ ইয়াত নৈতিক আৰু ব্যৱহাৰিকভাৱে বজাৰক উর্দ্ধত বুলি বিবেচনা কৰা হয়। সেইসূত্রে, ই ধ্রুপদী (classical) অর্থনৈতিক তত্ত্বতকৈ অধিক ব্যাপ্ত। উদাহৰণস্বৰূপে, বজাৰ আৰু অর্থনীতিৰ জনক (Father) হিচাপে প্রখ্যাত Adam Smith এ ও বজাৰৰ সীমাবদ্ধতাক স্বীকৃতি দিছিল; আৰু তেওঁ কেতিয়াও মুনাফা সর্বোচ্চ বুলি জ্ঞান কৰা মানুহৰ প্রকৃতিক মান্যতা দিয়া নাছিল। একে সময়তে, নব্য-উদাৰতাবাদক একমাত্র নতুন সোঁপন্থী (New Right) সকলৰ আহিলা বুলিব নোৱাৰি। বিভিন্ন উপাদান, বিশেষকৈ অর্থনৈতিক গোলকীকৰণৰদ্বাৰা নব্য-উদাৰতাবাদে প্রকাশ আৰু প্রসাৰ লাভ কৰিছে; আৰু একেলগে নব্য-উদাৰতাবাদে উদাৰতাবাদী আৰু সমাজবাদী ৰাজনৈতিক দল আৰু পৰিবর্তনবিৰোধী শক্তিসমূহক প্রভাৱিত কৰিছে। উল্লেখ্য যে, ইয়াৰ জন্মভূমি বৃটিছ-আমেৰিকাৰ পৰিধি নেওচি উদাৰতাবাদৰ প্রভাৱ সর্বত্র বিৰাজমান।



কার্য ঃ ৩.১

সমসাময়িক ৰাজনীতিত উদাৰতাবাদক বিশ্লেষণ কৰক।

.....

.....



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ নব্য-উদাৰতাবাদৰ অর্থ কি?

প্রশ্ন নং ২ ঃ নব্য-উদাৰতাবাদ শব্দটো ..... সৃষ্টি কৰিছিল। (খালী ঠাই পূৰণ)

প্রশ্ন নং ৩ ঃ নব্য-উদাৰতাবাদ বিপ্লৱ-বিৰোধী। (হয়/নহয়)

৩.৩.১ নব্য-উদাৰতাবাদৰ ওপৰত দৃষ্টি

নব্য-উদাৰতাবাদৰ দৃষ্টিকোণেৰে চৰকাৰৰ বিভিন্ন াৰু বহুতো ত্রুটী আছে।

মুক্তবজাৰ অৰ্থনীতিবিদ যেনে Fredrich Hayek আৰু আমেৰিকান অৰ্থনীতিবিদ Milton Friedman এ চৰকাৰৰ অৰ্থনৈতিক ভূমিকাক তীব্ৰ সমালোচনা কৰিছে। Hayek এ কেন্দ্ৰীয় পৰিকল্পনাৰ বিৰুদ্ধে বিশেষকৈ প্ৰখৰ অৰ্থনৈতিক আৰু ৰাজনৈতিক সমালোচনা আগবঢ়াইছে আৰু অৰ্থনৈতিক হস্তক্ষেপক সাধাৰণতে (in general) সমালোচনাৰে থকা-সৰকা কৰিছে। তেওঁ যুক্তি আগবঢ়াইছে যে অৰ্থনৈতিক হস্তক্ষেপ ব্যক্তি-স্বাদীনতাৰ আটাইতকৈ ভয়ানক আৰু একক ভাবুকি, কিয়নো ৰাষ্ট্ৰৰ অৰ্থনৈতিক হস্তক্ষেপে ব্যক্তিৰ আন আন দিশত ৰাষ্ট্ৰৰ নিয়ন্ত্ৰণ সুনিশ্চিত কৰে; যাৰ ফলত একনায়কত্ববাদৰ প্ৰসাৰ হয়।

সমসাময়িকভাৱে, Friedman এ Keynes ৰ অৰ্থনৈতিক মতবাদক (Keynesianism) সমালোচনা কৰিছে। তেওঁৰ মতে, "কৰ আৰু ব্যয়" (Tax & Spend) নীতিৰদ্বাৰা মুদ্ৰাস্ফীতি হয়, যাৰ ফলত চৰকাৰে অধিকতম হাৰত আন উৎসৰ পৰা ঋন লয় আৰু সেই ঋনৰ বোজাই নিবনুৱা হাৰৰ ব্যাপক সাল-সলনি ঘটায়।

১৯৪৪ ৰ Bretton Woods Agreement হ'ল অৰ্থনৈতিক ব্যৱস্তাপনা আৰু নির্দিষ্ট বিনিময় হাৰৰ দলিল বা ব্যৱস্থা, যাৰদ্বাৰা ১৯৪৫ চনৰ পৰা আন্তঃৰাষ্ট্ৰীয় অৰ্থনীতিয়ে সুস্থিৰতা লাভ কৰিছে। মুক্ত-বজাৰ আৰু মুক্ত-বাণিজ্যৰ ভিত্তিত গঢ় লৈ উঠা বিভিন্ন ান্তঃৰাষ্ট্ৰীয় অৰ্থনৈতিক অনুষ্ঠান যেনে — আন্তঃৰাষ্ট্ৰীয় মুদ্ৰা নিধি (IMF), বিশ্ব বেংক (WB), বিশ্ব বাণিজ্য সংস্থা (WTO) (পূৰ্বতে GATT) আদি হৈছে নব্য-উদাৰতাবাদৰ ফচল। গতিকে, গোলকীকৰণ আৰু নব্য-উদাৰতাবাদ একেলগে সংপৃক্ত; বজাৰ-কেন্দ্ৰিক পুনৰনির্মাণেৰে অৰ্থনীতিৰ আমূল পৰিবর্তন কৰি নব্য-উদাৰতাবাদে নবৈৰ দশকত (1990s) বিশ্বজুৰি, বিশেষকৈ ইউৰোপৰ উত্তৰ-সাম্যবাদী (Post-Commenist) দেশসমূহত, লেটিন আমেৰিকাত আৰু প্ৰায়সংখ্যক উন্নয়নশীল দেশতেই শীৰ্ষ পর্য্যায়ত আৰোহণ কৰিছিল।

নব্য-উদাৰতাবাদৰ সংজ্ঞা

Campbell আৰু Pedersen এ নব্য-উদাৰতাবাদক এক আদর্শগত ব্যৱস্থা বুলি সংজ্ঞাবদ্ধ কৰিছে, যি ব্যৱস্থাই মানুহ বা সামাজিক বিজ্ঞানসমূহত সৃষ্ট বজাৰ-পবিত্ৰতাক (Market Sacred) বজাই ৰাখে; আৰু বিশ্বযুদ্ধৰ পৰবর্তীকালীন ৰাষ্ট্ৰ-অনুষ্ঠান আৰু ৰাজনৈতিক ক্ষেত্ৰত বিভিন্ন ধৰণে এংলো-আমেৰিকান জ্ঞানৰ প্ৰক্ৰিয়াৰে এই ব্যৱস্থাই বেছি মসৃনতা (refind) লাভ কৰিছে।

Fourcade আৰু Heally ৰ মতে, নব্য-উদাৰতাবাদ হৈছে অৰ্থনীতিৰ ভাষাৰে প্ৰকাশিত এক নৈতিক প্ৰকল্প (Moral Project), যিয়ে বজাৰ-কেন্দ্ৰিক সমাজৰ নৈতিক উপকাৰিতাক উচ্চ প্ৰশংসা কৰে আৰু বিভিন্ন ক্ষেত্ৰত স্বতন্ত্ৰতা আহৰণ কৰাৰ বাবে বজাৰক এক অত্যাৱশ্যকীয় চর্ত বুলি গণ্য কৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ Freidrich Heyek আৰু .....
এ চৰকাৰৰ অর্থনৈতিক ভূমিকাক তীব্র আলোচনা কৰিছিল।
(খালী ঠাই পূৰণ কৰক)

প্রশ্ন নং ৫ ঃ ১৯৪৯ ত IMF স্থাপিত হৈছিল। (সত্য/অসত্য)

প্রশ্ন নং ৬ ঃ Bretton Woods Agreement কি?

৩.৩.২ নব্য-উদাৰতাবাদৰ প্রকৃতি

নিমোক্ত ধৰণে নব্য-উদাৰতাবাদৰ প্রকৃতি বিশ্লেষণ কৰিব পাৰি ঃ

১) নব্য-উদাৰতাবাদ এক বিশেষ দর্শন; ই অকল অর্থনৈতিক গাঁথনিক সূচায়। সমাজচ ব্যক্তি আৰু সংস্থাপনৰ শৈলীৰ যোগেদি ই বহুলভাৱে প্রকট হয়। নব্য-উদাৰতাবাদে জগতখনক বজাৰ-ৰূপকেৰে (Market-Metaphor) চাবলৈ চেষ্টা কৰে।

২) নব্য-উদাৰতাবাদৰ আন এটি উল্লেখযোগ্য বৈশিষ্ট হ'ল যে মুক্ত-প্রতিযোগিতা, আইন-ব্যৱস্থাৰ প্রয়োগ আৰু ব্যৱসায়ী চুক্তিৰ সঠিক প্রয়োগ সুনিশ্চিত কৰিবলৈ নব্য-উদাৰতাবাদে ৰাষ্ট্রৰ হস্তক্ষেপ সীমিত হোৱাতো বিচাৰে। ৰাষ্ট্রীয় নিৰাপত্তা আৰু ব্যক্তিগত সম্পদৰ ৰক্ষণা-বেক্ষণ দিবলৈও নব্য-উদাৰতাবাদে পোষকতা কৰে।

৩) অর্থনীতিৰ সঞ্চালন আকাৰিক (Formal), বৃদ্ধি আৰু সঘন (Freament) কৰি নব্য-উদাৰতাবাদে বজাৰৰ পৰিসৰ বৃদ্ধি আৰু শক্তিশালী কৰিব বিচাৰে। এইটো ইয়াৰ সাধাৰণ (General) বৈশিষ্ট বা প্রকৃতি।

৪) নব্য-উদাৰতাবাদী দর্শ-ব্যক্তিগতকৰণ আৰু ৰাষ্ট্রীয়-নিয়ন্ত্রণ বিলোপৰ পক্ষপাতী। ৰাষ্ট্রীয়-নিয়ন্ত্রণ বিলোপে এইটো বুজায় যে ৰাষ্ট্রীয়-নিয়ন্ত্রণ ব্যৱস্থা স্বতন্ত্র হ'ব। যেতিয়া তেনে স্বতন্ত্রতা আহিব, তেতিয়া অর্থনীতিয়ে ব্যক্তিগতসকণৰ দিশে ধাৱমান হ'ব। ব্যক্তিগতকৃত অর্থনীতিত ব্যক্তিৰ পচন্দ (Choice) ই বিসালতাপূর্ণ পৰিসৰ লাভ কৰে।

৫) নব্য-উদাৰতাবাদক কেতিয়াবা নব্য-ধ্রপদী (New Classical) উদাৰতাবাদ বুলি অভিহিত কৰা হয়। আৰু ইয়ে সত্তৰ দশকৰ (1970s) অর্থনৈতিক উদাৰতাবাদৰ পুনৰ আৱির্ভাৱক সূচায়। নব্য-উদাৰতাবাদে অর্থনীতিৰ নমনীয়তাক পোষকতা কৰে। অর্থনৈতিক উদাৰতাবাদৰ দর্শন আৰু চর্চাৰ ৰূপত সেইনমনীয়তাক প্রক্ষেপ কৰা হয়।

৬) নব্য-উদাৰতাবাদ, তথাপিও অকল নতুন সোঁপন্থীসকলৰ বাবে এক অস্ত্র নহয়। বিভিন্ন উপাদান বা শক্তিৰদ্বাৰা উদাৰতাবাদ সৃষ্টি। বিশেষকৈ, অর্থনৈতিক

গোলকীকৰণ আৰু ইয়াৰ ব্যাপক প্ৰবাৰেৰে পৰিবৰ্তিত উদাৰ, সামাজিক আৰু ৰক্ষণশীল দলসমূহৰ নতুন ৰূপে উদাৰতাবাদক বিশেষধৰণে ৰূপাংকিত কৰিছে; সেয়া এংলো-আমেৰিকান ৰাষ্ট্ৰভূমিৰ বাহিৰতো অতি সুস্পষ্ট।

৭) নব্য-উদাৰতাবাদে সদায়ে নতুন বজাৰৰ বাবে নতুন ঠাইৰ সন্ধানত থাকে। ই মুক্ত বজাৰ আৰু বজাৰ-প্ৰতিযোগিতাৰ প্ৰসাৰণত বিশ্বাস কৰে।

৮) মুক্ত বাণিজ্য আৰু মুক্ত বজাৰ নব্য উদাৰতাবাদৰ অন্যতম অংশ। এইক্ষেত্ৰত "Capitalism and Freedom" নামৰ গ্ৰন্থখনত Milton Friedman এ উল্লেখ কৰা কথাখিনি তাৎপৰ্যপূৰ্ণ; তেওঁ স্বতন্ত্ৰতাৰ অন্যতম অপৰিহাৰ্য্য চৰ্ত হিচাপে 'প্ৰতিযোগিতা-পূৰ্ণ বজাৰ অৰ্থনীতি'ক চিনাক্ত কৰিছিল। যেতিয়া বজাৰখন মুক্ত (Open) হয়, ব্যক্তিয়ে নিজৰ অৰ্থ নৈতিক লক্ষ্য নিৰ্ধাৰণ কৰিব পাৰিব আৰু নিজৰ স্বতন্ত্ৰতা সুনিশ্চিত কৰিব পাৰিব।

৩.৪ নব্য-উদাৰতাবাদ আৰু গোলকীকৰণ

নব্য-উদাৰতাবাদী চিন্তা-চৰ্চাৰ প্ৰাসংগিকতা সাম্প্ৰতিক সময়ৰ গোলকীকৰণৰ নীতিত পৰিলক্ষিত হয়। প্ৰকৃততে, নব্য-উদাৰতাবাদী চিন্তা-চৰ্চাৰ বহিঃপ্ৰকাশ হৈছে গোলকীকৰণ। অন্তঃৰাষ্ট্ৰীয় অৰ্থনীতিৰ লগত ৰাষ্ট্ৰীয় অৰ্থনীতি চামিল হৈ উৎপাদনক আন্তঃ ৰাষ্ট্ৰীয় কৰা আৰু মূলধনৰ মুক্তপ্ৰবাদ কৰা প্ৰক্ৰিয়াক গোলকীকৰণে ভালদৰে লক্ষ্য কৰিছে। নব্য-উদাৰতাবাদ আৰু গোলকীকৰণ একেলগে জড়িত। নবৈৰ দশকত (1990s) বজাৰকেন্দ্ৰিক পুনৰ নিৰ্মাণেৰে অৰ্থনিতিৰ বিপুল পৰিবৰ্তন কৰি সমগ্ৰ বিশ্বতে, বিশেষকৈ ইউৰোপৰ উত্তৰ সমাজবাদী দেশসমূহত, লেটিন আমেৰিকাত আৰু প্ৰায়ভাগ উন্নয়নশীল দেশতেই শীৰ্ষ পৰ্য্যায়ত আৰোহণ কৰিছিল। নব্য-উদাৰতাবাদৰ বজাৰকেন্দ্ৰিক গোলকীয় পুজিবাদৰ প্ৰতি থকা অকৃত্ৰিম সমৰ্থনে এইটো প্ৰতিস্থাপিত কৰে যে ই অৰ্থনীতিৰ উদাৰতাবাদক বিশেষভাৱে গুৰুত্ব দিয়ে আৰু আন বিষয়বোৰক এৰাই চলে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৭ ঃ নব্য-উদাৰতাবাদ সদায় নতুন বজাৰৰ বাবে ..... সন্ধানত থাকে। (খালী ঠাই পূৰণ কৰক।)

প্ৰশ্ন নং ৮ ঃ নব্য-উদাৰতাবাদে অৰ্থনীতিৰ দৃঢ়তাক (rigidity) সমৰ্থন কৰে। (হয়/নহয়)

প্ৰশ্ন নং ৯ ঃ Milton Friedman এ লিখা গ্ৰন্থখনৰ নাম কি?

প্ৰশ্ন নং ১০ ঃ নব্য-উদাৰতাবাদ আৰু গোলকীকৰণ একেলগে জড়িত। (সত্য/অসত্য)

প্ৰশ্ন নং ১১ ঃ গোলকীকৰণ হৈছে ..... ৰ বহিঃপ্ৰকাশ। (খালী ঠাই পূৰণ কৰক।)

প্ৰশ্ন নং ১২ ঃ আশীৰ (1980s) দশকত নব্য-উদাৰতাবাদে আথঅণঃফঅৰখআশ কৰিছিল। (সত্য/অসত্য)

৩.৫ নব্য-উদাৰতাবাদৰ বিৰুদ্ধে সমালোচনা

যদিও এইটো গণ্য কৰা হয় যে নব্য-উদাৰতাবাদে আর্থ-সামাজিক আৰু ৰাজনৈতিক ক্ষেত্রত ব্যাপক পৰিবর্তন আনিব, তথাপি সমালোচকসলৰ কঠোৰ সমালোচনাৰ উর্দ্ধত নব্য-উদাৰতাবাদে অৱস্থান কৰিব পৰা নাই। নব্য-উদাৰতাবাদৰ বিৰুদ্ধে উত্থাপিত কেবোৰ সমালোচনা নিমোক্ত ধৰণে উল্লেখ কৰা হ'ল —

১) সমালোচকসকলে যুক্তি আগবঢ়াইছে যে স্বতন্ত্রতাৰ নামত নব্য-উদাৰতাবাদে ব্যক্তি স্বাধীনতাক ধ্বংসৰ গৰাহলৈ ঠেলি দিব। অপ্রতিৰোধ্য প্রতিযোগিতাৰ ফলত "যোগ্য বোগ্য বসুন্ধৰা" নীতিৰ পুনৰাবৃত্তি হ'ব পাৰে।

২) নব্য-উদাৰতাবাদৰ বিৰুদ্ধে উত্থাপন আন এটি সমালোচনা হ'ল যে ই ৰাষ্ট্রৰ কল্যাণবাদী চৰিত্রক নস্যাৎ কৰে। দায়িত্ব সংকোচনৰদ্বাৰা ৰাষ্ট্রই কেতিয়াও জনগনৰ মংগল সাধন কৰিব নোৱাৰিব।

৩) নব্য-উদাৰতাবাদত বজাৰৰ যি প্রাথমিক স্থান, তাকো সমালোচকসকলে ক্ষুৰধাৰে সমালোচনা কৰিছে। তেওঁলোকৰ মতে, যেতিয়া বজাৰ-নীতি অনুসৰি সমাজ চলিব, তেতিয়া ব্যক্তি স্বাধীনতা বিকল হৈ পৰিব।

৪) সমালোচকসকলে আকৌ যুক্তি দিছে যে নব্য-উদাৰতাবাদে দুর্নীতিৰ হাৰ অধিক বৃদ্ধি কৰিব।

৫) সমালোচকসকলে যুক্তি দর্শাইছে যে বজাৰৰ স্বতন্ত্রতাই কোম্পানীসমূহক ৰাষ্ট্র-হস্তক্ষেপৰ পৰা আঁতৰত ৰাখিব। এইটো পৰিপক্ষত হৈছে যে মুনাফা অর্জনৰ বাবে কোম্পানীসমূহে যেনেধৰণে প্রকল্প কার্য্য সম্পাদিত কৰিব, ই প্রকৃতিৰ ওপৰত বিৰূপ প্রভাৱ পেলাব আৰু ভুক্তভোগীসকলে সঠিক হাৰত ক্ষতিপূৰণ লাভ নকৰিব।

৬) সমালোচকসকলে যুক্তিৰে কয় যে নব্য-উদাৰতাবাদে শ্রমিকৰ অধিকাৰ খর্ব কৰে, কিয়োনো ই শ্রমিকৰ মজুৰিৰ ওপৰত অলাগতিয়াল হেঁচা প্রয়োগ কৰে আৰু শ্রমিক-সংগঠনৰ স্থিতিক দুর্বল কৰি তোলে।

৭) আন এটি উল্লেখযোগ্য সমালোচনা এই যে বজাৰৰ প্রসাৰণে সম্পদৰ অৱশয় আনে আৰু প্রকৃতি ধ্বংস কৰে।



৩.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- নব্য-উদাৰতাবাদে অর্থনীতিৰ চিকাগো শাখাৰদ্বাৰা জনপ্রিয়তা লাভ কৰিছিল।
- অর্থনীতিৰ সঞ্চালন আকৰিক (Formal), বৃদ্ধি আৰু সঘন কৰি নব্য-উদাৰতাবাদে বজাৰৰ পৰিসৰ বৃদ্ধি আৰু শক্তিশালী কৰিব বিচাৰে; আৰু তাৰদ্বাৰা ব্যক্তিস্বাধীনতা আৰু ৰাষ্ট্রীয়

নিৰাপত্তা সুনিশ্চিত কৰিব বিচাৰে।

- নব্য-উদাৰতাবাদৰ ধাৰণা আৰু গাঁথনি প্ৰসাৰিত হোৱাৰ মূল উপাদান হৈছে অৰ্থনৈতিক গোলকীকৰণ।
- গোলকীকৰণ হৈছে নব্য-উদাৰতাবাদৰ বৰ্হিঃপ্ৰকাশ।
- Alexandar Rustow এ পোন প্ৰথমবাৰৰ বাবে "নব্য-উদাৰতাবাদ"ক সৃষ্টি কৰিছিল।
- 1945 চনৰ পৰা Bretton Woods Agreement এ আন্তঃৰাষ্ট্ৰীয় অৰ্থনীতিক সুস্থিৰতা প্ৰদান কৰিছে।



৩.৭ অধিক জানিবলৈ

১) Heywood, Andrea (2003). political Ideologies, (Third Edition). Palgrave MacMillan Publication.

২) Johari, J.C. Contemporary Political Theory New Dimensions, Basic Concepts & Major Trends. New delhi : Sterling Publishers Private Limited.

৩) Hoveyda, Abbas & Lumar, Ranajay 92012). Political Theory. Pearson, New Delhi.

৪) Gauba, O.P. (2012). An Introduction to Political Theory. MacMillan Publishers pvt. Ltd.



৩.৮ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ নব্য-উদাৰতাবাদ বিপ্লৱ-বিৰোধী। ই শক্তিশালী চৰকাৰ আৰু ৰাষ্ট্ৰ-হস্তক্ষেপক বিৰোধী কৰে।

২ নং প্ৰশ্নৰ উত্তৰ ঃ Alexandar Rustow ।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ হয়।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ Milton Friedman.

৫ নং প্ৰশ্নৰ উত্তৰ ঃ অসত্য।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ Bretton Woods Agreement হৈছে নিৰ্দিষ্ট বিনিময় হাৰৰ এক ব্যৱস্থা, যাৰদ্বাৰা 1945 চনৰ পৰা আন্তঃৰাষ্ট্ৰীয় অৰ্থনীতিয়ে সুস্থিৰতা লাভ কৰিছে।

৭ নং প্ৰশ্নৰ উত্তৰ ঃ নতুন ঠাইৰ।

৮ নং প্ৰশ্নৰ উত্তৰ ঃ নহয়।

৯ নং প্ৰশ্নৰ উত্তৰ ঃ Capitalism and Freedom

১০ নং প্ৰশ্নৰ উত্তৰ ঃ সত্য।

১১ নং প্ৰশ্নৰ উত্তৰ ঃ উদাৰতাবাদী চিন্তা-চৰ্চাৰ।

১২ নং প্ৰশ্নৰ উত্তৰ ঃ অসত্য।



১.৯ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ নব্য-উদাৰতাবাদৰ সংজ্ঞা দিয়ক।

প্ৰশ্ন ২ ঃ নব্য-উদাৰতাবাদৰ প্ৰকৃতি বিশ্লেষণ কৰক।

প্ৰশ্ন ৩ ঃ নব্য-উদাৰতাবাদৰ বিভিন্ন দৃষ্টি (views) বিশ্লেষণ কৰক।

প্ৰশ্ন ৪ ঃ গোলকীকৰণ আৰু নব্য-উদাৰতাবাদৰ তুলনামূলক আলোচনা আগবঢ়াওক।

প্ৰশ্ন ৫ ঃ নব্য-উদাৰতাবাদ বুলিলে কি বুজে? নব্য-উদাৰতাবাদৰ প্ৰকৃতি আলোচনা কৰক।

প্ৰশ্ন ৬ ঃ গোলকীকৰণ আৰু নব্য-উদাৰতাবাদৰ সমালোচনামূলক বিশ্লেষণ দাঙি ধৰক।

*** ***** ***

অধ্যায় ৪ ঃ উদাৰতাবাদ আৰু সাম্প্রদায়িকতাবাদ

অধ্যায় গাঁথনি

৪.১ উদ্দেশ্য

৪.২ পৰিচয়

৪.৩ উদাৰতাবাদ

৪.৩.১ উদাৰতাবাদৰ অর্থ আৰু সংজ্ঞা

৪.৩.২ উদাৰতাবাদৰ নীতি

৪.৪ এফ. এ. হায়েক

৪.৪.১ এফ. এ. হায়েকৰ দর্শন

৪.৫ ৰবার্ট নজিক

৪.৫.১ ৰবার্ট নজিকৰ ধাৰণা

৪.৬ সাম্প্রদায়িতাবাদৰ অর্থ

৪.৭ সাম্প্রদায়িকতাবাদৰ সমালোচনাত্মক মূল্যায়ন

৪.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৪.৯ অধিক জানিবলৈ

৪.১০ অগ্রগতি খতিয়ান

৪.১১ আর্হি প্রশ্ন

৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- উদাৰতাবাদৰ অর্থ জানিব পৰা যাব
- উদাৰতাবাদৰ বিভিন্ন নীতিবোৰ জানিব পৰা যাব
- স্বাধীনতাৰ ক্ষেত্রত হায়েকৰ মতামত জানিব পৰা যাব
- ৰবার্ট নজিকৰ সম্পত্তি অধিকাৰ আৰু ৰাষ্ট্রৰ ধাৰণা জানিব পৰা যাব
- সাম্প্রদায়িকতাবাদৰ অর্থ জানিব পৰা যাব।

৪.২ পৰিচয়

উদাৰতাবাদ এক ৰাজনৈতিক দর্শন যিয়ে ব্যক্তিৰ স্বাধীনতাৰ কথা কয় আৰু সিমিত সাংবিধানিকচৰকাৰৰ পোষকতা কৰে। উদাৰতাবাদৰ ধাৰণা মূলত জন ল'ক, আদাম স্মিথ আৰু আমেৰিকাৰ ধ্রপদী উদাৰতাবাদীসকলৰ লগত জড়িত। উদাৰতাবাদে কয় যে ব্যক্তিয়ে নিক্ষৰ স্বাধীনতা উপভোগ কৰাৰ ক্ষেত্রত স্বাধীন কিন্তু তেওঁ নিজৰ স্বাধীনতা উপভোগ কৰাৰ ক্ষেত্রত

যাতে বেলেগৰ স্বাধীনতাত বাধাৰ সৃষ্টি নকৰে তাৰ প্রতি গুৰুত্ব আৰোপ কৰিব লাগিব।। উদাৰতাবাদে ব্যক্তিৰ জীৱনৰ আধিকাৰ, স্বাধীনতা আৰু সম্পত্তিৰ অধিকাৰৰ পোষকতা কৰে। উদাৰতাবাদে কয় যে চৰকাৰৰ কাম হৈছে ব্যক্তিৰ স্বাধীনতাক সুৰক্ষা দিয়া আৰু প্রতিজনৰ বাবে ব্যক্তি স্বাধীনতা নিশ্চিত কৰা। এই ক্ষেত্রত চৰকাৰে ব্যক্তিৰ বিৰুদ্ধে শক্তি প্রয়োগ কৰিব নোৱাৰিব। এই অধ্যায়টোৰ জৰিয়তে উদাৰতাবাদ আৰু সাম্প্রদায়িকতাবাদৰ বিষয়ে বিতংভাৱে আলোচনা কৰা হ'ব।

৪.৩ উদাৰতাবাদ

উদাৰতাবাদৰ ধাৰণাটো প্রধানতত জন ল'ক ডেভিদ হিউম, এডাম স্মিথ, থমাছ জেফাৰছন, থমাছ পাইন আৰু ফৰাচী চিন্তাবিদৰ ধাৰণাৰ পৰা বিকশিত হৈছিল। সাধাৰণ অর্থত উদাৰতাবাদ এক ৰাজনৈতিক ধাৰণা যিয়ে ব্যক্তি স্বাধীনতাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। ব্যক্তিয়ে সামগ্রী বা সম্পত্তি অধিগ্রহণ, তাক পৰিবর্তন কৰা আদিৰ স্বাধীনতা লাভ কৰে আৰু চ ৰকাৰৰ এইবিলাক সুৰক্ষা প্রদান কৰাতো কাম বা দায়িত্ব। উদাৰতাবাদে সিমিত চৰকাৰৰ কথা কয়। উদাৰতাবাদে ব্যক্তি যিকোনো সিদ্ধান্ত নিজে লোৱাৰ পোষকতা কৰে আৰু চৰকাৰে তেতিয়ালৈ হস্তক্ষেপ কৰা উচিত নহয় যেতিয়ালৈ সব্যক্তিয়ে নিজে সিদ্ধান্তই বেলেগৰ স্বাধীনতাত বাধা আৰোপ নকৰিব। উদাৰতাবাদে বিশ্বাস কৰে যে প্রতিজন ব্যক্তিয়ে তেওঁৰ ব্যক্তিগত জীৱন নিজ ইচ্ছাৰে পৰিচালিত কৰা উচিত আৰু ইয়াৰ জৰিয়তে তেওঁলোকৰ জীৱন অধিক ফলপ্রসু হ'ব।

৪.৩.১ উদাৰতাবাদৰ অর্থ আৰু সংজ্ঞা

বিভিন্নজন দার্শনিকে উদাৰতাবাদৰ সংজ্ঞা বিভিন্ন ধৰণে আগবঢ়াইছে, সেইবোৰ তলত আলোচনা কৰা হ'ল —

- লৰেন্স বীডৰ মতে, "উদাৰতাবাদ হৈছে এক ৰাজনৈতিক দর্শন যিয়ে সমাজত শক্তিৰ ব্যহাৰৰ একেবাৰেই নকৰাৰ পোষকতা কৰে।
- শ্বেৰন হেৰিছৰ মতে, "উদাৰতাবাদে ব্যক্তি স্বাধীনতাক বুজায়। উদাৰতাবাদে বিশ্বাস কৰে যে প্রতিজন ব্যক্তিৰ নিজৰ জীৱন আৰু সম্পত্তিৰ অধিকাৰ আছে আৰু তেওঁ নিজৰ জীৱন আৰু সম্পত্তি পৰিচালনা কৰাৰ ক্ষেত্রত স্বাধীন আৰু তেওঁ আনৰ এই কামক সন্মান কৰে।
- ৰন পলৰ মতে, "উদাৰতাবাদৰ মূল কথা হ'ল প্রতিজন ব্যক্তিয়ে প্রতিজন ব্যক্তিৰ জীৱন, স্বাধীনতা আৰু সম্পত্তিৰ প্রতি সন্মান প্রদান কৰে যিহেতু এইকেইটা অধিকাৰ ব্যক্তিয়ে প্রকৃতিৰ পৰা পায়। আৰু এই ক্ষেত্রত কোনেও কাৰো বিৰুদ্ধে শক্তি প্রদর্শন কৰিব নোৱাৰে কাৰণ এইবিলাক সমাজত ব্যক্তিয়ে প্রকৃতিৰ পৰা পায়।



জানি থোৱা ভাল

উদাৰতাবাদৰ লগত জড়িত দুটা ধাৰণা হ'ল ব্যক্তিৰ অধিকাৰ (ৰবার্ট নজিক) আৰু লাইচেজ ফেয়াৰ অর্থনৈতিক মতাবাদ (হায়েক), সমাজবাদী সকলেও উদাৰতাবাদৰ পোষকতা কৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ উদাৰতাবাদৰ দুজন সমর্থকৰ নাম লিখক।

প্রশ্ন নং ২ ঃ প্রথমে কোন ঠাইত উদাৰতাবাদৰ ধাৰণাটোৰ সৃষ্টি হৈছিল?

প্রশ্ন নং ৩ ঃ "উদাৰতাবাদ এক ৰাজনৈতিক দর্শন যিয়ে সমাজত কোনো শক্তি প্রয়োগৰ পোষকতা নকৰে। (লৰেঞ্চ ৰীড/ৰন পল)

প্রশ্ন নং ৪ ঃ উদাৰতাবাদৰ সংজ্ঞা দিয়ক।

৪.৩.২ উদাৰতাবাদৰ নীতি

উদাৰতাবাদৰ মূল নীতিবোৰ তলত আলোচনা কৰা হ'ল —

- **ব্যক্তিবাদ ঃ** উদাৰতাবাদীসকলে ব্যক্তিক সমাজ বিশ্লেষণৰ মূল উপাদন হিচাপে গ্রহণ কৰে। সব্যক্তিয়ে কেল তেওঁলকোৰ ইচ্ছা আৰু কর্মৰ সসবাবে দায়বদ্ধ থাকে। উদাৰতাবাদে প্রতিজন ব্যক্তিৰ মর্য্যদাৰ ওপৰত গুৰুত্ব দিয়ে য'ত অধিকাৰ আৰু কর্তব্য দুয়োটা জৰিত হৈ থাকে।
- **ব্যক্তিৰ অধিকাৰ ঃ** ব্যক্তিৰ স্বাধীনতা, জীৱন আৰু সম্পত্তিৰ অধিকাৰ আছে আৰু সেইবোৰ সুৰক্ষিত থকাটো আৱশ্যকীয়। ব্যক্তিৰ এই অধিকাৰসমূহ কোনো চৰকাৰে নিদিয়ে নাইবা সমাজৰ পৰা নাপায়, তেওঁলোকে সেইবোৰ জন্মগতভাৱে প্রকৃতিৰ পৰা লাভ কৰে। সেয়েহে এই অধিকাৰবোৰ ব্যক্তিৰ পৰা লৈ ল'ব নোৱাৰি।
- **স্বতস্ফূর্ত ক্রয় ঃ** ব্যক্তিৰ সমৃদ্ধিৰ বাবে সমাজত এক বৃহৎ পৰিমাণৰ ক্রম বা শৃংখলাৰ প্রয়োজন। ব্যক্তিৰ জীৱন পৰিপূর্ণ হ'বলৈ এজ নে আনজনৰ সহায় লয় আৰু ই এক স্বতস্ফূর্ত প্রক্রিয়া আৰু এই প্রক্রিয়াই সমাজত শৃংখলতা বজায় ৰাখিব। মানৱ ইতিহাসত অঠিক ব্যক্তি স্বাধীনতা আছে যদিও সমাজ শৃঁকলৰ নষ্ট হোৱা নাই। মানৱ সমাজৰ আটাইতকৈ গুৰুত্বপূর্ণ প্রতিষ্ঠান ভাষা, আইন, অর্থ, বজাৰ সকলো কেন্দ্রীয় নির্দেশনা অবিহনে স্বতস্পূর্তভাৱে বিকশিথ হৈছিল।
- **আইনৰ শাসন ঃ** উদাৰতাবাদ ভোগবাদ নহয়। উদাৰতাবাদে এইটো নকয় যে ব্যক্তিয়ে নিজৰ ইচ্ছামতে সকলো কৰিব পাৰে। উদাৰতাবাদে কয় যে ব্যক্তিয়ে

আইনৰ গন্তিত থাকিহে সকলো কৰিব পাৰিব। আইনৰ শাসনে, সমাজৰ ব্যক্তিসকল কিছুমান সাধাৰণ আইন মানি চলিহে কাম কৰিব পাৰিব, তাৰ মানে এইটো নহয় যে সেই আইন স্বেচ্ছাচাৰী হ'ব।

- **সিমিত চৰকাৰ ঃ** উদাৰতাবাদীসকলে লর্ড একটনে কোৱাৰ দৰে যে "ক্ষমতা দুর্নীতিগ্রস্ত হয় আৰু সম্পূর্ণ শক্তিয়ে সম্পূর্ণৰূপে দূর্নীতিগ্রস্ত কৰে", এইটো উক্তিত বিশ্বাস কৰে। সেইবাবে উদাৰতাবাদীসকলে সিমিত চৰকাৰৰ পোষকতা কৰে য'ত চৰকাৰে একন লিখিত সংবিধান মতে কাম কৰে।
- **মুক্ত বজাৰ ঃ** ব্যক্তিৰ প্রয়োজন পুৰণ কৰিবলৈ আৰু অর্থনৈতিক কাম কাজত নিয়োজিত হ'বলৈ উদাৰতাবাদে মুক্ত বজাৰৰ কথা কয়। মুক্ত বজাৰ ব্যৱস্থাই ব্যক্তিক অধিক তনকিয়াল হোত সহায় কৰে। অতি কম হস্তক্ষেপে ব্যক্তিক অধিক উন্নতি কৰাত সহায়ক হয়।
- **উৎপাদন ঃ** সপ্তদশ শতিকাত উৎপাদনৰ ক্ষেত্রত হোৱা শাষণক উদাৰতাবাদীসকলে সমালোচনা কৰি কয় যে ব্যক্তিৰ নিজৰ উৎপাদনৰ লাভ বা উৎপাদন তেওঁৰ নিজৰ ইচ্ছাৰ মতে ৰাখিব পাৰিব। আগৰ দৰে উৎপাদনৰ মুনাফা উৎপাদনকাৰী পোৱাৰ পৰিবর্তে উর্ধ্বতম কর্তীপক্ষই পোৱাটো উদাৰতাবাদে মানি নলয়। উদাৰতাবাদে উৎপাদনৰ ক্ষেত্রত ব্যক্তি স্বাধীনতাৰ ওপৰত গুৰুত্ব আৰোপ কৰে।
- **আগ্রহৰ সম্প্রীতি ঃ** মানুহৰ স্বার্থৰ মাজত এখ শান্তিপূর্ণ অৱস্থা বিৰাজমান। ব্যক্তিতৰ বিভিন্ন ইচ্ছাই আনৰ ইচ্ছাৰ ওপৰত বাধাৰ সৃষ্টি কৰিব পাৰে আৰু সেয়েহে উদাৰতাবাদী সকলে এনে এখন সমাজৰ কথা কয় য'ত সকলোৰে বাবে সকলো সুবিধা থাকিব আৰু ব্যক্তিয়ে নিজৰ ইচ্ছামতে নির্ধাৰণ কৰিব পাৰিব। এই ক্ষেত্রত তেওঁলোকে মুক্ত বজাৰৰ কথা কয় য'ত কৃষক আৰু ব্যৱসায়ীৰ মাজত কোনেঙ্গ ধৰণৰ সংঘাতৰ সৃষ্টি নহয়। যেতিয়া চৰকাৰে ৰাজনৈতিক হেঁচাৰ ভিত্তিত পুৰস্কাৰ বিতৰণ কন্দ্রৰবলৈ লয় তেতিয়া ব্যক্তিৰ মাজত সংঘাতৰ সৃষ্টি হয়।
- **শান্তি ঃ** উদাৰতাবাদ সদায় শান্তিত বিশ্বাসী। কোনো কাৰণতে উদাৰতাবাদে যুদ্ধক আশ্রয় নিদিয়ে। যুদ্ধই মৃত্যু আৰু ধ্বংসৰ সৃষ্টি কৰে আৰু ইয়াৰ ফলত ব্যক্তিৰ ব্যক্তিগত জীৱন আৰু অর্থনৈতিক জীৱনো ধ্বংস হয় যিয়ে ব্যক্তি স্বাধীনতাত বাধা আৰোপ কৰে।



জানি থোৱা ভাল

সোঁ উদাৰতাবাদে (Right Liberalism) নেতিবাচক অধিকাৰ আৰু প্ৰাকৃতিক আইনৰ পোষকতা কৰা উদাৰতাবাদী ৰাজনৈতিক দৰ্শনক বুজায়। আধউনিক কল্যাণকামী ৰাষ্ট্ৰৰ লগতে সোঁ উদাৰতাবাদৰ ভিতৰত নৈৰাজ্যবাদী পঁজিবাদ আৰু শিথিলতা জড়িত হৈ থাকে।

বাঁও উদাৰতাবাদ (Left Liberalism) হৈছে সমাজতান্ত্ৰিক আন্দোলনৰ ভিতৰত থকা স্বৈৰতন্ত্ৰতা বিৰোধী ৰাজনৈতিক দৰ্শনৰ এটা গোট যিয়ে সমাজবাদক কেন্দ্ৰীভূত ৰাষ্ট্ৰৰ মালিকানা আৰু অৰ্থনীতিৰ নিয়ন্ত্ৰণ নাকচ কৰে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৫ ঃ উদাৰতাবাদীসকলৰ মতে সামাজিক বিশ্লেষণৰ কোনটো একক হৈছে মূল একক?

প্ৰশ্ন নং ৬ ঃ সিমিত চৰকাৰ হৈছে উদাৰতাবাদৰ মৌলিক ৰাজনৈতিক ধাৰণা (সচাঁ/মিছা)

প্ৰশ্ন নং ৭ ঃ উদাৰতাবাদে সমাজ ..... আইনৰ অধিনৰ কথা কয়। (খালী ঠাই পূৰণ কৰক)

৪.৪ এফ.এ. হায়েক

হায়েক (১৮৯৯-১৯৯২) এজন অষ্ট্ৰিয়াৰ অৰ্থনীতিবিদ আৰু ৰাজনৈতিক দাৰ্শনিক আছিল। তেওঁ উদাৰ গণতন্ত্ৰ আৰু সমাজবাদ আৰু সম্প্ৰদায়বাদৰ বিপৰীতে মুক্ত পুঁজিপতি বজাৰৰ বাবে জনা যায়। ইয়াৰ উপৰিও তেওঁ আইন শাস্ত্ৰ আৰু জ্ঞানবিজ্ঞানৰ বাবে জনা যায়। সমাজতান্ত্ৰিক অৰ্থনীতিৰ ওপৰত তেওঁৰ বিশ্লেষণ কমিউনিষ্ট পূৰ ইুৰোপক বিভাজনৰ দ্বাৰা সমঁচা বুলি প্ৰমাণিত হৈছিল। ইয়াৰ বাবে তেওঁ বিভিন্ন ধৰণৰ সন্মান আৰু মেডেল লাভ কৰিছিল।

৪.৪.১ হায়েকৰ ধাৰণা বা দৰ্শন

হায়েকে সমাজবাদক সমালোচনা কৰি উদাৰতাবাদৰ পোষকতা কৰিছিল। দ্বিতীয় বিশ্বযুদ্ধৰ পিছত তেওঁ তেওঁৰ গ্ৰন্থ "দাসত্বৰ পথ" (Road to Serdom) (1944) ব্যক্তি স্বাধীনতাৰ সমৰ্থন জনাইছিল আৰু "স্বাধীনতাৰ সংবিধান" (The Constitution of Liberty) (1960) নামৰ গ্ৰন্থত স্বাধীনতাৰ গুণাগুণৰ ওপৰত গুৰুত্ব দিছিল আৰু চৰকাৰৰ অতিমাত্ৰা হস্তক্ষেপৰ বিৰোধিতা কৰিছিল। হায়েকৰ মতে, "ব্যক্তিগত স্বাধীনতাই সেই অৱস্থাক বুজায় য'ত এজন মানুহে আন এজনৰ ইচ্ছাৰ দ্বাৰা কিবা কৰিবলৈ বাধ্য নহয়।"

হায়েকে তেওঁৰ গ্ৰন্থ "স্বাধীনতাৰ সংবিধান" (Constitution of Liverty)ত 'স্বতন্ত্ৰতা' আৰু "স্বাধীনতা" শব্দ দুটা পৰিবৰ্তনশীলভাৱে ব্যৱহাৰ কৰিছিল। তেওঁ কয় যে এজন ব্যক্তিয়ে তেতিয়াহে স্বাধীন হয় যেতিয়া তেওঁ আনৰ বলপূৰ্বক ইচ্ছাৰ দ্বাৰা কোনো কাম কৰিবলৈবাধ্য নহয়। হায়েকে ব্যক্তি স্বাধীনতা তিনিটা বিশেশ ধৰণে চায় সেইকেইটা হ'ল ৰাজনিতিক স্বাধীনত, আভ্যন্তৰীণ স্বাধীনতা আৰু ক্ষমতাৰ স্বাধীনতা। ৰাজনৈতিক স্বাধীনতাই মানুহৰ চৰকাৰ গঠনৰ স্বাধীনতাক বুজায়। আভ্যন্তৰীণ স্বাধীনতাই ব্যক্তি এজনৰ কৰ্মৰ স্বাধীনতাক বুজায় য'ত তেঁও নিজৰ মনৰ ইচ্ছাৰ মতে সকলো কৰিব পাৰে। ক্ষমতাৰ স্বাধীনতাই ব্যক্তিৰ মনৰ ইচ্ছাবোৰ পুৰণৰ কথা কয়।

হায়েকৰ দুটা বিষয়বস্তু হ'ল যে পৰিতালিত সমাজে দাম নকৰে আৰু ই স্বাধনতাৰ সৈতে অসামঞ্জস্যপূৰ্ণ। তেওঁ কয় যে ইয়াত দুই ধৰণৰ ক্ৰম আছে যেনে লিখিত ক্ৰম (চৰকাৰী পৰিকল্পনা) আৰুদ্ধতঃস্ফুৰ্ত ক্ৰম (বজাৰ)।

হায়েকে কয় যে ৰাষ্ট্ৰৰ ভূমিকা বিভিন্ন ক্ষেত্ৰত সীমিত হোৱা উচিত। নিৰ্মিত ক্ৰম সাধাৰণতে ভুল হয়. দিহে ই স্বতঃস্পুত ক্ৰমৰ বাবে অনুকুল পৰিস্থিতি প্ৰদান কৰাত অধিক হয়। স্বতস্পূৰ্ত শৃংখলাৰ বাবে আটাইতকৈ গুৰুত্বপূৰ্ণ অনুকুল অৱস্থা হৈছে আইনৰ শাসন। আইনৰ শাসনে নেতিবাচক স্বাধীনতা নিয়ন্ত্ৰণ কৰিব লাগে। নেতিবাচক স্বাধীনতাই মানুহৰ ওপৰত কোনো ধৰণৰ বাধা াৰোপ নকৰাকৈ স্বাধীনতা উপভোগ কৰাৰ কথা কয় আৰু ইতিবাচক স্বাধীনতাই মানুহৰ ওপৰত কিছুমান চৰ্ত বা বাধা আৰোপ কৰে যিয়ে ব্যক্তি এজনে তেওঁৰ স্বাধীনতাৰ ক্ষেত্ৰত বাধা আৰোপ নকৰাত সহায় কৰে। হায়েকৰ মতে স্বাধীনতা হৈছে বলপূৰ্বক ব্যৱস্থাৰ অনুপস্থিতি, ই এনে এক পৰিস্থিতি য'ত ব্যক্তি এজনে আন ব্যক্তিৰ স্বেচ্ছাচাৰী ইচ্ছাৰ ওপৰত নিৰ্ভৰশীল নহয়।

হায়েকে কয় যে ব্যক্তি তেতিয়াহে স্বাধীন হ'ব যেতিয়া তাত এখন সিমিত চৰকাৰ থাকিব। স্বাধীনতা কেকৰ দৰে মানুহৰ মাজত সমানে ভাগ কৰি দিব নোৱাৰি, এইটো ব্যক্তিৰ সমাজৰ প্ৰতি থকা অৱদানৰ ওপৰত নিৰ্ভৰ কৰে। মানুহৰ দক্ষতাৰ ভিন্নতা থকাৰ বাবে তেওঁলোকৰ মাজত সম্পত্তি বা অৰ্থৰ ভিন্নতা থকা দেখা যায়।

তেওঁ কয় যে ব্যক্তিৰ একো নহলেও তেওঁ মুক্ত হোৱাটো শ্ৰেয় আৰু সকলোৰে সীমিত স্বাধীনতা থকাৰ তুলনাত বহুতৰ সম্পূৰ্ণ স্বাধীনতা থাকিব লাগে। সমালোচকসকলে আঙুলিয়াই দিয়ে যে হায়েকৰ সিদ্ধান্তবোৰ তেওঁৰ নিজৰ অনুমানৰ সৈতে সুসংগত নহয়। তেওঁ ব্যক্তিজনক শেষ পৰ্যায়লৈ কমাই আনে।



জানি থোৱা ভাল

হায়েকে কয় যে স্বাধীনতাৰ অৰ্থ কেৱল ব্যক্তিগৰাকীৰ সুযোগ আৰু পচন্দ ইয়াৰ অৰ্থ এইটোৱে যে ব্যক্তিজনৰ তেওঁৰ নিজৰ কৰ্মৰ পৰিনাম হ'ব লাগিব। স্বাধীনতা আৰু কৰ্তব্য অবিচ্ছেদ্য।



অগ্রগতিৰ নিৰীক্ষণ

প্রশ্ন নং ৮ ঃ হায়েকে কোনখন গ্রন্থত "স্বতন্ত্রতা" আৰু "স্বাধীনতা" শব্দ দুটা ব্যহাৰ কৰিছিল ?

প্রশ্ন নং ৯ ঃ হায়েকৰ মতে দুই ধৰণৰ ক্রম কি ?

প্রশ্ন নং ১০ ঃ হায়েকৰ মতে আইনে কেল নেতিবাচক স্বাধীনতা পৰিচালিত কৰে। (সঁচা/মিছা)

প্রশ্ন নং ১১ ঃ হায়েকৰ মতে স্বাধীনতা ..... অনুপস্থিতি। (খালী ঠাই পূৰণ কৰক)

৪.৫ ৰবার্ট নাজিক

নজিক এজন প্রশিদ্ধ ৰাজনৈতিক দার্শনিক। তেওঁৰ প্রভাৱশালী গ্রন্থ হ'ল "Anarchy, State and Utopia" (1974) যিয়ে মুক্ত বজাৰ স্বাধীনতাৰ পোষকতা কৰে।

তেওঁৰ আন এখন গ্রন্থ "Imariance" (2001) বস্তুনিষ্ঠ বাস্তৱতাৰ তত্ব দাঙি ধৰে। ৰবার্ট নজিক বিংশ শতিকাৰ অন্যতম প্রভাৱশালী ৰাজনৈতিক দার্শনিক আছিল। ১৯৪৭ চনত তেওঁ "Anarchy, State adn Utopia" গ্রন্থখন প্রকাশ কৰে, যি ৰাজনৈতিক দর্শনৰ এক অতি গুৰুত্বপূর্ণ গ্রন্থ হিচাপে স্বীকৃতি লাভ কৰে। নজিকৰ "প্রাপ্যতা" (Emtitlement)ৰ তত্ত্ব এক অতি গুৰুত্বপূর্ণ তত্ত্ব, এই তত্ত্বৰ বৈশিষ্ট্যবোৰ তলত আলোচনা কৰা হ'ল —

- **অধিগ্রহণৰ পদ্ধতি ঃ** নজিকে তিনিটা পদ্ধতি উল্লেখ কৰিছে যাৰ দ্বাৰা অধিগ্রহণ কৰিব পৰা যায়
  - a) **ব্যক্তি নিজেই ঃ** ব্যক্তিৰ বিভিন্ন অংগবোৰৰ ওপৰত সর্বচেছা ক্ষমতা আৰু স্বাধীনতা তেওঁলোকৰ নিজৰেই থাকে।
  - b) **প্রাকৃতিক পৃথিৱী ঃ** ইয়াৰ ভিতৰত মাটি, পানী, প্রকৃতিক সম্পদ আদিবোৰ থাকে।
  - c) মানুহে তৈয়াৰ কৰা বস্তুবোৰ (কৃষি আৰু উদ্দ্যোগিক সমাগ্রী) তেওঁলোকৰ শ্রম প্রকৃতিত প্রয়োগ কৰি।
- **প্রাপ্রতাৰ নীতি ঃ** এজন ব্যক্তি তেওঁৰ শৰীৰ আৰু মনৰ অধিকাৰী যাৰ বাবে কোনো যুক্তিৰ প্রয়োয়জন নাই। নজিকে তিনিটা মুল নীতিৰ কথা কৈছে যাৰ দ্বাৰা প্রাপ্যতা পাব পাৰি, সেইকেইটা হ'ল —
  - a) **প্রাৰম্ভিক অধিগ্রহণ ঃ** এই নীতিত ব্যক্তিয়ে প্রাকৃতিক জগতৰ কিছুমান অংশ বা উপাদান আহৰণ কৰিব পাৰে। এই পদ্ধতিত "প্রথমে অহা, প্রথমে সেৱা কৰা"ৰ ভিত্তিত সুবিধা পায়।
  - b) **স্বেচ্ছামূলক স্থানান্তৰ ঃ** তেিয়া ব্যক্তি এজনে সম্পত্তি বা উপাদানৰ অধিকাৰী

হয়, তেওঁ নিজ ইচ্ছামতে তেওঁৰ কিছু উপাদান, উপাদান নথকা ব্যক্তি এজনক দি দিয়া বুজায়।

c) **সংশোধন ঃ** এই নীতিটোৱে মানুহৰ কর্ম আৰু ইচ্ছাৰ কিছু সাল-সলনিক বুজায়। যদি ব্যক্তি অধিক স্বেচ্ছাচাৰী হোৱা দেখা যায় তেতিয়া চৰকাৰ বা আন্তঃৰাষ্ট্রীয় সংগঠনে ইয়াৰ ওপৰত কিছু সাল-সলনি ঘটায়।

নজিকে সিমিত চৰকাৰৰ পোষকতা কৰিছিল। চৰকাৰৰ কেৱল মানুহক হিংসাৰ পৰা দুৰত ৰখা আৰু সুৰক্ষা দিয়াটোৱে কাম হ'ব। নৈৰাজ্যবাদৰ বিৰুদ্ধে নজিকে দাবী কৰে যে নূন্যতম ৰাষ্ট্র ন্যায়সংগত কাৰণ ই কাৰো প্রাকৃতিক অধিকাৰ উলংঘনৰ সৈতে জড়িত নহয়। মানুহৰ প্রাকৃতিক অধিকাৰ যেনে জীৱনৰ অধিকাৰ, স্বাধীনতাৰ অধিকাৰ আৰু সম্পত্তিৰ অধিকাৰ যিকোনো কাৰণতে সুৰক্ষিত থাকিব লাগিব।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১২ ঃ ৰবার্ট নজিকৰ প্রথম গ্রন্থখনৰ নাম কি?

প্রশ্ন নং ১৩ ঃ নজিকৰ ৰাজনৈতিক তত্ত্বচোৰ নাম কি?

প্রশ্ন নং ১৪ ঃ নজিকে সিমিত ৰাষ্ট্রৰ কথা কৈছিল। (সঁচা/মিছা)

প্রশ্ন নং ১১ ঃ নজিকৰ মতে, "ব্যক্তিয়ে তেওঁলোকৰ সম্পত্তিৰ অধিকাৰৰ বাবে সুৰক্ষামূলক সংস্থা নিয়োগ কৰা উচিত।" (সঁচা/মিছা)

৪.৬ সম্প্রদায়িকতাবাদৰ অর্থ

ঊনবিংশ শতিকাৰ মাজভাগত ব্রিট্রিছ ভিক্টৰিয়ান হউটোপিয়ান সমাজবাদী জন গুডৱিন বার্মবাইয়ে এই শব্দটো উদ্ভাৱন কৰিছিল যদিও ইয়াৰ বহুত আগৰ পৰাই ইয়াৰ ধাৰণা আছিল। বাইবেলৰ পুৰণি আৰু নতুন নিয়মৰ লগতে ফেবিয়ান আৰু সমাজবাদী মতবাদত সম্প্রদায়ীবাদৰ ধাৰণাসমূহৰ উল্লেখ পোৱা যায়। অৱশ্যে, ১৯৮০ ৰ দশকত আমেৰিকাৰ ৰাজনৈতিক দার্শনিক মাইকেল চেণ্ডেনৰ গ্রন্থ "উদাৰতাবাদ আৰু ন্যায়ৰ সীমা" (১৯৮২) প্রকাশ পোৱাৰ পিছত ৰাজনৈতিক দর্শন হিচাপে সাম্যবাদে তত্ত্ববিদসকলৰ দৃষ্টি আকর্ষণ কৰিছিল আৰু উদাৰ ব্যক্তিবাদৰ এক প্রধান সমালোচনা হিচাপে আত্মপ্রকাশ কৰিছল।

সাধাৰণতে সম্প্রদায়ীকতাবাদে এজন ব্যক্তিৰ জীৱনত সম্প্রদায়ৰ ওপৰত গুৰুত্ব আৰোপ কৰে আৰু সম্প্রদায়ৰ প্রতি দায়বদ্ধতাৰ কথা কয়।

Oxford অভিধান মতে সম্প্রদায়ীকতাবাদে ব্যক্তিৰ সম্প্রদায়ৰ প্রতি থকা দায়িত্ব আৰু পৰিয়ালৰ সামাজিক গুৰুত্বক বুজায়। Encydopedia Brtannica ৰ মতে সম্প্রদায়ীকতাবাদে ৰাজনৈতিক জীৱনত সম্প্রদায়ৰ গুৰুত্বৰ কথা বিশ্লেষণ আৰু ব্যক্তিৰ পৰিচয়ৰ লগত জড়িত।

ব্যক্তিসকল কেৱল এটা সম্প্রদায়ৰ অংশহে। তলৰ চিত্রটোত ভালদৰে দেখোৱা হৈছে-



বর্তমান সময়ত সাম্যবাদক মূলতঃ ব্যক্তিগত স্বৰূপ আৰু পৰমাণুবাদী সমাজৰ ওপৰত উদাৰপন্থীসকলৰ অত্যাধিক গুৰুত্ব দিয়াৰ প্রতিক্রিয়া হিচাপে দেখা যায়। এই দুয়োটা দর্শনৰ অগ্রাধিকাৰ সম্পূর্ণ বিপৰীত। আনহাতে সাম্যবাদী সকলৰ বাবে, সম্প্রদায়টো ব্যক্তিৰ বাবে অগ্রণী আৰু অধিক গুৰুত্বপূর্ণ।

এজন এজন ব্যক্তি লগ হৈ হে এটা সম্প্রদায়ৰ সৃষ্টি হয় আৰু প্রতিজন ব্যক্তিয়ে ভাল কাম কৰিলে একেলগে সম্প্রদায়টো ভাল হয়। আৰু যদি এটা সম্প্রদায়ৰ ভাল হয় তেন্তে প্রতিজন ব্যক্তিৰ নিজে নিজেই ভাল হয়। সেয়েহে উদাৰপন্থীসকলে ব্যক্তিৰ নিজৰ ইচ্ছা অনুসৰণ কৰাৰ অধিকাৰৰ ওপৰত গুৰুত্ব আৰোপ কাৰ বিপৰীতে সম্প্রদায়ীকতাবাদীসকলে যুক্তি দিয়ে যে যদি সম্প্রদায়ৰ ভালৰ ওপৰত গুৰুত্ব দিয়া হয় তেন্তে প্রতিজন ব্যক্তি স্বয়ক্রিয় ভাৱে সুখী হয়। আৰু ইয়াকে কয় "অধিকাৰৰ এপৰত সঠিক" (good over Right) বিতর্ক।

তেওঁলোকে কয় যে ব্যক্তি কেতিয়াও সাম্প্রদায়ৰ পৰা পৃথক হ'ব নোৱাৰেষ ব্যক্তিসকলক তেওঁলোকৰ সামাজিক পৰিস্থিতিৰ দ্বাৰা গঠন কৰা হয়, প্রতিজন ব্যক্তিয়ে প্রথমে পৰিয়াল, ধর্ম, সম্প্রদায় আৰু ৰাষ্ট্রৰ দ্বাৰা পৰিচালিত হয়। এলাছডেয়াৰ থেকইণ্টায়ৰে "আখ্যামলূক স্ব" (narrative self) ধাৰণাটো আগবঢ়াইছে যাৰ অর্থ হৈছে বক্তিৰ পৰিচয় সম্প্রদায় আৰু বান্ধোন আৰু সম্পর্খৰ দ্বাৰা গঠন হয়।

চার্লছ টেইলৰে কয় যে এজন ব্যক্তিৰ উন্নতি তেতিয়াহে হয় যেতিয়া তেওঁ সমাজৰ লগত জড়িত থাকে।

এৰিষ্ট'টল, হেগেল, ৰুছো আদিৰ চিন্তাধাৰাতে সম্প্রদায়ৰ ধাৰণাটো কিছু পৰিমাণে থকা দেখা যায়। কানাডাৰ দার্শনিক উইল কিমলিকাই কয় যে মাক্সবাদে পুঁজিপতিক উচ্ছেদ কৰি যেনেকৈ সাম্যবাদ সমাজৰ প্রতিষ্ঠা কৰিব বিছাৰিছিল সিও তেনেকৈ এই প্রচেষ্টাটো সম্প্রদায়ীকতাবাদ কিছু পৰিমাণে পৰিলক্ষিত হয়।

উদাৰতাবাদী আৰু সম্প্রদায়ীকতাবাদীৰ মাজত ৰাষ্ট্রৰ প্রকৃতি আৰু ভূমিকাৰ মাজক মতভেদ থকা দেখা যায়। উদাৰতাবাদী সকলেৰাষ্ট্র নিৰপেক্ষআৰু সিমিত হোৱা বিছাৰে তাৰ বিপৰীতে সম্প্রদায়ীকতাবাদীসকলে ৰাষ্ট্রৰ অধিক দায়িত্ব আৰু কর্তব্যৰ ওপৰত গুৰুত্ব দিয়ে। উদাৰতাবাদীসকলে ব্যক্তিৰ কল্যাণৰ বাবে ৰাষ্ট্রৰ ভূমিকা অতি কম হোৱাটো বিছাৰে আনহাতে সম্প্রদায়ীকতাবাদীসকলে কয় যে সম্প্রদায়ৰ উন্নতি তথা কল্যাণৰ বাবে ৰাষ্ট্রৰ ভূমিকা অধিক হোৱা উচিত।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১৬ ঃ কেনেদৰে ব্যক্তি এজনৰ নিজস্বতা সমাজৰ সৈতে জৰিত ?

প্রশ্ন নং ১৭ ঃ সম্প্রদায়ীকতাবাদীসকলৰ মতে ৰাষ্ট্রই নিৰপেক্ষতা ত্যাগ কৰি সামূহিক ভালৰ বাবে কাম কৰা উচিত (সঁচা/মিছা)

৪.৭ সম্প্রদায়িকতাবাদৰ সমালোচনাত্মক বিশ্লেষণ

ইয়াৰ এটা প্রঠান সমস্যা হৈছে যে সম্প্রদায়ীকতাবাদে কোনো কৌশল বা পন্থাৰ কথা নকয় যাৰ দ্বাৰা ৰাষ্ট্রই এক সম্প্রদায়ীকতা জীৱন পৰিচালিত কৰিব পাৰিব। কিন্তু উদাৰতাবাদে কিছুমান উপায় প্রদান কৰা দেখা যায়।

দ্বিতীয়তে সম্প্রদায়ীকতাবাদে সম্প্রদায় তথা সমাজৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰে যিয়ে ব্যক্তি স্বাধীনতা সিমিত কৰিব পাৰে।

ইয়াৰ উপৰি তেওঁলোকে প্রদান কৰা "সকলোৰে ভাল" ধাৰণা কিছুপৰিমাণে এখন সমাজত সমস্যাৰ সৃষ্টি কৰিব পাৰে। উদাহৰণস্বৰূপে ভাৰতীয় সমাজব্যস্থা এক জটিল প্রক্রিয়া কিয়নো এখন সমাজত বিভিন্ন ভাষা, সংস্কৃতি, ধর্মৰ লোক থাকে যাৰ ফলত সকলোৰে কল্যাণ সাধন কৰাটো জটিল হৈ পৰে। ইয়াৰ বাবে কিছুমান বিশেষ নীতি গ্রহণ কৰিব লগা হয়।

সম্প্রদায়ীকতাবাদৰ বিভিন্ন সমলোচনা থাকিলেও ইয়াৰ গুৰুত্বক অস্বীকাৰ কৰিব নোৱাৰি। সমাজৰ উন্নয়ন তথা ব্যক্তিৰ কল্যাণ সাধনৰ লগত জড়িত এই মতবাদৰ যথেষ্ট গুৰুত্ব আছে। এই ধাৰণাই সমাজ বিপক্ষে পৰিচালিত হোৱাৰ পৰা আঁতৰত ৰাখিব সক্ষম হৈছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১৮ ঃ সম্প্রদায়ীকতাবাদৰ দুটা সমালোচনা লিখক।



৪.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- উদাৰতাবাদৰ মূল ধাৰণা হ'ল সিমিত চৰকাৰ।
- উদাৰতাবাদৰ লগত ব্যক্তিত্ববাদ, ব্যক্তিৰ অধিকাৰ, আইনৰ শাসন, সিমিত চৰকাৰ, মুক্ত বজাৰ, শান্তি, উৎপাদন আদিৰ ধাৰণা জড়িত।

- হায়েকে তেওঁৰ গ্রন্থ 'স্বাধীনতাৰ সংবিধান' (১৯৬০) 'স্বতন্ত্রতা' আৰু 'স্বাধীনতা' শব্দ দুটা বিভিন্ন ধৰণে ব্যৱহাৰ কৰিছে।
- নজিকে তেওঁৰ গ্রন্থ "Anarchy, State and Utopia" ত প্রাপ্যতাৰ তত্ত্বটো প্রকাশ কৰিছে।
- উক্ত গ্রন্থত তেওঁ কয় যে সিমিত চৰকাৰ ব্যৱস্থাহে কেৱল ন্যায়সমগত।
- সম্প্রদায়ীকতাবাদে ব্যক্তিৰ জীৱনত সম্প্রদায়ৰ গুৰুত্বৰ কথা কয়।
- সম্প্রদায়ীকতাবাদীসকলে কয় যে ব্যক্তিৰ স্বাধীনতাৰ ওপৰত সকলোৰে কল্যাণ হোৱাটো অধিক গুৰুত্বপূর্ণ। সম্প্রদায়ৰ ভাল হলে প্রতিজন ব্যক্তি স্বতঃস্ফুর্ত ভাৱে সুখী হয়।



৪.৯ অধিক জানিবলৈ

১) Heywood, Andrew (2003). Political Ideologies, (Third Edition). Palgrave Macmillian Publication.

১) Johari, J.C. Contemporary political theory New Dimensions, Basic Concepts and Major Trends. New Delhi. Sterling publishers private limited.

৩) Hoveyda, Abbas & Kumar, Ranajay (2012). Politi?al Theory. Pearson, New Delhi.

৪) Gauba, O.P. (2012). An Introduction to Political Theory. Macmillan Publishers pvt. ltd.



৪.১০ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ জন ল'ক, আডাম স্মিথ

২ নং প্রশ্নৰ উত্তৰ ঃ লৰেঞ্চ ৰীড

৩ নং প্রশ্নৰ উত্তৰ ঃ চাৰম হাৰিচৰ ভাষাত "উদাৰতাবাদে স্বাধীনতাত বিশ্বাস কৰে। প্রতিজন ব্যক্তিয়ে নিজৰ জীৱন তেওঁৰ মতে পৰিচালিত কৰিব পাৰে আৰু নিজৰ সম্পত্তি নিজৰ ইচ্ছামতে ব্যৱহাৰ কৰিব পাৰে।"

৪ নং প্রশ্নৰ উত্তৰ ঃ ব্যক্তি।

৫ নং প্রশ্নৰ উত্তৰ ঃ সচাঁ।

৬ নং প্রশ্নৰ উত্তৰ ঃ স্বতন্ত্রতা বা স্বাধীনতা

৭ নং প্রশ্নৰ উত্তৰ ঃ "স্বাধীনতাৰ সংবিধান"

৮ নং প্রশ্নৰ উত্তৰ ঃ নির্মিত ক্রম আৰু স্বতঃস্ফূর্ত ক্রম

৯ নং প্রশ্নৰ উত্তৰ ঃ সচাঁ

১০ নং প্রশ্নৰ উত্তৰ ঃ শক্তি বা জোৰ জবৰদস্তি

১১ নং প্রশ্নৰ উত্তৰ ঃ "Anarchy, State and Utopia"

১২ নং প্রশ্নৰ উত্তৰ ঃ প্রাপ্যতাৰ তত্ত্ব

১৩ নং প্রশ্নৰ উত্তৰ ঃ সচাঁ

১৪ নং প্রশ্নৰ উত্তৰ ঃ সচাঁ

১৫ নং প্রশ্নৰ উত্তৰ ঃ সম্প্রদায়ীকতাবাদী সকলে কয় যে ব্যক্তিৰ নিজস্বতা সমাজৰ পৰা পৃথক হ'ব নোৱাৰে। ব্যক্তি তেওঁৰ সমাজ আৰু সম্প্রদায়ৰ দ্বাৰাই গঠিত হয়। প্রতিজন ব্যক্তিয়ে প্রথমে পৰিয়াল, সম্প্রদায় আৰু ৰাষ্ট্রৰ লগত জড়িত। ব্যক্তিৰ পৰিচয় তেওঁৰ সমাজ আৰু সম্প্রদায়ৰ পৰাহে নিশ্চিত হয়। চার্লছ টেয়লাৰে কৈছে যে সমাজৰ পৰাহে ব্যক্তিৰ জন্নতি সাধন হয়।

১৬ নং প্রশ্নৰ উত্তৰ ঃ সচাঁ।

১৭ নং প্রশ্নৰ উত্তৰ ঃ ক) সম্প্রদায়ীকতাবাদৰ এটা মূখ্য সমস্যা হ'ল যে ই কোনো ধৰণৰ কৌশল বা পন্থা প্রদান নকৰে যাৰ দ্বাৰা ৰাজনৈতিক কতৃপক্ষই সম্প্রদায়ৰ জীৱন পৰিচালিত কৰিব পাৰে।

খ) দ্বিতীয়তে ইয়ে সমাজ আৰু সম্প্রদায়ৰ ওপৰতহে অধিক গুৰুত্ব আৰোপ কৰে যিয়ে ব্যক্তি স্বাধীনতা খর্ব কৰিব পাৰে। এনে ক্ষেত্রত সম্পৰদায় অঠিক স্বেচ্ছাচাৰী হোৱাৰ সম্ভনা থাকে। আৰু এনে হ'লে ব্যক্তিগত জীৱনৰ বাবে বেয়া হ'ব।



৪.১১ আৰ্হি প্রশ্ন

প্রশ্ন ১ ঃ ৰবার্ট নজিকে ১৯৭৪ চনত প্রকাশিত দুখন গ্রন্থৰ নাম লিখক।

প্রশ্ন ২ ঃ উদাৰতাবাদৰ ধাৰণাৰ বিষয়ে লিখক।

প্রশ্ন ৩ ঃ উদাৰতাবাদৰ নীতিসমূহ কি কি?

প্রশ্ন ৪ ঃ উদাৰতাবাদৰ মূল নীতিবোৰ বর্ণনা কৰক।

প্রশ্ন ৫ ঃ হায়েকৰ "স্বতন্ত্রতা" আৰু স্বাধীনতাৰ ধাৰণা উল্লেখ কৰক।

প্রশ্ন ৬ ঃ নজিকৰ ৰাষ্ট্রৰ ধাৰণা আলোচনা কৰক।

প্রশ্ন ৭ ঃ সম্প্রদায়ীকতাবাদৰ অর্থ বর্ণনা কৰক।

*** ***** ***

অধ্যায় ৫ ঃ পুঁজিবাদ - কার্ল মার্ক্সৰ শ্রেণীভিত্তিক বিশ্লেষণ

অধ্যায় গাঁথনি

৫.১ উদ্দেশ্য

৫.২ পৰিচয়

৫.৩ দ্বন্দ্বাত্মক বস্তুবাদ

৫.৪ পুঁজিবাদৰ ওপৰত মার্ক্সীয় ধাৰণা

৫.৫ কার্ল মার্ক্সৰ শ্রেণীভিত্তিৰ বিশ্লেষণ

৫.৬ ৰাজনীতিৰ আলোচনাৰ বাবে মার্ক্সীয় তত্ত্ব

৫.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৫.৮ অধিক জানিবলৈ

৫.৯ অগ্রগতিৰ খতিয়ান

৫.১০ আৰ্হি প্রশ্ন

৫.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- মার্ক্সীয় আদর্শ ব্যাখ্যা কৰিবলৈ
- পুঁজিবাদৰ ওপৰত মার্ক্সীয় ধাৰণা বিশ্লেষণ কৰিবলৈ
- শ্রেণী আৰু ৰাষ্ট্র সম্পর্কে মার্ক্সীয় তত্ত্ব বিশ্লেষণ কৰিবলৈ
- সাম্যবাদী সমাজ ব্যৱস্থা সম্পর্কে মার্ক্সীয় দর্শন ব্যাখ্যা কৰিবলৈ।

৫.২ পৰিচয়

Karl Heinrich Marx (1818-1957) এ জার্মানীত উপজিছিল। তেওঁ আছিল একাধাৰে এজন দার্শনিক, সমাজ-বিজ্ঞানী, বুৰঞ্জীবিদ, বিপ্লৰী, আৰু নিঃসন্দেহে উনবিংশ শতিকাৰ আটাইতকৈ প্রভাৱশালী সামাজিক চিন্তাবিদ। তেওঁৰ দ্বাৰা লিখিত গ্রন্থপুঞ্জীৰ ভিতৰত উল্লেখ্য হ'ল — Capital : Critique of Political Economy (1817), The Communist Manifesto (1847) ইত্যাদি।

৫.৩ দ্বন্দ্বাত্মক বস্তুবাদ (DIALECTICAL METERIALISM)

মার্ক্সীয় দর্শন আৰু চিন্তা-চর্চাৰ মূল ভেঁটি হৈছে দ্বন্দ্বাত্মক বস্তুবাদ। যদিও কার্ল মার্ক্সৰ দ্বন্দ্বাত্মক বস্তুবাদৰ মূল ধাৰণাটো G.W. Freiedrich Hegel ৰ পৰা ধাৰ কৰা হৈছে, তথাপি কার্লমাক্সে তেওঁৰ মৌলিক চিন্তাৰে এই ধাৰণাটোক বিশেষ ৰূপ দিবলৈ সক্ষম হৈছে। মানুহৰ

মগজুৰ জীৱন প্রক্রিয়া (life process) ক বর্ণনা কৰিবলৈ হেগেলে দ্বন্দ্বাত্মক বস্তুবাদক ব্যৱহাৰ কৰিছিল; অর্থাৎ, হেগেলৰ মতে বস্তুবাদী জগতখনৰ জড়িয়তে মানুহৰ মনত চিন্তাই আকাৰ লাভ কৰে (Reflect)। ইয়াকেই হেগেলৰ "ইতিহাসৰ আদর্শগত বিশ্লেষণ" (Idealistic Interpretation of History) বুলি অভিহিত কৰা হয়।

যদিও মার্ক্সীয় দ্বন্দ্বাত্মক বস্তুবাদ হেগেলৰ দর্শনৰ ওপৰত প্রতিষ্ঠিত, তথাপি মার্ক্সে ইয়াত নতুনত্ব দিছিল আৰু জীৱনৰ বস্তুবাদী চর্তসমূহ ইয়াৰদ্বাৰা বিশ্লেষণ কৰি দেখুৱাইছিল। তেনেদৰে হেগেলৰ ইতিহাসত আদর্শগত বিশ্লেষণক মার্ক্সে দ্বন্দ্বাত্মক বস্তুবাদেৰে নস্যাৎ কৰিছিল। মার্ক্সীয় দর্শনৰ মূল আধাৰ হৈছে দ্বন্দ্বাত্মক বস্তুপবাদ; য'ত দুটা শব্দ — 'দ্বন্দ্বাত্মক' আৰু 'বস্তুবাদ' একেলগে যুক্ত। 'দ্বন্দ্বাত্মক' শব্দটোৱে সামাজিক উন্নয়নৰ নীতি (Law of Social Development) ক বুজায় আৰু 'বস্তুবাদ' শব্দটোৱে চৰম বাস্তৱতা (Ultimate Reality) ক সূচায়। দ্বন্দ্বাত্মক বস্তুবাদ অনুসৰি, নির্দিষ্ট নীতিক ভিত্তি কৰি সমাজখন আগবাঢ়ে। উৎপাদনৰ ধৰণ বা অর্থনৈতিক শক্তিৰদ্বাৰা সকলো ধৰণৰ মৌলিক ঐতিহাসিক নির্ধাৰিত হয়। উৎপাদনৰ ধৰণ পৰিবর্তনৰ দুটা দিশ থাকে ঃ ক) উৎপাদনৰ শক্তি আৰু খ) উৎপাদনৰ সম্পর্ক; আৰু এই দুই দিশে সামাজিক সম্পর্কলৈ অহৰহ পৰিবর্তন কঢ়িয়াই আনি থাকে। মার্ক্সৰ দৃষ্টিত ইতিহাস মনোজগতৰ সৃষ্টি নহয়, তাৰপৰিবর্তে ই হৈছে সমাজত হোৱা শ্রেণী সংঘর্ষৰ ফচল।সমাজৰ বিকাশ বিশ্লেষণ কৰিবলৈ ব্যৱহৃত দ্বন্দ্বাত্মক বস্তুবাদৰ নীতিকেই ইতিহাসৰ বস্তুবাদী ধাৰণা বুলি কোৱা হয়। মঙ্গর্ক্সবাদত সংঘর্ষ আৰু দ্বন্দ্বৰ তিনিপ্রকাৰৰ পৰিণতিত সমাজ পৰিবর্তিত হয়। এই তিনি প্রকাৰ হ'ল — থেছিচ (Thesis), এণ্টিথেছিচ (Anti-thesis) আৰু চীন্থেছিচ (Synthesis)। থেছিচে প্রতিষ্ঠিত ধাৰা (order) ক বুজায়; আৰু যিসকলে এই প্রতিষ্ঠিত ধাৰাক সমালোচনা কৰে, তেওঁলোকক এণ্টি-থেছিচ বুলি কোৱা হয়। এই দুই ধাৰা থেছিচ আৰু এণ্টি-থেছিচৰ দ্বন্দ্বৰ ফলত সৃষ্টি হয় চীন্থেছিচ, যাক বিকাশৰ উচ্চতৰ স্তৰ হিচাপে গণ্য কৰা হয়। উদাহৰণ স্বৰূপে, দাসত্ব প্রথা প্রচলিত সমাজ হৈছে থেছিচ, যাক দাসসকলে বিৰোধ কৰিছিল (এণ্টি-থেছিচ)। এই বিৰোধে সামন্তবাদী (feudalist) সমাজৰ সৃষ্টি কৰিছিল, যাক চীন্ছেছিচ বুলি কোৱা হয়। পৰবর্তী সময়ত উৎপাদনৰ শক্তি বা উপাদানসমূহ পৰিবর্তনশীল হোৱা বাবে চীন্ছেছিচ মার্ক্সীয় মতবাদত থেছিচ হৈ পৰে, কিয়নো মার্ক্সবাদত বস্তু (Matter) হৈছে চুড়ান্ত বাস্তৱ। ইয়াক "নস্যাৎ নীতি' (Law of negation) বুলি কোৱা হয়, য'ত সংঘর্ষ আৰু দ্বন্দ্বৰ ফলত সমাজ আগবাঢ়ি এখন পূর্ণ সমাজ (Perfect Society) গঠনলৈ অগ্রসৰ হয়। ফলশ্রুতিত, উৎপাদনৰ শক্তিসমূহৰ ভেঁটিত এখন সমাজৰ সর্বোচ্চ পৰিকাঠাম সৃষ্টি হয়। আৰু এইদৰে মার্ক্সে দ্বন্দ্বাত্মক বস্তুপবাদেৰে মানৱ সমাজ আৰু ইয়াৰ বিকাশ বিশ্লেষণ কৰে।

৫.৪ পুঁজিবাদৰ ওপৰত মার্ক্সীয় ধাৰণা

কার্লমার্ক্সৰ মতে, পুঁজিবাদ নিশ্চিতভাৱে সমাজবাদলৈ সলনি হ'ব। এইটোৱে মার্ক্সৰ এইটো ধাৰণাক সূচায় যে পুঁজিবাদত অন্তর্নিহিত হৈ থকা কেতবোৰ চর্তই পুঁজিবাদলৈ সমস্যাৰ

জোৱাৰ আনিব; যাৰ পৰিপ্রেক্ষিতত সমাজত সমাজবাদী জীৱন-শৈলীয়ে প্রতিষ্ঠা লাভ কৰিব। হয়তো মার্ক্সে কোৱা ধৰণে সম্পূর্ণৰূপে নহ'লেও, সমাজবাদী জীৱন-শৈলীয়ে বিশেষ মান্যতা লাভ কৰিব।

মার্ক্সৰ লিখনিয়ে এইটো প্রতিষ্ঠা কৰে যে মার্ক্স হেগেলৰদ্বাৰা প্রভাৱান্বিত হৈছিল, যদিও মার্ক্সে দার্শনিক ধাৰণীৰ ওপৰত প্রতিষ্ঠিত হেগেলৰ দ্বন্দ্বাত্মক পদ্ধতিক অগ্রাহ্য কৰিছিল। তাৰপৰিবর্তে, শ্রেণী সংঘষৰ ফলত বিকাশ হৈ ইতিহাসৰ সৃষ্টি কৰে বুলি কৈ মার্ক্সে ইতিহাসৰ বস্তুবাদী ব্যাখ্যা দাঙি ধৰিছে। তেওঁৰ মতে, ইতিহাসৰ পাতে পাতে অর্থনৈতিক তফাগৰ পৰিপ্রেক্ষিতত আন এটা উচ্চ শ্রেণীৰদ্বাৰা এটি নিম্নশ্রেণী অৱহেলিত আৰু অৱদমিত হোৱাৰ উদাহৰণ অতি সহজলভ্য। এই সংঘর্ষই নিজৰ নিজৰ অর্থনৈতিক স্বার্থ পূৰণৰ বাবে মানুহৰ মাজত দ্বন্দ্বৰ সৃষ্টি কৰে। মার্ক্সে বিশ্বাস কৰে যে সমাজত পৰস্পৰ বিৰোধী দুটা শ্রেণী আছে ঃ 1. মালিক শ্রেণী (Bourgeoisie), যিয়ে মুনাফা অর্ৱনৰ বাবে পুঁজিবাদী পন্থাৰে উশ্রপাদনৰ আহিলাসমূহ নিয়ন্ত্রণ কৰে; আৰু 2. শ্রমিক শ্রেণী (Frdetariat), যিয়ে অকল শ্রম (Labour) প্রদান কৰিব পাৰে। মালিক শ্রেণীৰ সদায় নিজৰ মুনাফাৰ কথাত গুৰুত্ব দিয়ে আৰু মুনাফা অর্থনৰ বাবে পুঁজিবাদত বিশ্বাস কৰে। উৎপাদনৰ আহিলাসমূহৰ নিয়ন্ত্রণৰ যোগেদি মালিক শ্রেণীয়ে ৰাজনৈতিক আৰু অর্থনৈতিক ক্ষমতা লাভ কৰে, যাৰ জৰিয়তে তেওঁলোকে সমাজখনৰ পৰিবর্তন সাধন কৰে। এই শ্রেণীগত পৰিবর্তনে শ্রমিক শ্রেণীৰ জীৱন-ধাৰা বেছি বেয়ালৈ পৰিবর্তিত কৰে, আৰু মার্ক্সৰ মতে শ্রমিক শ্রেণীৰ এই অৱহেলিত দুৰাৱস্থাই পুঁজিবাদলৈ ধ্বংসৰ জোৱাৰ কঢ়িয়াই আনে। মার্ক্সে যুক্তি দর্শইছে যে পুঁজিবাদৰ শোষন-প্রকৃতিয়ে (exploitative nature) শ্রেণী-সংঘর্ষৰ সৃষ্টি কৰে। মার্ক্সৰ মূল্যৰ শ্রমিক তত্ত্ব (Labour Theory of Value) ৰ যোগেদি পুঁজিবাদৰ এই শোষণ-প্রকৃতি ভালকৈ বুজিব পাৰি। মার্ক্সে বিশ্বাস কৰিছিল যে শ্রমিকৰ শ্রম-দিন (Work Day) দুটা ভাগত ভগাৱব পাৰি ঃ 1) অপৰিহার্য্য শ্রমিক সময় (Labour Time), যিখিনি সময়ত তেওঁলোকে উৎপাদন কৰে আৰু যাৰ বিনিময়ত উৎপাদনৰ সমমূল্যত মজুৰি লাভ কৰে; 2) অতিৰিক্ত সময় (Surplus Time), দিনটোৰ যিখিনি সময়ত মজুৰি নোপোৱাকৈ উৎপাদন কৰে, যাক মার্ক্সে উদ্বৃত্ত বা অতিৰিক্ত মূল্য (Surplus Value) বুলি অভিহিত কৰিছে। এই উদ্বৃত্ত বা অতিৰিক্ত মূল্যৰ পুঁজিপতি সকলে মুনাফা অর্জন কৰে। তাৰপিছত এয়া শোষন উৎস হৈ পৰে আৰু পুঁজিপতিয়ে এই উদ্বৃত্ত মূল্য বৃদ্ধিৰে নিজৰ লাভ বা মুনাফা বৃদ্ধি কৰে। অর্থাৎ, এনেকি উৎপাদনক সামাজিক কার্য্য বুলি গণ্য কৰাৰ সময়তো, পুঁজিপতিসকলে অহৰহ লাভ পাই থাকে।

এই তত্ত্বটোৱে পুঁজিবাদী ব্যৱস্থাত থকা এটা আঁসোৱাহ উদঙাইছে, যাক মার্ক্সে "বস্তু-প্রীতি" (Fetishism of Commodity) বুলি অভিহিত কৰিছে। এইটো এনেকুৱা এটা বিশ্বাস যে উৎপাদকসকলৰ নিয়ন্ত্রণ কৰিবলৈ বস্তুৰ সামর্থতা আছে। বস্তুৰ স্বকীয় মূল্য আছে, যাক নির্দিষ্ট দৰত আন বস্তুৰে বিনিময় কৰিব পাৰি। এই মূল্য হৈছে বস্তু উৎপাদনত খৰছ হোৱা গড় (average) উৎপাদন মূল্য। অৱশ্যে, এই মূল্যই প্রকৃততে বস্তু উৎপাদনত ব্যৱহৃত শ্রমিক-

মূল্যক নুবুজায়, য'ত উৎপাদকৰ সামাজিক দিশটো থাকে। মার্ক্সীয় মূল্যৰ শ্রমিক-তত্ত্বৰ বিপৰীতে, শ্রমিক ক্ষমতা (Labour Power) ক আন বস্তুৰ দৰে বিবেচনা কৰা হয়। পৰিবর্তে, শ্রমিকক কেনেকৈ নিয়োজিত কৰি ৰাখিব পাৰি আৰু উৎপাদন চলাই নিব পাৰি, তাৰদ্বাৰা মূল্য নির্ধাৰিত হয়। সেয়ে, মালিকসকলৰ বাবে এইটো জৰুৰী দৈ পৰে যে শ্রমিকসকলে নিজে সম্পত্তিৰ অধিকাৰী হ'ব পাকৈ মজুৰি নাপায়। পুঁজিবাদী ব্যৱস্থাটো অবিৰতভাৱে বাধাবিহীনভাৱে চলি থাকিবলৈ শ্রমিকৰ এই সীমিত মজুৰি ব্যৱস্থাটো অপৰিহার্য্য।

যদিও শ্রমিকসকলৰ অৱস্থা অতি পিছপৰা, তথাপি পুঁজিপতিসকলে নিজৰ উন্নতিৰ বাবে এই ব্যৱস্থাটো ব্যৱহাৰ কৰি আহিছে। মুনাফা আৰু উৎপাদন বৃদ্ধিৰ বাবে, পুঁজিপতিসকলে এনেকুৱা এটা পৰিৱেশত উপনীত হ'ব, য'ত তেওঁলোকে শ্রমিকৰ পৰিবর্তে মেচিনক প্রাধান্যতা দিব। এই ব্যৱস্থাটোত সক্ষম শ্রমিকেও কাম হেৰুৱাব, কিয়নো মেচিনে শ্রমিকৰ ঠাই আৰু গুৰুত্ব লাভ কৰিব। পুঁজিপতিৰ বাবে মজুৰি দি উৎপাদন বৃদ্ধি কৰাতো লাভদায়ক হ'ব। কিন্তু, পুঁজিপতিৰ মুনাফা শ্রমিকৰ শোষনৰ আনুপাতিক (Proportional) হ'ব। সেয়ে, শ্রমিকসকল সদায় ওকে কামতে নিয়োজিত হৈ থাকিব আৰু পুঁজিপতিৰ অধিক শোষনৰ বলি হ'ব।

সেইদৰে, উৎপাদনৰ অৰাজকতা (Anarchy of Producation) পৰিলক্ষিত হয়। য'ত প্রতিযোগিতাৰ ধামখুমিয়াৰে সমাজ পৰিচালিত হ'ব আৰু সুসজ্জিত শক্তিশালী পুঁজিপতিসকলেহে অকল বর্তি থাকিব। মার্ক্সপ মতে, এইটোৱে অর্থনৈতিক সমস্যাৰ সৃষ্টি কৰিব, আৰু উৎপাদনত শক্তি আৰু সম্পর্কৰ মাজত বিৰোধ সৃষ্টি কৰিব। নিজৰ পৰিশ্রমেৰে উৎপাদিত সামগ্রী ক্রয় কৰিবলৈ শ্রমিকসকল সক্ষম নহ'ব। মার্ক্সৰ বিচ্ছিনতাবাদৰ তত্ত্ব (Concept of Alienation) ত পুঁজিবাদৰ এই বৈষম্যতা ধৰা দিছে। মার্ক্সে চাৰিপ্রকাৰৰ বিচ্ছিন্নতাৰ কথা কৈছে। উঁপাদিত সামগ্রীৰ পৰা শ্রমিকসকল বিচ্ছিন্ন হ'ব, কিয়নো পুঁজিবাদীয়ে মুনাফা অর্ৱনত অধিক গুৰুত্ব আৰোপ কৰে। উৎপাদনত মেচিনৰ ব্যৱহাৰৰ লগে লগে, শ্রমিকসকলে নিজৰ শ্রমৰ পৰা বিচ্ছিন্ন হ'ব। পুঁজিবাদী ব্যৱস্থাত শ্রমিকসকলে নিজৰ দক্ষতা ব্যৱহাৰ কৰি নিজে বিচৰা বস্তু উৎপাদন কৰিব নোৱাৰিব, যাৰ ফলত শ্রমিকসকল নিজৰ পৰাও বিচ্ছিন্ন হ'ব। শেষত, মজুৰি বৃদ্ধিৰ প্রতিযোগিতাৰ ফলশ্রুতি শ্রমিকসকল আনৰ পৰাও বিচ্ছিন্ন হ'ব। বিচ্চিন্নতাৰ এই তত্ত্ব মার্ক্সৰ বাবে অতি গুৰুত্বপূর্ণ যিহেতু শ্রমৰ যোগেদি মানুহৰ প্রকৃতি প্রজ্ঞিফলিত হয়। তেওঁ যুক্তি দর্শইছিল যে এটা প্রজন্মৰ পৰা আন এটা প্রজন্মলৈ শ্রমৰ ব্যাপ্তি আৰু প্রাপ্তিৰে ইতিহাসৰ সৃষ্টি হয়। সেইবাবে, বিচ্ছিন্নতা নোহোৱা কৰিবলৈ মার্ক্সৰ মতে পুঁজিবাদীৰ শোষনৰ বিৰুদ্ধে বিপ্লৱৰ অতি প্রয়োজনীয়তা আছে, যাতে পুঁজিপতিসকলে শোষণেৰে পৰিপুষ্ট অর্থনৈতিক ব্যৱস্থাক বর্তাই ৰাখিবলৈ সক্ষম নহয়। শ্রমিকসকলৰ মাজত উদ্ভৱ হোৱা শ্রেণী-চেতনা (Class Consciasness) ই শ্রমিক-বিপ্লৱৰ সূচনা কৰিব। ৰাষ্ট্র ব্যৱস্থাত সামাজিক উপাদানে সজাল ধৰি উঠিব, যাৰ পৰিপ্রেক্ষিতত স্বতন্ত্রতাৰ চেতনা জাগ্রত হ'ব আৰু ক্ষমতা বিকেন্দ্রীকৰণৰদ্বাৰা সমাজ উপকৃত হ'ব।

মার্ক্সৰ ঐতিহাসিক বস্তুবাদ আৰু পুঁজিবাদৰ পৰা সমাজবাদলৈ অগ্রসৰ সম্পর্কীয় তত্ত্ব

বুজিবলৈ আমি কপ'ৰেট (Corporate) খণ্ড ই যি আর্থ-সামাজিক বৈষম্যতাৰ সৃষ্টি কৰিছে, সেয়া বিশ্লেষণ কৰি চাব পাৰোঁ। অর্থনৈতিক সম্পদৰ সম-বিতৰণৰ ওপৰত এই তত্ত্বই গুৰুত্ব আৰোপ কৰিছে। এই তত্ত্বৰ আটাইতকৈ মূখ্য সফলতা হৈছে শ্রমিক-জাগৰণ, যাক মার্ক্সৰ বিপ্লৱৰ তত্ত্বৰ আটাইতকৈ গুৰুত্বপূর্ণ অংশ হিচাপে বিৰেচনা কৰা হয়; যাৰ জৰিয়তে মার্ক্সে ৰাষ্ট্রহীন (Stateless) বা শ্রেণীহীন (Classless) সমাজ প্রতিষ্ঠাৰ পোষকতা কৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ দ্বন্দ্বাত্মক বস্তুবাদৰ তত্ত্বটো কার্লমার্ক্সে কাৰ পৰা লৈছিল?

প্রশ্ন নং ২ ঃ "উৎপাদিত সামগ্রীৰ পৰা শ্রমিক সকল বিচ্ছিন্ন হয়।" যুক্তিৰে বিশ্লেষণ কৰক।

প্রশ্ন নং ৩ ঃ উৎপাদনৰ উপাদন দুটা কি কি?

৫.৫ কার্লমার্ক্সৰ শ্রেণীভিত্তিক বিশ্লেষণ

মার্ক্সৰ শ্রেণী তত্ত্ব মূল আধাৰ হৈছে — "এতিয়ালৈকে বর্তি থকা সকলো সমাজৰ ইতিহাস হৈছে শ্রেণী-সংঘর্ষৰ ইতিহাস"। এই দৃষ্টিত, শ্রেণী-ভিত্তিক বিভাজনেৰে পূর্বৰ পৰাই সমাজ বিভাজিত হৈ আহিছে, য'ত শ্রেণী-স্বার্থৰ মাজত সংঘাতৰ অৱস্থিতি লক্ষণীয়। মার্ক্সৰমতে, উৎপাদনৰ আহিলা বা ধাৰাৰ ভিত্তিত এখন সমাজ আন এখন সমাজৰ পৰা পৃথক, য'ত এটা শ্রেণীয়ে আন এটা শ্রেণী পৰিচালনা আৰু নিয়ন্ত্রণ কৰে। তেওঁলোকে উৎপাদিত সামগ্রীৰ বিতৰণৰ বসা অংশৰ বাবে পৰস্পৰ বিৰোধী সম্পর্ক বজাই ৰাখে। শক্তিশালী শ্রেণীটোৱে, মার্ক্সৰ মতে, অকল উৎপাদৰ বস্তুবোৰেই নিয়ন্ত্রণ নকৰে, তেওঁলোকে গোটেই সমাজখনকে নিয়ন্ত্রাধীন কৰি ৰাখে। পিছলৈ, শ্রমিক শ্রেণীটোৱে শক্তি লাভ কৰিব আৰু নিজৰ শোষিত অৱস্থাটো সম্পর্কে জ্ঞাত হ'ব। ফলত, পুঁজিপতি শাসক শ্রেণীটোৰ বিৰুদ্ধে তেওঁলোকে বিপ্লৱত লিপ্ত হ'ব। উত্তৰ-বৈপ্লৱিক (Post-Revolutionary) সময়ঠোৰাক সর্বহাৰাৰ একনায়কত্ববাদ" (Dictatorship of the Proletariat) এক নতুন ব্যৱস্থা হিচাপে প্রতিষ্ঠিত হ'ব। কিন্তু, এয়া কেৱল মানৱ সভ্যতাৰ ৰূপান্তৰৰ এক পর্যায়হে, আৰু সেময় পৰিবর্তনৰ লগে লগে সর্বহাৰাৰ একনায়কত্ববাদে সাম্যবাদলৈ পৰিবর্তিত হ'ব আৰু এখন সাম্যবাদী সমাজ প্রতিষ্ঠিত হ'ব। ৰাষ্ট্র ব্যৱস্থাৰ অৱসান ঘটিব আৰু এখন ৰাষ্ট্রবিহীন আৰু শ্রেণীবিহীন সমাজে প্রতিষ্ঠা লাভ কৰিব।

তেনেদৰে, মার্ক্সৰ সমাজ-তত্ত্বত শ্রেণী তত্ত্বই বিশেষ স্থান লাভ কৰিছে। উৎপাদনৰ ধাৰাৰভিত্তিত সামাজিক শ্রেণীৰ সৃষ্টি হয় আৰু তাৰভিত্তিত ৰাষ্ট্রই ৰূপ লয়, য'ত শ্রেণী-সংঘর্ষৰ উপস্থিতি এক বিশেষ বৈশিষ্ট, যাৰ ফলত শ্রেণীহীন সমাজ প্রতিষ্ঠাৰ লক্ষ্য স্থিৰ হয় আৰু সমাজৰ গাঁথনি সলনিৰে পৰিবর্তন আহে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৪ ঃ তেওঁৰ লিখনিত কার্ল মার্ক্সে সমাজত দুই শ্রেণীৰ উল্লেখ কৰিছিল। (সত্য/অসত্য)

প্রশ্ন নং ৫ ঃ "এতিয়ালৈকে বর্তি থকা সকলো সমাজৰ ইতিহাস হৈছে শ্রেণী-সংঘর্ষৰ ইতিহাস।" — ইয়াৰ লগত কোনটো তত্ত্ব জড়িত হৈ আছে?

প্রশ্ন নং ৬ ঃ মার্ক্সীয় তত্ত্বত উল্লেখিত "শ্রেণীহীন সমাজ" কি?

৫.৬ ৰাজনীতিৰ আলোচনাৰ বাবে মার্ক্সীয় তত্ত্ব

ৰাজনীতিৰ আলোচনাৰ বাবে ব্যৱহৃত মার্ক্সীয় তত্ত্বটো কার্ল মার্ক্স আৰু ফ্রেড্রিক এঞ্জেলছ্ (Freiedrich Engels) ৰ ৰচনাৱলীৰ ওপৰত প্রতিষ্ঠিত। এই তত্ত্বটো "শ্রেণী তত্ত্ব" (Class Approach) হিচাপেও জনাজাত, কিয়নো, এই তত্ত্বচোৱে "ধনী আৰু দুখীয়া" এই দুই শ্রেণীৰ সম্পর্ক ব্যাখ্যাৰ ৰাজনীতিৰ বিশ্লেষণ আগবঢ়ায়। কার্লমার্ক্স ৰচিত উল্লেখযোগ্য গ্রন্তসমূহৰ অন্যতম হ'ল ঃ— Capital : Critique of Political Economy (1867), Communist Manifesto (1848), ইত্যাদি।

ৰাজনীতিৰ এলাচনাৰ মার্ক্সীয় তত্ত্বৰ কেতবোৰ বৈশিষ্ট তলত আলোচনা কৰা হ'ল —

- **আন্তঃগাঁথনি (Infra-structure) আৰু চৰম গাঁথনিৰ অৱস্থিতি ঃ**

মার্ক্সীয় তত্ত্বই বিশ্বাস কৰে যে সমাজত আন্তঃগাঁথনি আৰু চৰম বা উচ্চ ঘঁথনি্লি দুই প্রকাৰৰ গাঁথনি থাকে। উচ্চ গাঁথনিত সমাজৰ তিনিটা উপাদান থাকে ঃ আইন, ৰীতি-নীতি আৰু পৰম্পৰা। কিন্তু এই তত্ত্ব অনুসৰি, উচ্চ গাঁথনি সমাজৰ আন্তঃগাঁথনিৰ ওপৰত আধাৰিত। আন্তঃগাঁথনিত অর্থনৈতিক উপাদানসমূহ থাকে। যদি এই অর্থনৈতিক উপাদানসমূহৰ পৰিবর্তন হয়, তেন্তে উচ্চ গাঁথনিৰ উপাদানসমূহ পৰিবর্তিত হয়। ইয়াক ইতিহাসৰ অর্থনৈতিক ব্যাখ্যা বুলিও কোৱা হয়।

- **শ্রেণী-অনুষ্ঠান (Class Institution) হিচাপে ৰাষ্ট্র ঃ**

মার্ক্সবাদে বিশ্বাস কৰে যে ৰাষ্ট্র হৈছে ধনীক (Rich) শ্রেণীৰ আহিলা। দৰিদ্রসকলৰ শোষনৰ বাবে ৰাষ্ট্র-আহিলা ব্যৱহৃত হয়। সাধাৰণতে, ৰাষ্ট্র সামাজিক অনুষ্ঠান নহয়। দুখীয়াক শোষন কৰিবলৈ ধনীক শ্রেণীটোৱে ৰাষ্ট্রৰ সৃষ্টি কৰে। এই দৃষ্টি ভংগীয়ে এইটো দৃশ্যায়িত কৰে যে মানৱ সভ্যতাৰ প্রতিটো স্তৰতে ধনীক শ্রেণীটোৱে দুখীয়াক শোষন কৰিবলৈ ৰাষ্ট্রক ব্যৱহাৰ কৰি আহিছে; সেয়ে ধনীৰ বাবে ৰাষ্ট্র পৰম মিত্র। সেইবাবে, মার্ক্সবাদে ভৰিষ্যত বাণী কৰে যে সর্বহাৰাৰ বিপ্লৱৰ ফলত ৰাষ্ট্রৰ অৱসান ঘটিব আৰু শ্রেণীহীন সমাজ এখন প্রতিষ্ঠিত হ'ব।

- **ঐতিহাসিক বিকাশৰ পাঁচটা স্তৰ ঃ**

ঐতিহাসিক বিকাশৰ, মার্ক্সবাদৰ মতে, পাঁচটা স্তৰ আছে ঃ আদিম সাম্যবাদ (Primitive Communism), দাস ব্যৱস্থা (Slave System), সামন্ত প্রথা (Feudal System), পুঁজিবাদী

ব্যৱস্থা (Capitalist System), আৰু সমাজবাদী ব্যৱস্থা (Socialist System)। এই প্রথম চাৰিটা স্তৰত, ৰাষ্ট্র সদায় শোষনৰ আহিলা। এই দৃষ্টিত, পুঁজিবাদী ব্যৱস্থাৰ আটাইতকৈ ওখ স্তৰত বিপ্লৱৰ সূচনা হয়। উত্তৰ-বিপ্লৱিক (Post-Revolutionary) কালত, 'সর্বহাৰৰ এখনায়কত্ববাদ' বুলি এক নতুন ৰাষ্ট্র-বাৱস্থাৰ উদ্ভৱ হয়। কিন্তু, এয়া হ'ল ৰূপান্তৰৰ সময় আৰু স্তৰ; সেয়ে, সর্বহাৰাৰ একনায়কত্ববাদৰ পৰবর্তী সময়ত সাম্যবাদ প্রতিষ্ঠা হ'ব আৰু ৰাষ্ট্রৰ অৱসান ঘটি কালক্রমত এখন শ্রেণীবিহীন সমাজে প্রতিষ্ঠা লাভ কৰিব।

- **শ্রেণী-সংঘর্ষ (Class-struggle) ত গুৰুত্ব ঃ**

মার্ক্সবাদত পুঁজিপতি আৰু শ্রমিকৰ মাজত শ্রেণী সংঘর্ষ অৱশ্যম্ভাৱী। পুঁজিবাদী স্তৰলৈ, পুঁজিপতিসকলে শ্রেণী-সংঘর্ষ দমিত কৰি ৰাখিব। মার্ক্সৰ ভৱিষ্যতবাণী এয়া যে পুঁজিবাদী ব্যৱস্থাৰ সর্ব্বোচ্চ স্তৰত বিপ্লৱৰ সূচনী হ'ব। উত্তৰ-বৈপ্লৱিক স্তৰত শ্রেণী-সংঘর্ষ ক্রমশঃ নোহোৱা হ'ব আৰু সাম্যবাদ প্রতিষ্ঠাৰ বাবে প্রক্রিয়া আৰম্ভ হ'ব। সেয়ে, শ্রেণী-সংঘ,ই শেষত বিপ্লৱৰ সৃষ্টি কৰে।

সেয়ে, ৰাজনৈতিক ব্যৱস্থা বুজিবলৈ এই তত্ত্বটোৱে সমাজৰ অর্থনৈতিক গাঁথনি, ইয়াৰ বিকাশৰ ঐতিহাসিক স্তৰ, আৰু তাৰ লগত জড়িত শ্রেণী-গাঁথনিৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰে।

এই তত্ত্বটোৱে কেতবোৰ কঠোৰ সমালোচনাৰ সন্মুখীন হৈছে। কিছুমান সমালোচনা এনেধৰণৰ —

ক) এই তত্ত্বটোৱে অর্থনৈতিক উপাদানৰ ওপৰত মাত্রাধিক গুৰুত্ব আৰোপ কৰিছে, আৰু ৰাজনীতিৰ ব্যাখ্যাত অনা-অর্থনৈতিক কাৰকৰ গুৰুত্ব নস্যাৎ কৰিছে।

খ) এই তত্ত্বটোৱে ৰাজনৈতিক বিশ্লেষণক স্বতন্ত্র পৰিসৰ দিয়া নাই। অর্থনৈতিক কাৰককেন্দ্রিক বিশ্লেষণত তত্ত্বটোৱে বেছি গুৰুত্ব দিয়া বাবে এই স্বতন্ত্রতা হেৰুৱাইছে। স্বাধীন ৰাজনৈতিক বিশ্লেষণৰ অভাৱৰ পৰিপ্রেক্ষিতত মার্ক্সবাদ আদর্শগত হৈ পৰিছে।

গ) ৰাষ্ট্রৰ কল্যাণকামী দিশটোক মার্ক্সবাদে সম্পূর্ণৰূপে উলাই কৰিছে। সমালোচক সকলে যুক্তিৰে কৈছে যে ৰাষ্ট্রক অকল শোষনৰ আহিলাৰূপে বিশ্লেষণ কৰাতো ভুল। সেয়ে, এই তত্ত্বটো আধৰুৱা।

ঘ) সমালোচকসকলে কৈছে যে মার্ক্সে কোৱাৰদৰে শ্রেণী-সংঘর্ষৰ পিছত সাম্যবাদৰ প্রতিষ্ঠা ইমান সহজ নহয়। ই মাত্র মার্ক্সৰ ব্যক্তিগত ৰাজনৈতিক মন্তব্যহে।

তথাপি, মানৱ-সভ্যতা আৰু বিকাশৰ শ্রেণী-ভিত্তিক বিশ্লেষণ আগবঢ়োৱাত এই মার্ক্সবাদী তত্ত্বটোৱে সন্তোষজনক অবিহণা আগবঢ়াইছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৭ ঃ মার্ক্সবাদে পুঁজিবাদক সমর্থন কৰে। (সত্য/অসত্য)

প্রশ্ন নং ৮ ঃ ..... চনত মার্ক্সৰ "Communist Manifesto" নামৰ গ্রন্থখনে প্রকাশ পাইছিল। (খালী ঠাই পূৰাওক)।



৫.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- সর্বকালৰ আটাইতকৈ প্রভাৱশালী হিচাপে পৰিচিত কাল; মার্ক্স আছিল এজন জার্মান দার্শনিক।
- তেওঁৰ লিখনি আৰু দর্শনে পুঁজিবাদৰ বিপক্ষে প্রবল বৈপ্লৱিক জোৱাৰ আনিছিল। ব্যক্তি, ব্যৱসায় আৰু সমাজত তাৰ প্রভাৱ অতি সুস্পষ্ট।
- মার্ক্সীয় দর্শন দ্বন্দ্বাত্মক বস্তুবাদৰ ওপৰত প্রতিষ্ঠিত; য'ত 'দ্বন্দ্বাত্মক' শব্দটোৱে সামাজিক উন্নয়নৰ নীতিক বুজায় আৰু 'বস্তুবাদ' শব্দটোৱে চৰম বাস্তৱতাক প্রতিনিধিত্ব কৰে। দ্বন্দ্বাত্মক বস্বাদ মতে, নির্দিষ্ট নীতিক ভিত্তি কৰি সমাজখন আগবাঢ়ে। উৎপাদনৰ পদ্ধতিক ভিত্তি কৰি সকলো ধৰণৰ মৌলিক ঐতিহাসিক পৰিবর্তন সাধিত হয়।
- মার্ক্সবাদ মতে, পুঁজিবাদত শ্রমিকসকল শোষিত হয়; অর্থাৎ তেওঁলোকৰ অতিৰিক্ত শ্রমৰ বিনিময়ত সৃষ্টি মুনাফাভাগক পুঁজিপতিসকলে বস্তগত কৰে, যাৰ ফলত শ্রমিকসকলৰ জীৱন শোষন-পীড়নৰ চিকাৰ হৈ পৰে।
- মার্ক্সে যুক্তি গর্শইছে যে পুঁজিপতিসকলে শ্রমিকসকলৰ পৰা মর্য্যাদাপূর্ণ জীৱন আৰু জীৱনৰ সুবিধাৰ পৰা বিচ্ছিন্ন কৰে।
- সেয়ে, মার্ক্সে বিশ্বাস কৰে যে শ্রমিকসকল একত্রিত হ'ব আৰু বিপ্লৱৰ জৰিয়তে পুঁজিপতি শ্রেণীটোক নাকিয়া কৰিব। উত্তৰ-বৈপ্লৱিক সময়ছোৱাত সর্বহাৰাৰ একনায়কত্ববাদ প্রতিষ্ঠিত হ'ব। কিন্তু, এয়া সমাজ ৰূপান্তৰৰ এক স্তৰহে। পৰবর্তী সময়ত সাম্যবাদে প্রতিষ্ঠা লাভ কৰিব আৰু ৰাষ্ট্রৰ বিলুপ্তি সাধন হ'ব। ফলত, এখন শ্রেণীহীন সমাজে ঠন ধৰি প্রতিষ্ঠা লাভ কৰিব।



৫.৮ অধিক জানিবলৈ

১) Lenin, V.1. (1930) : The Teachings of Karl Marx. New York : International Publishers.

২) Otlmanm Bertell (1971) : Alienation : Marx's Conception of Man in Capitalist Society. Cambridge University Press.

৩) Wood, Tllen (2004) : Karl Marx. New York : Routledge.

৪) Worsley, Peter (2002) : Marx and Marxism. New York " Routledge.



৫.৯ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ G.W. Friedrich Hegel

২ নং প্রশ্নৰ উত্তৰ ঃ উৎপাদিত সামগ্রীৰ পৰা শ্রমিকসকল বঞ্চিত হয়; এয়া কার্ল মার্ক্সৰ যুক্তি, কিয়নো পুঁজিবাদী মুনাফা অর্ৱনত বিশেষ আৰু সর্বাধিক গুৰুত্ব আৰোপ কৰে। পুঁজিবাদী ব্যৱস্থাত শ্রমিক সকলে স্ব-ইচ্ছাই বস্ত্র উৎপাদন কৰিব নোৱাৰে। উৎপাদনত তেওঁলোকে শ্রমদান কৰে যদিও উৎপাদিত সামগ্রীত শ্রমিকৰ কোনো অধিকাৰ নাথাকে। ফলত, শ্রমিকসকল মর্য্যাদাপূর্ণ জীৱন আৰু সুবিধাৰ পৰাও বিচ্ছিন্ন হয়।

৩ নং প্রশ্নৰ উত্তৰ ঃ উৎপাদনৰ উপাদান দুটা হৈছে ঃ-

(ক) উৎপাদনৰ শক্তি আৰু (খ) উৎপাদনৰ সম্পর্ক; আৰু এই দুই উপাদনা সামাজিক সম্পর্কলৈ অহৰহ পৰিবর্তন কঢ়িয়াই আনি থাকে।

৪ নং প্রশ্নৰ উত্তৰ ঃ সত্য।

৫ নং প্রশ্নৰ উত্তৰ ঃ মার্ক্সীয় তত্ত্ব।

৬ নং প্রশ্নৰ উত্তৰ ঃ মার্ক্সবাদ মতে, পুঁজিবাদত শ্রমিকসকল শোষিত আৰু পীড়িত হয়। অতিৰিক্ত শ্রমৰ বিনিময়ত শ্রমিকৰদ্বাৰা উৎপাদিত সামগ্রীৰে পুঁজিপতিসকলে নিজৰ মুনাফা বৃদ্ধি কৰে; কিন্তু, শ্রমিকসকলে অতিৰিক্ত মূল্য লাভ নকৰে আৰু শোষনৰ চিকাৰ হয়। দীর্ঘ শোষণৰ ফলশ্রুতিত, মার্ক্সৰ মতে, শ্রমিকসকল একত্রিত হ'ব আৰু বিপ্লৱৰ যোগেদি পুঁজিপতি ব্যৱস্থাটোক উৎখাত কৰি সর্বহাৰাৰ একনায়কত্ববাদ তেওঁলোকে প্রতিষ্ঠা কৰিব। পৰবর্তী সময়ত সাম্যবাদে প্রতিষ্ঠা লাভ কৰিব আৰু ৰাষ্ট্রৰ বিলুপ্তি সাধন হ'ব। পুঁজিবাদী আহিলা ৰাষ্ট্রৰ বিলুপ্তিয়ে এখন শ্রেণীহীন সমাজ প্রতিষ্ঠা কৰিব; য'ত ধনী-দুখীয়া বা পুণজিপতি-শ্রমিক বুলি কোনো দুই শ্রেণী নাথাকিব। এয়াই মার্ক্সৰ শ্রেণীহীন সমাজ।

৭ নং প্ৰশ্নৰ উত্তৰ ঃ অসত্য।

৮ নং প্ৰশ্নৰ উত্তৰ ঃ ১৮৪৮।



৫.১০ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ মার্ক্সক কোনে প্ৰভাৱিত কৰিছিল?

প্ৰশ্ন ২ ঃ 'সৰ্বহাৰাৰ এখনায়কত্ববাদ' কি?

প্ৰশ্ন ৩ ঃ মার্ক্সৰ মতে, 'শ্ৰেণীহীন সমাজ' কেনেকৈ প্ৰতিষ্ঠিত হ'ব?

প্ৰশ্ন ৪ ঃ ৰাজনৈতিক বিশ্লেষণৰ ক্ষেত্ৰত মার্ক্সীয় তত্ত্বৰ ভূমিকা সমালোচনাসহ বিশ্লেষণ কৰক।

প্ৰশ্ন ৫ ঃ কার্লমার্ক্সৰ শ্ৰেণীবিত্তিক বিশ্লেষণৰ পর্য্যালোচনা কৰি সাম্প্ৰতিক সময়ত ইয়াৰ প্ৰাসংগিকতা বিচাৰ কৰক।

প্ৰশ্ন ৬ ঃ এৰিষ্ট্ৰটলৰ নাগৰিকত্বৰ ধাৰণাটো পৰীক্ষা কৰা।

*** ***** ***

অধ্যায় ৬ঃ পুঁজিবাদৰ নায়কত্ববাদী (HEGEMONIC) দৃষ্টিভংগী- এণ্ট'নিও গ্ৰামছী

অধ্যায় গাঁথনি

৬.১ উদ্দেশ্য

৬.২ পৰিচয়

৬.৩ ৰাষ্ট্ৰ আৰু নাগৰিক সমাজ

৬.৩.১ এণ্ট'নিও গ্ৰামছী

৬.৩.২ ৰাষ্ট্ৰ আৰু নাগৰিক সমাজ

৬.৪ নাগৰিক সমাজৰ ধাৰণা

৬.৫ নায়কত্ব আৰু ৰাষ্ট্ৰ

৬.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৬.৭ অধিক জানিবলৈ

৬.৮ অগ্ৰগতিৰ খতিয়ান

৬.৯ আৰ্হি প্ৰশ্ন

৬.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- এণ্ট'নিও গ্ৰমছীৰ নায়কত্ব (Hegemony) ৰ ধাৰণা ব্যাখ্যা কৰিবলৈ
- ৰাষ্ট্ৰ আৰু নাগৰিক সমাজ সম্পৰ্কে গ্ৰামছীৰ দৃষ্টিভংগী ব্যাখ্যা কৰিবলৈ
- নাগৰিক সমাজ সম্পৰ্কে গ্ৰামছীয়ে আগবঢ়োৱা ধাৰণাটো ব্যাখ্যা কৰিবলৈ
- নয়কত্ব আৰু ৰাষ্ট্ৰ বিষয়ক গ্ৰামছীৰ দৃষ্টিভংগী বিশ্লেষণ কৰিবলৈ।

৬.২ পৰিচয়

এই অধ্যায়ট আমি এজন প্ৰভাৱশালী নব্য-মাৰ্ক্সবাদী চিন্তাবিদ আৰু ৰাজনীতিকৰ বিষয়ে আলোচনা কৰিম।তেখেত হৈছে এণ্ট'নিও গ্ৰামছী। গ্ৰামছীয়ে নায়কত্ব (Hegemony) ৰ ধাৰণাটো গুৰুত্বপূৰ্ণভাৱে বিশ্লেষণৰ মজিয়ালৈ আনিছে; তেখেত নাগৰিক সমাজ (Civil society) ৰ এজন সমালোচক আছিল, কিয়নো তেখেতে পুঁজিবাদী ৰাষ্ট্ৰৰ বিৰুদ্ধে এক বিশেষ মাত্ৰাত সমালোচনা আগবঢ়াইছে।

৬.৩ ৰাষ্ট্ৰ আৰু নাগৰিক সমাজ (STATE NAD CIVIL SOCEITY)

৬.৩.১ এণ্ট'নিও গ্ৰামছী

এণ্ট'নিও গ্ৰামছী (২২ জানুৱাৰী ১৮৯১ - ২৭ এপ্ৰিল ১৯৩৭) ইটালীৰ এজন নব্য-মাৰ্ক্সবাদী চিন্তাবিদ আৰু ৰাজনীতিক আছিল। তেখেতে ৰাজনৈতিক তত্ত্ব, সমাজবিজ্ঞান আৰু ভাষাতত্ত্বৰ ওপৰত লিখিছিল। তেখেত ইটালীৰ কমিউনিষ্ঠ দল (Community Party of Italy) ৰ প্ৰতিস্থাপক সদস্য আৰু নেতা আছিল আৰু বেনিট' মুছ'লিনী (Benito Mussolini) ৰ সময়ত তেওঁ কাৰাবাস খাটিছিল।

তেখেতৰ গ্ৰন্থ "Prison Notebooks" বিংশ শতিকাৰ ৰাজনৈতিক তত্ত্বলৈ এক অতি উল্লেখযোগ্য অৱদান। গ্ৰামছীয়ে বিভিন্ন উৎসৰ পৰা জ্ঞান আহৰণ কৰিছিল, যিসমূহৰ ভিতৰত মাৰ্ক্সৰ উপৰিও উল্লেখযোগ্য আছিল — নিকোল' মেকিয়াভেলী, ভিলফ্ৰেড' পেৰেটো', জৰ্জ চ'ৰেন, আৰু বেনেডেটো' ক্ৰ'ছ। Prison Notebooks এ বিভিন্ন বিষয় সামৰি লৈছে, যাৰ ভিতৰত অতি উল্লেখযোগ্য হ'ল — ইটালীৰ ইতিহাস আৰু জাতীয়তাবাদ, ফ্ৰান্স বিপ্লব, ফেছিবাদে, ফ'ডবাদ, নাগৰিক সমাজ, লোক-সাহিত্য, ধৰ্ম, জনপ্ৰিয় উচ্চ সংস্কৃতি ইত্যাদি। কিন্তু, সাংস্কৃতিৰ নায়কত্ববাদৰ বিশেষ বিশ্লেষনেৰে গ্ৰমছী সৰ্বজনবিদিত হৈছে, য'ত সাংস্কৃতিক অনুষ্ঠানৰ যোগেদি পুঁজিবাদত কেনেকৈ ক্ষমতা নিয়ন্ত্ৰণ কৰা হয়, তাক তেখেতে বিশ্লেষণ কৰি দেখুৱাইছে।

৬.৩.২ ৰাষ্ট্ৰ আৰু নাগৰিক সমাজ

এণ্ট'নিও গ্ৰামছীৰ মতে, পুঁজিপতি শ্ৰেণীৰ স্বাৰ্থ নাগৰিক সমাজতেই সুৰক্ষিত হয়। পুঁজিপতিৰ স্বাৰ্থ ৰক্ষাৰ পদ্ধতি হ'ল —

1. **ৰাষ্ট্ৰ ঃ** ৰাষ্ট্ৰই বল বা ভয়-ভীতিৰে পুঁজিপতিৰ স্বাৰ্থ সুৰক্ষিত কৰে।

2. **নাগৰিক সমাজ ঃ** নাগৰিক সমাজে, ৰাষ্ট্ৰই ব্যৱহাৰ কৰাবল-ভয়ৰ নীতি ব্যৱহাৰ নকৰি, 'সন্মতি' (Consent) ব্যৱহাৰেৰে স্বাৰ্থ ৰক্ষা কৰে।

ৰাষ্ট্ৰ আৰু নাগৰিক সমাজে পুঁজিপতি শ্ৰেণীৰ বাবে কাম কৰে। পুঁজিপতি শ্ৰেণীটোৱে প্ৰথমে উৎপাদনৰ আহিলাসমূহ নিয়ন্ত্ৰাণাধীন কৰে আৰু তাৰ পিছত ৰাষ্ট্ৰক নিজৰ হাতলৈ আনে, আৰু সকলো অনুষ্ঠান নিজৰ অধীনলৈ অনাৰ পিছত ই নাগৰিক সমাজক অধীনলৈ আনে। পুঁজিবাদী ৰাষ্ট্ৰৰদ্বাৰা সম্পতি শোষণক ঢাকিবলৈ নাগৰিক সমাজৰ সৃষ্টি কৰা হয়। শ্ৰমিক শ্ৰেণীটোৱে বিশ্বাস কৰে যে পুঁজিবাদী ৰাষ্ট্ৰ ভাল, কিয়নো তেওঁলোকে নাগৰিক সমাজৰ হেঁচাত বুজি পাবলৈ সক্ষম নহয় যে পুঁজিবাদী ৰাষ্ট্ৰই তেওঁলোকক শোষন কৰে। নাগৰিক সমাজৰ এই হেঁচাৰ ফলত যিকোনো ধৰণৰ বিপ্লৱ কলিতে মৰহি যায়। পুঁজিপতিসকলে সমাজৰ সকলো শ্ৰেণীৰ ওপৰত নিয়ন্ত্ৰণ

সাব্যস্ত কৰিবলৈ নাগৰিক সমাজৰ অনুষ্ঠানবোৰৰ পূৰ্ণ ব্যৱহাৰ কৰে।

নায়কত্ব তত্ত্ব (Hegemonic Theory) ৰ মূল আধাৰ হৈছে যে মানুহ অকল বল (Force) ৰ দ্বাৰা শাসিত নহয়, মানুহক ধাৰণা বা বিচাৰ (Ideas) ৰ দ্বাৰাও শাসন কৰা হয়। এণ্ট'নিও গ্ৰামছীয়ে লিখিছে, — "শাসক শ্ৰেণী (Ruling Class) ৰ ভেঁটি নিৰ্মাণ 'বিশ্ব ধাৰণা' (Weltan schauung – World View) সৃষ্টিৰ সমপৰ্য্যায়ৰ।" মাৰ্ক্সে লক্ষ্য কৰিছিল, — "সমাজৰ প্ৰচলিত ধাৰণা সদায় শাসক শ্ৰেণীৰদ্বাৰা সৃষ্ট।" অৱশ্য, মাৰ্ক্সৰ তত্বতকৈ গ্ৰামছীৰ তত্ত্বটো বেছি গ্ৰহণযোগ্য, যিহেতু মাৰ্ক্সীয় তত্ত্বত অকল অৰ্থনৈতিক ব্যাখ্যাৰ প্ৰাদুৰ্ভাৱ বেছি আছিল।

কৃত্ৰিমভাৱে সন্মতি আদায় কৰিবলৈ ক্ষমতাশালী শ্ৰেণীটোৱে মূল্যমান আৰোপ কৰা ক্ৰিয়াৰ লগত নায়কত্ব তত্ত্বটো জড়িত। অৰ্থ এইয়া যে বিভিন্ন সংস্কৃতিৰে ভৰপূৰ এখন সমাজত আনক শাসন আৰু নিয়ন্ত্ৰণ কৰিবলৈ শাসক শ্ৰেণীটোৱে ধাৰণা, মূল্য, বিশ্বাস আৰু নৈতিকতাক তেওঁলোকৰ স্বাৰ্থ-উপযোগী কৰি ব্যৱহাৰ কৰে। ফলত, শাসকসকলৰদ্বাৰা সৃষ্ট 'বিশ্ব- ধাৰণা' (World-View) ক সমাজৰ সকলো শ্ৰেণীৰলোকে মানি অনুসৰণ কৰে, আৰু সেই ধাৰণা শক্তিশালী আদৰ্শত পৰিণত হয়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ "Prison Notebooks" গ্ৰন্থৰ লিখক কোন?

প্ৰশ্ন নং ২ ঃ এণ্ট'নিও গ্ৰামছী ..... ৰ কমিউনিষ্ট দলৰ এজন প্ৰতিষ্ঠাপক সদস্য আৰু নেতা আছিল। (খালী ঠাই পূৰণ কৰক।)

প্ৰশ্ন নং ৩ ঃ গ্ৰামছীৰ মতে, পুঁজিবাদী শ্ৰেণীৰ স্বাৰ্থ নাগৰিক সমাজতেই সুৰক্ষিত হয়। (সত্য/অসত্য)

প্ৰশ্ন নং ৪ ঃ পুঁজিবাদীসকলে তেওঁলোকৰ স্বাৰ্থ পূৰণৰ বাবে ব্যৱহাৰ কৰা উপায় দুটা উল্লেখ কৰক।

৬.৪ নাগৰিক সমাজৰ ধাৰণা

মাৰ্ক্স আৰু লেনিৰ চিন্তাধাৰাৰ ওপৰত গ্ৰামছীৰ চিন্তাধাৰা প্ৰতিষ্ঠিত। শ্ৰেণীৰ বস্তুনিষ্ঠ উৎপত্তি, আৰু সমাজ পৰিবৰ্তনত শ্ৰেণী সংঘৰ্ষ আৰু সচেতনতাৰ ভূমিকা সংক্ৰান্তীয় মাৰ্ক্সীয় ধাৰণাক গ্ৰামছীয়ে বিশেষ বিশ্লেষণেৰে প্ৰতিষ্ঠাপিত কৰিছে। মাৰ্ক্স আৰু এঞ্জেলচ্ৰ গ্ৰন্থ "The German Ideology" (1845, in Tucker 1968, 162-164) ত উল্লেখিত পুঁজিবাদৰ নায়কত্ব (Hegemony) ৰ ধাৰণাক গ্ৰামছীয়ে বিশেষভাৱে বিশ্লেষণ কৰিছিল। পুঁজিবাদী ব্যৱস্থাৰ কাৰ্য-ক্ৰমনিকা অধ্যয়নৰ ক্ষেত্ৰত গ্ৰামছীয়ে নায়কত্বৰ ধাৰণাটোক মুখ্য বিষয় হিচাপে অধ্যয়ন কৰিছিল। গ্ৰামছীৰ ভাষাত এই 'নায়কত্ব'ই শ্ৰমিক আৰু দুৰ্বল শ্ৰেণীৰ ওপৰত পুঁজিবাদীৰ মূল্য আৰু নীতিৰ আদৰ্শগত আধিপত্যতাক বুজায়। এৱন বিশ্লেষকৰ দৃষ্টিত এয়া হ'ল — "এয়া জীৱন আৰু

চিন্তাৰ এক নিশ্চিত শক্তিশালী পথ বা ধাৰা, য'ত সমাজৰ যোগেদি অনুষ্ঠান আৰু ব্যক্তিৰ মাজত বাস্তৱতা মূৰ্ত হৈ পৰে, য'ত বুদ্ধিসত্ত্বা আৰু নৈতিকতাৰে পৰম্পৰা, ৰীতি-নীতি, ৰাজনৈতিক আৰু ধৰ্মীয় নীতি আৰু সামাজিক সম্পৰ্কৰ বার্তা প্রবাহিত হয়" (Williams, in Miliband 1963, 162)।

গ্ৰামছীৰ মতে, পৰিয়াল, বিদ্যালয় আৰু গীৰ্জাৰ দৰে সামাজিক অনুষ্ঠানে আচৰণৰ নিয়মৰ লগত ব্যক্তিক পৰিচিত কৰায় আৰু শাসক শ্রেণীৰ কতৃত্বক কেনেকৈ সন্মান কৰিব লাগে, তাক শিকায়। গ্ৰামছীৰ এই নাগৰিক সমাজ আৰু পুঁজিপতি নায়কত্বৰ ধাৰণাই তেখেতক মার্ক্সৰ পৰা সুকীয়া চিনাকিৰে প্রতিষ্ঠিত কৰিছে। এঞ্জেলছ্, লেনি আৰু ট্ৰ'ট্ছকীৰ পৰাও তেওঁ পৃথক। তেওঁৰ নায়কত্বৰ যুক্তিপূর্ণ বিশ্লেষণেৰে, গ্ৰামছীয়ে পূর্বৰ মার্ক্সবাদীসকলে আগবঢ়োৱা উচ্চ-গাঁথনি আৰু শ্রেণী সচেতনতাৰ উর্দ্ধত ৰাজনীতিৰ ব্যাখ্যা আগবঢ়াইছে (Texier, in Mouffe 1969)। তেওঁ বাস্তৱতাৰ ক্ষেত্রত শ্রেণীগত বিভাজনক ৰাষ্ট্রই আৰু অধিক প্রকট কৰে বুলি যুক্তি দর্শাইছে। শ্রেণী-সচেতনতা বৃদ্ধিৰ ক্ষেত্রত লেনিনতকৈ গ্ৰামছীয়ে শ্রমিক শ্রেণীক বেছি কৃতিত্ব দিছে; কিন্তু, লেনিনে কল্পনা কৰাতকৈ পাশ্চাত্য সমাজত এই শ্রেণীসচেতনতা অধিক হ'ব বুলি গ্ৰামছীয়ে পূর্বাভাষ দিছিল। তেওঁৰ মতে, এয়া অকল শ্রমিকসকলক শ্রেণী-ভূমিকাত নিম্ন পর্য্যায়ত ৰখা অর্থনৈতিক প্রক্রিয়াৰ ফচল নহয়, বা ধর্মৰ দৰে সামাজিক ব্যক্তিগত অনুষ্ঠানৰ প্রভাৱ নহয়; ই হৈছে উৎপাদনৰ সম্পর্ক নিৰ্দ্ধপণ কৰা ৰাষ্ট্রৰ কার্য্য-কলাপৰ এক পার্শ্বক্রিয়া। অর্থাৎ, পুঁজিবাদী আহিলা কেহাৱাৰ উপৰিও, ৰাষ্ট্রৰ অন্যান্য বহুতো ভূমিকা আছে, বিশেষকৈ ৰাষ্ট্রই উচ্চ-গাঁথনিত পুঁজিপতিসকলৰ নায়কত্বক প্রতিনিধিত্ব কৰে।

এই ধাৰণাসমূহ আমি অতি সহজে বুজি পাব পাৰোঁ যেতিয়া ল'ক, ৰুছ', হেগেল, মার্ক্স আৰু এঞ্জেলছে ব্যৱহাৰ কৰা নাগৰিক সমাজ আৰু ৰাষ্ট্রৰ মাজৰ পার্থক্য বুজি পাম। প্রাকৃতিকসকলে (Naturalists) ৰাষ্ট্র-সমাজৰ পূর্ব (Pre-State Society) কালত মানুহৰ প্রকৃতিক ৰাজ্যত নাগৰিক সমাজক এক শাসন-ব্যৱস্থা হিচাপে দেখিছিল। নাগৰিক সমাজে মানুহৰ এনেকুৱা এটা সংগঠনক বুজায় যে পৰিয়াল আৰু উৎপাদনৰ উর্দ্ধত থাকি আইনৰদ্বাৰা শাসিত হয়। মানুহে স্ব-ইচ্ছাই নাগৰিক সমাজৰ অংশীদাৰ হয়। তাৰ পাছত এই নাগৰিক সমাজ সমষ্টিগত ইচ্ছা (Collective Will) ৰে পৰিচালিত প্রাকৃতিক ৰাজ্যত পৰিণত হৈছিল। আৰু আন কিছু ব্যাখ্যাত, নাগৰিক সমাজে ৰাষ্ট্র (State) ক প্রতিনিধিত্ব কৰে।

আনহাতে, হেগেলে নাগৰিক সমাজক পূর্ব-ৰাজনৈতিক সমাজ (Pre-political Society) বুলি কৈদছ, যাক প্রাকৃতিক সকলে প্রকৃতিৰ ৰাজ্য (State of nature) বুলি নামাকৰণ কৰিছে। হেগেলৰ বাবে নাগৰিক সমাজ আছিল অনৈতিকতা, দুখ-কষ্ট, আৰু শাৰীৰিক-নৈতিক দূর্নীতিৰ শাসন (Hegel, inMouffe, 1969, 28), যাক প্রাকৃতিকসকলৰ ধাৰণাৰ বিপৰীত পৃষ্ঠত পৰিলক্ষিত হয়। সেয়ে, হেগেলৰ নাগৰিক সমাজক ৰাষ্ট্রৰ সর্বশক্তি আৰু মানুহৰ উচ্চতম নৈতিকতাৰে নিয়ন্ত্রিত কথাটো জৰুৰী আৰু প্রয়োজনীয়। কিন্তু গাঁথনিৰ সময়ত নাগৰিক সমাজৰ মার্ক্সীয় ধাৰণা গ্ৰামছীৰ বিশ্লেষণত এক প্রস্থান-স্থান (Point of Departure) ৰ বুলি গণ্য কৰা

হয়। কিন্তু, ব'বীও (Bobbio, 1969) ৰ মতে, মাৰ্ক্সীয় ধাৰণাক গ্ৰামছীৰ বিশ্লেষণে এক নতুনত্ব দিছে; গাঁথনিক-সময়ত, গ্ৰমছীৰ বাবে, নাগৰিক সমাজ লুপ্ত; কিন্তু, উচ্চ-গাঁথনিত বিৰাজমান।

মাৰ্ক্স আৰু গ্ৰামছীৰ মতে, পুঁজিবাদী উন্নয়ন বুজিবলৈ নাগৰিক সমাজ অতি প্ৰয়োজনীয়; কিন্তু মাৰ্ক্সৰ বাবে নাগৰিক সমাজ হৈছে এক গাঁথনি (উৎপাদনৰ সম্পৰ্কৰ বাবে)। আনহাতে, গ্ৰামছীৰ দৃষ্টিত, নাগৰিক সমাজে উচ্চ-গাঁথনিক বুজায়, যিয়ে ঐতিহাসিক উন্নয়নত সক্ৰিয় আৰু ধনাত্মক উপাদানক প্ৰতিনিধিত্ব কৰে।

৬.৫ নায়কত্ব আৰু ৰাষ্ট্ৰ

গ্ৰামচীৰ তত্ত্বত 'নায়কত্ব' (Hegemony) ই বিশেষ প্ৰাধান্যতা লাভ কৰিছে। বিংশ শতিকাৰ দ্বিতীয় দশকৰ পৰা ইটালীৰ ঐতিহাসিক পৰিস্থিতিৰ বাবে ইয়াৰ গুৰুত্ব বিশেষভাৱে পৰিলক্ষিত হৈছে। সমাজত শাসিত বা পিছপৰা (Subordinate) শ্ৰেণীৰ ওপৰত শক্তিশালী শ্ৰেণীৰ আদৰ্শতাত আধিপত্যতাক "নায়কত্ব" বুলি বুজা যায়।

মাৰ্ক্সবাদী হিচাপে গ্ৰামছীৰ মৌলিকত্ব তেখেতৰ শাসকপক্ষৰ শাসনৰ চৰিত্ৰৰ ওপৰত প্ৰতিফলিত হয়, য'ত তেখেতে যুক্তিৰে প্ৰতিষ্ঠা কৰিছে যে নায়কত্ব ব্যৱস্থাৰ মূল আধাৰ শাসকৰ হিংসা বা ক্ষমতাৰ কটোৰতা নহয়; তাৰপৰিবৰ্তে ইয়াৰ মূল আদাৰ হৈছে শাসিত (Ruled) ৰ দ্বাৰা গৃহীত আৰু শাসক (Ruler) ৰ দ্বাৰা প্ৰবৰ্ত্তিত এক "পৃথিৰীৰ ধাৰণা" (Conception of the World)। Bobbic (1969) এ যুক্তি আগবঢ়াইছে যে গ্ৰামছীয়ে পৰম্পৰাগত মাৰ্ক্সীয় তত্ত্বক দুটা ভিন্ন ৰূপত প্ৰতিষ্ঠা কৰিছে ঃ প্ৰথম, গ্ৰামছীয়ে অৰ্থনৈতিক গাঁথনিতকৈ ধাৰণাভিত্তিক (Ideological) গাঁথনিক বিশেষ গুৰুত্ব দিছে; দ্বিতীয়, গ্ৰামছীয়ে ৰাজনৈতিক সমাজতকৈ নাগৰিক সমাজৰ ওপৰত প্ৰাধান্যতা আৰোপ কৰিছে। তথাপি, মাৰ্ক্স আৰু গ্ৰামছীৰ বাবে পুঁজিবাদী ব্যৱস্থাটো বুডিজবলৈ নাগৰিক সমাজ মৌলিক আহিলা। Bobbic এ দিহা দিছে যে গ্ৰামছীৰ বাবে চৰম বা উচ্চ গাঁথনিয়ে ঐতিহাসিক বিকাশৰ সক্ৰিয় আৰু সদৰ্থক উপাদানক প্ৰতিনিধিত্ব কৰে; ইয়াত অৰ্থনৈতিক গাঁথনিৰ ভূমিকা গৌণ।

উৎপাদন ব্যৱস্থাক কিয় সৰ্বসাদাৰণে মান্যতা (স্বীকৃতি) দিয়ে, সেইটো বুজিবলৈ গ্ৰামচীৰ বাবে শক্তি (Force) বা পুঁজিবাদী উৎপাদনৰ যুক্তি (Logic) পৰ্যাপ্ত নহয়। বৰং, সৰ্বসাধাৰণৰ এই মান্যতাৰ বিশ্লেষণ সজাগতা আৰু আদৰ্শৰ ক্ষমতাৰ ওপৰত ন্যস্ত। কিন্তু, একেই সময়তে, এই সজাগতাৰ পৰা জনসাদাৰণৰ সক্ৰিয় মত লোৱাৰ কৌশল আয়ত্বৰ ভেঁটি স্থাপন হয়, য'ত নাগৰিক সমাজ আৰু নায়কত্বৰ আন াহিলা, যেনে বিদ্যালয়, পঢ়াশালী আদিৰ্দয়ে নায়কত্বৰ বাবে সহমত সংগ্ৰহত অৰিহণা যোগায়।

গ্ৰামচীৰ নায়কত্বৰ দুটা দিশ আছে ঃ প্ৰথম, এয়া হ'ল নাগৰিক সমাজৰ এক প্ৰক্ৰিয়া, যাৰদ্বাৰা সমাজৰ ক্ষমতাশালী শ্ৰেণীটোৱে ক্ষমতাহীন শ্ৰেণীটোৰ ওপৰত নৈতিকতা আৰু বৌদ্ধিক নেতৃত্বৰ জৰিয়তে নিয়ন্ত্ৰণ সাব্যস্ত কৰে।

দ্বিতীয়, এয়া হ'ল ক্ষমতাশীল আৰু ক্ষমতাহীন এই দুই শেঅৰণীৰ মাজৰ সম্পৰ্ক। ৰাজনৈতিক, নেতিক আৰু বেম্ৰদ্ধিক নেতৃত্ব ব্যৱহাৰ কৰি ক্ষমতাশীলৰ ধ্যান-ধাৰণা সামগ্ৰিকভাৱে আৰু বিশ্বজনীনৰূপে প্ৰতিষ্ঠা কৰিবলৈ ক্ষমতাশালীৰ সফল প্ৰচেষ্টাক নায়কত্ব (Hegemony) ই প্ৰতিনিধিত্ব কৰে আৰু সূচায়।

গ্ৰামছীৰ ৰাষ্ট্ৰ সম্পকীয় বিশ্লেষণেৰে আমি বুজিব পৰা বিষয় কেইটাৰ ভিতৰত অন্যতম হৈছে ঃ— মূখ্য গাঁথনিত বৌদ্ধিকতাৰ ভূমিকা আৰু তাৰ যোগেদি ঐতিহাসিক সালসলনি; পুঁজিবাদী ৰাষ্ট্ৰ সলনিৰ আহিলা; পশ্চিম ইউৰোপত পুঁজিবাদী ৰাষ্ট্ৰৰ অপসাৰণত সর্বহাৰাৰ নায়কত্ব (Proletarian Hegemony) ইত্যাদি। এই বিষয়বোৰৰ বিশ্লেষণত গ্ৰামছীৰ নৱতম সংযোজনে মার্ক্সীয় তত্ত্বক বিশেষ মাত্ৰা আৰু প্ৰসাৰতা দিছে। গ্ৰামছীৰ বাবে পুঁজিবাদী সমাজ বুজিবলৈ মূখ্য গাঁথনি হিচাপে ৰাষ্ট্ৰ হৈছে মূল্য উপাদন। অধিকভাৱে, ৰাষ্ট্ৰ আৰু সমাজক বিশ্লেষণ কৰিবলৈ গ্ৰামছীয়ে নায়কত্বৰ ধাৰণাক ব্যৱহাৰ কৰিছে, যাৰ জৰিয়তে তেখেতে দেখুৱাইছে যে ৰাষ্ট্ৰ অকল, মার্ক্স বা লেনিনে কোৱাৰ দৰে, পুঁজিবাদীৰ বাবে অকল শাসন কৰাৰ আহিলা নহয়। ৰাষ্ট্ৰই তাৰ বিস্তৃত পৰিসৰত নাগৰিক সমাজৰদ্বাৰা কাম কৰে। সেয়ে, ৰাষ্ট্ৰ হ'ল ক্ষমতাশালী শ্ৰেণীৰ ক্ষমতা প্ৰসাৰণৰ আহিলা আৰু কঠোৰ শক্তি (ৰাজনৈতিক সমাজ), যিয়ে সমাজৰ দমিত শ্ৰেণীক দুর্বল আৰু অসংগঠিত কৰি ৰাখে।

আমি এতিয়াও ৰাষ্ট্ৰ আৰু চৰকাৰৰ চিনাক্তকৰণত ৰৈ আছোঁ, যি চিনাক্তকৰণে অর্থনৈতিক ক'র্পৰেট ব্যৱস্তাক প্ৰতিনিধিত্ব কৰে; অন্য শব্দত, নাগৰিক সমাজ আৰু ৰাজনৈতিক সমাজৰ প্ৰভেদক বুজায়। সাধাৰণ অর্থত ইয়াক এনেদৰে ক'ব পাৰি যে ৰাষ্ট্ৰৰ সাধাৰণ সংজ্ঞাই নাগৰিক সমাজৰ বিভিন্ন উপাদানক সামৰি লয় (য'ত ৰাষ্ট্ৰ = ৰাজনৈতিক সমাজ + নাগৰিক সমাজ; অর্থাৎ জবৰদস্তি বা কটোৰতাৰে নায়কত্বক ৰক্ষণাবেক্ষণ দিয়া হয়) (গ্ৰামছী 1961, 263)।

এইটো তত্ত্বৰে গ্ৰামছীয়ে ৰাষ্ট্ৰ আৰু শক্তিশালী শ্ৰেণী নায়কত্বৰ ব্যাখ্যা কৰিছিল। অৱশ্যে, Anderson এ (1966) যেনেদৰে দেখউৱাইছিল, গ্ৰামছীৰ গ্ৰন্থ Prison Notebooks ত নায়কত্ব আৰু ৰাষ্ট্ৰৰ অৱস্থান সম্পর্কে বিভিন্ন ব্যাখ্যা আছে। পৰথমতে আছে ৰাষ্ট্ৰ আৰু নাগৰিক সমাজৰ মাজৰ প্ৰভেদসমূহ; নায়কত্ব থাকে নাগৰিক সমাজত, আৰু জবৰদস্থি থাকে ৰাষ্ট্ৰত। নাগৰিক সমাজ আৰু ৰাষ্ট্ৰৰ মাজত বিৰোধ আছে — শক্তিশালী শ্ৰেণীয়ে নাগৰিক সমাজৰ যোগেদি নায়কত্ব ব্যৱহাৰ কৰে, আৰু তেওঁলোকে ৰাষ্ট্ৰ আৰু ইয়াৰ চৰকাৰৰ যোগেদি প্ৰত্যক্ষ দমন চলায়। সমাজত নায়কত্বৰ যোগেদি শক্তিশালী শ্ৰেণীটোৱে সমর্থন আদায় কৰে; কিন্তু ৰাষ্ট্ৰৰ যোগেদি নিজৰ দমন চলাই থাকে। "ৰাষ্ট্ৰ হৈছে তাত্ত্বিক আৰু ব্যৱহাৰিক কামৰ সামূহিক জটিল ব্যৱস্থা, যাৰ জড়িয়তে শাসক শ্ৰেমীয়ে নিজৰ কামৰ বাবে অকল মান্যতাই আদায় নকৰে, তাৰদ্বাৰা শাসিত সকলৰপৰা দৰকাৰী সহমতো আদায় কৰি লয়" (Gramsci, 1961 : 244)।

দ্বিতীয় সংজ্ঞাত, ৰাষ্ট্ৰই নাগৰিক সমাজক সামৰি লয়, নাগৰিক সমাজক প্ৰক্ষেপ কৰে। "ৰাষ্ট্ৰৰ সাধাৰণ সংজ্ঞাই সেইবোৰ উপাদানক সামৰে যাৰদ্বাৰা নাগৰিক সমাজৰ ধাৰণাক ব্যাখ্যা কৰিব পাৰি" (এই অর্থত, ৰাষ্ট্ৰ = ৰাজনৈতিক সমাজ + নাগৰিক সমাজ; অন্য অর্থত, জৱৰদস্তিৰ

লগত নায়কত্ব সংপৃক্ত) (Anderson 1966, 12-13)। সেই অর্থত, নায়কত্বই অকল সমর্থনক নুবুজায়; ই সমর্থন আৰু জবৰদস্তিৰ সমাহাৰ। নায়কত্ব অকল নাগৰিক সমাজৰ লগত জড়িত হৈ থকা নাই; "নাগৰিক নায়কত্ব" (Civil hegemony) ৰ বিপৰীতে, "ৰাজনৈতিক নায়কত্ব" (political Hegemony) ৰ ৰূপত নায়কত্ব ৰাষ্ট্ৰতেই নিহিত হৈ আছে। সেইদৰে, নায়কত্ব সকলোতে বিৰাজমান; হয়তো ইয়াৰ বিভিন্ন ৰূপত। ৰাষ্ট্ৰ হৈছে নায়কত্ব আহিলা, য'ত নাগৰিক সমাজো জড়িত। নাগৰিক সমাজক ৰাষ্ট্ৰৰ পৰা ইয়াৰ জবৰদস্তিৰ আহিলা সমূহে কিছু পৰিমাণে পৃথক কৰিছে।

তৃতীয় সংজ্ঞাত, ৰাষ্ট্ৰ আৰু নাগৰিক সমাজ সমার্থক; ৰাষ্ট্ৰ আৰু নায়কত্বত সমর্থন আৰু জবৰদস্তি লক্ষণীয়, কিয়নো ৰাষ্ট্ৰ আহিলাৰ পৰা নায়কত্ব পৃথক নহয়। নাগৰিক সমাজ আৰুৰ ৰাজনৈতিক সমাজত নায়কত্বৰ কোনো বিতৰন নাতাকিব। ৰাষ্ট্ৰ আৰু নাগৰিক সমাজ এক সত্বা হিচাপে লগ লাগিব; আৰু সমাজ গঠন, আৰু ইয়াৰ চৰকাৰী বা বিভিন্ন ব্যক্তিগত আহিলাৰ ক্ষেত্ৰ ৰাষ্ট্ৰ একেইদৰে থাকিব। এই শেষৰটো সংজ্ঞাৰ ক্ষেত্ৰত, আমি দেখোঁ, যে Althusser এ তেখেতৰ "আদর্শগত ৰাষ্ট্ৰ যন্ত্ৰ" (Ideological State Appartuss) ক ব্যৱহাৰ কৰিছে ঃ- পৰিয়াল, বাণিজ্যিক সংস্থা, পৰিবর্তনশীল ৰাজনৈতিক দল আৰু ব্যক্তিগত মিডিয়াকে ধৰি সকলো আদর্শগত আৰু ৰাজনৈতিক উচ্চ গাঁথনি এই সংজ্ঞামতে হৈছে নায়কত্ব মূল আহিলা বা চাবিকাঠি।

ৰাষ্ট্ৰৰ ধাৰণাৰ পৰবর্তী বিশ্লেষণত আমি দেখিম যে ই হৈছে প্রভাৱশালী শ্রেণী নায়কত্ব এক অংশ। এই সংজ্ঞাত, গ্রামচীয়ে ৰাষ্ট্ৰক নায়কত্বশীল াহিলাৰ বর্দ্ধিত অংশ হিচাপে অংকন কৰিছে; শ্রেংমী সংঘর্ষৰ প্রেক্ষাপেটত পুঁজিবাদী নিয়ন্ত্রণ আৰু দমন সমাজত প্রতিষ্টা আৰু প্রসাৰ কৰিবলৈ সৃষ্ট ব্যৱস্থাৰ অংশ হিচাপে গ্রামছীয়ে ৰাষ্ট্ৰক ব্যাক্যা কৰিছে। তেখেতৰ মতে, পুঁজিবাদী শ্রেণীৰ শ্রেণী-নায়কত্ব প্রতিষ্টাৰ ফলত ৰাষ্ট্ৰ আৰু প্রবাৱশালী শ্রেণী-নায়কত্ব একাকাৰ হৈ পৰিছে; য'ত সমাজত প্রভাৱ বিস্তাৰ কৰিবলৈ ৰাষ্ট্ৰৰ শক্তিবর্দ্ধন হৈছে আৰু ই প্রবাৱশীল শ্রেণীৰ আহিলা হৈ পৰিছে।

ওপৰোক্ত বিশ্লেষণসমূহে নিশ্চিত কৰে যে ৰাষ্ট্ৰ সংক্রান্তে গ্রামছীৰ দৃষ্টিভংগী বিশেষতঃ আদর্শগত। অর্থাৎ, ৰাষ্ট্ৰ হ'ল প্রভাৱসালীৰ নায়কত্ব প্রতিষ্ঠা আৰু বিস্তাৰৰ আহিলা, আৰু ইয়াক আইন আৰু নীতিৰ ব্যৱস্থা হিচাপে গঢ়ি তোলা হয়, য'ত মানুহক এনেদৰে ব্যৱহাৰ কৰা হয় যাতে তেওঁলোক পুঁজিবাদী ৰাষ্ট্ৰ-ব্যৱস্থাৰ অন্তর্ভুক্ত হৈ পৰে।

তথাপিও, গ্রামছীৰ ৰাষ্ট্ৰই শ্রেণী-গাঁতনিৰ প্রসংগত নায়কত্বৰ আহিলা হিচাপে বিশ্লেষিত হৈ আহিছে, য'ত উৎপাদনৰ সম্পর্কই শ্রেণী-গাঁথনি নির্ধাৰণ কৰে। মানুহৰ চিন্তাক (সচেতনতাক) "Philosophy of Praxis" বুলি কৈ মার্ক্সীয় তত্ত্বক নতুনত্ব দিছে। উৎপাদনৰ আহিলাসমূহক নিয়ন্ত্রণ কৰাৰ দৰে, ৰাজনৈতিক বিপ্লৱৰ দ্বাৰাহে সচেতনতাৰ নিয়ন্ত্রণ কম-বেছি পৰিমাণে হয়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৫ ঃ গ্ৰামচীয়ে ৰাষ্ট্ৰক নায়কত্বৰ আহিলাৰ প্ৰসাৰণ হিচাপে প্ৰত্যক্ষ কৰিছে। (সত্য/অসত্য)

প্ৰশ্ন নং ৬ ঃ ৰাষ্ট্ৰ আৰু নাগৰিক সমাজ উভয়ে পুঁজিবাদী শ্ৰেণীটোৰ বাবে কাম কৰে। (সত্য/অসত্য)

প্ৰশ্ন নং ৭ ঃ নায়কত্ব কি ?



৬.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ১৮৯১ চনৰ ২২ জানুৱাৰীত এণ্ট'নীও গ্ৰামছীৰ জন্ম হৈছিল।
- তেওঁ আছিল ইটালীৰ এজন নব্য-মাৰ্ক্সীয় তাত্ত্বিক আৰু ৰাজনীতিবিদ।
- ৰাজনৈতিক তত্ত্ব, সমাজতত্ত্ব আৰু ভাষাতত্ত্বৰ ওপৰত তেখেতে লিখিছিল।
- ইটালীৰ কমিউনিষ্ট পাৰ্টীৰ তেখেত আছিল প্ৰতিষ্ঠাপক সদস্য আৰু এসময়ৰ নেতা, যাক মুছ'লিনীৰ ফেছিষ্ট শাসনৰ সময়ত বন্দী কৰি ৰখা হৈছিল।
- গ্ৰামছীৰ মতে, নাগৰিক সমাজে পুঁজিপতি শ্ৰেণীৰ স্বাৰ্থ সুৰক্ষিত কৰে।
- ৰাষ্ট্ৰ আৰু নাগৰিক সমাজ উভয়ে পুঁজিপতি শ্ৰেণীৰ বাবে কাম কৰে।
- পুজিঁপতিয়ে প্ৰথমে উৎপাদনৰ আহিলাসমূহ নিয়ন্ত্ৰণ কৰে আৰু তাৰ পিছত ৰাষ্ট্ৰ আৰু নাগৰিক সমাজৰ অনুষ্ঠান নিয়ন্ত্ৰণ কৰে।
- গ্ৰামছীৰ চিন্তাধাৰা মাৰ্ক্স আৰু লেনিনৰ দৰ্শনৰ ওপৰত প্ৰতিষ্ঠিত।
- মাৰ্ক্স আৰু লেনিনৰ দৰে, তেখেতেও মাৰ্ক্সৰ পুঁজিবাদী প্ৰভুত্বক ব্যৱহাৰ কৰি শ্ৰেণী-বিশ্লেষণ আগবঢ়াইছে।
- প্ৰাকৃতিকসকলে নাগৰিক সমাজৰ আৱস্থিতি প্ৰকৃতি-ৰাজ্যত বুলি দাবী কৰে। পৰিয়াল, উৎপাদন আদিৰ উৰ্দ্ধত নাগৰিক সমাজ।
- অন্যহাতে, হেগেলৰ মতে নাগৰিক সমাজ হ'ল পূৰ্ব-ৰাজনৈতিক সমাজ, যাক প্ৰাকৃতিকসকলে প্ৰকৃতিৰাজ্য বুলি অভিহিত কৰিছে।
- গ্ৰামছীয়ে ৰাষ্ট্ৰক পুঁজিবাদ আৰু ইয়াৰ আহিলাৰ প্ৰসাৰণ হিচাপে গণ্য কৰে।
- গ্ৰামছীয়ে মানুহৰ চিন্তাক Philosophy of Praxis বুলিকৈ মাৰ্ক্সীয় তত্ত্বক নতুনত্ব দিছে।



৬.৭ অধিক জানিবলৈ

১) Santucci, Antonio A. Antonio Vramsei. APH Publishing Corporation, New Delhi.

২) Gramsei, Antonio. Selections from the Prison Notebooks. Aaakar Books, New Delhi.



৬.৮ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ এণ্ট'নীও গ্ৰামছী।

২ নং প্ৰশ্নৰ উত্তৰ ঃ ইটালী।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ সত্য।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ ৰাষ্ট্ৰ আৰু নাগৰিক সমাজ। ৰাষ্ট্ৰই বলেৰে আৰু নাগৰিক সমাজে সন্মতিৰে পুঁজিপতিৰ স্বাৰ্থ ৰক্ষা কৰে।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ সত্য।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ সত্য।

৭ নং প্ৰশ্নৰ উত্তৰ ঃ নায়কত্ব তত্ত্বৰ মতে মানুহ অকল বলৰদ্বাৰা শাসিত নহয়; ধাৰণাৰ দ্বাৰাও মানুহক শাসন কৰা হয়। সমাজত শাসিত শ্ৰেণীৰ ওপৰত শক্তিশালী শ্ৰেণীৰ আদৰ্শগত আধিপত্যতাক নায়কত্ব বুলি কোৱা হয়। গ্ৰামছীয়ে কৈছে যে অৰ্থনৈতিক গাঁথনিৰ পৰিবৰ্তে ধাৰণা সৃষ্টিৰ যোগেদি পুঁজিপতিসকলে সমাজ আৰু ৰাষ্ট্ৰত শাসন, প্ৰভুত্ব আৰু নিয়ন্ত্ৰণ চলায়। এয়াই নায়কত্ব।



৬.৯ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ গ্ৰামছীৰ এখন গ্ৰন্থৰ নাম লিখক।

প্ৰশ্ন ২ ঃ গ্ৰামছীৰ মতে, নাগৰিক সমাজ কি? ব্যাখ্যা কৰক।

প্ৰশ্ন ৩ ঃ গ্ৰামছীৰ মতে, না.কত্ব কি? ব্যাখ্যা আগবঢ়াওক।

প্ৰশ্ন ৪ ঃ গ্ৰামছীয়ে আগবঢ়োৱা নায়কত্ববাদী ৰাষ্ট্ৰৰ ধাৰণা বিশ্লেষণ কৰক।

প্ৰশ্ন ৫ ঃ নাগৰিক সমাজ সম্পৰ্কে গ্ৰামছীৰ ধাৰণা ব্যাখ্যা কৰক।

প্ৰশ্ন ৬ ঃ ৰাষ্ট্ৰ আৰু নায়কত্বৰ ওপৰত গ্ৰামছীৰ দৃষ্টিভংগী বিশ্লেষণ কৰক।

*** ***** ***

অধ্যায় ৭ ঃ বিপ্লৱ, সাম্ৰাজ্যবাদ - ভি. আই. লেনিন

অধ্যায় গাঁথনি

৭.১ উদ্দেশ্য

৭.২ পৰিচয়

৭.৩ মাক্সবাদত লেনিনে কৰা পৰিৱৰ্তন

৭.৪ সাম্ৰাজ্যবাদ সম্পৰ্কত লেনিন

৭.৫ বিপ্লৱৰ প্ৰসংগত লেনিন

৭.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৭.৭ অধিক জানিবলৈ

৭.৮ অগ্ৰগতিৰ খতিয়ান

৭.৯ আৰ্হি প্ৰশ্ন

৭.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- লেনিনে মাক্সবাদৰ ধাৰণালৈ অনা পৰিৱৰ্তন সম্পৰ্কত অৱগত হ'ব
- লেনিনৰ দৃষ্টিভংগী অনুসৰি সাম্ৰাজ্যবাদৰ গুৰুত্বপূৰ্ণ দিশসমূহৰ বিষয়ে অৱগত হ'ব
- বিপ্লৱ সম্পৰ্কে তেওঁৰ দৃষ্টিভংগীৰ উল্লেখযোগ্য বৈশিষ্ট্যবোৰৰ বিষয়ে জ্ঞাত হ'ব।

৭.২ পৰিচয়

এই অধ্যায়ত আমি উত্তৰ-মাৰ্ক্সবাদী চিন্তাবিদসকলৰ ভিতৰত এজন প্ৰভাৱশালী আগশাৰীৰ চিন্তাবিদ ভঞ্জলাদিমিৰ ইলিচ লেনিনৰ বিষয়ে জানিব পাৰিম। তেওঁ ৰাছিয়াৰ কমিউনিষ্ট বিপ্লৱী আছিল আৰু ছোভিয়েট ইউনিয়নৰ চৰকাৰৰ মুৰব্বী হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল।

৭.৩ মাক্সবাদত লেনিনে কৰা পৰিৱৰ্তন

জনপ্ৰিয়ভাৱে লেনিন নামেৰে পৰিচিত ভলাদিমিৰ ইলিচ উলিয়ানভ ১৮৭০-১৯২৪ আছিল ৰাছিয়াৰ আধুনিক কমিউনিষ্ট দলৰ প্ৰতিষ্ঠাপক। ১৯১৭ চনৰ ৰাছিয়ান বিপ্লৱত তেওঁ মাৰ্ক্সবাদক ৰাছিয়াত ব্যৱহাৰিক নীতি হিচাপে গঢ়ি তুলিছিল। তেওঁ আছিল এজন তত্ত্ববিদ আৰু কৰ্মৰ মানুহ। লেনিনে পুঁজিবাদৰ বিৰুদ্ধে সংগ্ৰামৰ নেতৃত্ব দিবলৈ কমিউনিষ্ট পাৰ্টিক আগশাৰীৰ দল হিচাপে গ্ৰহণ কৰিবলৈ পোষকতা কৰিছিল। তেওঁৰ প্ৰশাসনতেই ৰাছিয়া আৰু ছোভিয়েট ইউনিয়ন ৰাছিয়ান কমিউনিষ্ট পাৰ্টিৰ অধীনত একদলীয় সমাজবাদী ৰাষ্ট্ৰলৈ পৰিণত হয়। সেয়েহে লেনিন মতাদৰ্শগতভাৱে মাক্সবাদী আছিল যদিও তেওঁ বিকশিত কৰা তত্ত্বসমূহক লেনিনবাদ

বুলি জনা যায়।

লেনিন আছিল মাৰ্ক্সৰ শিষ্য। তেওঁ সদায় দাবী কৰিছিল যে তেওঁ মাৰ্ক্সবাদক উদ্ধাৰৰ অভিযানত আছে যদিও এই প্ৰক্ৰিয়াত তেওঁ সাম্ৰাজ্যবাদৰ তত্ত্বৰ ব্যৱহাৰেৰে মাৰ্ক্সবাদত কেইটামান পৰিৱৰ্তন কৰি সাম্ৰাজ্যবাদৰ জৰিয়তে পুঁজিবাদ জীয়াই থকাৰ কথা আঙুলিয়াই দিছিল। সময়ৰ প্ৰয়োজন অনুসৰি মাৰ্ক্সবাদক কাৰ্যক্ষেত্ৰত খাপ খুৱাই লৈছিল আৰু উদ্যোগিকভাৱেও পিছপৰা দেশখনতো মাৰ্ক্সবাদক কাৰ্যশম কৰি তুলিছিল। মুঠতে লেনিনে মাৰ্ক্সবাদক সময়ৰ লগত খাপ খুৱাই তুলিছে আৰু তেওঁৰ সময়ৰ শেহতীয়া উন্নয়নৰ প্ৰভাৱত মাৰ্ক্সবাদৰ সংশোধন কৰা বুলি কোৱা হয়। এইদৰে সাম্প্ৰতিক সাম্যবাদৰ দৰ্শনক মাৰ্ক্সবাদ-লেনিনবাদ অৰ্থাৎ মাৰ্ক্সবাদৰ সংশোধিত সংস্কৰণ বুলি জনা যায়। লেনিনৰ কিছুমান গ্ৰন্থ হ'ল: "State and Revolution", "Imperialism- the Highest Stage of Capitalism", and "Introduction to Marx, Engels, Marxism", "The Right of Nations to Self- Determination" ইত্যাদি।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ লেনিনৰ জন্ম কেতিয়া হৈছিল?

প্ৰশ্ন নং ২ ঃ লেনিনে আগবঢ়োৱা ৰাজনৈতিক তত্ত্বটোৰ নাম হ'ল .....খালী ঠাই পূৰণ কৰক।

প্ৰশ্ন নং ৩ ঃ লেনিনৰ কেইখনমান গ্ৰন্থৰ নাম লিখক।

প্ৰশ্ন নং ৪ ঃ 'লেনিনে মাৰ্ক্সবাদক সময়ৰ লগত খাপ খুৱাই তুলিছে আৰু তেওঁৰ সময়ৰ শেহতীয়া উন্নয়নৰ প্ৰভাৱত মাৰ্ক্সবাদৰ সংশোধন কৰা বুলি কোৱা হয়।'
(শুদ্ধ/অশুদ্ধ)

৭.৪ সাম্ৰাজ্যবাদ সম্পৰ্কত লেনিন

সাম্ৰাজ্যবাদৰ ওপৰত লেনিনৰ দৃষ্টিভংগী তেওঁৰ Imperialism. the Highest stage of Capitalism নামেৰে নামাকৰণ কৰা সুপৰিচিত গ্ৰন্থখনত সন্নিৱিষ্ট হৈ আছে। তেওঁ সাম্ৰাজ্যবাদক পুঁজিবাদৰ সৰ্বোচ্চ পৰ্যায় বুলি গণ্য কৰিছিল। লেনিনে যুক্তি দিছিল যে উন্নত ঔদ্যোগিক দেশসমূহৰ মধ্যবিত্ত শ্ৰেণী আৰু শ্ৰমিকসকলে সাম্ৰাজ্য সৃষ্টিৰ বাবে মাৰ্ক্সে ভৱিষ্যদ্বাণী কৰা ধৰণে শ্ৰমিকৰ দুৰ্দশা ৰক্ষা কৰিব পৰা গ'লহেঁতেন। কিন্তু কাৰ্যক্ষেত্ৰত ঔপনিৱেশিক শক্তিৰ অধীনস্থ ভূখণ্ডৰ জনসাধাৰণে শোষণৰ সন্মুখীন হৈ প্ৰকৃত সৰ্বহাৰা হৈ পৰিল আৰু ঔপনিৱেশিক শক্তিসমূহৰ জনসাধাৰণ পুঁজিপতি হৈ পৰিল। গতিকে মাৰ্ক্সৰ শিক্ষা আৰু ভৱিষ্যদ্বাণী পূৰণ কৰাৰ বাহিৰে আন কোনো উপায় নাই। লেনিনে কৈছে যে, একচেটিয়া পুঁজিবাদ বিত্তীয় পুঁজিবাদত পৰিণত হয় কাৰণ বিত্তীয় জগততো একে প্ৰক্ৰিয়া চলি থাকে। পুঁজিপতিজনে ব্যৱহাৰ কৰা বেংকসমূহে ইয়াৰ সৈতে মিলি পুঁজিৰ মালিক হৈ পৰে আৰু ইয়াৰ পৰিণতি হ'ল-

- ইয়াৰ ফলত উপনিবেশৰ লোকসকলৰ শোষণ হয়
- ই উৎপাদন কৰা বজাৰসমূহৰ মাজত প্ৰতিযোগিতাৰ বাবে জাতিসমূহৰ মাজত সংঘাতৰ সৃষ্টি হয় আৰু
- ই নতুন বিশ্বব্যৱস্থা প্ৰতিষ্ঠা কৰে আৰু পুঁজিবাদৰ অন্ত আৰু জাতিসমূহৰ মাজত শ্ৰেণীযুদ্ধ অনিবাৰ্য হৈ পৰে।

গতিকে লেনিনৰ বাবে সাম্ৰাজ্যবাদ হৈছে পুঁজিবাদৰ সৰ্বোচ্চ পৰ্যায়। এই পৰ্যায়ত একচেটিয়া আৰু বিত্তীয় পুঁজি দুয়োটাৰে আধিপত্যই নিজৰ আকৃতি লয় আৰু ইয়াত কেইবাটাও বৈপৰীত্য সন্নিবিষ্ট কৰা হয় যাৰ ফলত শেষত নিজে ধ্বংসপ্ৰাপ্ত হয় আৰু সমাজবাদে প্ৰতিষ্ঠা লাভ কৰে।

কিন্তু সাম্ৰাজ্যবাদৰ ওপৰত লেনিনৰ দৃষ্টিভংগীক দাৰ্শনিকভাৱে অস্পষ্ট আৰু পৰম্পৰাগতভাৱে ভুল বুলি সমালোচনা কৰা হৈছে। সমালোচকসকলে উল্লেখ কৰিছে যে কেৱল বিত্তীয় স্বাৰ্থই চৰকাৰক সংঘাতৰ দিশত যাবলৈ বাধ্য কৰিব নোৱাৰে। আনকি কেৱল সাম্ৰাজ্যৰ দখলেই সমালোচকৰ দ্বাৰা শ্ৰমিক শ্ৰেণীৰ জীৱন ধাৰণৰ মানদণ্ড উন্নত কৰিব পাৰে বুলি তেওঁৰ মতামতো সম্পূৰ্ণ শুদ্ধ নহয়। শেষত আন কিছুমান সমালোচকেও এই তত্ত্বটো ইউটোপিয়ান দৃষ্টিভংগী আৰু কার্ল মাক্সৰ শিক্ষাৰ উপযুক্ত পৰিৱৰ্তন নহয় বুলি উল্লেখ কৰিছিল।

লেনিনে কৈছিল "উদ্যোগৰ বিশাল বৃদ্ধি আৰু নিত্য বৃহৎ উদ্যোগত উৎপাদন দ্ৰুতভাৱে কেন্দ্ৰীভূত হোৱাটো পুঁজিবাদৰ অন্যতম গুৰুত্বপূৰ্ণ বৈশিষ্ট।"

একচেটিয়া পুঁজিবাদী সংঘ, কার্টেল, ছিণ্ডিকেট আৰু ট্ৰাষ্টে প্ৰথমে ঘৰুৱা বজাৰখন নিজৰ মাজতে ভাগ কৰি নিজৰ দেশৰ উদ্যোগটোৰ ওপৰত কম-বেছি পৰিমাণে সম্পূৰ্ণ দখল লাভ কৰিছিল। কিন্তু পুঁজিবাদৰ অধীনত ঘৰুৱা বজাৰখন বিদেশী বজাৰৰ সৈতে যুক্ত হৈ থাকে। পুঁজিবাদে বহু আগতেই এখন বিশ্ব বজাৰ সৃষ্টি কৰিছিল। পুঁজিৰ ৰপ্তানি বৃদ্ধি পোৱাৰ লগে লগে, আৰু বৃহৎ একচেটিয়া সংস্থাসমূহৰ বিদেশী আৰু ঔপনিৱেশিক সংযোগ আৰু "প্ৰভাৱৰ ক্ষেত্ৰ" সকলো দিশতে সম্প্ৰসাৰিত হোৱাৰ লগে লগে এই সংস্থাসমূহৰ মাজত আন্তঃৰাষ্ট্ৰীয় চুক্তিৰ দিশত, আৰু আন্তঃৰাষ্ট্ৰীয় কার্টেল গঠনৰ দিশত "স্বাভাৱিকভাৱে" কথাবোৰ আকৰ্ষিত হ'ল ।"

লেনিনে আৰু কয় "একচেটিয়া অধিকাৰ, অলিগার্চি, স্বাধীনতাৰ বাবে নহয়, আধিপত্যৰ বাবে কৰা চেষ্টা, মুষ্টিমেয় ধনী বা শক্তিশালী জাতিৰ দ্বাৰা ক্ৰমাৎ বৃদ্ধি পোৱা ক্ষুদ্ৰ বা দুৰ্বল জাতিৰ শোষণ-এই সকলোবোৰে সাম্ৰাজ্যবাদৰ সেই স্বকীয় বৈশিষ্টবোৰৰ জন্ম দিছে যিয়ে আমাক ইয়াক পৰজীৱী বা ক্ষয়িষ্ণু পুঁজিবাদ বুলি সংজ্ঞায়িত কৰিবলৈ বাধ্য কৰে। সাম্ৰাজ্যবাদৰ অন্যতম প্ৰৱণতা হিচাপে উত্থান ঘটে, "ভাড়াতীয়া ৰাষ্ট্ৰ"ৰ য'ত বুৰ্জোৱা শ্ৰেণীয়ে নিত্য বৃদ্ধি পোৱা মাত্ৰাত মূলধন ৰপ্তানিৰ উপাৰ্জনৰ ওপৰত আৰু "ক্লিপিং কুপন" কৰি জীৱন নিৰ্বাহ কৰে "। এই ক্ষয়ৰ প্ৰৱণতাই পুঁজিবাদৰ দ্ৰুত বৃদ্ধিত বাধা দিয়ে বুলি বিশ্বাস কৰাটো ভুল হ'ব। নহয়। সাম্ৰাজ্যবাদৰ যুগত উদ্যোগৰ কিছুমান বিশেষ শাখা, বুৰ্জোৱা শ্ৰেণীৰ কিছুমান স্তৰ আৰু কিছুমান দেশে কম-বেছি পৰিমাণে এই প্ৰৱণতাক আওকাণ কৰে। সামগ্ৰিকভাৱে পুঁজিবাদ পূৰ্বতকৈ বহু বেছি দ্ৰুতগতিত

বৃদ্ধি পাইছে; কিন্তু এই বৃদ্ধি কেৱল অসমান হৈ অহাই নহয়, ইয়াৰ অসমতা বিশেষকৈ পুঁজিৰ দিশৰপৰা আটাইতকৈ চহকী দেশসমূহৰ ব্ৰিটেইন ক্ষয়ত প্ৰকাশ পাইছে।

আমি সাম্ৰাজ্যবাদৰ এনে এটা সংজ্ঞা দিব লাগিব য'ত ইয়াৰ তলত দিয়া পাঁচটা মৌলিক বৈশিষ্ট অন্তৰ্ভুক্ত হোৱা উচিত -

- উৎপাদন আৰু পুঁজিৰ কেন্দ্ৰীভূতকৰণ ইমানেই উচ্চ পৰ্যায়লৈ বিকশিত হৈছে যে ই একচেটিয়া অধিকাৰৰ সৃষ্টি কৰিছে যিয়ে অৰ্থনৈতিক জীৱনত নিৰ্ণায়ক ভূমিকা পালন কৰে;
- ঔদ্যোগিক মূলধনৰ সৈতে বেংক মূলধনৰ একত্ৰীকৰণ, আৰু এই "বিত্ত পুঁজি"ৰ ভিত্তিত বিত্তীয় গোটৰ সৃষ্টি;
- পণ্যৰ ৰপ্তানিৰ পৰা পৃথকভাৱে মূলধনৰ ৰপ্তানিয়ে ব্যতিক্ৰমী গুৰুত্ব লাভ কৰে;
- আন্তৰ্জাতিক একচেটিয়া পুঁজিবাদী সংঘ গঠন যিয়ে পৃথিৱীখনক নিজৰ মাজতে ভাগ কৰি লয়, আৰু বৃহত্তম পুঁজিবাদী শক্তিসমূহৰ মাজত সমগ্ৰ বিশ্বৰ ভূখণ্ডীয় বিভাজন সম্পূৰ্ণ হয়।

গতিকে সাম্ৰাজ্যবাদ হৈছে বিকাশৰ সেই পৰ্যায়ৰ পুঁজিবাদ, য'ত একচেটিয়া আৰু বিত্তীয় পুঁজিৰ আধিপত্য প্ৰতিষ্ঠা হয়; য'ত মূলধনৰ ৰপ্তানিয়ে উচ্চ গুৰুত্ব লাভ কৰিছে; য'ত আন্তৰ্জাতিক সংস্থাসমূহৰ মাজত বিশ্বৰ বিভাজন আৰম্ভ হৈছে, য'ত বিশ্বৰ সকলো ভূখণ্ডৰ বৃহৎ পুঁজিবাদী শক্তিসমূহৰ মাজত বিভাজন সম্পূৰ্ণ হৈছে।"

লেনিনৰ মতে সেয়েহে সাম্ৰাজ্যবাদ হৈছে পুঁজিবাদৰ একচেটিয়া পৰ্যায় আৰু সাম্ৰাজ্যবাদৰ আটাইতকৈ গভীৰ অৰ্থনৈতিক ভেটি হৈছে একচেটিয়া অধিকাৰ।

(উৎস: https://www.marxists.org/archive/lenin/works/1916/imp-hsc/)



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৫ ঃ পুঁজিৰ নিয়ন্ত্ৰকৰো নিয়ন্ত্ৰক হ'বলৈ বেংকসমূহক পুঁজিপতিসকলৰ সৈতে একত্ৰীকৰণ কৰাৰ পৰিণতি সম্পৰ্কে এটি আলোচনা যুগুত কৰক।

প্ৰশ্ন নং ৬ ঃ লেনিনে কৰা উল্লেখ অনুসৰি সাম্ৰাজ্যবাদৰ প্ৰধান পাঁচটা বৈশিষ্ট কি কি?

৭.৫ বিপ্লৱৰ প্ৰসংগত লেনিন

লেনিনে সাম্যবাদ প্ৰতিষ্ঠা কৰিবলৈ হিংসাত্মক বিপ্লৱৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল। তেওঁ যুক্তি দিছিল যে, শোষিত শ্ৰেণীয়ে বুজিব লাগে যে তেওঁলোক শোষিত আৰু তেওঁলোকে পুৰণি পদ্ধতিৰে জীয়াই থাকিব নোৱাৰে আৰু সেয়েহে তেওঁলোকে বিপ্লৱৰ বাবে পৰিৱৰ্তনৰ দাবী কৰিব লাগে। তেওঁৰ মতে জাতীয় সংকট অবিহনে বিপ্লৱ অসম্ভৱ আৰু ইয়াৰ প্ৰভাৱ শোষিত আৰু শোষক উভয়ৰে ওপৰত পৰিব। শোষকসকলৰ গৰিষ্ঠসংখ্যকেই বিপ্লৱৰ প্ৰয়োজনীয়তাৰ

প্রতি পতিয়ন যোৱা উচিত আৰু লগতে নিজৰ প্ৰাণ আহুতি দিবলৈও সাজু হ'ব লাগে। লেনিনে আৰু কয় যে বিপ্লৱ অনাত কমিউনিষ্ট পার্টিয়ে উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰিব লাগে আৰু আনকি এই দলটোৱে সম্ভৱ হ'লে গোপনে বিপ্লৱত অংশগ্ৰহণ কৰিব লাগে বুলিও জো�ৰ দিছিল। ইয়াৰ বাবে আনকি লেনিনে তেওঁৰ কমিউনিষ্ট দলটো কেৱল পেছাদাৰী বিপ্লৱীৰে গঠন হোৱাটো বিচাৰিছিল। লেনিনৰ পেছাদাৰী বিপ্লৱৰ ধাৰণাটোক মাক্সবাদী দৰ্শনত লেনিনৰ অন্যতম গুৰুত্বপূৰ্ণ অৱদান হিচাপে গণ্য কৰা হয়। বিপ্লৱৰ কৌশলসমূহো অতি গুৰুত্বপূৰ্ণ বুলিও তেওঁ অন্তৰ্ভুক্ত কৰে।

পিছলৈ বিপ্লৱৰ সৃষ্টি হ'লেই লেনিনে ব্যক্তিগত উদ্যোগীসকলৰপৰা সামূহিক পদ্ধতিৰে উৎপাদন আৰু বিতৰণৰ মাধ্যমসমূহৰ ওপৰত দখল ল'বলৈ দ্ৰুত ব্যৱস্থা গ্ৰহণৰ পক্ষপাতী হৈছিল যাতে উৎপাদনৰ প্ৰতিযোগিতাত অপচয় কৰা শক্তিসমূহ গঠনমূলক উদ্দেশ্যত ব্যৱহাৰ কৰিব পৰা যায়। এইদৰে লেনিনে বিশ্বাস কৰিছিল যে যিবোৰ দেশত সুস্থ প্ৰতিনিধিত্বমূলক পৰম্পৰা নাই, সেইবোৰ দেশত বিপ্লৱ আনিব পৰা যাব।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৭ ঃ বিপ্লৱৰ সফলতাৰ বাবে লেনিনে কমিউনিষ্ট দলটো পেছাদাৰী বিপ্লৱীৰে গঠিত হ'ব লাগে বুলি কৈছিল। (শুদ্ধ/অশুদ্ধ)

প্ৰশ্ন নং ৮ ঃ লেনিনে ..... প্ৰতিষ্ঠা কৰিবলৈ .....ৰ ওপৰত যথেষ্ট গুৰুত্ব আৰোপ কৰিছিল। (খালী স্থান পূৰণ কৰক)



৭.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- জনপ্ৰিয়ভাৱে লেনিন নামেৰে পৰিচিত ভঞ্জলাদিমিৰ ইলিচ উলিয়ানভ শ্চৰজ্জ্বজ্ঞ্ঞ-ৰজ্মাচ্চছ্ৰগ্ন ৰাছিয়াৰ আধুনিক কমিউনিষ্ট দলৰ প্ৰতিষ্ঠাপক আছিল ।ৰজ্মৰজ্জনৰ ৰাছিয়ান বিপ্লৱৰ এজন সুপৰিচিত ব্যক্তি ।তেওঁ ৰাছিয়াত মাৰঞ্জক্সবাদক ব্যৱহাৰিক নীতি হিচাপে গঢ়ি তুলিছিল।
- তেওঁ আছিল এজন তত্ত্ববিদ আৰু কর্মৰ মানুহ। তেওঁৰ প্ৰশাসনৰ অধীনতেই ৰাছিয়া আৰু বহল ছোভিয়েট ইউনিয়নে ৰাছিয়ান কমিউনিষ্ট পার্টিৰ অধীনত একদলীয় সমাজবাদী ৰাষ্ট্ৰলৈ ৰূপান্তৰিত হৈছিল। সেয়েহে লেনিন মতাদৰ্শগতভাৱে মাক্সবাদী আছিল যদিও তেওঁ বিকশিত কৰা তত্ত্বসমূহক লেনিনবাদ বুলি জনা যায়।
- লেনিন আছিল মাক্সৰ শিষ্য। তেওঁ সদায় দাবী কৰিছিল যে তেওঁ মাক্সবাদক উদ্ধাৰৰ অভিযানত আছে যদিও এই প্ৰক্ৰিয়াত তেওঁ সাম্রাজ্যবাদৰ তত্ত্বৰ ব্যৱহাৰেৰে মাক্সবাদৰ ওপৰত অলপ পৰিৱৰ্তন কৰিছিল আৰু ইয়াৰ সিদ্ধান্তসমূহ মাক্সবাদী ধাৰণাটোৰ বিপৰীত

আছিল।

- সময়ৰ প্ৰয়োজন অনুসৰি মাৰ্ক্সবাদক বাস্তৱত খাপ খুৱাই লৈছিল আৰু ঔদ্যোগিকভাৱেও উন্নত নোহোৱা দেশতো ইয়াক প্ৰযোজ্য কৰি তুলিছিল। মুঠতে লেনিনে মাৰ্ক্সবাদক শেহতীয়া কৰি তুলিছে আৰু তেওঁৰ সময়ৰ শেহতীয়া উন্নয়নৰ পোহৰত মাৱঞ্জৰ্ক্সবাদৰ সংশোধন কৰা বুলি কোৱা হয়।
- এইদৰে সাম্যবাদৰ বৰ্তমানৰ দৰ্শনক মাৰ্ক্সবাদ-লেনিনবাদ অৰ্থাৎ মাৰ্ক্সবাদৰ সংশোধিত সংস্কৰণ বুলি জনা যায়।
- লেনিনৰ কিছুমান গ্ৰন্থ হ'লঃ ৰাষ্ট্ৰ আৰু বিপ্লৱ, সাম্ৰাজ্যবাদ- পুঁজিবাদৰ সৰ্বোচ্চ পৰ্যায়, আৰু মাৰ্ক্স, এংগেলছ, আৰু মাৰ্ক্সবাদৰ পৰিচয়, কেইটামান নাম ল'ব পাৰি।
- সাম্ৰাজ্যবাদৰ ওপৰত লেনিনৰ মতামত, সাম্ৰাজ্যবাদ: পুঁজিবাদৰ সৰ্বোচ্চ পৰ্যায় নামেৰে নামাকৰণ কৰা তেওঁৰ সুপৰিচিত গ্ৰন্থখনত উল্লেখ কৰা হৈছে। তেওঁ সাম্ৰাজ্যবাদক পুঁজিবাদৰ সৰ্বোচ্চ পৰ্যায় বুলি গণ্য কৰিছিল। লেনিনে যুক্তি দিছিল যে উন্নত ঔদ্যোগিক দেশসমূহৰ মধ্যবিত্ত শ্ৰেণী আৰু শ্ৰমিকসকলে সাম্ৰাজ্য সৃষ্টিৰ বাবে মাৰ্ক্সে ভৱিষ্যদ্বাণী কৰা ধৰণে শ্ৰমিকৰ দুৰ্দশা ৰক্ষা কৰিব পৰা গ'লহেঁতেন।
- কিন্তু কাৰ্যক্ষেত্ৰত ঔপনিৱেশিক শক্তিৰ অধীনত থকা ভূখণ্ডৰ জনসাধাৰণে শোষণৰ বলি হৈছিল আৰু প্ৰকৃত সৰ্বহাৰা হৈ পৰিছিল আৰু ঔপনিৱেশিক শক্তিৰ জনসাধাৰণ পুঁজিপতি হৈ পৰিছিল। গতিকে মাৰ্ক্সৰ শিক্ষা আৰু ভৱিষ্যদ্বাণী পূৰণ কৰাৰ বাহিৰে আন কোনো উপায় নাই।
- লেনিনে কৈছে যে, একচেটিয়া পুঁজিবাদ বিত্তীয় পুঁজিবাদত পৰিণত হয় কাৰণ বিত্তীয় জগততো একে প্ৰক্ৰিয়া চলি থাকে।
- পুঁজিপতিজনে ব্যৱহাৰ কৰা বেংকসমূহে ইয়াৰ সৈতে মিলি পুঁজিৰ মালিক হৈ পৰে আৰু ইয়াৰ পৰিণতি হ'ল-

  ইয়াৰ ফলত উপনিবেশসমূহৰ জনসাধাৰণৰ শোষণ হয় । ইয়াৰ বজাৰসমূহৰ মাজত প্ৰতিযোগিতাৰ বাবে জাতিসমূহৰ মাজত সংঘাতৰ সৃষ্টি কৰে আৰু ই নতুন বিশ্বব্যৱস্থা স্থাপন কৰে আৰু পুঁজিবাদৰ অন্ত আৰু জাতিসমূহৰ মাজত শ্ৰেণীযুদ্ধ অনিবাৰ্য।
- গতিকে লেনিনৰ বাবে সাম্ৰাজ্যবাদ হৈছে পুঁজিবাদৰ সৰ্বোচ্চ পৰ্যায় আৰু এই পৰ্যায়ত একচেটিয়া আৰু বিত্তীয় পুঁজি দুয়োটাৰে আধিপত্যই নিজৰ আকৃতি লয় আৰু ইয়াত কেইবাটাও বৈপৰীত্য সন্নিবিষ্ট কৰা হয় যাৰ ফলত শেষত নিজৰ ধ্বংসাৱশেষ হয় আৰু সমাজবাদে প্ৰতিষ্ঠা কৰে।
- লেনিনে হিংসাত্মক বিপ্লৱৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল, সাম্যবাদ প্ৰতিষ্ঠা কৰিবলৈ। তেওঁ যুক্তি দিছিল যে, শোষিত শ্ৰেণীয়ে বুজিব লাগে যে তেওঁলোক শোষিত আৰু তেওঁলোকে পুৰণি পদ্ধতিৰে জীয়াই থাকিব নোৱাৰে গতিকে তেওঁলোকে বিপ্লৱৰ বাবে পৰিৱৰ্তনৰ দাবী কৰিব লাগে।

- তেওঁৰ মতে জাতীয় সংকট অবিহনে বিপ্লৱ অসম্ভৱ আৰু ই শোষিত আৰু শোষক উভয়কে প্ৰভাৱিত কৰিব। শোষকসকলৰ গৰিষ্ঠসংখ্যকেই বিপ্লৱৰ প্ৰয়োজনীয়তাৰ প্ৰতি পতিয়ন যোৱা উচিত আৰু লগতে নিজৰ প্ৰাণ আহুতি দিবলৈও সাজু হ'ব লাগে।
- লেনিনে আৰু কয় যে বিপ্লৱ অনাত কমিউনিষ্ট পাৰ্টিয়ে উল্লেখযোগ্য ভূমিকা ল'ব লাগে আৰু আনকি সম্ভৱ হ'লে তেওঁৰ দলটোৱে গোপনে বিপ্লৱত অংশগ্ৰহণ কৰিব লাগে বুলিও জোৰ দিছিল আৰু ইয়াৰ বাবে লেনিনে পছন্দ কৰিছিল যে তেওঁৰ কমিউনিষ্ট দলটো কেৱল পেছাদাৰী বিপ্লৱীৰে গঠিত হওক।
- লেনিনৰ পেছাদাৰী বিপ্লৱৰ ধাৰণাটোক মাৰঞ্জক্সবাদী দৰ্শনত লেনিনৰ অন্যতম গুৰুত্বপূৰ্ণ অৱদান হিচাপে গণ্য কৰা হয়। বিপ্লৱৰ কৌশলসমূহো অতি গুৰুত্বপূৰ্ণ বুলিও তেওঁ অন্তৰ্ভুক্ত কৰে।
- পিছলৈ বিপ্লৱৰ সৃষ্টি হ'লেই লেনিনে ব্যক্তিগত উদ্যোগীসকলৰ পৰা সামূহিক পদ্ধতিৰে উৎপাদন আৰু বিতৰণৰ মাধ্যমসমূহৰ ওপৰত দখল লোৱাৰ বাবে দ্ৰুত ব্যৱস্থা গ্ৰহণৰ পক্ষপাতী হৈছিল যাতে প্ৰতিযোগিতাত অপচয় কৰা শক্তিসমূহ গঠনমূলক উদ্দেশ্যত ব্যৱহাৰ কৰিব পৰা যায়।
- এইদৰে লেনিনে বিশ্বাস কৰিছিল যে যিবোৰ দেশত সুস্থ প্ৰতিনিধিত্বমূলক পৰম্পৰা নাই, সেইবোৰ দেশত বিপ্লৱ আনিব পাৰি।



৭.৭ অধিক জানিবলৈ

১) Baylis John and Smith Steve (2005).The Globalization of World Politics. USA. Oxford University Press

২) Callinicos Alex (2009) . Imperialism and Global Political Economy. Cambridge. Polity Press.

৩) Hill Christopher (1971). Lenin and the Russian Revolution. London. Penguin Books.

৪) Lenin V.I. (1905). Freedom to Criticize and Unity of Action in Lenin Collected Works, 1965. Moscow. Progress Publishers.

৫) Paul Bowles (2007). Capitalism. London. Pearson Publications.



৭.৮ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ এপ্ৰিল ২২, ১৮৭০

২ নং প্ৰশ্নৰ উত্তৰ ঃ লেনিনবাদ

৩ নং প্ৰশ্নৰ উত্তৰ ঃ "State and Revolution", "Imperialism- the Highest Stage of Capitalism", and "Introduction to Marx, Engels, Marxism", "The Right of Nations to Self-Determination"

৪ নং প্ৰশ্নৰ উত্তৰ ঃ শুদ্ধ

৫ নং প্ৰশ্নৰ উত্তৰ ঃ পুঁজিপতিজনে ব্যৱহাৰ কৰা বেংকবোৰে ইয়াৰ লগত মিলি পুঁজিৰ মালিক হৈ পৰে আৰু এইবোৰৰ পৰিণতি হ'ল-

ইয়াৰ ফলত উপনিবেশৰ মানুহৰ শোষণ হয় বজাৰৰ মাজত হোৱা প্ৰতিযোগিতাৰ বাবে ই জাতিসমূহৰ মাজত সংঘাতৰ সৃষ্টি কৰে ই এক নতুন বিশ্বব্যৱস্থা প্ৰতিষ্ঠা কৰে আৰু পুঁজিবাদ আৰু জাতিসমূহৰ মাজত শ্ৰেণীযুদ্ধৰ অন্ত পৰাটো অনিবাৰ্য।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ উৎপাদন আৰু পুঁজিৰ কেন্দ্ৰীভূতকৰণ ইমানেই উচ্চ পৰ্যায়লৈ বিকশিত হৈছে যে ই একচেটিয়া অধিকাৰৰ সৃষ্টি কৰিছে যিয়ে অৰ্থনৈতিক জীৱনত নিৰ্ণায়ক ভূমিকা পালন কৰে; ঔদ্যোগিক মূলধনৰ সৈতে বেংক মূলধনৰ একত্ৰীকৰণ, আৰু এই "বিত্ত পুঁজি"ৰ ভিত্তিত বিত্তীয় গোটৰ সৃষ্টি; পণ্যৰ ৰপ্তানিৰ পৰা পৃথকভাৱে মূলধনৰ ৰপ্তানিয়ে ব্যতিক্ৰমী গুৰুত্ব লাভ কৰে; আন্তৰ্জাতিক একচেটিয়া পুঁজিবাদী সংঘ গঠন যিয়ে পৃথিৱীখনক নিজৰ মাজতে ভাগ কৰি লয়, আৰু বৃহত্তম পুঁজিবাদী শক্তিসমূহৰ মাজত সমগ্ৰ বিশ্বৰ ভূখণ্ডীয় বিভাজন সম্পূৰ্ণ হয়।

৭ নং প্ৰশ্নৰ উত্তৰ ঃ শুদ্ধ।

৮ নং প্ৰশ্নৰ উত্তৰ ঃ সাম্যবাদ, বিপ্লৱ।



৭.৯ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ ভি আই লেনিন কোন?

প্ৰশ্ন ২ ঃ লেনিনৰ জন্ম ক'ত হৈছিল?

প্ৰশ্ন ৩ ঃ লেনিনৰ যিকোনো দুখন গ্ৰন্থৰ নাম লিখক।

প্ৰশ্ন ৪ ঃ সাম্ৰাজ্যবাদ সম্পৰ্কত লেনিনৰ দৃষ্টিভংগী আলোচনা কৰক।

প্ৰশ্ন ৫ ঃ বিপ্লৱ সম্পৰ্কত লেনিনৰ দৃষ্টিভংগী আলোচনা কৰক।

*** ***** ***

অধ্যায় ৮ ঃ নতুন গণতন্ত্র আৰু সাংস্কৃতিক বিপ্লৱ ঃ মাও জেডং

অধ্যায় গাঁথনি

৮.১ উদ্দেশ্য
৮.২ পৰিচয়
৮.৩ নতুন গণতন্ত্র আৰু সাংস্কৃতিক বিপ্লৱ ঃ মাও
৮.৩.১ নতুন গণতন্ত্র
৮.৩.২ সাংস্কৃতিক বিপ্লৱ
৮.৪ এশ ফুলৰ নীতি
৮.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৮.৬ অধিক জানিবলৈ
৮.৭ অগ্রগতিৰ খতিয়ান
৮.৯ আৰ্হি প্রশ্ন

৮.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- মাওৰ নতুন গণতন্ত্র আৰু সাংস্কৃতিক বিপ্লৱৰ বিষয়ে আলোচনা কৰিব পাৰিব
- মাওৰ "এশ ফুলৰ নীতি"ৰ বিষয়ে জানিব পাৰিব।

৮.২ পৰিচয়

মার্ক্সবাদ আৰু লেনিনবাদৰ দৰে মাওবাদো বিংশ শতিকাৰ আটাইতকৈ বিতর্কিত বিষয়সমূহৰ ভিতৰত অন্যতম আছিল। মাওবাদ হৈছে মাও জেডংৰ দ্বাৰা আগবঢ়োৱা শিক্ষা আৰু আদর্শ। তেওঁ মাও চে টুং নামেৰে জনা যায়। ১৯৪৮ চনৰ ১ অক্টোৱৰত মাও জেডেংয়ে গণতান্ত্রিক চীনৰ ভেটি স্থাপনৰ ঘোষনা কৰে। PRC হৈছে চীনৰ কমিউনিষ্ট পার্টিৰ দ্বাৰা নিয়ন্ত্রিত এখন এক দলীয় ৰাষ্ট্র। পৰবর্তী সময়ত মাওৱে ভূমি সংস্কাৰৰ কার্যসূচী হাতত লৈছিল আৰু ৰাজ্যখনৰ শত্রু বুলি গণ্য কৰা সকলো "প্রতি বিপ্লৱীক" দমন কৰিছিল। তেওঁৰ কেইখনমান উল্লেখযোগ্য কিতাপ হ'ল "On Contradiction" "On New Democracy" আদি। মার্ক্সবাদ আৰু মাও মাজৰ পার্থক্য হ'ল যে মাওৱে কয় যে কৃষকসকল বিপ্লৱী শ্রেণী হোৱা উচিত, কেৱল কাম কৰা লোক হোৱাৰ পৰিবর্তে।

৮.৩ নতুন গণতন্ত্র আৰু সাংস্কৃতিক বিপ্লৱ

মাওৰ দৰে কালমার্ক্স আৰু লেনিলেও পুঁজিবাদৰ বিৰোধিতা কৰিছিল। প্রথমতে মাওৰ

দৃষ্টিভংগী আছিল যে দুটা পৰস্পৰ বিৰোধী আদর্শ পুঁজিবাদ আৰু সমাজবাদৰ মাজৰ হিংসাত্মক সংগ্রাম অনিবার্য। কিন্তু পিছলৈ মাওৱে ভাবিলে যে সমাজত এই আদর্শগত সংগ্রাম নহোৱা কৰিব পৰা যাব আৰু সময় পৰিবর্তনৰ লগত ইয়াৰো পৰিবর্তন হ'ব। সেয়েহে পুঁজিবাদৰ বিৰোধিতাৰ প্রতি মাওৰ এক মননীয় মনোভাৱ আছিল। তেওঁ জনসাধাৰণৰ যুদ্ধৰ দৃষ্টিভংগী দাঙি ধৰিছিল আৰু লগতে কৈছিল যে নগৰীয়া শ্রমিক বিপ্লৱৰ পৰিবর্তে চানত গ্রাম্য কৃষকসকলে বিপ্লৱৰ নেতৃত্ব প্রদান কৰিব। তেওঁ বিপ্লৱৰৰ আধাৰত চৰিত্রত বিশ্বাস কৰিছিল।

৮.৩.১ নতুন গণতন্ত্র

মাওই চীনত নতুন গণতন্ত্রৰ ধাৰণা প্রতিস্থিত কৰিব বিছাৰিছিল। তেওঁ কয় যে "চীনত সামন্তবাদে জনসাধাৰণৰ আস্থা জয় কৰিব পাৰে আৰু সাম্রাজ্যবাদৰ অৱসান ঘটাব পাৰে। আৰু যিয়ে জনসাধাৰণক জাপানৰ সাম্রাজ্যবাদ অৱসান কৰাত পৰিচালিত কৰিব পাৰে তেওঁৱে চীনৰ জনগণৰ বাবে ৰক্ষক হিচাপে পৰিগণিত হ'ব। ইতিহাসে প্রমাণ কৰে যে চীনৰ বুজোৱাসকলে এই দায়িত্ব পালন কৰিব নোৱাৰে, যিটো স্বাভাৱিক ভাৱে শ্রমিক শ্রেণীৰ দায়িত্ব হৈ পৰে"।

সেয়েহে শ্রমিক শ্রেণী, কৃষক শ্রেণী, বুদ্ধিজীৱী আৰু ক্ষুদ্র থলুৱা শ্রেমীৰ অন্যান্য অংশই নিঃসন্দেহে চীনৰ ভাগ্য নির্ধাৰণ কৰা মৌলিক শক্তি গঠন কৰে। এই শ্রেণীবোৰৰ কিছুমান ইতিমধ্যে জাগ্রত হৈছে আৰু আনবোৰো জাগ্রত হোৱাৰ দিশত। চীনৰ গণতান্ত্রিক চৰকাৰী গাঁথনিত শ্রমিক শ্রেণী হৈছে এক আগশাৰীৰ শক্তি। চীনৰ নতুন গণতান্ত্রিক ব্যৱস্থাই শ্রমিক শ্রেণীৰ নেতৃত্বত সকলো সাম্রাজ্যবাদ বিৰোধী আৰু সামন্তবাদ বিৰোধী জনসাধাৰণৰ যৌথ একনায়কত্বৰ অধিনত এখন গণতান্তিক গণৰাজ্য প্রতিষ্ঠা কৰাৰ কথা কয়।

চানৰ নতুন গণতান্ত্রিক গণৰাজ্য বুজোৱা একনায়কত্বৰ অধীনত পুৰণি ইউৰোপীয় আমেৰিকান পুঁজিবাদী গণৰাজ্যৰ পৰা পৃথক হ'ব। আন্যহাতে চীনৰ এই নতুন ব্যৱস্থাটো ছেভিয়েটত ইতিমধ্যে বিকশিত হৈ থাক শ্রমিক শ্রেণীৰ একনায়কত্বৰ অধীনত থকা সমাজতান্তিক গণৰাজ্যৰ পৰাও পৃথক হ'ব আৰু সকলো পুদ্ধজিবাদী ধেসত প্রতিষ্ঠিত হ'ব আৰু সকলো উদ্যোগিকভাৱে উন্নত দেশৰ ৰাষ্ট্র আৰু চৰকাৰী গাঁথনিৰ প্রভাৱশালী ৰূপ হব। অৱশ্যে এখ নির্দিষ্ট ঐতিহাসিক সময়ৰ বাবে, এই ৰূপটো ঔপনিৱেশিক দেশসমূহৰ বিপ্লৱৰ লবাবে উপযুক্ত নহয়। ই এক নির্দিষ্ট ঐতিহাসিক সময়ৰ সৈতে খাপ খায়।

এইদৰে ৰাষ্ট্র বাৱস্থাবোৰত তেওঁলোকৰ ৰাজনৈতিক শক্তিৰ শ্রেণী অনুসৰি তিনিটা মৌলিক প্রকাৰত ভাগ কৰিব পাৰি। (১) বুজোৱা একনাকত্বৰ অধীনত গণৰাজ্য, (২) শ্রমিক শ্রেণীৰ একনায়কত্বৰ অধীনত গণৰাজ্য, (৩) কেইবাটাও বিপ্লৱী শ্রেণীৰ যুটীয়া একনায়কত্বৰ অধীনৰ গণৰাজ্য।

মাওৱে যি নতুন গণতন্ত্ৰৰ কথা কৈছে সেয়া হৈছে সকলো বিপ্লৱী শ্ৰেণীৰ এক যৌথ একনায়কত্ব আৰু এই ৰাষ্ট্ৰ ব্যৱস্থাত চৰকাৰ ব্যৱস্থা হৈছে গণতান্ত্ৰিক কেন্দ্ৰীয়বাদ।

মাওৱে শ্ৰমিক শ্ৰেণী, কৃষক শ্ৰেণী, পেটি বুৰ্জোৱা আৰু ৰাষ্ট্ৰীয় বুৰ্জোৱা নামৰ চাৰিটা ভিন্ন শ্ৰেণী শান্তিত বাস কৰাটো বিছাৰিল আৰু বিশ্বাস কৰিছিল যে এই ভিন্ন শ্ৰেণীৰ বিভিন্ন প্ৰজনীয়তাই ইজনে সিজনৰ সৈতে সংঘাতৰ সৃষ্টি কৰাচো প্ৰায়োজনীয় নহয়।

৮.৩.২ সাংস্কৃতিক বিপ্লৱ

১৯৬৬ চনত মাওৱে সাংস্কৃতিক বিপ্লন আৰম্ভ কৰিছিল যাক সম্পূৰ্ণৰূপে মহান শ্ৰমিক সাংস্কৃতিক কিবপ্লন বুলি জনা যায়। কমিউনিষ্ট দলৰ ওপৰত নিজৰ নিয়ন্ত্ৰণ পুনৰ স্থাপন কৰিবলৈ এইটো তেওঁৰ এক ৰাজনৈতিক সামাজিক আন্দোলন আছিল। এই ক্ষেত্ৰত মাওৱে দেশৰ বিদ্যালয়সমূহ বন্ধ কৰি সকলো যুৱক-যুৱতীৰ ব্যাপকভাৱে একত্ৰিত কৰাৰ আহ্বান জনাইছিল। মাওৱে কমিউনিষ্ট পাৰ্টিৰ সৈই নেতাসকলক শাস্তি দিবলৈ চেষ্টা কৰিছিল যিসকলে বুৰ্জোৱা মূল্যবোধ গ্ৰহণ কৰিছিল আৰু বিপ্লৱী মনোভাৱ তেওঁলোকৰ নাছিল। অতি সোনকালেই এই আন্দোলনে গতি লাভ কৰে আৰু শিক্ষাৰ্থীসকলে ৰেড গাৰ্ড নামৰ অৰ্ধসামৰিক গোট গঠন কৰে। এইটোৰ দ্বাৰা কমিউনিষ্ট বিপ্লৱক পুনৰ জীৱিত কৰাৰ এক উপায় আছিল। আৰু কমিউনিষ্ট চিন্তাধাৰা অনুসৰণ নকৰা সমাজৰ বহু বুদ্ধিজীৱীক অত্যাচাৰ কৰা হৈছিল। মাওৱে এই বিপ্লৱত জনসাধাৰণৰ অংশগ্ৰহণ আৰু ভূমিকা গ্ৰহণ কৰাটো বিছাৰিছিল। এই প্ৰক্ৰিয়াত, ১৯৬৭৬ চনত মাওৱে পিপলছ লিবাৰেশ্যন আৰ্মীৰ সদস্যসকলকে ধৰি বিপ্লৱী সমিতিও গঠন কৰিছিল। যিসকলে পিছলৈ ৰাজ্যখনৰ লগতে নিৰ্দিষ্ট অঞ্চলসমূহত দলৰ ক্ষমতাও দখল কৰিছিল।

মাওৱে ১৮৬৮ চনত সাংস্কৃতিক বিপ্লৱৰ অন্ত পৰা বুলি ঘোষণা কৰিছিল। গেং অৱ ফোৰ (Gang of Four) (চীনৰ কমিউনিষ্ট পাৰ্টিৰ জ্যেষ্ঠ্য নেতা যাৰ বিৰুদ্ধে ৰাষ্ট্ৰদ্রোহৰ অভিযোগ উত্থাপন কৰা হৈছিল) আৰু সামৰিক জেনেৰেল লিন বিয়াওক দুচা প্ৰধান প্ৰতি বিপ্লৱী শক্তি হিচাপে চিহ্নিত ককৰা হৈছিল। মাওৰ মৃত্যু আৰু তাৰ পিছত ১৯৭৬ চনত গেং অৱ ফোৰ (Gang of Four) ৰ সদস্যসকলক প্ৰেপ্তাৰ কৰাৰ পিচত সাংস্কৃতিক বিপ্লৱৰ অন্ত পৰিছিল।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ মাওৰ দ্বাৰা চিনাক্ত কৰা বিশ্বৰ অসংখ্য প্ৰকাৰৰ ৰাষ্টৰ ব্যৱস্থা কি কি?

প্ৰশ্ন নং ২ ঃ সাংস্কৃতিক বিপ্লৱৰ বিষয়ে চমুকৈ লিখক।

৮.৪ মাওৰ এশ ফুলৰ নীতি

চানৰ সাংস্কৃতিক বিপ্লৱৰ সময়ছোৱাত মাওয়ে এই শত মুল নীতিৰ পোষকতা কৰিছিল। তেওঁৰ অভিমত আছিল যে এখন ৰাজ্য বা সমাজত কেৱল এটা আদর্শ থাকিব লাগে বুলি ভবাটো ভুল। শত ফুল নীতিৰ অর্থ হৈছে যে সকলো শ্রেণী, স্তৰ আৰু মানুহৰ গোটৰ মতামত বিবেচনা কৰা উচিত। সেয়েহে চীনত প্রত্যেকৰে চিন্তাধাৰা বা দৃষ্টিভংগী এটা ফুলৰ দৰে আছিল আৰু প্রতিটো ফুল গুৰুত্বপূর্ণ আৰু একেলগে এইবোৰ এশটা ফলৰ দৰে আৰু সেইবোৰক বাঢ়িবলৈ আৰু ফুলিবলৈ অনুমতি দিয়া উচিত।

মাওৰ শত ফুল নীতি হৈছে মুক্ত অভিব্যক্তিৰ নীতিৰ প্রতিফলন। সেয়েহে মাওয়ে এই নীতিৰ জৰিয়তে জনসাধাৰণৰ ভূমিকা উন্নত কৰিব বিছাৰিছিল আৰু আদর্শগত বিষয়ক বলপূর্বক ব্যহাৰ কৰিব নালাগে বুলি গুৰুত্ব আৰোপ কৰিছিল। ইয়াৰ পৰিবর্তে কেৱল প্রেৰণাৰ ব্যৱহাৰ কৰিব লাগে। অৱশ্যে ইয়াৰ অন্তর্নিহিত নীতি হ'ব মার্ক্সবাদ।

মাওয়ে কয় "আমি এক বৃহৎ সামাজিক পৰিবর্তনৰ সময়ছোৱাত বাস কৰিছো। চীন সমাজ দীর্ঘদিন ধৰি বৃহৎ পৰিবর্তনৰ মাজত আছে। জাপানৰ বিৰুদ্ধে প্রতিৰোধৰ যুদ্ধ এটা বৃহৎ পৰিবর্তনৰ সময় আছিল আৰু মুক্তিৰ যুদ্ধৰ আন এটা সময় আছিল। কিন্তু বর্তমানৰ পৰিবর্তনবোৰ পূর্বৰ পৰিবর্তমবোৰতকৈ অধিক গভীৰ। আমি এতিয়া সমাজবাদ গঢ়ি তুলিছো। সমাজতান্ত্রিক পৰিবর্তনৰ আন্দোলনত লাখ লাখ মানুহে অংশগ্রহণ কৰিছে। সমগ্র দেশতে শ্রেণী সম্পর্ক সলনি হৈ আছে। কৃষি আৰু হস্তশিল্পৰ ক্ষেত্রত ক্ষুদ্র বুর্জোৱাসকল আৰু উদ্দোগ বাণিজ্যৰ ক্ষেত্রত বুর্জোৱাসকল দুয়োটাই পৰিবর্তনৰ অভিজ্ঞতা লাভ কৰিছে। লগতে সামাজিক আৰু অর্থনৈতিক ব্যৱস্থা সলনি হৈছে, ব্যক্তিগত অর্থনীতি সামূহিক অর্থনীতিলৈ ৰূপান্তৰিত হৈছে, আৰু পুঁজিবাদী ব্যক্তিগত মালিকানা সমাজবাদী ৰাজহুৱা মালিকী স্বত্বলৈ ৰূপান্তৰিত হৈছে। এনে পৰিমাণৰ পৰিবর্তন নিশ্চিতভানে মানুহৰ মনত প্রতিফলিত হয়। মানুহৰ সামাজিক সত্বাই তেওঁৰ চেতনা নির্ধাৰণ কৰে। আমাৰ সামাজিক ব্যৱস্থাৰ এই মহান পৰিবর্তনবোৰ বিভিন্ন শ্রেণী, স্তৰ আৰু সামাজিক গোটৰ লোকলকলৰ মাজত বেলেগ বেলেগ ধৰণে প্রতিফলিত হয়। আৰু জনসাধাৰণে আগ্রহেৰে পৰিবর্তনবোৰক সমর্থন কৰে কিয়োনো এইটো নিশ্চিত যে চীনৰ বাবে সমাজবাদ হৈছে একমাত্র উপায়। পুৰণি সামাজিক ব্যৱস্থক পৰাস্ত কৰিক নতুন সমাজবাদ ব্যস্থা স্থাপন কৰাৰ অর্থ হৈছে এখ বৃহৎ সংগ্রাম, সমাজ ব্যৱস্থা ড্রৱ ইজনে সিজনৰ সৈতে মানুহৰ সম্পর্বত এক বৃহৎ পৰিবর্তন। নতুন সামাজিক ব্যৱস্থাটো অতি নতুন আৰু ইয়াৰ একত্রীকৰণৰ বাবে সময়ৰ প্রয়োজন।

এইটো ধাৰণা কৰা উচিত নহয় যে নতুন ব্যৱস্থাটো প্রতিষ্ঠা হোৱাৰ লগে লগে সম্পূর্ণৰূপে এখত্রিত কৰিব পাৰি। ইয়াক পর্য্যায়ক্রমে এখত্রিত কৰিব লাগিব। ইয়াৰ চূড়ান্ত অকত্রীকৰণ প্রাপ্ত কৰিবলৈ, কেৱল দেশখনৰ সমাজবাদী ঔদ্যোগিকৰণ আৰু অর্থনৈতিক দিশত সমাজবাদী বিপ্লৱত অধ্যাসায় কৰাটোৱেই নহয়, ৰাজনৈতিক আৰু আদর্শগত দিশত নিৰন্তৰ আৰু কঠিন সমাজবাদী

বিপ্লৱী সংগ্রাম আৰু সমাজবাদী সিক্ষা অব্যাহত ৰখাটোও প্রয়োজনীয়।"

মাওয়ে আৰু কয় যে "চীনত থকা বুদ্ধিজীৱী সংখ্যাৰ কোনো সঠিক পৰিসংখ্যা উপলব্ধ নহয়। অনুমান কৰা হৈছে যে উচ্চ আৰু সাধাৰণ উভয় বুদ্ধিজীৱীকে ধৰি সকলো ধৰণৰ প্রায় পাঁচ নিযুত লোক আছে। এই পাঁচ নিযুতৰ ভিতৰত অধিকাংশই দেশ প্রেমিক, গণপ্রজাতন্ত্রক সমর্থন জনায় আৰু সমাজবাদী ৰাষ্ট্রৰ সেৱা কৰিবলৈ ইচ্ছুক। কিন্তু এক সৰু সংখ্যাৰ ব্যক্তিয়ে সমাজবাদী ব্যৱস্থাটোক সম্পূর্ণৰূপে আদৰণি জনোৱা নাই। তেওঁলোকে শ্রমিক শ্রেণীৰ একনায়কত্ব পচন্দ নকৰে। কমিউনিষ্ট পার্টিক উৎখাত কৰি পুৰণি চীনক পুনৰুদ্ধাৰ কৰাৰ চেষ্টা কৰিব। এনে ব্যক্তিসকল ৰাজনীতি, বাণিজ্য, শৈক্ষিত, সাংস্কৃজ্ঞিক, বিজ্ঞান প্রযুক্তিৰ লগচ জড়িত আৰু তেওঁলোক অত্যন্ত প্রতিক্রিয়াশীল।"

মাওৰ মতে — "সংখ্যগৰিষ্ঠ লোকে মার্ক্সবাদ অধ্যয়ন কৰাৰ ইচ্ছা আছে আৰু তেওঁলোক ইতিমধ্যে কিছু আয়ত্ত কৰিছে। কিন্তু তেওঁলোকৰ মাজৰ কিছুমানৰ স্থিতি এতিয়াও নিশ্চিত নহয় বা তেওঁলেক মার্ক্সবাদৰ প্রতি সম্পূর্ণৰূপে দৃঢ় হ'ব পৰা নাই। মার্ক্সবাদ বিৰোধিতা কৰা সকলৰ সংখ্যা অতি কম। কিছুমানে প্রকৃততে মার্ক্সবাদৰ প্রতি দ্বিমত আছে যদিও তেওঁলেকে মুকলিকৈ ইয়াক প্রকাশনকৰে। ইয়াৰ মাজত কিছুমান আদর্শবাদী লোক আছে যিয়ে মার্ক্সবাদৰ সার্বজনীন দৃষ্টিভংগীক সমর্থন নকৰে। আৰু তেনে লোকক মার্ক্সবাদ দৃষ্টিভংগী গ্রহণ কৰিবলৈ বাধ্য কৰিব নোৱাৰি। সংক্ষেপে, পাঁচ নিযুত বুদ্ধিজীৱিৰ মাক্স;বাদৰ প্রতি থকা মনোভাটো তলত সংক্ষেপে উল্লেখ কৰিব পাৰি — যিসকলে মার্ক্সবাদ সমর্থন কৰে আৰু তুলনামূলকভাৱে ইয়াৰ সৈতে পৰিচিত তেওঁলোক সংখ্যলঘূ। যিসকলে ইয়াৰ বিৰোধিতা কৰে তেওঁলোকো সংখ্যলঘূ, আৰু সংখ্যাগৰিষ্ঠই মার্ক্সবাদক সমর্থন কৰে কিন্তু ইয়াৰ সৈতে পৰিচিত নহয় আৰু ইয়াক বিভিন্ন ধৰণে সমর্থন কৰে। ইয়াত তিনিটা ভিন্ন ধৰনৰ স্থিতি আছে — দৃঢ়, বিচলিত আৰু বিৰোধী। আৰু এইটো স্বীকাৰ কৰিব লাগিব যে এই পৰিস্থিতি দীর্ঘদিন ধৰি অব্যাহত থাকিব এইক্ষেত্রত মার্ক্সবাদ প্রচাৰ কৰাটো প্রয়োজনীয় হৈ পৰে। এইটো লাহে লাহে কৰিব লাগিব যাতে মানুহে স্বেচ্ছাই ইয়াক গ্রহণ কৰে। আমি মানুহক মার্ক্সবাদ গ্রহণ কৰিবলৈ বাধ্য কৰিব নোৱাৰো, আমি কেৱল তেওঁলোকক প্রোণদিত কৰিব পাৰো। বিভিন্ন পঞ্চবার্ষিকি পৰিকল্পনাৰ সময়ছোৱাত বুদ্ধিজীৱিসকলে মার্ক্সবাদ গ্রহণ কৰি তাক অনুশীলনৰ জৰিয়তে, শ্রেণী সংগ্রাম, উৎপাদন আৰু বৈজ্ঞানিক কার্য-কলাপৰ জৰিয়তে ইয়াক আলদৰে উপলব্ধি কৰিলে মার্ক্সবাদে যথেষ্ট সফলতা লাভ কৰিব।"

- মোস্কাই মত পোষণ কৰে যে অভিজাতসকল হ'ল সেই বুদ্ধিজীৱীসকল, যাৰ নৈতিক আৰু বস্তুগত শ্ৰেষ্ঠত্ব আছে। আনহাতে, মিচেলে অভিজাত্যবাদী শাসনক স্বাভাৱিক, প্ৰয়োজনীয় আৰু সুৰক্ষিত বুলি গণ্য কৰে কাৰণ জনসাধাৰণ শাসনৰ প্ৰতি উদাসীন।
- অভিজাত্যবাদী তত্ত্ববিদসকলে কিছুমান লোকৰ শাসনক এই ভিত্তিত ন্যায্যতা প্ৰদান কৰিছিল যে গণতান্ত্ৰিক প্ৰক্ৰিয়া পৰিচালনা কৰিবলৈ জনসাধাৰণ সুসজ্জিত নহয় আৰু ফলস্বৰূপে তেওঁলোকে দায়িত্বশীল নেতা হিচাপে কাম কৰিব নোৱাৰে।
- অভিজাত্যবাদী তত্ত্বক এই ভিত্তিত সমালোচনা কৰা হয় যে ই জনসাধাৰণৰ সামৰ্থ্য বাদ দিয়ে।
- ই প্ৰতিষ্ঠানিক দিশৰ ওপৰত আধাৰিত, গণতন্ত্ৰৰ আদৰ্শগত দিশৰ ওপৰত নহয়।
- অভিজাত্যবাদী তত্ত্বটোৱে ভুলকৈ এই দৃষ্টিভংগীৰ সমৰ্থন কৰে যে গণতন্ত্ৰৰ উদ্দেশ্য জনসাধাৰণৰ কল্যাণ আৰু উন্নয়ন নহয়।
- জনপ্ৰিয় সাৰ্বভৌমত্ব বিশ্বাসৰ প্ৰতিক্ৰিয়া হিচাপে, বিভিন্ন গোট আৰু সংগঠনৰ মাজত ক্ষমতাৰ বিভাজনক ন্যায্যতা প্ৰদান কৰি বহুত্ববাদৰ উদ্ভৱ হৈছিল।
- ফিগিছ, মেইটলেণ্ড, কোল, ডাহল আৰু চাৰ্টোৰি আদিৰ দৰে লেখকৰ দ্বাৰা বিকশিত, বহুত্ববাদ হৈছে এনে এক আৰ্হি য'ত ক্ষমতাৰ বাবে ইজনে সিজনৰ বিৰুদ্ধে প্ৰতিদ্বন্দ্বিতা হয়।
- এই ধাৰণাটো এই কথাৰ পৰা উদ্ভৱ হৈছিল যে সমাজৰ কল্যাণ আৰু উন্নয়ন কেৱল তেতিয়াহে সম্ভৱ যেতিয়া সংগঠনৰ স্বাধীনতা থাকে।
- বহুত্ববাদত সামূহিক প্ৰতিনিধিত্ব, সামূহিক ঐক্যমত্য, সংগঠিত গোটৰ জৰিয়তে ৰাজনীতি, বিকেন্দ্ৰীকৰণ আৰু ক্ষমতাৰ পৃথক্কৰণ, নীতি নিৰ্ধাৰণত সমান অংশীদাৰীত্ব আৰু অংশগ্ৰহণ আদি আছে।
- বহুত্ববাদৰ সমালোচকসকলে মত প্ৰকাশ কৰে যে যদি ক্ষমতা ৰাষ্ট্ৰৰ হাতত কেন্দ্ৰীভূত নহয় তেন্তে আইন-শৃংখলা বজাই ৰখাটো কঠিন। সমালোচকসকলে যুক্তি দিয়ে যে বহুত্ববাদে অৰাজকতাৰ অৱস্থাৰ সৃষ্টি কৰিব আৰু সমাজখন দুৰ্বল হৈ পৰিব যিটো বাঞ্ছনীয় নহয়।



১২.৯ অধিক জানিবলৈ

১) Agarwal.R.C.(2015). "Political Theory, principles of political science". S.Chand and Company. New Delhi.

২) Gauba.O.P.(2011). "An Introduction to Political Ttheory". Macmillan. New Delhi.

৩) Dutta.A.K.(2011). "Political Theory: Issues, Concepts and Debate". Arun prakashan. Guwahati-1.

৪) Varma.S.P.(2006). "Modern Political Theory". Vikas publishing house pvt ltd. New Delhi.



১২.১০ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ ঊনবিংশ শতিকাৰ দ্বিতীয়াৰ্ধত।

২ নং প্ৰশ্নৰ উত্তৰ ঃ ভিল্‌ফ্ৰেডো পাৰেটো আৰু গেটেনো মোস্কা।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ ভিল্‌ফ্ৰেডো পাৰেটো।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ অভিজাত্যবাদী তত্ত্ব দুটা মৌলিক অনুমানৰ ওপৰত আধাৰিতঃ

ক) মুখ্য অৰ্থনৈতিক আৰু ৰাজনৈতিক প্ৰতিষ্ঠানসমূহত কৰ্তৃত্বৰ স্থিতিৰ ওপৰত ক্ষমতা অৱস্থিত।

খ) অভিজাত শ্ৰেণীক পৃথক কৰা মনস্তাত্ত্বিক পাৰ্থক্যটো হ'ল তেওঁলোকৰ ব্যক্তিগত সম্পদ আছে, উদাহৰণস্বৰূপে, বুদ্ধিমত্তা আৰু দক্ষতা, আৰু চৰকাৰৰ ওপৰত এক নিৰ্ভৰশীল স্বাৰ্থ আছে; আনহাতে বাকীসকল অযোগ্য আৰু তেওঁলোকৰ নিজকে শাসন কৰাৰ ক্ষমতা নাই; অভিজাত শ্ৰেণী সম্পদশালী আৰু চৰকাৰক কাম কৰাবলৈ চেষ্টা কৰিব। কাৰণ বাস্তৱত, এক বিফল চৰকাৰত অভিজাতসকলে আটাইতকৈ বেছি হেৰুৱাব লগা হয়।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ ক) প্ৰতিখন ৰাষ্ট্ৰ আৰু সমাজত (গণতান্ত্ৰিক বা অগণতান্ত্ৰিক) এক অভিজাত শাসক শ্ৰেণী থাকে যিয়ে প্ৰকৃততে অতি উচ্চ সন্মান আৰু ব্যাপক প্ৰভাৱ উপভোগ কৰে। তেওঁলোক সাধাৰণতে সংখ্যালঘু।

খ) অভিজাতসকলৰ বিচিত্ৰতা আছে। শাসনকাৰী অভিজাত শ্ৰেণী, ক্ষমতাশালী অভিজাত শ্ৰেণী, ৰাষ্ট্ৰীয় অভিজাত শ্ৰেণী, উচ্চ মৰ্যাদা লাভ কৰা অভিজাত শ্ৰেণী, সামাজিক অভিজাত শ্ৰেণী, ৰাজনৈতিক অভিজাত শ্ৰেণী, অৰ্থনৈতিক অভিজাত শ্ৰেণী আদি। অভিজাতসকলৰ ভিন্ন ৰূপ যিয়েই নহওক, তেওঁলোকে নিৰ্দিষ্ট সমাজৰ ভিতৰত সৰ্বোচ্চ স্থান দখল কৰে আৰু তেওঁলোকে সিদ্ধান্ত গ্ৰহণৰ প্ৰণালী নিয়ন্ত্ৰণ কৰে।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ প্ৰতিখন সমাজত উচ্চ সন্মান আৰু ব্যাপক প্ৰভাৱ (প্ৰশাসনিক অভিজাত) থকা ব্যক্তিসকলৰ এটা সৰু গোট থাকে। এই সৰু গোটবোৰে সমাজত অতি গুৰুত্বপূৰ্ণ স্থান দখল কৰে। তেওঁলোকৰ সঞ্চাৰ আৰু পৰিৱৰ্তনৰ প্ৰৱণতা আছে যাক অভিজাতসকলৰ সংবহন বা পৰিসঞ্চাৰণ (circulation of elites) বুলি কোৱা হয়। বাস্তৱত, প্ৰতিখন

সমাজত এনে অভিজাতসকলৰ আধিপত্য থাকে আৰু গণতন্ত্ৰও ইয়াৰ ব্যতিক্ৰম নহয়। অভিজাতসকলৰ শাসন সমতাৰ ওপৰত আধাৰিত নহয়, বৰঞ্চ তেওঁলোকে সামৰ্থ্য, অভিজ্ঞতা আৰু সম্পদৰ ভিত্তিত অসমতাক ন্যায্যতা প্ৰদান কৰে। সেয়েহে সমাজখন অভিজাত (শাসক) আৰু জনসাধাৰণৰ দ্বাৰা গঠিত। অভিজাতসকলৰ বাবে, নিৰ্বাচন কেৱল অভিজাত লোকৰ আন এটা শ্ৰেণীক শাসক মঞ্চলৈ অনাৰ এক প্ৰণালী। 'জনসাধাৰণৰ ইচ্ছা', 'জনসাধাৰণৰ সাৰ্বভৌমত্ব', 'জনসাধাৰণৰ চৰকাৰ' আদিৰ ধাৰণাটো হৈছে অভিজাতসকলে জনসাধাৰণৰ ওপৰত তেওঁলোকৰ শাসনক বৈধতা প্ৰদান কৰিবলৈ ব্যৱহাৰ কৰা কেইটামান শ্লোগান। অভিজাতসকল প্ৰকৃততে জনসাধাৰণৰ ওচৰত দায়বদ্ধ নহয়। অভিজাতসকলৰ মতে অভিজাতসকলৰ শাসন স্বাভাৱিক আৰু ন্যায়সংগত, যাৰ অবিহনে এক গণতান্ত্ৰিক ৰাজনৈতিক ব্যৱস্থা কাম কৰিব নোৱাৰে। এইটো প্ৰকৃততে সংখ্যাগৰিষ্ঠ শাসনৰ নামত এক সংখ্যালঘু শাসনহে।

৭ নং প্ৰশ্নৰ উত্তৰ ঃ গণতন্ত্ৰৰ বহুত্ববাদী তত্ত্বই এনে এক আৰ্হিক বুজায় য'ত ক্ষমতা এটা গোট বা শ্ৰেণীৰ হাতত কেন্দ্ৰীভূত নহয় কিন্তু ক্ষমতাৰ বাবে ইজনে সিজনৰ বিৰুদ্ধে প্ৰতিদ্বন্দ্বিতা কৰা বহুতো আগ্ৰহী গোটৰ মাজত বিস্তাৰিত হয়। আমেৰিকাত ১৯৫০ আৰু ১৯৬০ৰ দশকত বহুত্ববাদৰ ধাৰণাটোৱে অভিজাত শ্ৰেণীৰ শাসনক প্ৰত্যাহ্বান জনোৱা উদাৰ গণতন্ত্ৰৰ পুনৰ নিৰ্মাণ কৰা সংস্কৰণ হিচাপে গুৰুত্ব লাভ কৰিছিল, কিয়নো এই আৰ্হিয়ে প্ৰতিষ্ঠা কৰিবলৈ চেষ্টা কৰিছিল যে নীতি প্ৰস্তুত কৰাৰ কাৰ্য্য প্ৰকৃততে নিৰ্বাচিত প্ৰতিনিধি বা কোনো অভিজাত শ্ৰেণীৰ দ্বাৰা জড়িত নহয়। বৰঞ্চ এইটো সমাজৰ বিভিন্ন গোটৰ মাজত হোৱা এটা পাৰস্পৰিক ক্ৰিয়া-প্ৰতিক্ৰিয়াৰ ফলাফল। এই আৰ্হিটো এক বহুত্ববাদী সমাজৰ বাবে সম্পূৰ্ণৰূপে উপযুক্ত।

৮ নং প্ৰশ্নৰ উত্তৰ ঃ (ক) বহুত্ববাদী গণতন্ত্ৰ প্ৰকৃততে কেৱল চৰকাৰ আৰু জনসাধাৰণৰ জৰিয়তে নহয়, বিভিন্ন সংগঠনৰ জৰিয়তে কাৰ্যকৰী হয়।

(খ) এনে ব্যৱস্থাত সামাজিক প্ৰক্ৰিয়াত উদ্ভৱ হোৱা বিভিন্ন গোটক সামূহিকভাৱে প্ৰতিনিধিত্ব কৰি চৰকাৰ গঠন কৰা হয়।

৯ নং প্ৰশ্নৰ উত্তৰ ঃ (ক) বহুত্ববাদী তত্ত্বই ৰাষ্ট্ৰৰ সাৰ্বভৌমত্ব আৰু ৰাষ্ট্ৰৰ সৰ্বোচ্চ ক্ষমতাৰ ধাৰণাক প্ৰত্যাহ্বান জনায়। ইয়াৰ ফলত অৰাজকতাৰ সৃষ্টি হ'ব পাৰে।

(খ) সমাজত আইন-শৃংখলা তেতিয়াহে সম্ভৱ যেতিয়া ৰাষ্ট্ৰ আইনীভাৱে সৰ্বোচ্চ আৰু অবিভাজ্য হয়। যদি ক্ষমতা বিকেন্দ্ৰীকৰণ কৰা হয় তেন্তে সংঘাত সংঘটিত হোৱাৰ সকলো সম্ভাৱনা থাকে। সেয়েহে অসংখ্য গোট আৰু সংগঠনৰ পৰিৱৰ্তে ক্ষমতা ৰাষ্ট্ৰৰ হাতত থাকিব লাগে। মাৰ্ক্সবাদীসকলৰ বাবে জনসাধাৰণৰ হাতত ক্ষমতা প্ৰদান কৰাটো ভুল কাৰণ তেওঁলোকে এখন ৰাষ্ট্ৰ সঠিকভাৱে শাসন কৰিবলৈ অক্ষম। ইয়াৰ পৰিৱৰ্তে ৰাষ্ট্ৰখনত ক্ষমতা নিয়ন্ত্ৰণ কৰিবলৈ এটা ৰাজনৈতিক দল থাকিব লাগে।



১২.১১ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ গণতন্ত্ৰৰ অভিজাত্যবাদী তত্ত্বৰ অৰ্থ ব্যাখ্যা কৰক।

প্ৰশ্ন ২ ঃ গণতন্ত্ৰৰ অভিজাত্যবাদী তত্ত্বৰ বৈশিষ্ট্যসমূহ ব্যাখ্যা কৰক।

প্ৰশ্ন ৩ ঃ গণতন্ত্ৰৰ অভিজাত্যবাদী তত্ত্বৰ বিৰুদ্ধে সমালোচনাৰ বিষয়ে আলোচনা কৰক।

প্ৰশ্ন ৪ ঃ গণতন্ত্ৰৰ বহুত্ববাদী তত্ত্বৰ অৰ্থ আলোচনা কৰক।

প্ৰশ্ন ৫ ঃ গণতন্ত্ৰৰ বহুত্ববাদী তত্ত্বৰ বৈশিষ্ট্যসমূহ আলোচনা কৰক।

প্ৰশ্ন ৬ ঃ গণতন্ত্ৰৰ বহুত্ববাদী তত্ত্বৰ বিৰুদ্ধে সমালোচনাসমূহ ব্যাখ্যা কৰক।

*** ***** ***

অধ্যায় ১৩ ঃ জাতীয়তাবাদ ঃ অর্থ আৰু প্ৰকৃতি

অধ্যায় গাঁথনি

১৩.১ উদ্দেশ্য
১৩.২ পৰিচয়
১৩.৩ জাতিৰ অর্থ
১৩.৪ জাতীয়তাবাদৰ বিকাশ
১৩.৫ জাতীয়তাবাদৰ প্ৰকাৰ
১৩.৬ জাতীয়তাবাদৰ কাৰক
১৩.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১৩.৮ অধিক জানিবলৈ
১৩.৯ অগ্ৰগতিৰ খতিয়ান
১৩.১০ আৰ্হি প্ৰশ্ন

১৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ৰাষ্ট্ৰৰ অর্থৰ বিষয়ে জানিব পাৰিব
- ৰাষ্ট্ৰৰ বিকাশ সম্পর্কে অৱগত হ'ব
- জাতীয়তাবাদৰ প্ৰকাৰ সম্পর্কে ধাৰণা লাভ কৰিব পাৰিব
- জাতীয়তাবাদৰ কাৰক সম্পর্কে জানিব পাৰিব।

১৩.২ পৰিচয়

জাতীয়তাবাদ হৈছে এনে এক ৰাজনৈতিক পৰিঘটনা যিটো বহু ৰূপত বিদ্যমান। বিভিন্ন পণ্ডিতে ইয়াৰ ব্যাখ্যা বেলেগ বেলেগকৈ আগবঢ়াইছে। 'জাতীয়তাবাদ' শব্দটো ইংৰাজী 'nation' শব্দৰ পৰা উদ্ভৱ হৈছে । ইংৰাজী 'nation' শব্দটো লেটিন শব্দ 'natio'ৰ পৰা উদ্ভৱ হৈছে। জাতীয়তাবাদ বুজিবলৈ 'জাতি'ৰ ধাৰণাটো বুজাটো অতি গুৰুত্বপূৰ্ণ।

যদিও বর্তমান জাতি (nation) আৰু ৰাষ্ট্ৰ (state) উভয়কে এটাৰ সলনি আন এটা ব্যৱহাৰ কৰি থকা পৰিলক্ষিত হয়, তথাপিও আমি দেখিবলৈ পাওঁ যে নির্দিষ্ট ৰাষ্ট্ৰ নথকা অসংখ্য জাতীয় গোট আছে আৰু নির্দিষ্ট জাতীয় পৰিচয় নথকা কেইবাটাও জাতীয় গোটৰে গঠিত অসংখ্য ৰাষ্ট্ৰ আছে। উদাহৰণস্বৰূপে আমেৰিকাত জাতিয়ে সাধাৰণতে এটা নির্দিষ্ট জাতীয় গোটৰ পৰিৱর্তে সমগ্ৰ দেশখনক বুজায়। আনহাতে, পৃথিৱীৰ কোনো কোনো ঠাইত শাসকীয় ৰাষ্ট্ৰৰ অস্তিত্ব থকাৰ পিছতো এটা বিশেষ জাতিৰ নামত বহু বছৰ ধৰি যুঁজ দি থকা বিভিন্ন জাতীয় গোট

আছে। এইদৰে জাতি আৰু ৰাষ্ট্ৰক পৃথকে পৃথকে বিশ্লেষণ কৰা উচিত যিয়ে সুকীয়া ৰাজনৈতিক পৰিস্থিতি আৰু বিভিন্ন গুণগত আৰু পৰিমাণগত পাৰ্থক্য প্ৰদৰ্শন কৰে। অৱশ্যে ৰাষ্ট্ৰ আৰু জাতি সহ-সম্পৰ্কীয় আৰু ইয়াৰ অস্তিত্বকো আমি পৃথক কৰিব নোৱাৰো। এখন ৰাষ্ট্ৰক নিজৰ নাগৰিকৰ পৰা আনুগত্য বিচৰাৰ ক্ষমতা থকা ৰাজনৈতিক আৰু আইনী সত্তা হিচাপে গণ্য কৰিব পাৰি। এই দৃষ্টিকোণৰ পৰা ৰাষ্ট্ৰ হৈছে জাতীয় পৰিচয় থকা জাতি এটা সৃষ্টি বা প্ৰতিনিধিত্ব কৰিবলৈ সক্ষম বৈধতাৰ উৎস।

১৩.৩ জাতিৰ অর্থ

জাতিটোক সাধাৰণ বংশ, ভাষা বা ইতিহাসৰ দ্বাৰা ইজনে সিজনৰ লগত ঘনিষ্ঠভাৱে জড়িত ব্যক্তিৰ এক বিস্তৃত সমষ্টি হিচাপে বৰ্ণনা কৰা হয়, যিয়ে এটা সুকীয়া জাতি বা জনগোষ্ঠী গঠন কৰে। ই সাধাৰণতে পৃথক ৰাজনৈতিক ৰাষ্ট্ৰ হিচাপে সংগঠিত আৰু এটা নিৰ্দিষ্ট ভূখণ্ড থিতাপি লৈ থাকে। ইয়াৰ পৰা বুজা যায় যে উমৈহতীয়া বংশ, ভাষা, ইতিহাস, পৃথক ৰাজনৈতিক ৰাষ্ট্ৰ আদি কিছুমান বৈশিষ্ট যিয়ে এটা জাতিক পৃথক কৰে। জাতি হ'ল নিজৰ মাজত সংহতিৰ অনুভূতি আৰু আনৰ পৰা পৃথকতাৰ ভাৱ থকা মানুহৰ এটা গোট। ইয়াৰ পৰা বুজা যায় যে জাতি শব্দটোৱে এটা নিৰ্দিষ্ট ভূখণ্ডত স্থায়ীভাৱে বাস কৰা আৰু অতীতৰ ইতিহাসৰ অংশীদাৰ আৰু একে ভৱিষ্যতৰ বাবে প্ৰস্তুতি চলোৱা লোকৰ এটা দলক বুজায়। এই অর্থত এটা নিৰ্দিষ্ট ভূখণ্ডত বাস কৰা মানুহৰ এটা দল একে বংশ, জাতি, ভাষা বা ধৰ্মৰ পৰা ওলাই নাহিবও পাৰে কিন্তু যদি তেওঁলোকে নিজৰ মাজত আৱেগিক মোহ অনুভৱ কৰে তেন্তে তেওঁলোকে এটা জাতি গঠন কৰিব পাৰে। এইদৰে যদি জাতি শব্দটোৱে কোনো নিৰ্দিষ্ট ভূখণ্ডৰ জনসাধাৰণক বুজায় তেন্তে জাতীয়তাবাদ শব্দটোৱে নিজৰ মাজত সংহতি আৰু একেলগে থকাৰ অনুভৱক বুজায়।

স্মাইডাৰৰ মতে, "ইতিহাসৰ এটা নিৰ্দিষ্ট পর্যায়ত ৰাজনৈতিক, অর্থনৈতিক, সামাজিক আৰু বৌদ্ধিক কাৰকৰ ফলাফল হৈছে জাতীয়তাবাদ। ই হৈছে সুনির্দিষ্ট ভৌগোলিক অঞ্চলত বাস কৰা মানুহৰ এটা দলৰ মন, অনুভূতি বা আৱেগক প্ৰতিনিধিত্ব কৰা এটা ৰূপ য'ত এটা উমৈহতীয়া ভাষা কোৱা হয়, যি জাতিৰ আকাংক্ষা প্ৰকাশ কৰা সাহিত্যৰ অধিকাৰী হয় তথা সাধাৰণ পৰম্পৰা আৰু সাধাৰণ ৰীতি-নীতিৰ লগত যি ব্যৱস্থা সংলগ্ন হৈ থকাৰ লগতে নিজৰ নায়কক শ্ৰদ্ধা কৰাৰ আৰু কিছুমান ক্ষেত্ৰত উমৈহতীয়া ধৰ্ম থকাঞ্জ পৰিলক্ষিত হয়।"

হান্স ক'নে কয়, "জাতীয়তাবাদ হৈছে বৃহৎ সংখ্যক লোকৰ মাজত সোমাই থকা আৰু ইয়াৰ সকলো সদস্যকে গ্ৰাস কৰা বুলি দাবী কৰা এক মনৰ অৱস্থা। ই ৰাষ্ট্ৰক ৰাজনৈতিক সংগঠনৰ আদর্শ ৰূপ হিচাপে স্বীকৃতি দিয়ে আৰু জাতীয়তা হৈছে সকলো সৃষ্টিশীল সাংস্কৃতিক শক্তি আৰু অর্থনৈতিক মংগলৰ উৎস। মানুহৰ পৰম আনুগত্যই হৈছে নিজৰ প্ৰতি থকা আনুগত্য, কিয়নো তেওঁৰ নিজৰ জীৱনটোৰ লগত ই জড়িত হৈ থকাৰ লগতে জীৱনটো ই সম্ভৱ কৰি তুলিছে।

১৩.৪ জাতীয়তাবদৰ বিকাশ

'জাতীয়তাবাদ' শব্দটো ইংৰাজী 'nation' শব্দৰ পৰা উদ্ভৱ হৈছে। 'nation' শব্দটো লেটিন শব্দ 'natio'ৰ পৰা আহিছে। বৰ্তমানৰ অর্থত আমি যি জাতীয়তাবাদৰ ধাৰণা ব্যৱহাৰ কৰো সেয়া ৰজ্জআৰু ৰজ্জু শতিকাৰ পৰাই আৰম্ভ হোৱা বুলিব পাৰি। বিশেষকৈ ফৰাচী বিপ্লৱ আৰু আমেৰিকাৰ স্বাধীনতা যুদ্ধই জাতীয়তাবাদৰ ধাৰণাটোৰ বিকাশত যথেষ্ট অবিহণা যোগাইছিল। এই সময়ছোৱাত গণতন্ত্ৰ আৰু আত্মনিয়ন্ত্ৰণৰ নীতিয়ে গোট চেতনাৰ মনোভাৰ বিয়পাইছিল যিয়ে শেষত জাতীয়তাবাদৰ ধাৰণাটোক ব্যাপক কৰি তুলিছে।

ঊনবিংশ শতিকাৰ সময়ছোৱাত জাতীয়তাবাদ গঠনমূলক ৰূপত উত্থান ঘটিছিল। অধ্যাপক ক'নৰ মতে, "জাতীয়তাবাদৰ উৎপত্তি সোতৰ আৰু অষ্টাদশ শতিকাত পশ্চিম ইউৰোপত হৈছিল, কিন্তু ঊনবিংশ শতিকালৈকে ই এক সাধাৰণ ইউৰোপীয় আন্দোলনত পৰিণত হোৱা নাছিল।" এই সময়ছোৱাত কেইবাটাও বিপ্লৱ সংঘটিত হয়। ১৮১৫ চনৰ পিছৰ কংগ্ৰেছৰ ভিয়েনা সময়ছোৱাত কেইবাটাও নতুন জাতিৰ উত্থান ঘটে। ১৮২০ চনত গ্ৰীচ আৰু ছাৰ্বিয়াৰ সৃষ্টি হয়। ১৮৩০ চনত বেলজিয়াম এখন নতুন ৰাজ্যত পৰিণত হয়। ঊনবিংশ শতিকাৰ শেষৰ ফালে সামৰিক মিত্ৰতা গঠন, নতুন উপনিবেশ স্থাপনৰ প্ৰতিযোগিতাই প্ৰথম বিশ্বযুদ্ধৰ পথ প্ৰশস্ত কৰিলে। প্ৰথম বিশ্বযুদ্ধই জাতীয়তাবাদৰ প্ৰথম গতি প্ৰদান কৰিছিল। এই সময়ছোৱাত অষ্ট্ৰিয়া-হাংগেৰী সাম্ৰাজ্যৰ বিভাজনৰ ফলত কেইবাখনো নতুন ৰাষ্ট্ৰৰ উত্থান ঘটে। এছিয়া আৰু আফ্ৰিকাত জাতীয় আন্দোলনে অধিক গতি লাভ কৰিছিল আৰু কেইবাখনো দেশত স্বাধীনতাৰ দাবী শক্তিশালী হৈ উঠিছিল। আন্তঃযুদ্ধকালত সর্বাত্মক জাতীয়তাবাদে শক্তি লাভ কৰিছিল। ইটালী, জার্মানী, জাপান, স্পেইন আদি দেশত ফেচিবাদৰ বিকাশ হৈছিল। একে সময়তে ছোভিয়েট ইউনিয়নত কমিউনিজিমে স্থান লাভ কৰিছিল।

পৰৱর্তী সময়ছোৱাত জাতীয়তাবাদ সমগ্ৰ বিশ্বতে বিয়পি পৰিল। বেছিভাগ দেশেই ঔপনিৱেশিক শক্তিৰ নিয়ন্ত্ৰণৰ পৰা স্বাধীনতা লাভ কৰিছিল। জাতীয় গোটৰ সকলো সদস্যৰ বাবে সম অর্থনৈতিক আৰু শৈক্ষিক সুযোগৰ দাবীৰ লগে লগে জাতীয়তাবাদে নতুন মাত্ৰা লাভ কৰিলে। জনসাধাৰণৰ সক্ৰিয় অংশগ্ৰহণ আৰু সমাজৰ অভাৱগ্ৰস্ত শ্ৰেণীৰ কল্যাণৰ দাবীৰে জাতীয়তাবাদী আন্দোলনে নতুন মাত্ৰা লাভ কৰিলে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ 'natio' শব্দটো কোনটো লেটিন শব্দৰপৰা আহিছে?

প্ৰশ্ন নং ২ ঃ ইটালী, জার্মানী, জাপান আৰু স্পেইনত ফেচিবাদৰ জন্ম হৈছিল। (শুদ্ধ/ অশুদ্ধ)

১৩.৫ জাতীয়তাবাদৰ প্ৰকাৰ

বিভিন্ন পণ্ডিতে জাতীয়তাবাদৰ প্ৰকাৰ সন্দৰ্ভত বিভিন্ন শ্ৰেণীবিভাজন আগবঢ়াইছে। হান্স ক'নে জাতীয়তাবাদক দুটা ভাগত ভাগ কৰিছে যেনে- পশ্চিমীয়া জাতীয়তাবাদ আৰু অপশ্চিমীয়া জাতীয়তাবাদ। হেইছৱ মতে জাতীয়তাবাদৰ পাঁচটা শ্ৰেণী আছে। ইয়াৰ ভিতৰত মানৱীয়, জেকবিয়ান, পৰম্পৰাগত, উদাৰবাদী, আৰু অখণ্ড জাতীয়তাবাদ। কুইন্সি ৰাইটে জাতীয়তাবাদক মধ্যযুগীয়, ৰাজতন্ত্ৰিক, বিপ্লৱী, উদাৰবাদী আৰু সৰ্বাত্মকতাবাদী হিচাপে শ্ৰেণীভুক্ত কৰিছে। বিভিন্ন পণ্ডিতৰ মতামত বিবেচনা কৰাৰ পিছত জাতীয়তাবাদক তলত দিয়া ধৰণে শ্ৰেণীভুক্ত কৰিব পাৰি।

- **উদাৰ জাতীয়তাবাদ**

ভিয়েনা বসতিৰ পিছত যি জাতীয়তাবাদৰ বিকাশ ঘটিছিল, সেই জাতীয়তাবাদক জনপ্ৰিয়ভাৱে উদাৰ জাতীয়তাবাদ বুলি জনা যায়। এই সময়ছোৱাত গণতন্ত্ৰ আৰু জাতীয় আত্মনিয়ন্ত্ৰণৰ নীতিয়ে জাতীয়তাবাদৰ এক প্ৰবল অনুভূতি আনিছিল যাৰ ফলত বিশ্বৰ বিভিন্ন দেশত বহুতো বিপ্লৱৰ সৃষ্টি হৈছিল। জাতীয় স্বাধীনতা লাভৰ আকাংক্ষা, সামাজিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক প্ৰগতি, গণতান্ত্ৰিক আৱেগে মানুহৰ মাজত সংহতি আৰু একেলগে থকাৰ অনুভূতিৰ জন্ম দিছিল যিয়ে শেষত উদাৰ জাতীয়তাবাদৰ ভাৱনা গঢ়ি তুলিছিল। এই পৰ্যায়ত লেটিন আমেৰিকা আৰু উত্তৰ আমেৰিকাৰ বেছিভাগ দেশেই স্পেইন আৰু পৰ্তুগালে সৃষ্টি কৰা সাম্ৰাজ্যবাদী শাসনক উফৰাই জাতীয় স্বাধীনতা লাভ কৰাত সফল হৈছিল। অৱশ্যে উদাৰ জাতীয়তাবাদ একচেটিয়া বা আক্ৰমণাত্মক নাছিল।

- **সৰ্বাত্মক জাতীয়তাবাদ**

ঊনবিংশ শতিকাৰ শেষৰ ফালে আৰু বিংশ শতিকাৰ আৰম্ভণিতে ছবিখনত নতুন ধৰণৰ আক্ৰমণাত্মক জাতীয়তাবাদ আহিছিল যিটো সৰ্বাত্মক জাতীয়তাবাদ নামেৰে জনাজাত আছিল। এই পৰ্যায়ত বিভিন্ন দেশৰ মাজত বাণিজ্য, ঔদ্যোগিক, সামৰিক আধিপত্যৰ প্ৰতিযোগিতাৰ লগতে নতুন উপনিবেশ স্থাপনৰ প্ৰতিযোগিতাই ব্যক্তিৰ অধিকাৰ আৰু জাতীয় স্বাধীনতাক গুৰুতৰভাৱে বাধাগ্ৰস্ত কৰিছিল। ই অৱশেষত প্ৰথম বিশ্বযুদ্ধত অৰিহণা যোগাইছিল। প্ৰথম বিশ্বযুদ্ধৰ পিছতো হিটলাৰ আৰু মুছলিনিৰ অধীনত জাৰ্মানী আৰু ইটালীত এই ধৰণৰ জাতীয়তাবাদৰ বিকাশ ঘটিছিল যিটো পিছলৈ স্পেইন, জাপান আৰু ৰাছিয়ালৈ বিয়পি পৰিছিল।

- **অখণ্ড জাতীয়তাবাদ**

বিংশ শতিকাৰ শেষৰ ফালে এক নতুন ধৰণৰ জাতীয়তাবাদৰ উত্থান ঘটিছিল যিটোক অবিচ্ছেদ্য জাতীয়তাবাদ বুলি জনা গৈছিল। এই পৰ্যায়ত জাতিসমূহৰ মাজত কিছুমান ধৰণৰ বিশ্বাসৰ সূত্ৰপাত হৈছিল যিয়ে তেওঁলোকক এটা জাতিৰ মূল্যবোধ, আৱেগ, বিশ্বাস আৰু কাৰ্যক শ্ৰেষ্ঠ বুলি ভাবিবলৈ বাধ্য কৰাইছিল আৰু আন জাতিৰ ওপৰত সেইবোৰ জাপি দিয়াটো এক জাতীয় গৌৰৱ হিচাপে বিবেচিত হৈছিল। এই জাতীয়তাবাদৰ জৰিয়তে সকলো জাতিয়ে এই

মতামত গ্ৰহণ কৰিবলৈ প্ৰৰোচনা লাভ কৰিছিল যে 'এটা জাতিৰ বাবে যিটো ভাল সেয়া সমগ্ৰ বিশ্বৰ বাবে ভাল।' শেষত এই জাতীয়তাবাদে জাতিসমূহৰ মাজত নিৰাপত্তাহীনতা আৰু হীনমন্যতাৰ অনুভূতিৰ জন্ম দিছিল আৰু এইদৰে যুদ্ধত আৰু বিবাদত অৰিহণা যোগাইছিল।

- **নব্য জাতীয়তাবাদ**

দ্বিতীয় বিশ্বযুদ্ধৰ পিছৰ সময়ছোৱাত এছিয়া, আফ্ৰিকা আৰু লেটিন আমেৰিকাৰ বহু দেশত এক নতুন ধৰণৰ জাতীয়তাবাদৰ বিকাশ ঘটিছিল যিটো জনপ্ৰিয়ভাৱে নব্য জাতীয়তাবাদ বুলি জনা গৈছিল। এই পৰ্যায়ত এছিয়া, আফ্ৰিকা আৰু লেটিন আমেৰিকাৰ দেশসমূহত ঔপনিৱেশিক শাসনৰ অন্ত পৰে। ৰাজনৈতিক সমতাৰ ধাৰণা, জাতীয় আত্মনিয়ন্ত্ৰণৰ নীতি আৰু হস্তক্ষেপহীন ঘৰুৱা নীতিৰ অভ্যাসে নব্য জাতীয়তাবাদৰ বীজ ৰোপণ কৰিছিল। নব্য জাতীয়তাবাদক পশ্চিমীয়া জাতীয়তাবাদৰ পৰা বহু দিশত পৃথক হোৱাৰ বাবে 'অ-পশ্চিমীয়া' জাতীয়তাবাদ বুলিও কোৱা হৈছিল। এই পৰ্যায়ত ইজিপ্তত নাছেৰ, ভাৰতত নেহৰু, ঘানাত অংক্ৰুমাহ, ইণ্ডোনেছিয়াৰ চুকার্ণোৰ দৰে বহু ৰাষ্ট্ৰীয় নেতাৰ উত্থান ঘটিছিল।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ ঃ যিকোনো দুটা জাতীয়তাবাদৰ প্ৰকাৰ উল্লেখ কৰক।

প্ৰশ্ন নং ৪ ঃ উত্তৰ ঔপনিৱেশিক কালৰ যিকোনো দুগৰাকী নেতাৰ নাম উল্লেখ কৰক।

১৩.৬ জাতীয়তাবাদৰ কাৰক

- **বৰ্ণগত ঐক্য**

বৰ্ণবাদী ঐক্য জাতীয়তাবাদৰ বৃদ্ধিৰ দিশত এক গুৰুত্বপূৰ্ণ কাৰক। কোনো বিশেষ ভূখণ্ডত বাস কৰা লোকসকলৰ এক উমৈহতীয়া বৰ্ণগত উৎপত্তি থাকে যাৰ ফলত ইজনে সিজনৰ ওচৰলৈ অহাৰ প্ৰৱণতাৰ সৃষ্টি হয়। একে জাতিৰ লোকে সদায় নিজৰ মাজত এক প্ৰকাৰৰ সংহতি আৰু একত্ৰিকৰণৰ প্ৰৱণতা অনুভৱ কৰে। আলফ্ৰেড জিমাৰ, বাৰ্জেছ, লিকক আদি পণ্ডিতসকলে বৰ্ণ ঐক্যক জাতীয়তাবাদৰ আটাইতকৈ গুৰুত্বপূৰ্ণ উপাদান হিচাপে বিবেচনা কৰিছে। অৱশ্যে আন কিছুমান পণ্ডিতৰ মতে বৰ্ণগত উৎপত্তি জাতীয়তাবাদৰ অন্যতম প্ৰাসংগিক কাৰক যিটোক নিৰপেক্ষ কাৰক হিচাপে গণ্য কৰিব নোৱাৰি। এই ক্ষেত্ৰত ৰামছে মুইৰে লক্ষ্য কৰিছে যে পৃথিৱীত এনে কোনো জাতি নাই যিটো মিশ্ৰিত জাতিৰ নহয় আৰু কেতিয়াও এনেকুৱা জাতি হোৱা নাই যিয়ে একক জাতিৰ ভিতৰৰ সদস্য হিচাপে সকলোকে সামৰি ল'বলৈ সফল হৈছে। আধুনিক ৰাষ্ট্ৰসমূহলৈ চালে সাধাৰণতে ধৰিব পাৰি যে বৰ্তমানৰ বেছিভাগ ৰাষ্ট্ৰতে বিভিন্ন জাতিৰ লোক থাকে।

- **ভৌগোলিক ঐক্য**

ভৌগোলিক ঐক্যই জাতীয়তাবাদৰ বৃদ্ধিত বহুখিনি অৰিহণা যোগায়। যেতিয়া এটা নিৰ্দিষ্ট ভূখণ্ডত স্থায়ীভাৱে কোনো এটা দলে অধিক সময় বাস কৰে তেতিয়া তেওঁলোকৰ মনত

সহযোগিতা, প্ৰেম, সন্মান আৰু সুৰক্ষাৰ অনুভূতি গঢ় লৈ উঠে। ভৌগোলিক ঐক্যইও একেধৰণৰ জলবায়ু, প্ৰাকৃতিক পৰিৱেশ প্ৰদান কৰে যিয়ে শেষত উমৈহতীয়া মূল্যবোধ, ধাৰণা আৰু মনোভাৱ গঢ়ি তোলে। কিন্তু ভৌগোলিক ঐক্যক জাতীয়তাবাদৰ বিকাশৰ বাবে এক নিৰপেক্ষ কাৰক হিচাপে গণ্য কৰিব নোৱাৰি। উদাহৰণস্বৰূপে, ইহুদী আৰু গ্ৰীকসকলৰ ভৌগোলিক সীমা একে নহ'লেও তেওঁলোকৰ মাজত জাতীয়তাবাদৰ উচ্চ ভাৱ গঢ় লৈ উঠিছিল। তাতোকৈ গুৰুত্বপূৰ্ণ কথাটো হ'ল বিজ্ঞান আৰু প্ৰযুক্তিৰ ক্ষেত্ৰত হোৱা উন্নতিয়ে এই কাৰকৰ গুৰুত্ব আৰু অধিক হ্ৰাস কৰিছে। গতিকে ভৌগোলিক ঐক্যক সকলো সময়তে জাতীয়তাবাদৰ বৃদ্ধিৰ চৰ্ত হিচাপে গণ্য কৰিব নোৱাৰি। কিন্তু এইটো অস্বীকাৰ কৰিব নোৱাৰি যে একেটা স্থায়ী ভূখণ্ডতে বাস কৰা মানুহে সদায় আৱেগিক মোহ অনুভৱ কৰে যিয়ে জাতীয়তাবাদৰ বৃদ্ধিৰ বাবে অনুকূল পৰিৱেশ গঢ়ি তোলাৰ প্ৰৱণতা থাকে।

- **সাধাৰণ ধৰ্ম**

ধৰ্ম আন এক গুৰুত্বপূৰ্ণ কাৰক যিয়ে জাতীয়তাবাদৰ বৃদ্ধিত অৰিহণা যোগায়। নিঃসন্দেহে সাধাৰণ ধৰ্মই জন্ম দিয়ে এক প্ৰবল জাতীয়তাবাদৰ ভাৱ। সাধাৰণতে একেধৰণৰ নিয়ম, বিধি, ৰীতি-নীতি, পৰম্পৰা একে ধৰ্মৰ অন্তৰ্গত জনগোষ্ঠীৰ মাজত গঢ় লৈ উঠাৰ প্ৰৱণতা থাকে। উদাহৰণস্বৰূপে ইজৰাইল সৃষ্টিত হিব্ৰু ধৰ্মই গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল আৰু পাকিস্তান সৃষ্টিত ইছলামে উল্লেখযোগ্য ভূমিকা পালন কৰিছিল। কিন্তু পেডেলফৰ্ড আৰু লিংকনৰ মতে, "ধৰ্ম নিৰ্বিশেষে জাতীয়তাবাদৰ বিকাশ হ'ব পাৰে কাৰণ বহু দেশত জাতীয়তা আৰু ধৰ্মক নিবিড়ভাৱে চিনাক্ত কৰা হোৱা নাই। ধৰ্মীয় বৈচিত্ৰঞ্জযৰ উপস্থিতিৰ পিছতো বৰ্তমান এনে কিছুমান ৰাষ্ট্ৰ আছে যিয়ে জাতীয়তাবাদৰ প্ৰবল অনুভূতি গঢ়ি তুলিছে।

- **সাধাৰণ ভাষা**

সাধাৰণ ভাষাই জাতীয়তাবাদৰ বৃদ্ধিৰ কাৰণ। ভাষা হৈছে ভাৱ প্ৰকাশৰ মাধ্যম। ভাষাৰ জৰিয়তে মানুহে এজনৰ লগত যোগাযোগ কৰে, আন এটা আৰু এটা প্ৰজন্মৰ পৰা আন এটা প্ৰজন্মলৈ ধাৰণা, মূল্যবোধ, বস্তু আৰু পৰম্পৰা আগবঢ়ায়। ৰামছে মুইৰৰ মতে," যিহেতু সাধাৰণ ভাষা আৰু একে ধাৰণাই এখন ৰাষ্ট্ৰৰ বাবে একতাৰ প্ৰধান শক্তি হিচাপে হয়, গতিকে ভাষাৰ বাহিৰে বিচ্ছিন্ন জাতিসমূহক ঐক্য প্ৰদান কৰিব পৰা একোৱেই নাই।" উদাহৰণস্বৰূপে পূব পাকিস্তান বাংলা ভাষাৰ ভিত্তিত বাংলাদেশত পৰিণত হয়। উমৈহতীয়া ভাষা এটা জাতিৰ একত্ৰীকৰণৰ এক প্ৰধান কাৰক। অৱশ্যে সাধাৰণ ভাষা জাতীয়তাবাদৰ বিকাশৰ বাবে এক নিৰপেক্ষ চৰ্ত নহয়। বহু সংখ্যক ভাষাৰ উপস্থিতি স্বত্বেও কেইবাখনো দেশত জাতীয়তাবাদৰ মনোভাৱ গঢ় লৈ উঠিছে। উদাহৰণস্বৰূপে ভাৰত আৰু পাকিস্তানৰ দৰে এছিয়া আৰু আফ্ৰিকাৰ বেছিভাগ দেশতে ভাষাৰ বৈচিত্ৰঞ্জয আছে।

- **সাধাৰণ সংস্কৃতি আৰু পৰম্পৰা**

জাতীয়তাবাদৰ ভাৱ বিকশিত কৰাত সাধাৰণ সংস্কৃতি আৰু পৰম্পৰাই গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। সাধাৰণ সাহিত্য, সংস্কৃতি আৰু পৰম্পৰাই জনসাধাৰণৰ মাজত আৱেগিক সংহতিৰ

প্ৰসাৰত সহায় কৰে। সাধাৰণ মতাদৰ্শগত বিশ্বাস আৰু সাংস্কৃতিক প্ৰথাই মানুহৰ মাজত একত্ৰিততা আৰু সংহতি আনে আৰু জাতীয়তাবাদৰ প্ৰবল ভাৱনা গঢ়ি তোলাৰ প্ৰৱণতা থাকে।

- **উমৈহতীয়া ইতিহাস আৰু ৰাজনৈতিক আকাংক্ষা**

সাধাৰণ ঐতিহাসিক অভিজ্ঞতাই জাতীয়তাবাদৰ মনোভাৱ গঢ়ি তোলে। যদি কোনো এটা দলে জাতি, ভাষা, ধৰ্মৰ ওপৰত ভিত্তি কৰি উমৈহতীয়া ইতিহাস থকা এটা নিৰ্দিষ্ট ভূখণ্ডত বাস কৰে, তেন্তে তেওঁলোকে কিবা এটা আৱেগিক সংহতি অনুভৱ কৰে আৰু জাতীয়তাবাদৰ ভাৱ সৃষ্টি কৰে। জে.এছ. মিলৰ মতে, "সকলো উপাদানৰ ভিতৰত ৰাজনৈতিক পূৰ্বসূৰীৰ পৰিচয়, জাতীয় ইতিহাসৰ অধিকাৰ আৰু ইতিহাসৰ পুনৰ উদ্ধাৰৰ সামূহিক পৰিণতি, সামূহিক গৌৰৱ আৰু অপমান, অতীতৰ একেবোৰ কাণ্ডৰ সৈতে জড়িত আনন্দ আৰু অনুশোচনাই আটাইতকৈ শক্তিশালী।" সাধাৰণ ৰাজনৈতিক উচ্চাকাংক্ষাইও জাতীয়তাবাদৰ বিকাশত যথেষ্ট অৰিহণা যোগায়। ৰাজনৈতিক আকাংক্ষা পূৰণৰ বাবে মানুহে নিজৰ মতানৈক্য পাহৰি যোৱাৰ প্ৰৱণতা থাকে।

- **সাধাৰণ অৰ্থনৈতিক স্বাৰ্থ**

উমৈহতীয়া অৰ্থনৈতিক স্বাৰ্থ জাতীয়তাবাদৰ আন এক গুৰুত্বপূৰ্ণ কাৰক। উমৈহতীয়া অৰ্থনৈতিক সম্পদে বিভিন্ন গোটৰ মানুহক বান্ধি ৰাখে আৰু তেওঁলোকৰ মাজত একত্ৰিত হোৱাৰ ভাৱ সৃষ্টি কৰে। অৱশ্যে বহু পণ্ডিতে অৰ্থনৈতিক কাৰকৰ গুৰুত্ব অস্বীকাৰ কৰিছে। তেওঁলোকৰ মতে বেলেগ বেলেগ অৰ্থনৈতিক শ্ৰেণীৰ লোকসকলে এটা জাতিত একেলগে বাস কৰে আৰু এক উমৈহতীয়া অৰ্থনৈতিক স্বাৰ্থ থকাটো যথেষ্ট কঠিন।

- **সংঘাত আৰু যুদ্ধৰ সাধাৰণ অভিজ্ঞতা**

জাতীয়তাবাদ গঢ় দিয়াত সংঘাত আৰু যুদ্ধই যথেষ্ট ভূমিকা পালন কৰে। যুদ্ধই জনসাধাৰণৰ মাজত উমৈহতীয়া শত্ৰুৰ বিৰুদ্ধে যুঁজিবলৈ উৎসাহিত কৰি একতা আনে। পেডেলফৰ্ড আৰু লিংকনে কৈছিল যে, "যুদ্ধ আৰু আক্ৰমণৰ ভাবুকি প্ৰায় সকলোতে জাতীয় আৱেগ আৰু নতুন জাতি গঢ়ি তোলাৰ কাৰক হৈ আহিছে।" উদাহৰণস্বৰূপে আমেৰিকাত জাতীয়তাবাদ বহুলাংশে ৰেষ্টমিনিষ্টাৰত মেক্সিকান যুদ্ধ আৰু সংগ্ৰামৰ ফল আছিল।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৫ ঃ জাতীয়তাবাদৰ যিকোনো দুটা কাৰক উল্লেখ কৰক।



১৩.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- জাতীয়তাবাদ হৈছে এনে এক ৰাজনৈতিক পৰিঘটনা যিটো বহু ৰূপত বিদ্যমান আৰু বিভিন্ন পণ্ডিতে ইয়াৰ ব্যাখ্যা বেলেগ বেলেগ। 'জাতীয়তাবাদ' শব্দটো ইংৰাজী 'nation' শব্দৰ পৰা উদ্ভৱ হৈছে যিটো লেটিন শব্দ 'Natio'ৰ পৰা উদ্ভৱ হৈছে। জাতীয়তাবাদ বুজিবলৈ 'জাতি'ৰ ধাৰণাটো বুজাটো অতি গুৰুত্বপূৰ্ণ।
- জাতিটোক সাধাৰণ বংশ, ভাষা বা ইতিহাসৰ দ্বাৰা ইজনে সিজনৰ লগত ইমানেই ঘনিষ্ঠভাৱে জড়িত ব্যক্তিৰ এক বিস্তৃত সমষ্টি হিচাপে বৰ্ণনা কৰা হয় যে ই এটা সুকীয়া জাতি বা জনগোষ্ঠী গঠন কৰে, সাধাৰণতে পৃথক ৰাজনৈতিক ৰাষ্ট্ৰ হিচাপে সংগঠিত আৰু এটা নিৰ্দিষ্ট ভূখণ্ড দখল কৰা। ইয়াৰ পৰা বুজা যায় যে উমৈহতীয়া বংশ, ভাষা, ইতিহাস, পৃথক ৰাজনৈতিক ৰাষ্ট্ৰ আদি কিছুমান বৈশিষ্ট যিয়ে এটা জাতিক পৃথক কৰে।
- নিজৰ মাজত সংহতিৰ অনুভূতি আৰু আনৰ পৰা পৃথকতাৰ ভাৱ থকা মানুহৰ এটা গোটক জাতি বোলে। ইয়াৰ পৰা বুজা যায় যে জাতি শব্দটোৱে এটা নিৰ্দিষ্ট ভূখণ্ডত স্থায়ীভাৱে বাস কৰা আৰু অতীতৰ ইতিহাসৰ অংশীদাৰ আৰু একে ভৱিষ্যতৰ বাবে প্ৰস্তুতি চলোৱা লোকৰ এটা দলক বুজায়। এই অৰ্থত এটা নিৰ্দিষ্ট ভূখণ্ডত বাস কৰা মানুহৰ এটা দল একে বংশ, জাতি, ভাষা বা ধৰ্মৰ পৰা ওলাই নাহিবও পাৰে কিন্তু যদি তেওঁলোকে নিজৰ মাজত আৱেগিক মোহ অনুভৱ কৰে তেন্তে তেওঁলোকে এটা জাতি গঠন কৰিব পাৰে।
- এইদৰে যদি জাতি শব্দটোৱে কোনো নিৰ্দিষ্ট ভূখণ্ডৰ জনসাধাৰণক বুজায় তেন্তে জাতীয়তাবাদ শব্দটোৱে নিজৰ মাজত সংহতি আৰু একেলগে থকাৰ অনুভৱক বুজায়।
- 'জাতীয়তাবাদ' শব্দটো ইংৰাজী 'nation' শব্দৰ পৰা উদ্ভৱ হৈছে যিটো লেটিন শব্দ 'Natio'ৰ পৰা উদ্ভৱ হৈছে। বৰ্তমানৰ অৰ্থত আমি যি জাতীয়তাবাদৰ ধাৰণা ব্যৱহাৰ কৰো সেয়া ১৭ আৰু ১৮ শতিকাৰ পৰাই অনুসন্ধান কৰিব পাৰি। বিশেষকৈ ফৰাচী বিপ্লৱ আৰু আমেৰিকাৰ স্বাধীনতা যুদ্ধই জাতীয়তাবাদৰ ধাৰণাটোৰ বিকাশত যথেষ্ট অৰিহণা যোগাইছিল।
- এই সময়ছোৱাত গণতন্ত্ৰ আৰু আত্মনিয়ন্ত্ৰণৰ নীতিয়ে গোট চেতনাৰ মনোভাৱ বিয়পাইছিল যিয়ে শেষত জাতীয়তাবাদৰ ধাৰণাটোক বহল কৰি তুলিছে।
- ঊনবিংশ শতিকাৰ সময়ছোৱাত জাতীয়তাবাদ গঠনমূলকভাৱে আৱিৰ্ভাৱ হৈছিল। অধ্যাপক ক'নৰ মতে," জাতীয়তাবাদৰ উৎপত্তি সোতৰ আৰু অষ্টাদশ শতিকাত পশ্চিম ইউৰোপত হৈছিল, কিন্তু ঊনবিংশ শতিকালৈকে ই এক সাধাৰণ ইউৰোপীয় আন্দোলনত পৰিণত হোৱা নাছিল।"

- এই সময়ছোৱাত কেইবাটাও বিপ্লৱ সংঘটিত হয়। ১৮১৫ চনৰ পিছৰ কংগ্ৰেছৰ ভিয়েনা সময়ছোৱাত কেইবাটাও নতুন জাতিৰ উত্থান ঘটে। ১৮২০ চনত গ্ৰীচ আৰু ছাৰ্বিয়াৰ সৃষ্টি হয়। ১৮৩০ চনত বেলজিয়াম এখন নতুন ৰাজ্যত পৰিণত হয়। ঊনবিংশ শতিকাৰ শেষৰ ফালে সামৰিক মিত্ৰতা গঠনৰ লগে লগে নতুন উপনিবেশ স্থাপনৰ প্ৰতিযোগিতাই প্ৰথম বিশ্বযুদ্ধৰ পথ প্ৰশস্ত কৰে।
- প্ৰথম বিশ্বযুদ্ধই জাতীয়তাবাদক প্ৰথম গতি প্ৰদান কৰিছিল। এই সময়ছোৱাত অষ্ট্ৰিয়া-হাংগেৰী সাম্ৰাজ্যৰ বিভাজনৰ ফলত কেইবাখনো নতুন ৰাষ্ট্ৰৰ উত্থান ঘটে।
- এছিয়া আৰু আফ্ৰিকাত জাতীয় আন্দোলনে অধিক গতি লাভ কৰিছিল আৰু কেইবাখনো দেশত স্বাধীনতাৰ দাবী শক্তিশালী হৈ উঠিছিল।
- আন্তঃযুদ্ধকালত সৰ্বাত্মক জাতীয়তাবাদে শক্তি লাভ কৰিছিল। ইটালী, জাৰ্মানী, জাপান, স্পেইন আদি দেশত ফেচিবাদৰ বৃদ্ধি হ'ল। একে সময়তে ছোভিয়েট ইউনিয়নত কমিউনিজমে স্থান লাভ কৰিছিল।
- পৰৱৰ্তী সময়ছোৱাত জাতীয়তাবাদ সমগ্ৰ বিশ্বতে বিয়পি পৰিল। বেছিভাগ দেশেই ঔপনিৱেশিক শক্তিৰ নিয়ন্ত্ৰণৰ পৰা স্বাধীনতা লাভ কৰিছিল। জাতীয় গোটৰ সকলো সদস্যৰ বাবে সম অৰ্থনৈতিক আৰু শৈক্ষিক সুযোগৰ দাবীৰ লগে লগে জাতীয়তাবাদে নতুন মাত্ৰা লাভ কৰিলে।
- জনসাধাৰণৰ সক্ৰিয় অংশগ্ৰহণ আৰু সমাজৰ অভাৱগ্ৰস্ত শ্ৰেণীৰ কল্যাণৰ দাবীৰে জাতীয়তাবাদী আন্দোলনে নতুন উচ্চতা লাভ কৰিলে।
- জাতীয়তাবাদৰ প্ৰকাৰৰ সন্দৰ্ভত বিভিন্ন পণ্ডিতে বিভিন্ন শ্ৰেণীবিভাজন আগবঢ়াইছে। হান্স ক'নে জাতীয়তাবাদক দুটা ভাগত ভাগ কৰিছে যেনে- পশ্চিমীয়া জাতীয়তাবাদ আৰু অপশ্চিমীয়া জাতীয়তাবাদ। জাতীয়তাবাদৰ কিছুমান ৰূপ হ'ল উদাৰ জাতীয়তাবাদ, সৰ্বাত্মক জাতীয়তাবাদ, অখণ্ড জাতীয়তাবাদ আৰু নতুন জাতীয়তাবাদ।
- জাতীয়তাবাদৰ কাৰকসমূহৰ ভিতৰত আছে বৰ্ণ ঐক্য, ভৌগোলিক ঐক্য, উমৈহতীয়া ধৰ্ম, সাধাৰণ ভাষা, সাধাৰণ সংস্কৃতি আৰু পৰম্পৰা, উমৈহতীয়া ইতিহাস আৰু ৰাজনৈতিক আকাংক্ষা, সাধাৰণ অৰ্থনৈতিক স্বাৰ্থ আৰু সংঘাত আৰু যুদ্ধৰ সাধাৰণ অভিজ্ঞতা।



১৩.৮ অধিক জানিবলৈ

১) Breuilly, John (1993). Nationalism and the State. Manchester University.

২) Grosby, Steven (2005). Nationalism a very Short Introduction.

১৩.৯ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ 'natio'

২ নং প্ৰশ্নৰ উত্তৰ ঃ শুদ্ধ

৩ নং প্ৰশ্নৰ উত্তৰ ঃ উদাৰ জাতীয়তাবাদ আৰু নব্য জাতীয়তাবাদ

৪ নং প্ৰশ্নৰ উত্তৰ ঃ ইজিপ্তত নাছেৰ আৰু ভাৰতত নেহেৰু

৫ নং প্ৰশ্নৰ উত্তৰ ঃ বৰ্ণগত একতা আৰু ভৌগোলিক একতা

১৩.১০ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ জাতিৰ অৰ্থ ব্যাখ্যা কৰক।

প্ৰশ্ন ২ ঃ জাতীয়তাবাদৰ বিকাশ সম্পৰ্কে এটি আলোচনা দাঙি ধৰক।

প্ৰশ্ন ৩ ঃ জাতীয়তাবাদৰ বিভিন্ন প্ৰকাৰৰ বিষয়ে আলোচনা কৰক।

প্ৰশ্ন ৪ ঃ জাতীয়তাবাদৰ বিভিন্ন কাৰকৰ বিষয়ে আলোচনা কৰক।

*** ***** ***

অধ্যায় ১৪ ঃ আদর্শ; "আদর্শৰ অন্ত" বিতর্ক

অধ্যায় গাঁথনি

১৪.১ উদ্দেশ্য
১৪.২ পৰিচয়
১৪.৩ আদর্শৰ অর্থ
১৪.৪ "আদর্শৰ অন্ত" বিতর্ক
১৪.৫ ফ্রান্সিছ ফুকুয়ামা আৰু "ইতিহাসৰ অন্ত"
১৪.৬ ফ্রান্সিছ ফুকুয়ামাৰ "ইতিহাসৰ অন্ত" ধাৰণাৰ সমালোচনা
১৪.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১৪.৮ অধিক জানিবলৈ
১৪.৯ অগ্রগতিৰ খতিয়ান
১৪.১০ আৰ্হি প্ৰশ্ন

১৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- আদর্শৰ অর্থ ব্যাখ্যা কৰিবলৈ
- "আদর্শৰ অন্ত" সংক্রান্তীয় বিতর্ক আলোচনা কৰিবলৈ
- ফ্রান্সিছ ফুকুয়ামাৰ "ইতিহাসৰ অন্ত" বিষয়ক আলোচনা কৰিবলৈ

১৪.২ পৰিচয়

ৰাজনীতি বিজ্ঞানৰ অধ্যয়নত ৰাজনৈতিক আদর্শ বা দর্শনৰ অধ্যয়নে বিশেষ গুৰুত্ব লাভা কৰি আহিছে, যিহেতু সেই আদর্শ বা দর্শনে ৰাষ্ট্ৰ আৰু ইয়াৰ কার্য্যৰ প্রকৃতিক প্রভাৱিত কৰে। যিকোনো ৰাষ্ট্ৰৰ ৰাজনৈতিক কায্য-ক্রমনিকাত আদর্শৰ প্রভাৱ সুদূৰ প্রসাৰী। সেয়ে, ৰাজনীতি বিজ্ঞানত আদর্শৰ অধ্যয়নে বিশেষ স্থান লাভ কৰি আহিছে। সমসাময়িক ৰাষ্ট্ৰ আৰু আন্তঃৰাষ্ট্ৰীয় ৰাজনীতিৰ প্রকৃতিৰ ওপৰত প্রভাৱ বিস্তাৰ কৰা কেতবোৰ আদর্শ হ'ল — উদাৰতাবাদ, সমাজবাদ, ফেচিবাদ, নাজীবাদ, গান্ধীবাদ আদি। এইবোৰক ৰাজনীতিৰ পৰিবর্তিত ৰূপৰ অধ্যয়নৰ বাবে বিশেষভাৱে আলোচনা কৰা হয়। সমসাময়িক ৰাষ্ট্ৰীয়আৰু আন্তঃৰাষ্ট্ৰীয় নীতি নির্ধাৰণৰ ক্ষেত্রতএই আদর্শবোৰে বিশেষ ভূমিকা পালন কৰে। এই অধ্যায়টিয়ে আদর্শৰ আর্থ আৰু আদর্শকেন্দ্রিক বিতর্ক আৰু যুক্তিসমূহৰ ওপৰত আলোকপাত কৰিব।

১৪.৩ আদর্শৰ অর্থ

ফ্রান্সৰ তাত্ত্বিক এণ্টইনি ডেষ্টুট দ্যা ট্রেছী (Antoine Desteutt de Tracy) এ সর্বপ্রথমে "আদর্শ" শব্দটো ব্যৱহাৰ কৰিছিল, যাৰদ্বাৰা তেওঁ "ধাৰণাৰ বিশ্বাস" (Science of Ideas) বুজাইছিল। ইয়ে এটি নতুন সামাজিক আৰু ৰাজনৈতিক ধাৰাৰ বিষয়ৰ প্ৰাৰম্ভ কৰিছিল।

বহল অর্থত, আদর্শই ধাৰণাৰ এক সংহতি (Set of Ideas) ক বুজায়, য'চ পূর্বৰ ব্যৱস্থাৰ পৰা কোনো পৰিবর্তন নিবিচৰা ধাৰণাৰ পৰা সমাজৰ সম্পূর্ণ পৰিবর্তন বিচৰা ধাৰণাও উপলব্ধ। ধাৰণাৰ বিভিন্ন ৰূপ থাকে; কেতবোৰ কোনো সত্যৰ বিশ্লেষণ কৰে, আন কিছুমানে কোনো বিশেষ দাবী কৰিব পাৰে, কেতবোৰ সত্যৰ সন্ধান কৰে, কেতবোৰে আনৰ প্ৰতি অভিযোগ সাব্যস্ত কৰে।

আদর্শৰ আটাইতকৈ গুৰুত্বপূর্ণ কথাতো হ'ল যে ই ক্রিয়ামূলক (Action-Oriented)। কোনো এক ৰাজনৈতিক আদর্শৰ পৰীক্ষণ সম্পন্ন হয় ইয়াৰ ব্যৱহাৰৰ যোগেদি। আদর্শই এটা ৰাজনৈতিক ব্যৱস্থাৰ ধাৰণা আন এটা ৰাজনৈতিক ব্যৱস্থাত ব্যৱহাৰ কৰিব, যাৰ জৰিয়তে নিজৰ কার্য্য সিদ্ধিৰ বাট মুকলি হ'ব। অন্য শব্দত, আদর্শই ক্রিয়ামূলক ৰাজনৈতিক ধাৰণাক বুজায় এই অর্থত যে এইবোৰ হৈছে ৰাজনৈতিক গাঁথনি আৰু সম্পর্কৰ স্থিতাৱস্থা বাহাল ৰখা বা তাত পৰিবর্তন অনা ধাৰণাৰ সংহতি।

ৰাজনৈতিক আদর্শ সম্পর্কে ওপৰোক্ত আলোচনাৰ ভিত্তিত ইয়াৰ উপযোগিতা বা ব্যৱহাৰ নিমোক্ত ধৰণে আলোচনা কৰিব পাৰি ঃ—

১) ৰাজনৈতিক সংস্কৃতিৰ মূল্য আৰু মনোভাৱৰ দৰে আদর্শ একে নহয়। ই হৈছে কার্য্য সম্পাদনৰ দলিল আৰু মূল্যায়নৰ আহিলা। ৰাজৰৈতিক গাঁথনি আৰু সম্পর্কৰ স্থিতাৱস্থা বাহাল ৰখা বা সাল-সলনি কৰাৰ বাবে আদর্শ হ'ল প্রত্যুত্তৰ।

২) ই অকল এটাৰ পৰা আন এটাক পৃথক কৰা ধাৰণাৰ সমষ্টি নহয়; ই হ'ল আদর্শৰ কর্মৰাজিৰ সমষ্টি যাৰদ্বাৰা ৰাজনৈতিক ব্যৱস্থাত ভিন্নতাৰ সৃষ্টি হয়।

৩) বাস্তৱতাৰ লগত মিলাবলৈ আদর্শই পৰিবর্তন পোষকতা কৰে। এটা আদর্শক পোন পটীয়াকৈ কার্য্যত পৰিণত কৰিবলৈ অসম্ভৱ; বাস্তৱ ৰাজনীতি ইয়াৰ সামঞ্জস্য আৰু ব্যহাৰ হ'ব লাগিব।

৪) ৰাজনৈতিক ব্যৱস্থাত আদর্শৰ ভূমিকাৰ ভিত্তিত আদর্শক বিভিন্ন ভাগত শ্রেণীকৃত কৰা হয়; যেনে — সোঁপন্থী, বাঁওপন্থী, প্রতিক্রিয়াশীল, প্রগতিশীল, ৰক্ষণশীল, বৈপ্লৱিক, সংস্কাৰমুখী, বাস্তৱিক ইত্যাদি।

৫) আদর্শ হ'ল ৰাজনৈতিক দল বা সংগঠনৰ মূল পৰিকাঠাম।

৬) আদর্শ হৈছে ৰাজনৈতিক আহিলা, যাৰদ্বাৰা নেতাসকলে ৰাজনৈতিক কাম-কাজত যোগদান কৰিবলৈ মানুহক অনুপ্রাণিত কৰে; নাইবা ৰাজনৈতিক মান্যতা অর্জনৰ বাবে তেওঁলোকে মানুহক প্রভাৱিত কৰিবলৈ আদর্শক ব্যৱহাৰ কৰে।

১৪.৪ "আদর্শৰ অন্ত" বিষয়ক বিতর্ক

"The End of Ideology : Ontne Exhaustion of Political Ideas in the Fifties" (1960) নামৰ গ্ৰন্থখন ডেনিয়েল বেল (Daniel Bell) এ লিখিছিল। ডেনিয়েল বেলে উনুকিয়া দিছিল যে পশ্চিমীয়া জগতত "ৰাজনৈতিক বিষয় সংক্ৰান্তত পণ্ডিতসকলৰ মাজত বৰ্তমান সময়ত এটা সহমত আছে ঃ কল্যাণকামী ৰাষ্ট্ৰৰ গ্ৰহণযোগ্যতা, ক্ষমতা-বিকেন্দ্ৰীকৰণৰ প্ৰতি ধাউতি, মিশ্ৰ অৰ্থনীতিৰ ব্যৱস্থা, আৰু ৰাজনৈতিক বহুমূখিতা। সেইসূত্ৰে, আদর্শ যুগ (Ideology Age) ৰ অন্ত পৰিছে"। (উৎস ঃ www.sosci.uci.edu)।

ৰ'বার্ট লেনে এই বিষয়টোলৈ এটা বেলেগ দৃষ্টিকোণেৰে অৰিহণা আগবঢ়াইছে। যিকোনো উদ্যোগিক ৰাষ্ট্ৰৰ শ্ৰমিক শ্ৰেণীৰ প্ৰসঙ্গেৰে এইটো ক'ব পাৰি যে তেওঁলোক বেলেগ বেলেগ আদর্শৰ ভিত্তিত বিভাজিত হৈ পৰিছে। যিহেতু শ্ৰমিক শ্ৰেণীৰ বিপ্লৱৰ বাবে এটা স্বতন্ত্ৰ আদর্শ নাই, সেয়েতাত মাত্ৰ দুটা পচন্দ থাকিব পাৰে — পুঁজিবাদ বা সমাজবাদ। ইয়াত আন কোনো আদর্শ নাই, কাৰণ "তৃতীয়" এটা আদর্শ সুষ্টি হোৱা নাই; তাৰোপৰি, যিহেতু সমাজ শ্ৰেণী-বৈষম্যতাৰ ভিত্তিত বিভক্ত, সেয়ে শ্ৰেণীহীন বা শ্ৰেণী উৰ্দ্ধত কোনো আদর্শ নাথাকে।

সেয়ে, সমাজবাদী আদর্শৰ পৰা একনো যদি ফালৰি কাটিব বিচৰা যায়, তেনেহ'লে ই পুঁজিবাদী আদর্শক শক্তিশালী কৰাৰ অর্থ বুজায়। পুঁজিবাদী আদর্শৰ আন বিকল্প নথকা বাবে ৰ'বার্ট লেনে মন্তব্য কৰিছে যে এইয়া আন আধর্শৰ অন্ত।

আদর্শৰ অন্তৰ সমর্থক পণ্ডিতসকলে কিছুমান ঘটনা-পৰিঘঠনাবে তেওঁলোকৰ যুক্তি সাব্যস্ত কৰে। 1955 চনত ইটালীত World Congress of Intellectuals ৰ বৈঠক বহিছিল, য'ত পাশ্চাত্য বিশ্বৰ বিভিন্ন দেশৰ উদাৰতাবাদী, সমাজবাদী, ৰক্ষণশীল, বাস্তৱতাবাদী আদি বিভিন্ন আদর্শবাদী পণ্ডিতে অংশ গ্ৰহণ কৰিছিল। ৰাজনৈতিক বিশ্বাস নিৰপেক্ষতাৰে তেওঁলোকে মত পোষণ কৰিছিল যে সোঁপন্থীসকলক বাঁওপন্থী আদর্শৰ পৰা দূৰত ৰখা পৰম্পৰাগত বিষয়সমূহ নাইকিয়া হৈছে। সেয়ে, বাঁওপন্থী আৰু সোঁপন্থী আদর্শবাদীসকল বিভাজিত কৰি ৰখা আদর্শবাদী বিষয়সমূহ অতি সীমিত হৈ পৰিছে।

"আদর্শৰ অন্ত"বিষয়ক বিতর্কত এটা কথা প্ৰতিষ্ঠাপিত হৈছেযে মার্ক্সবাদী-লেনিনবাদীসকলে পূৰ্বাভাষ দিয়া অর্থনৈতিক শ্ৰেণী ব্যৱস্থা সম্পদ আৰু আয়ৰ সমবিতৰণেৰেনোহোৱা হৈ পৰিছে, যাৰ ফলত অর্থনৈতিক বৈষম্যতাৰ ৰাজনৈতিক গুৰুত্ব নাইকিয়া হৈছে। এইধৰণৰ নতুন ধাৰণাই সোঁপন্থী আৰু বাঁওপন্থী আদর্শবাদী সকলৰ মাজত পৰিবর্তনৰ সূচনা কৰিছে। তেওঁলোকে বুজি উঠিছে যে ৰাজনৈতিক বিৰোধৰ উৎসৰ অৱসানে আদর্শৰ ৰাজনৈতিক ভূমিকা নাইকিয়া কৰিছে।

১৪.৫ ফ্ৰান্সিছ ফুকুয়ামা আৰু "ইতিহাসৰ অন্ত"

সাম্প্ৰতিক সময়ত ষ্টেনফোর্ড বিশ্ববিদ্যালয়ত কর্মৰত ফ্ৰান্সিছ ফুকুয়ামা এজন আমেৰিকান

ৰাজনৈতিক বিজ্ঞানবিদ আৰু লিখক। সমাজবাদী শাসনৰ অন্তৰ সময়ছোৱাত 1989 চনত তেখেতে "ইতিহাসৰ অন্ত" (The end of History) নামৰ প্ৰবন্ধটো লিখিছিল। তাত তেওঁ উদাৰতাবাদী গণতন্ত্ৰৰ চুড়ান্ত বিজয় ঘোষণা কৰিছিল। তেওঁ যুক্তি দৰ্শাইছিল যে "এইটো আদৰ্শবাদী বিকাশৰ ক্ষেত্ৰত মানৱজগতৰ বাবে শেষৰটো মাইলৰ খুঁটি হ'ব পাৰে আৰু মানব চৰকাৰৰ অন্তিমটো ৰূপ হ'ব পাৰে আৰু ই ইতিহাসৰ অন্ত হোৱা বুলি সাব্যস্ত কৰে"। আন্তঃৰাষ্ট্ৰীয় সম্পৰ্কত উদাৰতাবাদী ৰাষ্ট্ৰসমূহ আনতকৈ বেছি স্থিৰ আৰু শান্তিপূৰ্ণ বুলি যুক্তি দৰ্শাই উদাৰতাবাদী আদৰ্শৰ বিজয় তেওঁ উদ্‌যাপন কৰিছিল।

1962 চনত ফুকুয়ামাই "The End of History and the Last Man" নামৰ গ্ৰন্থখন লিখিছিল। তেওঁৰ মতে, ইতিৰহাসৰ অন্তই এইটো প্ৰশ্নৰ অৱতাৰণা কৰিছিল যে মানৱসভ্যতাৰ বিকাশত কোনটো আদৰ্শ চুড়ান্ত আৰু সৰ্বোতকৃষ্ট বিবেচিত হ'ব, যাৰদ্বাৰা মানুহৰ প্ৰকৃতি সঠিকভাৱে গঢ় ল'ব। তেওঁৰ যুক্তিত, "উদাৰ গণতন্ত্ৰ, আন আন চৰকাৰৰ ৰূপ বা ৰাজনৈতিক সংগঠনৰ চুলনাত, মানুহৰ প্ৰকৃতিৰ লগত বেছিকৈ খাপ খোৱা। প্ৰতিখন দেশ যদিও গণতান্ত্ৰিক নহয়, যদিও সোঁপন্থী-বাঁওপন্থী দুয়ো ধাৰাতে বহুতো স্বৈৰাচাৰী শাসন ব্যৱস্থা আছে, তথাপি উদাৰ গণতান্ত্ৰিক সুশৃংখলিত আদৰ্শ ছোভিয়েট ইউনিয়ন আৰু পূব-ইউৰোপত জনপ্ৰিয়তাৰে বিস্তাৰিত হৈ পৰিছে, কিয়নো সাম্যবাদক নস্যাৎ কৰি জনগণে বুজি উঠিছে যে উদাৰ গণতান্ত্ৰিক চৰকাৰৰ উৰ্দ্ধত আন কোনো চৰকাৰৰ ৰূপ নাই, যিয়ে গণতান্ত্ৰিক ধাৰণাক আৰু মানুহক গণতন্ত্ৰৰ দৰে শ্ৰদ্ধা কৰে। গণতান্ত্ৰিক আদৰ্শক মানুহে ন্যায়ৰ প্ৰতীকৰূপে গ্ৰহণ কৰে।"

তেওঁৰ গ্ৰন্থখনত ফুকুয়ামাই হেগেল আৰু মাৰ্ক্সৰ অৱতাৰণা কৰিছে। তেওঁ কৈছে যে মাৰ্ক্স আৰু হেগেলে বিশ্বাস কৰে যে মানৱ সমাজৰ বিশ্বাস তেতিয়াই শেষ হ'ব যেতিয়া মানৱ সমাজে মানুহৰ সকলোবোৰ প্ৰয়োজনীয়তা পূৰণ কৰিব পৰা এখন সমাজ পাব। হেগেলৰ বাবে এই সমাজখন আছিল উদাৰ আৰু মাৰ্ক্সৰ বাবে আছিল সাম্যবাদী।

ফুকুয়ামাৰ মতে, উদাৰ গণতন্ত্ৰত যিহেতু সকলো পূৰণ আৰু প্ৰাপ্তি হ'ব, নীতি আৰু অনুষ্ঠানৰ আন কোনো বিকাশ হ'বলৈ কোনো অৱকাশ নাথাকিব। মানৱ সভ্যতাৰ বিকাশৰ দিশ নিৰ্দেশনা বিশ্লেষণ কৰি ফুকুয়ামাই কৈছে যে উদাৰ গণতন্ত্ৰত মানুহৰ অবিচ্ছেদ্য অংশ হোৱা দুটা কাৰণ আছে ঃ— অৰ্থনীতি আৰু স্বীকৃতিৰ বাবে সংগ্ৰাম। তেওঁৰ মতে, বিশ্ব-বজাৰ আৰু সাৰ্বজনীন গ্ৰহক সংস্কৃতিৰ বাবে বিশ্বৰ সকলো সকলো সমাজ একত্ৰিত হৈ পৰিছে।

আনহাতে, তেওঁৰ গ্ৰন্থখনত হেগেলৰ আন এটা ধাৰণা "স্বীকৃতিৰ বাবে সংগ্ৰাম" (Struggle for Recognition) ত ফুকুয়ামাই বিশেষ মনোযোগ দিছিল। এই ধাৰণাটো মানুহৰ আন প্ৰাণীৰ পৰা পৃথক কৰে কিয়নো প্ৰাকৃতিক প্ৰয়োজনীয়তা যেনে — খাদ্য, পানী আৰু বাসস্থানৰ উপৰিও মানুহে মানুহ হিচাপে স্বীকৃতিও বিচাৰে। ফুকুয়ামাইও এই বিষয়টোক মানৱ ইতিহাসৰ অতি গুৰুত্বপূৰ্ণ কাৰক হিচাপে বিবেচনা কৰে। আৰৰু উদাৰ ৰাষ্ট্ৰত সাৰ্বজনীন স্বীকৃতি সম্ভৱ হ'ব। সেয়ে, তাত স্বীকৃতিৰ বাবে কোনো সংগ্ৰাম নাথাকিব। কিয়নো, উদাৰ গণতন্ত্ৰই অযুক্তিকৰ ইচ্ছা আঁতৰাই যুক্তিসম্পন্ন ইচ্ছাক সমভাৱে স্বীকৃতি প্ৰদান কৰে।

উদাৰ গণতন্ত্রই কেনেকৈ নিজৰ স্থিতি লাভ কৰিলে, সেই ঐতিহাসিক প্রক্রিয়াৰ কেতবোৰ দৃষ্টান্ত ফুকুয়ামাই দাঙি ধৰিছে। তেওঁ উদাৰহণত সামৰি লৈছে ছোভিয়েট ব্যৱস্থাৰ দুর্বলতা, লেটিন আমেৰিকা আৰু দক্ষিণ ইউৰোপত গণতান্ত্রিক পৰিবর্তন, আৰু পূব-এছিয়াৰ উদাৰতাবাদৰ লগত হোৱা সহযোগিতা। হেগেলৰ মতে, মানুহৰ সার্বজনীন ইতিহাস হৈছে মানুহৰ যুক্তিৰ প্রতি থকা সন্মতিৰ বিকাশমূলক জয়যাত্রা, যিটো উদাৰ গণতন্ত্রত প্রতিফলিত হয়। তাৰ অধিক, তেওঁ কান্ত (kant) ৰ প্রসংগ টানি আনিছে, যাৰ বাবে মান সভ্যতাৰ বিকাশৰ অন্তিমটো বিন্দু হৈছে মানৱ স্বতন্ত্রতাৰ বাস্তৱিকীকৰণ (Realization of Human Freedom)।

ফুকুয়ামাই যুক্তি দর্শাইছে যে উদ্যোগীকৰণে উদাৰ গণতন্ত্রৰ সৃষ্টি কৰা উচিত। কিয়নো, আধুনিক অর্থনীতিৰ যোগেদি বিৰুদ্ধ স্বার্থ নোহোৱা কৰিবলৈ গণতন্ত্রই হৈছে প্রয়োজনীয় মজিয়া। তেওঁৰ মতে, এনেকি বিজ্ঞানেও স্বতন্ত্র পৰিৱেশতহৈ আগবাঢ়িব পাৰে।

তেওঁৰ "অন্তিম মানুহজন" (Last Man) ৰ বর্ণনা দিবলৈ ফুকুয়ামাই Zocpe আৰু Hobbes ৰ প্রাকৃতিক ৰাজ্যৰ "প্রথম মানুহজন" (First Man) ৰ প্রসংগ আনিছিল। "প্রথম মানুহজন" ৰ প্রথম লক্ষ্য আছিল নিজৰ সুৰক্ষা। তেওঁ আকৌ হেগেলৰ প্রসংগ টানিছে কিয়নো নিজৰ সুৰক্ষাৰ উপৰিও হেগেলৰ "প্রথম মানুহ" জনে নিজৰ স্বীকৃতিৰ বাবে সংগ্রাম কৰে।

প্লেট' (Plato) ৰ ধাৰণা 'থাইম'ছ' (Thymos) ৰ ব্যৱহাৰো ফুকুয়ামাই কৰে। প্লেট'ৰ মতে, যিকোনো ৰাজনৈতিক গোটৰ অৱস্থিতিৰ বাবে থাইম'ছ অতীৱ প্রয়োজনীয়। কিয়নো, ইয়াৰ দ্বাৰাই নিস্ব স্বার্থযুক্ত জীৱনৰ পৰা সর্ব মংগলময় সামাজিক জীৱনলৈ মানুহৰ উত্তৰণ ঘটোৱা হয়। ফুকুয়ামাৰ মতে, মানুহৰ আত্মাৰ থাইম'টিক (Thymotic) অংশৰ পৰাই স্বীকৃতিৰ বাবে যি সংগ্রাম তাৰ সৃষ্টি হয় আৰু আত্মাৰ থাইম'টিক অংশ সন্তুষ্টি উদাৰ গণতান্ত্রিক ৰাষ্ট্রত সম্ভৱ হৈ উঠে।

বাস্তৱবাদ (Realism) ক ফুকুয়ামাই তীব্র সমালোচনা কমিছে। বাস্তৱবাদ মতে, আন্তঃৰাষ্ট্রীয় ব্যৱস্থাত নিৰাপত্তাহীনতা, আক্রমণ, যুদ্ধ আদিৰ সম্ভাৱনা আত্যাধিক। ফুকুয়ামাই দাবী কৰে যে উদাৰ গণতন্ত্রসমূহৰ মাজত শান্তিপূর্ণ সম্পর্ক থাৱক। আনৰ বৈধতা বিনষ্ট কৰিবলৈ সেই দেশসমূহৰ মাজত কোনো যুক্তিপূর্ণ থল নাথাকে, কিয়নো তেওঁলোকে সার্বজনীন সমতা আৰু অধিকাৰৰ একেই নীতিৰ পৃষ্ঠপোষকতা কৰে। তেওঁলোকে সেইবোৰ দেশৰ লগত সংঘাতত লিপ্ত হয় যিবোৰ দেশ উদাৰ গণতান্ত্রিক নহয়। যেনে — আমেৰিকাই দুখন বিশ্বযুদ্ধত অংশ লোৱাৰ উপৰিও কোৰিয়া, ভিয়েটনাম, ভূমধ্য-সাগৰীয় দেশত যুদ্ধত অৱতীর্ণ হৈছিল। অন্যহাতে, তেওঁ দাবী কৰে যে 1980 চনৰ পৰা ছোভিয়েট ইউনিয়ন আৰু পূব-ইউৰোপত থকা দেশসমূহৰ বৈদেশিক নীতিৰ ওপৰত উদাৰ চিন্তাধাৰাৰ প্রভাৱ লক্ষণীয়।

উদাৰ গণতন্ত্রক সমর্থন কৰি ফুকুয়ামাই দুখন বিশ্বৰ কথা উল্লেখ কৰিছে ঃ ঐতিহাসিক আৰু উত্তৰ-ঐতিহাসিক বিশ্ব। তেওঁৰ মতে, অদূৰ ভৱিষ্যতে, বিশ্ব এই দুই ভাগত বিভক্ত হ'ব। উত্তৰ-ঐতিহাসিক বিশ্বত ৰাষ্ট্রসমূহৰ মাজৰ বার্তালাপ আৰু সম্পর্কত অর্থনৈতিক বিষয়ে গুৰুত্ব লাভ কৰে আৰু ক্ষমতা-কেন্দ্রিক ৰাজনীতিয়ে গুৰুত্ব হেৰুৱাব। উত্তৰ-ঐতিহাসিক বিশ্ব বিভিন্ন

গোষ্ঠীয়-ৰাষ্ট্ৰ (Nation Satus) ত বিভক্ত হ'ব; কিন্তু জাতীয়তাবাদে উদাৰতাবাদৰ লগত মিলাপ্ৰীতি শান্তিৰে বজাই ৰাখিব। আনহাতে, ঐতিহাসিক বিশ্বত ৰাষ্ট্ৰসমূহৰ উন্নয়নৰ ওপৰত ভিত্তি কৰি বিভিন্ন ধৰ্মীয়, জাতীয় আৰু আদৰ্শগত সংঘৰ্ষ আৰু সংঘাতে দোপদপাই থাকিব। ঐতিহাসিক বিশ্বত আকৌ পৰিলক্ষিত হ'ব ক্ষমতাকেন্দ্ৰিক ৰাজনীতিৰ পুৰণা নীতি-নিয়ম আৰু গোষ্ঠীয় দেশসমূহ হ'ব মূল কৰ্তা (Main Actor)। ফুকুয়ামাই এইটো সত্য মানি লৈছে যে উন্নয়নৰ ভিত্তিত ৰাষ্ট্ৰসমূহৰ বহুতো তফাদ থাকিব; কিন্তু, বিশ্বৰ কিছুসংখ্যত ৰাষ্ট্ৰত (বা অংশত) "ইতিহাসৰ অন্ত" পৰিছে।

১৪.৬ ফ্ৰান্সিছ ফুকুয়ামাৰ "ইতিহাসৰ অন্ত" ধাৰণাৰ সমালোচনা

ফ্ৰান্সিছ ফুকুয়ামৰ "ইতিহাসৰ অন্ত" ধাৰণাটো বিভিন্ন ধৰণে সমালোচিত হৈছে।

সমালোচৰ মতে, সাম্যবাদৰ ধ্বংসৰ পৰিৰেশটো এটা নাম বিদলৈ ফুকুয়ামাই বিছাৰিছিল। একগোষ্ঠীয় দিশৰপৰা তেওঁ "ইতিহাসৰ অন্ত" নামটো দিছিল। তেওঁ নিজৰ যুক্তি দৰ্শাবলৈ অতি বেগেৰে আগবাঢ়িছিল। সম্ভৱতঃ আমেৰিকা নেতৃত্বাধীন নতুন বিশ্ব ব্যৱস্থাক মান্যতা দিবলৈ তেওঁ উঠি-পৰি লাগিছিল।

হেগেল আৰু মাৰ্ক্সৰ দৃষ্টিভংগীৰে আগবাঢ়ি ঐতিহাসিক প্ৰক্ৰিয়াৰ ব্যাখ্যা দিবলৈ ফুকুয়ামাৰ চেষ্ঠা আছিল একপক্ষীয়। উনৈশ শতিকাৰ বিশ্লেষণৰ পুনৰ নিৰ্মাণ আছিল তেওঁ তত্ত্ব।

ফুকুয়ামৰ দৃষ্টিভংগীটো ব্যক্তিকেন্দ্ৰিক আৰু গোষ্ঠীসাপেক্ষ (ethnocentric) আছিল। মানুহৰ ইতিহাস সম্পৰ্কে তেওঁৰ যি বোধগম্যতা আছিল সেয়া পাশ্চাত্য মানুহ আৰু পাশ্চাত্য সভ্যতাৰ ইতিহাসৰ পৰিপূৰক আৰু সমৰ্থক আছিল। অন্য সভ্যতাৰ গঠনমূলক অৰিহণাকে অকল এই ধাৰণাই নস্যাৎ কৰা নাছিল, ভৰিষ্যতে যে আন সভ্যতাৰ যোগেদি তাত্ত্বিকআৰু ব্যৱহাৰিক পৰিবৰ্তন সাধিত হ'ব পাৰে সেই সম্ভাৱনাকো এই ধাৰণাই মষিমুৰ কৰিছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ কোনে প্ৰথমে 'আদশ' শব্দটো ব্যৱহাৰ কৰিছিল?

প্ৰশ্ন নং ২ ঃ আদৰ্শৰ আটাইতকৈ গুৰুত্বপূৰ্ণ বৈশিষ্টটো কি?

প্ৰশ্ন নং ৩ ঃ ৰাজনৈতিক আদৰ্শৰ ব্যৱহাৰিক দিশ উল্লেখ কৰক।

প্ৰশ্ন নং ৪ ঃ আদৰ্শৰ অন্ত বিষয়ক বিতৰ্কসূচনা কৰা দুজন সমাজবিজ্ঞানীৰ নাম লিখক।

প্ৰশ্ন নং ৫ ঃ "ইতিহাসৰ অন্ত" কাৰ স'তে জড়িত?



১৪.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ফ্ৰান্সৰ তাত্ত্বিক এন্ট'ইনি ডেষ্টুট দ্যা ট্ৰেছীয়ে প্ৰথমবাৰৰ বাবে "আদর্শ" শব্দটো ব্যৱহাৰ কৰিছিল। ইয়াৰদ্বাৰা তেওঁ "ধাৰণাৰ বিজ্ঞান"ক বুজাইছিল।
- বৰ্দ্ধিত অর্থত, আদর্শ হ'ল ধাৰণাৰ এখ গোট বা সংহতি, য'ত পূৰ্বে প্ৰচলিত ব্যৱস্থাৰ পৰা কোনো সলনি নিবিচৰা ধাৰণাও বর্তমান।
- আদর্শৰ আটাইতকৈ গুৰুত্বপূৰ্ণ বৈশিষ্টটো হ'ল যে আদর্শ ক্ৰিয়ামূলক। কোনো এখ ৰাজনৈতিক আদর্শৰ পৰীক্ষণ সম্পন্ন হয় তাৰ বাস্তৱিক ব্যৱহাৰৰ যোগেদি। আদর্শৰ যোগেদি আন এটা ৰাজনৈতিক ব্যৱস্থাত নিজৰ সুবিধামতে কার্য্য সম্পাদন কৰা হয়। অন্য অর্থত, আদর্শই ক্ৰিয়ামূলক ৰাজনৈতিক ধাৰণাক সূচায়।
- ৰাজনৈতিক ব্যৱস্থাত আদর্শৰ ভূমিকাৰ ভিত্তিত আদর্শক বিভিন্ন ভাগত ভাগ কৰা হয়; যেনে — সোঁপন্থী, বাঁওপন্থী, প্ৰগতিশীল, ৰক্ষণশীল, প্ৰতিক্ৰিয়াশীল, বৈপ্লৱিক, সংস্কাৰমুখী, বাস্তৱিক ইত্যাদি।
- ৰাজনাতিত আদর্শৰ এক বিশেষ ভূমিকা আছে। ডেনিয়েল বেল, ৰ'বার্ট লেন আদিৰ দৰে আমেৰিকান বিশিষ্ট চিন্তাবিদসকলৰ যোগেদি আদর্শৰ ভূমিকাৰ বিশেষ বিশ্লেষণ চর্চিত হৈছে। তেওঁলোকৰ বিশ্লেষণে পাশ্চ্যাত্য জগতত এনে আলোড়নৰ সৃষ্টি কৰিছে যে আদর্শৰ ইতিমধ্যে প্ৰয়োজনীয়তা নোহোৱা হৈছে। বৈজ্ঞানিক সামাজিক প্ৰযুক্তিয়ে আদর্শৰ কাম-কাজ নিজৰ আওতালৈ আনিছে।
- ডেনিয়েল বেলৰ মতে, ৰাজনৈতিক অচলাৱস্থাৰ সৃষ্টি কৰি থকা বিষয় সমূহৰ অন্ত পৰিছে অর্থনৈতিক বিকাশৰ যোগেদি, যাৰ ফলত আদর্শৰ বিভাজন নোহোৱা কৰিছে।
- বিশ্বত মুক্ত বাণিজ্য আৰু অনুষ্ঠানত প্ৰয়োভৰে কল্যাণকামী ৰাষ্ট্ৰৰ যুগত সৃষ্টি হোৱা ভয় নাইকিয়া কৰিছে আৰু মানুহৰ মাজত বিশ্বাস বৃদ্ধি হৈছে।
- "আদর্শৰ অন্ত" বিষয়ক বিতর্কত এটা কথা প্ৰতিষ্ঠিত হৈছে যে অর্থনৈতিক শ্ৰেণী ব্যৱস্থা সম্পদ আৰু আয়ৰ সমবিতৰণেৰে নোহোৱা হৈছে; ফলত অর্থনৈতিক বৈষম্যৰ ৰাজনীতিকৰণৰ গুৰুত্ব নোহোৱা হৈছে।
- সমাজবাদ ব্যৱস্থাৰ অন্তৰ সময়ছোৱাত ১৯৮৯ চনত ফুকুয়ামাই "ইতিহাসৰ অন্ত" নামৰ প্ৰবন্ধটো লিখিছিল।
- "The End of History and the Last Man" নামৰ গ্ৰন্থত ফুকুয়ামাই হেগেল আৰু মার্ক্সৰ অৱতাৰণা কৰিছিল। মার্ক্স আৰু হেগেলে বিশ্বাস কৰিছিল যে মানৱ সমাজৰ বিকাশ তেতিয়াই শেষ হ'ব যেতিয়া মানুহে সকলো প্ৰয়োজনীয়তা পূৰণৰ বাবে এখন যোগ্য সমাজ পাব। হেগেলৰ বাবে এই সমাজখন আছিল উদাৰ আৰু মার্ক্সৰ বাবে আছিল

সাম্যবাদী।

- উদাৰ গণতন্ত্রই কেনেকৈ নিজৰ স্থিতি লাভ কৰিলে, সেই ঐতিহাসিক প্রক্রিয়াৰ কেতবোৰ দৃষ্টান্ত ফুকুয়ামাই দাঙি ধৰিছে। উদাহৰণৰ অন্তভুর্ক্ত হ'ল — ছোভিয়েট ব্যৱস্থাৰ দুর্বলতা, লেটিন আমেৰিকা আৰু দক্ষিণ ইউৰোপৰ গণতান্ত্রিক সালসলনি, পূৱ-এছিয়াৰ উদাৰতাবাদৰ লগত হোৱা সহ-অৱস্থান।
- ফুকুয়ামাই যুক্তিৰে কয় যে উদ্যোগীকৰণে উদাৰ গণতন্ত্র সৃষ্টি কৰা উচিত।
- ফুকুয়ামাই প্লেট'ৰ "থাইম'ছ" ও ব্যৱহাৰ কৰিছিল আৰু যুক্তি দর্শাইছিল যে আত্মাৰ থাইম'টিক অংশৰ পৰাই স্বীকৃতিৰ বাবে সংগ্রামৰ সৃষ্টি হয়, যাক উদাৰ গণতান্ত্রিক ৰাষ্ট্রৰ পূৰণ কৰ্ম ৰিব পাৰি।
- বাস্তৱবাদক সমালোচনা কৰি ফুকুয়ামাই দাবী কৰে যে উদাৰ গণতন্ত্রসমূহৰ মাজত শান্তিপূর্ণ সম্পর্ক থাকে।
- উদাৰ গণতন্ত্রক সমর্থন কৰি ফুকুয়ামাই দুখন জগতৰ কথা কৈছে — ঐতিহাসিক আৰু উত্তৰ ঐতিহাসিক বিশ্বত জাতীয়তাবাদে উদাৰতাবাদৰ লগত ভাল সম্পর্ক বজাই ৰাখিব।
- ফুকুয়ামাৰ "ইতিহাসৰ অন্ত" বিষয়টো বহুলভাৱে সমালোচিত হৈছে। সম্ভৱতঃ আমেৰিকা নেতৃত্বাধীন নতুন বিশ্ব ব্যৱস্থাক মান্যতা দিবলৈ তেওঁ উঠি-পৰি লাগিছিল।



১৪.৮ অধিক জানিবলৈ

১) O.P. Gouba, 2012. An INtroduction to Political Theory. MacMillan India Ltd.

২) Andrew Heywood, 2004. Political Theory. Palgrave MacMillan.

৩) J.C. Johari, 2006. Contemporary Political Theory. Sterling Publishers Pvt. Ltd.

৪) Francis Fuhuyama, 1992.The End of History and the Last Man. Penguin Hamondsworth.



১৪.৯ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ এণ্ট'ইনি ডেষ্টুট দ্যা ট্রেছী।

২ নং প্রশ্নৰ উত্তৰ ঃ ই ক্রিয়ামূলক। কোনো এক ৰাজনৈতিক আদর্শৰ পৰীক্ষণ ইয়াৰ বাস্তৱিক ব্যৱহাৰ যোগেদি সম্পন্ন হয়।

৩ নং প্রশ্নৰ উত্তৰ ঃ ৰাজনৈতিক সংস্কৃতিৰ মূল্য আৰু মনোভাৱৰ দৰে আদর্শ একে নহয়; আদর্শৰ বাস্তৱিক ব্যৱহাৰ আছে। ই হৈছে কার্য্য সম্পাদনৰ নথি আৰু মূল্যায়নৰ আহিলা। ৰাজনৈতিক গাঁথনি আৰু সম্পর্কৰ স্থিতাৱস্থা বাহাল ৰখা বা তাত আমূল পৰিবর্তন সাধন কৰাৰ বাবে আদর্শ হ'ল প্রত্যুত্তৰ।

৪ নং প্রশ্নৰ উত্তৰ ঃ ডেনিয়েল বেল আৰু ৰ'বার্ট লেন।

৫ নং প্রশ্নৰ উত্তৰ ঃ ফ্রান্সিছ ফুকুয়ামা।



১৪.১০ আৰ্হি প্রশ্ন

প্রশ্ন ১ ঃ আদর্শৰ সূত্র দিয়ক। আদর্শৰ মূল বৈশিষ্টসমূহ কি কি?

প্রশ্ন ২ ঃ "আদর্শৰ অন্ত" সংক্রান্তীয় বিতর্কত বিভিন্ন পণ্ডিতে আগবঢ়োৱা যুক্তিসমূহ কি কি?

প্রশ্ন ৩ ঃ "ইতিহাসৰ অন্ত" বিতর্কত ফ্রান্সিছ ফুকুয়ামাই আগবঢ়োৱা যুক্তি আৰু দৃষ্টিভংগী আলোচনা কৰক।

প্রশ্ন ৩ ঃ "ইতিহাসৰ অন্ত" বিতর্কত ফ্রান্সিছ ফুকুয়ামাই কেনেদৰে উদাৰ গণতন্ত্রক যুক্তিৰে সমর্থন কৰিলে, তাৰ ব্যাখ্যা আগবঢ়াওক।

*** ***** ***